# শীতকালীন অধিৱেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
### তাৰিখ ঃ ৩০/১২/২০২০ বুধবাৰ

**আজি ইংৰাজী ৩০-১২-২০২০ তাৰিখে অসম বিধান সভাৰ শীতকালীন অধিৱেশনৰ কাৰ্যসূচী ৰাতিপুৱা ০৯-৩০ বজাৰ পৰা অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষঃ** Question No. 41, Sherman Ali Ahmed.
Minister, Water Resource.

**শ্ৰী কেশৱ মহন্ত, জল সম্পদ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি বাঘবৰত ২০১২ চনত বানপানী হোৱাৰ ঠিক আগতে ব্ৰহ্মপুত্ৰৰ dyke নিৰ্মাণ কৰিবলৈ মাৰ্চ-এপ্ৰিল মাহত টকা sanction হৈছিল। সেই সময়ত যদি land acquisition কৰি dyke খন নিৰ্মাণ কৰিবলৈ যায়, তেতিয়া সেই বানপানীৰ আগত মথাউৰি নিৰ্মাণ হৈ নুঠে। তেনে ক্ষেত্ৰত, মই সেই সময়ৰ মন্ত্ৰী তথা বিভাগীয় বিষয়াসকলক সাক্ষাৎ কৰি তেখেতসকলক নিশ্চিতি প্ৰদান কৰিছিলো যে- আপোনালোকে land acquisition ৰ চিন্তা কৰিব নালাগে, মই নিজেই ৰাইজৰ লগত কথা পাতিম, গতিকে আপোনালোকে মথাউৰিটো বনাওঁক। ইয়াৰ পিছত মই মথাউৰিটো বাৰিষাৰ আগত হৈ যাব বুলি ৰাইজক আশ্বাস দিছিলো আৰু মাটিৰ বাবে যি ক্ষতিপূৰণ পাব লাগে সেইখিনি দিয়াৰ ব্যৱস্থা মই কৰিম বুলিও কৈছিলো। কিন্তু, ২০১২ চনৰ পিছত ২০১৬ চনত যেতিয়া নিৰ্বাচন হ'ল, তেতিয়া ৰাইজে মোক প্ৰশ্ন কৰিলে যে- আপুনি আমাক ক্ষতিপূৰণ দিব বুলি কৈছিল, যাৰ বাবে আমি মথাউৰি বনাব দিলো। গতিকে, ৰাইজক সেই ক্ষতিপূৰণ দিব নোৱাৰাৰ বাবে মই তেওঁলোকৰ ওচৰত ক্ষমা খুজিব লগীয়া হ'ল আৰু ২০১৬ চনৰ নিৰ্বাচন শেষ হোৱাৰ পিছতেই ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰি দিম বুলি ক'লো। কিন্তু, অধ্যক্ষ মহোদয়, এতিয়া ২০২১ চনৰ নিৰ্বাচন আহি আছে। মোৰ সন্দেহ হৈছে বোধকৰো এইবাৰো ৰাইজৰ আগত মই ক্ষমা খুজিব লাগিব। সেয়েহে, মই আপোনাৰ যোগেৰে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এইবাৰ যাতে মই ৰাইজৰ ওচৰত আকৌ ক্ষমা খুজিব লগীয়া নহয়।

**শ্ৰী কেশৱ মহন্ত, জল সম্পদ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক শ্বেৰমান আলী ডাঙৰীয়াই ঠিকেই কথা কৈছে। Land acquisition ৰ বিষয়টো অকল জল সম্পদ বিভাগতে সীমাবদ্ধ নহয়, ইয়াত ৰাজহ বিভাগ, চক্ৰ বিষয়া, উপায়ুক্তও জড়িত। তেওঁলোকে দিয়া মাটিৰ হিচাপ আৰু তাৰ বাবে প্ৰয়োজনীয় টকাৰ পৰিমাণ অনুসৰি যি ৰিপ'ট দিব তাৰ ভিত্তিত আমাৰ বাজেটত প্ৰত্যেক বছৰে land acquisition ৰ বাবে বাজেট ৰখা হয় আৰু কেতিয়াবা তেনেধৰণৰ ৰিপ'ৰ্ট নহাৰ ফলত বাজেটটো খৰচ নহয়। সেয়েহে, আমাৰ বাজেটত পুঁজিৰ অভাৱ নাই, পুঁজি আছে, কিন্তু, এই দীঘলীয়া প্ৰক্ৰিয়াটোত তেখেতৰ লগত ময়ো যৌথভাৱে সহযোগ কৰি আছো। উপায়ুক্তলৈ ফোন কৰাই হওঁক বা কাৰোবাক তাগিদা দিয়াই হওঁক, সকলো একেলগে কৰি আছো। ২০১২ বৰ্ষৰ পিছত তেখেতে যেতিয়া এই প্ৰশ্নটো আনিছিল, তেতিয়া আমি চাৰিখন

দিছিলো। তাৰ পিছত উপায়ুক্তৰ কাৰ্যালযৰ পৰা যি তথ্য অনা হৈছিল সেইবোৰ ভুল হৈ আহিছিল। ভুল হৈ অহাৰ কাৰণে আকৌ ঘুৰাই দিয়া হৈছিল। গতিকে, ঠিক তেনেধৰণে এতিয়া যোগাযোগ চলি আছে আৰু তাৰ পৰা এতিয়া তথ্য আহি পাইছে। কিমান মাটি গৈছে আৰু কিমান ক্ষতিপূৰণ পাব এই গোটেইখিনি কথা ৰাজহ বিভাগে ঠিক কৰি দিব। যিহেতু আমাৰ বাজেটত পুঁজি আছে, গতিকে এই ৰিপৰ্টটো পোৱাৰ পিছত আমি ক্ষতিপূৰণ দিবলৈ প্ৰস্তুত আছো। যোৱা বিধান সভাত মাননীয় সদস্য গৰাকীয়ে এটা প্ৰশ্ন উত্থাপন কৰিছিল, তাৰ উত্তৰ আমি দিলো আৰু সেই প্ৰশ্নটোৰ লগত দুয়োটা প্ৰশ্ন আজি মই পঢ়ি চাইছো, ই অলপ আগবাঢ়িছে। কাগজ-পাতি আহি পাইছে। যোৱাবাৰ শুদ্ধ কাগজ-পাতি পোৱা নাছিল। গতিকে, তেখেতৰ লগত মই যৌথভাৱে ৰাজহ বিভাগৰ পৰা কামখিনি যিমান সোনকালে আদায় কৰিব পাৰো, সিমান সোনকালে আদায় কৰাৰ বাবে চেষ্টা কৰিম।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ঠিকেই কৈছে যে এই কথাখিনি অকল জলসম্পদ বিভাগৰ লগত জড়িত নহয়, ইয়াৰ লগতে জিলা উপায়ুক্ত বা civil adminstration ও জড়িত। যিহেতু ইতিমধ্যে ৯ টা বছৰ পাৰ হৈ গ'ল, এতিয়া হাতত কেৱল দুই মাহ সময় আছে, সেয়েহে মই, আপোনাৰ যোগেৰে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে ক'ত কি লেকুণা আছে, সেইবোৰৰ সম্বন্ধে যদি জলসম্পদ বিভাগৰ অতিৰিক্ত সচিবে, civil adminstration ৰ মানুহখিনি আৰু ৰাজহ বিভাগক লগত লৈ যুটীয়া বৈঠক কৰে, তেন্তে এই কামবোৰ নিশ্চয় খৰটকীয়া হ'ব। সেয়েহে, মই আকৌ এবাৰ কৈছো, ২০২১ বৰ্ষত যাতে মই ৰাইজৰ আগত হাত যোৰ কৰিব লগীয়া নহয়।

দ্বিতীয়তে, মই আই-মানাহৰ কথা উল্লেখ কৰিছিলো। মোৰ সমষ্টিৰ মধুফলত Geo bag protection ৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ে ৩.৫০ কোটি দিছিল। Chief Engineer, S.E. সকলো লগ হৈ এদল বিষয়াই তাত গৈ চাই আহিছিল। মোৰ বাঘবৰ সমষ্টিৰ য'ত কাম চলি আছে, তাৰ উজনিত হ'ল বঙাইগাওঁ জিলা, তাত সাংঘাটিক গৰাখহনীয়া হৈ আছে। কিছুদিন আগতে, S.E. পৰ্যায়ৰ এজন বিষয়া তালৈ গৈছিল। Field level ৰ Executive Engineer ৰ লগতে সকলোৱে আশংকা প্ৰকাশ কৰি আছে যে বাঘবৰ অঞ্চলত Geo bag protection কৰা হ'ল, কিন্তু উজনিৰ বঙাইগাওঁৰ ৫০০ মিঃত যদি তৎকালীন ব্যৱস্থা কৰা নহয়, তেন্তে নদীটো ভিতৰ ফালেৰে সোমাই যাব। অৰ্থাৎ মোৰ এই ৩.৫ কোটি টকা পানীত পৰিব। এতিয়া নতুনকৈ টকা sanction দিব পাৰিব নে নাই নাজানো, যিবোৰ projectৰ কথা কৈছে সেইবোৰো হোৱালৈ বহুত সময় লাগিব। কিন্তু, আপুনি জ্ঞাত যে যেতিয়া মধুফলত ক'ভিডৰ বাবে কামবোৰ কৰিব পৰা নগ'ল, তেতিয়া, আপুনি বিষয়াসকলক কৈ upstream ত অলপ bamboo screening ৰ ব্যৱস্থা কৰি দিছিল, যাৰ ফলত মোৰ PWD ৰ ৰাস্তাটো খহনীয়াৰ পৰা বাচি গ'ল। ঠিক তেনেকৈ, বঙাইগাওঁ জিলাৰো upstream ত মধুফল গাঁৱত যি ৫০০ মিঃ আছে, তাত যদি কিবা temporary measure ব্যৱস্থা, অন্ততঃ bamboo screening ও যদি কৰা হয়, তেন্তে ইয়াৰ protection হ'ব আৰু long term ত upstream ত যাতে অত সোনকালে কাম কৰিব পৰা যায়, তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**শ্ৰী কেশৱ মহন্ত, জল সম্পদ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, সদস্যগৰাকীয়ে যিখিনি কথা কৈছে তাত আমি টকা-পইচা মঞ্জুৰী কৰিছো, কিন্তু সেই টকা পাব নে নাই, সেই কথাটো আজি এতিয়াই কোৱাটো টান। তাত ২৪ কোটি ৯০ লাখ ৭ হাজাৰ টকাৰ এটা আঁচনি লোৱা হৈছে।

কিন্তু, সেই আঁচনিটো কাৰ্যকৰী হোৱাৰ ক্ষেত্ৰত কিছু সময়ৰ প্ৰয়োজন হ'ব। তেখেতক যিখিনি টকা দিয়া হৈছে, তাৰ উপৰিও আৰু  কিছু টকা  হ'লে এই কামখিনি বেছি ফলপ্ৰসূ হ'ব বুলি তেওঁ কৈছে। Upstream ত যদি কাম কৰা নাযায় তেন্তে কিছু অসুবিধা হ'ব পাৰে। কিন্তু, আঁচনি হিচাপে আমি ৩ কোটি ৫০ লাখৰ এখন, ১ কোটি ৯০ লাখৰ এখন, ৩ কোটিৰ আন এখন আৰু ২ কোটি ৫০ লাখ টকাৰ এখন মিলি কেইবাখনো আঁচনি দিছো। এই গোটেই অঞ্চলটোত খহনীয়াৰ ভয়াৱহতা দূৰ কৰিবলৈ ভালেকেইখন আঁচনি ইতিমধ্যে লোৱা হৈছে। গতিকে, তাত আমি যিখিনি চেষ্টা কৰিব পাৰো, সেইখিনি চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষঃ** Next, Question No.42- Brindaban Goswami, তেওঁ অনুপস্থিত।
Question No.43- Sahab Uddin Ahmed. Minister please.

**শ্ৰী কেশৱ মহন্ত, জল সম্পদ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী চাহাব উদ্দিন আহমেদ, (জলেশ্বৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৬-১৭ চনত মোৰ জলেশ্বৰ সমষ্টিত নিৰ্মাণ কৰা মথাউৰিটো প্ৰায় ৩.৫ কিঃমিঃ অঞ্চল  সুদীৰ্ঘ ৫ বছৰ ধৰি মুকলি হৈ আছিল। আমাৰ চৰকাৰ অহাৰ পিছত মাননীয় জলসম্পদ মন্ত্ৰীৰ লগত যোগাযোগ কৰি মথাউৰিটো বন্ধাৰ বাবে সক্ষম  হৈছিলো আৰু তাৰ বাবে  মন্ত্ৰী মহোদয়ক  মই ধন্যবাদ  জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, দুৰ্ভাগ্যজনক  কথা হ'ল যে, তাত প্ৰায় ৭০টা পৰিয়ালে মাটি এৰি দিছিল আৰু আজি সেই পৰিয়ালৰ থকাৰ কোনো ব্যৱস্থা নাই। সেই অধিগ্ৰহণ কৰা মাটিৰ যি মূল্য, সেই মূল্য এতিয়ালৈকে পোৱা নাই, যাৰ ফলত, মাননীয় সদস্য শ্বেৰমান আলী ডাঙৰীয়াৰ দৰে ৰাইজৰ আগত ক্ষমা খুজিব লগীয়া পৰিস্থিতি মোৰো হৈছে। যিহেতু নিৰ্বাচন সমাগত, এই অঞ্চল সমূহত সোমোৱাটো আমাৰ বাবে কষ্টকৰ হৈছে। ৰাইজে আমাক কয় যে-  আপোনালোকে চল-চাতুৰি কৰি মাটিখিনি ল'লে কিন্তু আমাক তাৰ ক্ষতিপূৰণ আজিলৈকে দিয়া নাই। সেয়েহে, মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যে অতি সোনকালে যাতে  এই টকাখিনি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে। আনহাতে, তাত যি কেইজন ঠিকাদাৰে কাম কৰিছিল, সেই ঠিকাদাৰকেইজনে আজিলৈকে টকা পোৱা নাই। এই ক্ষেত্ৰত মই প্ৰশ্ন উত্থাপন কৰোঁতে চৰকাৰৰ তৰফৰ পৰা উত্তৰ আহিছিল যে- ইতিমধ্যে ৰাজ্যিক অংশৰ সম্পূৰ্ণ পুঁজি মোকলাই দিয়া হৈছে আৰু ইয়াৰ পৰিমাণ ৩৭১.৭৬১ লাখ টকা। কেন্দ্ৰীয় অংশৰ পুঁজি এতিয়ালৈ মোকলাই দিয়া হোৱা নাই, মোকলাই দিবলৈ থকা বাকী কেন্দ্ৰীয় অংশৰ পৰিমাণ হ'ল ৫১০.৩৯ লাখ টকা। আন এখন আঁচনিৰ  নাম আছিল- "Construction of Retirement of B/Dyke from Balikuchi to Beldobi from Ch. 33.94 (at Jaleswar) connecting to DRDA Bund at Nichinpur including A/E measures. নিচিনপুৰ মোৰ সমষ্টিৰ অন্তৰ্গত আৰু জিলা ধুবুৰী আৰু বাকখিনি গোৱালপাৰা জিলাৰ অন্তৰ্গত। এই আঁচনিৰ প্ৰাক্কলন মূল্য আছিল, ২৪৪৮.৯৩ লাখ টকা। ইতিমধ্যে ৰাজ্যিক অংশৰ পুঁজি সম্পূৰ্ণ মোকলাই দিয়া হৈছে। মোকলাই দিয়া ৰাজ্যিক অংশৰ পৰিমাণ  ৪৬৩.৩৪৩ লাখ টকা। কেন্দ্ৰীয় অংশৰ পুঁজি এতিয়ালৈকে  মুকলি কৰা হোৱা নাই, মোকলাই দিবলৈ বাকী থকা কেন্দ্ৰীয় অংশৰ পৰিমাণ  ৮৭৩.৭৮ লাখ টকা। ইতিমধ্যে ঠিকাদাৰ সকলক কিছু অংশ ধন আদায় কৰা হৈছে বুলি ঘোষণা কৰা হৈছে। কিন্তু, ঠিকাদাৰে এক টকাও পোৱা নাই য'ত তেওঁলোকে Management ৰ নামত Engineer ক ৰুম, লেট্ৰিন, বাথৰুম  বনাই দিয়াৰ লগতে অন্যান্য official expenditure ৰ  নামত টকা খৰচ কৰিছে। ই এক দুৰ্ভাগ্যজনক কথা। গতিকে, আপোনাৰ

জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এই ক্ষেত্ৰত যাতে মাননীয় মন্ত্ৰী মহোদয়ে হস্তক্ষেপ কৰে আৰু এই দুখীয়া মানুহখিনিক অতি শীঘ্ৰেই ক্ষতিপূৰণ দি তেওঁলোকে যাতে অন্য স্থানত মাটি ক্ৰয় কৰি বসবাস কৰাৰ সুবিধা কৰি দিয়ে । ধন্যবাদ।

**শ্ৰী কেশৱ মহন্ত, জল সম্পদ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে দুটা কথা কৈছে। এটা হ'ল মাটিৰ ক্ষতিপূৰণ নোপোৱা। গতিকে, মাটিৰ পইচাৰ ক্ষেত্ৰত উত্তৰটো বেলেগ নহয়, উত্তৰ একেটাই। Land Acquisition ৰ বাবে আমাৰ বাজেটত ব্ৰহ্মপুত্ৰ উপত্যকাত ৪ কোটি ৭৫ লাখ আৰু বৰাক উপত্যকাত ১০ কোটি ৪৫ লাখ টকা আছে। কিন্তু, সঠিক ৰিপ'ৰ্ট নথকাৰ বাবে আমি টকাখিনি দিব পৰা নাই। অধ্যক্ষ মহোদয়, মোৰ নিজৰো অভিজ্ঞতা আছে যে- কলিয়াবৰৰ Land Acquisition ৰ টকা মোকলাই আনোতে মুঠ ৮ বছৰ সময় লাগিছে, বিধায়ক হিচাপে ৫ বছৰ আৰু মন্ত্ৰী হিচাপে ৩ বছৰ। গতিকে, এই প্ৰক্ৰিয়াটো সৰলীকৰণ নকৰাৰ ফলত আমাৰ বাজেটত সদায় টকা থাকি যায় আৰু lapse হৈ যায়। ফলত, land acquisition ৰ টকাখিনি আমি দিব নোৱাৰো। জলসম্পদ বিভাগে কেৱল টকাখিনি মোকলাই দিবহে লাগে, তাৰ আগৰ প্ৰক্ৰিয়াখিনি আমাৰ বিভাগে নকৰে। সেয়েহে, আমি আশা কৰিছো, এই প্ৰক্ৰিয়াটো যদি অলপ সৰলীকৰণ হয় তেন্তে নিশ্চয় এই টকাখিনি আমি মোকলাই দিব পাৰিম যাৰ ফলত মাটি অধিগৃহীত দুখীয়া মানুহখিনি উপকৃত হ'ব।

দ্বিতীয়তে , তেখেতে দুটা আঁচনিৰ কাম হোৱাৰ কথা কৈছে। এটা আঁচনিৰ প্ৰাক্কলন মূল্য আছিল ২৪৪১.৬০ লাখ টকা আৰু আনটো আঁচনিৰ প্ৰাক্কলন মূল্য আছিল ২৪৪৮.৯৩ লাখ টকা । এই দুয়োটা আঁচনিয়ে আগৰ চৰকাৰৰ দিনত FMP আঁচনি হিচাপে আহিছিল। অধ্যক্ষ মহোদয়, আপুনি শুনিলে আঁচৰিত হ'ব যে- এই ২৪ কোটি টকাৰ আঁচনিখনত ঠিকাদাৰৰ সংখ্যা আছিল ৩৪৪ জন আৰু ইমান কেইগৰাকী ঠিকাদাৰ হোৱাৰ পিছতো কোনোবাগৰাকী ঠিকাদাৰক যদি সময়ত বিচাৰি পোৱা নাযায় তেন্তে আন কোনোবা গৰাকীয়ে আকৌ কাম কৰা নাই। তাৰ পিছত কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ দলে যেতিয়া joint visit কৰিব গৈছিল, তেতিয়া ঠিক কৰা হৈছিল যে কিমানখিনি কাম আমি নকৰাকৈ এৰি দিব লাগিব। ফলস্বৰূপে আমি ৩৬% কাম কৰি বন্ধ কৰিব লগা হ'ল। গতিকে কামটো বন্ধ কৰাৰ পিছত ৰাজ্য চৰকাৰৰ অংশটো ঠিকাদাৰক দিয়াৰ পিছত কেন্দ্ৰীয় চৰকাৰৰ অংশটো এতিয়া বাকী আছে। কেন্দ্ৰীয় চৰকাৰৰ অংশৰে কৰিবৰ বাবে, যি কৰিব লাগে সেইখিনি কৰি ইতিমধ্যে ব্ৰহ্মপুত্ৰ বোৰ্ডৰ যোগেৰে দিয়া হৈছে, গতিকে সেইখিনি আমি পাম বুলি আশা কৰিছো, যিহেতু কেন্দ্ৰীয় চৰকাৰৰ বাজেটত আছে।

অধ্যক্ষ মহোদয়, ইয়াৰোপৰি, ৮৭৩.৭৮ লাখ টকাৰ আঁচনিখনত ২৮১ জন ঠিকাদাৰ আছিল। ২৮১জন ঠিকাদাৰৰ দ্বাৰা কাম কৰাই আমি ৫৪% কাম আদায় কৰিবলৈ সক্ষম হৈছো। তাৰ পিছত, এই কামটোও বন্ধ কৰিব লগা হ'ল। কেন্দ্ৰীয় চৰকাৰৰ জলশক্তি বিভাগৰ দল আৰু অসম চৰকাৰৰ জলসম্পদ বিভাগৰ দলে joint visit কৰি কামটো সেইখিনিতে বন্ধ কৰাৰ বাবে ঠিক কৰিলে। তাৰ পিছত, আমি state share টো দি দিলো, Central Govt. ৰ যিখিনি টকা, সেইখিনি ইতিমধ্যে দিয়া হৈছে, সেইখিনি আহিলে তেখেতে যিখিনি কথা কৈছে, সেইখিনিও পোৱা যাব। যি আশা কৰি সেই আঁচনিবোৰ লোৱা হৈছিল, সেইধৰণে তাৰ কাম সম্পূৰ্ণ নহ'ল। সেইকাৰণে ৰাজ্য চৰকাৰে তাত নতুন আঁচনি ল'ব লগা হৈছে। কেন্দ্ৰীয় পুঁজিৰ বাবে যি Monitoring Status Report, সেইখন ব্ৰহ্মপুত্ৰ বোৰ্ডৰ যোগেৰে চলিত বৰ্ষত কেন্দ্ৰীয় চৰকাৰলৈ পঠিওৱা হৈছে আৰু আমি অতি সোনকালে পুঁজি মোকলাই পাম বুলি আশা কৰিছো। পুঁজি আহিলেই আমি এই

টকাখিনি দিব পাৰিম। অধ্যক্ষ মহোদয়, এই গোটেই প্ৰতিচ্ছবি মই দাঙি ধৰিলো আৰু আপোনালোকে বিবেচনা কৰিব। আমাৰ দায়িত্ব হিচাপে ৰাজ্য চৰকাৰৰ share দিয়াৰ পিছত, কেন্দ্ৰীয় চৰকাৰৰ share পাব পৰাৰ যিখিনি norms সেই সকলোখিনি পূৰণ কৰিছো, গতিকে কেন্দ্ৰীয় চৰকাৰৰ পৰা আমি নিশ্চয় পুঁজি পাম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** চাহাব উদ্দিন আহমেদ।

**শ্ৰী চাহাব উদ্দিন আহমেদ, বিধায়ক (জলেশ্বৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি কথা ক'লে তাত প্ৰকৃততে মই সন্তুষ্ট হ'ব পৰা নাই। কাৰণ যিখিনি মথাউৰিৰ কথা কৈছে সেইখিনি ইতিমধ্যে সম্পূৰ্ণ হৈছে। আমাৰটো আছিল FMP আঁচনিৰ ফালৰ পৰা। কিন্তু তেওঁ বহু পুৰণি কথাৰ referance দি গ'ল, সেই বিষয়ে মই ক'ব বিচৰা নাই। মোৰ কামটো সম্পূৰ্ণ হোৱাৰ আশা ৰাখিছো আৰু লগতে মন্ত্ৰী মহোদয়ক মই জনাব বিচাৰিছো যে যোৱা যিটো Flood হ'ল অসমৰ ভিতৰতে মোৰ সমষ্টি বেছি ক্ষতিগ্ৰস্ত হৈছে। প্ৰায় দুই আঢ়ৈ কোটি টকাৰ জান-মাল, পশুধনকে আদি কৰি খেতিৰ মাটি নষ্ট হৈ গ'ল। আমাৰ চিলাৰভিটা গোটেই অসমতে বিতংভাৱে আলোড়নৰ সৃষ্টি কৰিছিল। লগতে অসম চৰকাৰক ধন্যবাদ দিছো যে অতি কম সময়ৰ ভিতৰতে তেখেতসকলে **১১** কোটি টকাৰ চেংচন কৰিছে। কিন্তু মই সন্তুষ্ট নহয় কাৰণ আমাৰ বিভাগীয় কৰ্তৃপক্ষই চাৰ্ভে কৰি **১৯** কোটি **৯২** লাখ টকাৰ এটা চেংচন দিছিল। আমাৰ দৃষ্টিত Disrict Disaster Management Committee য়ে এইখন পাচ কৰি দিছিল আৰু State Disaster Management Committee ও পাচ হ'ল, আমাৰ State Empowered Committee ৰ পৰাও এইটো পাচ হৈ আহিল। কিন্তু আমি জনা মন্ত্ৰী মহোদয়ৰ টেবুলত অহাৰ পিচত বা তেওঁলোকৰ তাত অহাৰ পিছত **১৯** কোটি **৯২** লাখ টকাৰ সলনি **১১** কোটি টকা চেংচন কৰা হ'ল। এইখিনি টকা এপাচি শাকত এটা জলকীয়াৰ নিচিনা কথা হৈছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো যাতে টকাখিনি যদি অলপ বঢ়োৱা যায়, আমাৰ ঠাইখিনি নিশ্চয় অলপ সুৰক্ষিত হ'ব আৰু আমাৰ জলেশ্বৰ সমষ্টিৰ অনাগত দিনত বিপৰ্য্যয়ৰ পৰা বঞ্চিত হ'ব। মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে টকাখিনি **১৪** ৰ পৰা **১৫** কোটিলৈ টকা দিয়া যায়, হয়তো আমি অলপ হ'লেও সকাহ পাম। মথাউৰি নিৰ্মাণ তথা প্ৰতিৰক্ষা কৰি আমাৰ এই অঞ্চলৰ মানুহখিনিক সুৰক্ষিত কৰিব পাৰিম বুলি মোৰ এটা বিশ্বাস। মই মন্ত্ৰী মহোদয়ক এইখিনি কথা আন্তৰিকতা আৰু সহানুভুতিৰে বিবেচনা কৰিবলৈ অনুৰোধ জনালো। ধন্যবাদ।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, জলসম্পদ বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে আগৰ উত্তৰটোত এটা কথা কৈ গ'ল, কিন্তু মই তেখেতে উল্লেখ কৰা দুইটা মথাউৰিৰ উত্তৰটো গোটেইখিনি তথ্য সহকাৰেহে দিছো। মই এইখিনি অন্যধৰণে কোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে এটা অনুৰোধ কৰিছে। শেষত সেইটো ক'লেই হ'ব।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, জলসম্পদ বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে প্ৰথমতে ক'লে যে মই আগতে কোৱা উত্তৰত তেখেত সন্তুষ্ট নহয়। কিন্তু এই দুয়োটা মথাউৰিত বৰ্তমান যিটো তথ্য আছে, সেই হিচাপেহে Status টো দাঙি ধৰিছো। এই ক্ষেত্ৰত negative নহয় আৰু পইচা পাব। আমি সেই মতে ঠিক কৰিছো। তেওঁ দ্বিতীয় যিটোৰ কথা ক'লে । SDRF ত এইবাৰ যিখিনি পইচা আহিল শেহতীয়াভাৱে সেইখিনি পইচা জলসম্পদ বিভাগক দিছে। কিন্তু যিমান আঁচনি আছে সেই সকলোতে যেতিয়া টকা-পইচা দিবলগীয়া হৈছে সেইটো হয়তো ১১ কোটি টকালৈ আহিল। প্ৰাক্কলনটো ১৯ কোটি টকাৰ আছিল, সেইটো ১১

কোটি টকালৈ আহিল। তেনেকৈ কোনোবাই ২.৫০ কোটি দিছিল। সেইটো ১ কোটি বা ১.৫০ কোটি টকালৈ আহিল। কাৰণ টকা-পইচা চাই সকলো ঠাইতে কাম কৰিবলগীয়া হোৱা বাবে টকাটো কমিছে। গতিকে ইয়াত যদি technically চাওঁ যে কিবা সমস্যা ৰৈ যায় তেতিয়াহ'লে আমি পুনৰ বিবেচনাৰ বাবে যিখিনি ব্যৱস্থা কৰিব লাগে সেইখিনি কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ওয়াজেদ আলি চৌধুৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী ওয়াজেদ আলি চৌধুৰী, বিধায়ক (দক্ষিণ শালমৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জলেশ্বৰ সমষ্টি আৰু মোৰ সমষ্টি Adjoning. সেই কাৰণে মই Supplementory আনিছো। প্ৰথম কথা হ'ল যে FMP অধীনত কাম কৰা ঠিকাদাৰসকলে মোৰ সমষ্টি ফকিৰগঞ্জত ও কাম কৰিছিল। সেইটো আগৰ চৰকাৰৰ কাৰ্য্যকালৰ শেষৰফালে কৰিছিল আৰু এই চৰকাৰ অহাৰ পিছত কামখিনি সম্পূৰ্ণ হ'ল।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, জলসম্পদ বিভাগ ইত্যাদি ঃ** তেওঁলোকে State Share পাইছেনে?

**শ্ৰী ওয়াজেদ আলি চৌধুৰী, বিধায়ক (দক্ষিণ শালমৰা) ঃ** তেওঁলোকে State Share হয়তো পাইছে, সেই বিষয়ে মই ডিটেইলচ নাজানো। কিন্তু তেওঁলোকে পইচা পোৱা নাই বুলি সদায় কৈ থাকে আৰু সেইদিনাও Memorandum দিছে। দ্বিতীয় কথাটো হ'ল যে যোৱা বিধান সভাত মাননীয় মন্ত্ৰী মহোদেয়ে মোৰ সমষ্টিত দুখন আঁচনিৰ কথা Assurance দিছিল। এটা হ'ল ফকিৰগঞ্জৰ পৰা হাজিৰ হাটলৈকে। ২৪৯ কোটি টকাৰ World Bank ৰ এটা প্ৰাক্কলন প্ৰস্তুত কৰিছে বুলি কৈছিল। সেইখিনিৰ অগ্ৰগতি সম্পৰ্কে জানিব বিচাৰিছো আৰু এখন আঁচনি আমাৰ যিটো পাণপাৰা চুকলাৰপাৰৰ যিখন বজাৰ ছিঙি গৈছিল, তাত সুকীয়াকৈ গড়াখহনীয়া ৰোধৰ বাবে এখন আঁচনি দিয়াৰ কথা আপুনি কৈছিল। সেই আঁচনি দুখনৰ বিষয়ে বিশেষভাৱে জানিব বিচাৰিছো।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, জলসম্পদ বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা কৈছে ইয়াত আমাৰ কিছু আঁচনি ধৰা হৈছে। World Bank ৰ যিখন আঁচনি সেইটো ইতিমধ্যে প্ৰক্ৰিয়াত আছে। আমাৰ টীমে World Bank ৰ লগত লগ হৈ যিখিনি কৰিব লাগে সেইখিনি কৰি আছে আৰু প্ৰায় ১৫০০ কোটি টকাৰ কাম হৈ আছে। আপুনি যিটো FMP ৰ কথা ক'লে আপোনাৰ খিনিও নিশ্চয় তাত আছে, কাৰণ সকলো টকা পইচা আমি State Share দি বাকী শ্বেয়াৰৰ কাৰণে দিছো। সেইখিনি নিশ্চয় ফেব্ৰুৱাৰী মাৰ্চৰ ভিতৰত পইচা আহিব। মাননীয় অধ্যক্ষ মহোদয়, সদনত এটা শেহতীয়া তথ্য আগবঢ়াব বিচাৰিছো যে খহনীয়া গ্ৰস্ত অঞ্চল ৭২,৫৪,৭১০ বিঘা মাটি আগতে তথ্যটো বহুত কম আছিল। ২৩ খন জিলাত ৭২,৫৪,৭১০ বিঘা মাটি গৰাখহনীয়াত আমি হেৰুৱাইছো। আগতে স্বাধীনোত্তৰ কালত ৪ লাখ আছিল এতিয়া বাঢ়ি বাঢ়ি প্ৰায় ৭২ লাখ হ'ল। আজি সদনত কেইবাজনেও এই তথ্যৰ বিষয়ে সুধি আছিল। আমি সদায় লিখো যে ৰাজহ বিভাগৰ ফালৰ পৰা তথ্য পোৱা নাই কাৰণে দিয়া হোৱা নাই। ৰাজহ বিভাগৰ ফালৰ পৰা আজি আমি তথ্য পালো। সেইকাৰণে আজি এই তথ্যটো সকলোৰে কাৰণে সদৰি কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আব্দুল ৰছিদ মণ্ডল ডাঙৰীয়াই কওঁক।

শ্ৰী **আব্দুল ৰছিদ মণ্ডল, বিধায়ক (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো মথাউৰিৰ কথা কোৱা হৈছে, এই মঠাউৰিটো গোৱালপাৰা জিলাৰ খৰমুজাৰ পৰা নিচিনপুৰলৈ , এই মথাউৰিটোৱে দুটা সমষ্টি ক'ভাৰ কৰে। খৰমুজা পশ্চিম গোৱালপাৰা সমষ্টি এইটো আৰম্ভণি পইণ্ট আৰু ইয়াৰ পৰা জলেশ্বৰৰ নিচিনপুৰ হৈছে শেষ পইণ্ট। মাননীয় মন্ত্ৰী মহোদয়ে যি দুটা

আঁচনিৰ কথা FMP ৰ অধীনত কৈছে- ২৪ কোটি আৰু ৮ কোটি টকা। সম্ভৱত মাননীয় মন্ত্ৰী মহোদয়ে এইটো ভুলকৈ কৈছে। এইটো ৮ কোটি নহয়, ২৮ কোটি হ'ব। কাৰণ এই আঁচনি দুটা যেতিয়া প্ৰস্তুত কৰা হৈছিল, সেইসময়ত মই নতুনকৈ বিধায়ক হৈ আহিছিলো আৰু আঁচনি কেইটা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত মোৰ যথেষ্ট প্ৰচেষ্টা আছিল। কিন্তু দুৰ্ভাগ্য এইখিনিতে ইতিমধ্যে মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে যে কাম বিভাগে ৫৪ শতাংশ আৰু ৩৬ শতাংশ যদিও বিভাগে ৰিপোৰ্ট কৰিছে এইটো শুদ্ধ নহয়।এই বিষয়ে মন্ত্ৰী মহোদয়ক কেতিয়াবা মৌখিকভাৱে কৈছিলো। আঁচনিখন যেতিয়া প্ৰস্তুত বা ৰূপায়ণ কৰা হৈছিল, সেই সময়ৰ যিটো Alignment আৰু এতিয়াৰ Alignment একেই হৈ থকা নাই। যেনেকৈ জলেশ্বৰ সমষ্টিৰ চিলাভিটা ছিঙিছে, সেইটো ২৮ কোটি টকাৰ আছিল আৰু পশ্চিম গোৱালপাৰাৰ শ'লমাৰি অঞ্চলত ২৪ কোটি টকাৰ আঁচনি ছিঙিছে। ইতিমধ্যে বিভাগে চাৰ্ভে কৰি বাকী থকা কামৰ কাৰণে ভাৰত চৰকাৰে যিখিনি লিখিছে, সেই টকাখিনি আঁচনিখিনিৰ কাৰণে চেংচন হৈ আহিলেও এই আঁচনিকোইটা কিন্তু অসমাপ্ত হৈ থাকিব। কাৰণ দুয়োটা ঠাইতে একেবাৰে ছিঙা অৱস্থাত আছে। সেয়েহে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে আজিৰ তাৰিখলৈকে ভাৰত চৰকাৰে যি এষ্টিমেট পঠিয়াইছে সেই দুয়োটা এষ্টিমেটৰে পুনৰ নিৰীক্ষণৰ প্ৰয়োজন আছে। কাৰণ চেংচন হৈ অহাৰ পিছত কাৰ্য্যকৰী কৰোতে পুনৰ আসোঁৱাহ থাকি যাব। সেয়েহে এই কথাখিনিৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিবৰ সুবিধা দিয়াৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়াক।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, জলসম্পদ বিভাগ ইত্যাদি** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিখিনি পৰামৰ্শ দিছে মই সেইখিনি চাই লম। ইয়াত আঁচনিৰ কথা কৈছে সেইখিনি এনেকুৱা হয় যে এইবাৰ আঁচনিটো চাৰ্ভে কৰি লোৱা হ'ল কিন্তু মাজত এটা বানপানী আহি গ'ল আৰু আঁচনিটো চেংচন হওঁতে হওঁতে দুটা বানপানী আহি গ'ল। এই ক্ষেত্ৰত আঁচনিটো ৰূপায়ণৰ ক্ষেত্ৰত কিছু সালসলনি কৰিবলগীয়া হ'ল। যদি তেনেধৰণৰ কথা থাকে তেতিয়া সেইটো Working revice Estimate কৰি কৰা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ পৰৱৰ্তী প্ৰশ্ন নং ৪৪ দুৰ্গা ভূমিজ। মাননীয় চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে কওঁক।

**শ্ৰী সঞ্জয় কিষাণ, মন্ত্ৰী, চাহ জনজাতি কল্যাণ বিভাগ** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী দুৰ্গা ভূমিজ, বিধায়ক (ডুমডুমা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰ মই পাইছো। কিন্তু উত্তৰটো মই সন্তুষ্ট নহয়। ডুমডুমা ছাত্ৰী নিবাস টো যোৱা ২০১০ চনতে নিৰ্মাণ হৈছিল আৰু মুকলি কৰিবলৈ মই মন্ত্ৰী মহোদয়ক জনাইছিলো। কিন্তু কেতিয়া মুকলি কৰিব সেইটোৰ সঠিক উত্তৰটো নাই। শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰীসকলে ভাড়াঘৰত থাকিবলগীয়া হয়, যাৰ কাৰণে ছাত্ৰী নিবাসটো মুকলি কৰিব লাগে। সেয়েহে মই জানিব বিচাৰিছোলো যে সেইটো কোনদিনা, কোন তাৰিখত মুকলি হ'ব । সেই বিষয়ে উত্তৰ দিয়া নাই, মেৰামতি সম্পৰ্কেহে উত্তৰ দিছে। কিন্তু মেৰামতিৰ কাম অতি লেহেমীয়া গতিত আগবাঢ়িছে। পানীৰ টেংকিটো অতি সৰু তাৰ পৰাই অনুমান কৰিব পাৰি যে মেৰামতিৰ কামত হয়তো বহুদিন লাগিব। যোৱা বাজেটৰ ১১ মাৰ্চ মন্ত্ৰী মহোদয়ে একে কথাই কৈছিল যে চকীদাৰ আৰু ৰান্ধনি নিযুক্তি হ'লেহে আমি এইখিনি মুকলি কৰি দিব পাৰিম। কিন্তু মই ভাৱিছো যে মন্ত্ৰী মহোদয়ে হয়তো চাহ শ্ৰমিক কল্যাণ পৰিষদৰ আয়ুক্ত

গৰাকীয়ে বিপথে পৰিচালিত কৰিছে। গতিকে তেওঁ যোৱা বাজেটৰ ১১ মাৰ্চ তো যি উত্তৰ দিছিল আজিও একে উত্তৰে দিছে আৰু বিধান সভা বহিলে হয়তো একে উত্তৰেই দিব। সেয়েহে মই পোনপটীয়া উত্তৰ বিচাৰিছো যে কেতিয়া ছাত্ৰী নিবাস মুকলি হ'ব আৰু কেতিয়া মেৰামতিৰ কাম শেষ হ'ব তাৰ এটা তাৰিখ দিব লাগে। মই ভাৱো বিপথে পৰিচালিত কৰা আয়ুক্ত গৰাকীক স্বেচ্ছামূলক অৱসৰ দি পঠিয়াই দিব লাগে। যিহেতু তেওঁ কামৰ মানুহ নহয়। মই এইখিনি উত্তৰেই বিচাৰিছো।

**শ্ৰী সঞ্জয় কিষাণ, মন্ত্ৰী, চাহ জনজাতি কল্যাণ বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা বিধান সভাত মাননীয় সদস্য গৰাকীয়ে এই প্ৰশ্ন উত্থাপন কৰিছিল আৰু বিধান সভা শেষ হোৱাৰ পিছত ভূমিজ ডাঙৰীয়া আৰু মই গৈ ছাত্ৰী নিবাস দৰ্শন কৰিছিলো। তাত যিখিনি যাৱতীয় কামকাজ কৰিবলগীয়া আছে তাৰ বাবে নিৰ্দেশ দিছিলো যদিও সেই সময়তে কৰ'ণাৰ যি ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হ'ল আমাৰ কামসমূহ ঠিকমতে আগুৱাই যাব নোৱাৰিলে। যেতিয়াই কৰ'ণা কিছু সাম কাটিলে তাৰ পিছতে আমি তাৰ মেৰামতিৰ কাম সম্পূৰ্ণ কৰি থৈছো। পানী যোগান আঁচনিটো যোৱাটো চৰকাৰৰ দিনত কৰা নাছিল। ইতিমধ্যে পানী যোগান আঁচনিৰ কাম আমি সম্পূৰ্ণ কৰিলো। তাত বিদ্যুৎৰ ব্যৱস্থা নাছিল আৰু আমি বিদ্যুৎ ব্যৱস্থাৰ কাম সম্পূৰ্ণৰূপে কৰিলো আৰু যিখিনি কৰিবলগীয়া কাম আছিল সেইখিনিও কৰিলো। তাত যোৱা চৰকাৰৰ দিনত যি টিং লগোৱা আছিল, নাজানো ক'ৰ পৰা আনিছিল, তাৰ মাজেৰে কেৱল তৰাই নহয় গোটেই বিশ্বকৰ্মা খনেই দেখা পোৱা যায়। গতিকে আমি কাম আৰম্ভ নকৰোতেই গোটেই টিং বদলাবলগীয়া হ'ল। মই বিশ্বাসেৰে সদনত ক'ব বিচাৰিছো যে বিহুৰ পিছতে দুৰ্গাভূমিজ ডাঙৰীয়া আৰু মই এই ছাত্ৰী নিবাসটো শুভাৰম্ভ কৰিবৰ কাৰণে সক্ষম হম। চকীদাৰ আৰু ৰান্ধনি আমাৰ বিভাগে নিযুক্তি দিব লাগিব আৰু মই নিৰ্দেশ দিছো যে খুব সোনকালে এখন মিটিং পাতি চকীদাৰ আৰু ৰান্ধনিৰ ব্যৱস্থাটো কৰি লম। আমাৰ বিধায়ক ডাঙৰীয়া এই কথা অৱগত কৰিছো। ইতিমধ্যে প্ৰায়ভাগ কামেই সম্পূৰ্ণ হৈছে আৰু বিহুৰ পিছতে দুৰ্গাভূমিজ ডাঙৰীয়া আৰু মই এই ছাত্ৰী নিবাসটো শুভাৰম্ভ কৰিম।

**শ্ৰী দুৰ্গা ভূমিজ, বিধায়ক (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰত মই এতিয়াও সন্তুষ্ট নহ'লো। বিহুৰ পিছত মানে মাৰ্চ মাহলৈ যাব নেকি? ৰান্ধনি আৰু চকীদাৰৰ নাম আমি ইতিমধ্যে প্ৰেৰণ কৰিছো। সেয়েহে ক্ষীপ্ৰতাৰে সম্পূৰ্ণ কৰিবলৈ অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এই বিষয়ে সুধিবলৈ ফেব্ৰুৱাৰী মাহত পুনৰ এটা সুযোগ পাব। আপুনি জানুৱাৰী মাহলৈ অপেক্ষা কৰক। নহ'লে মোকো লগ ধৰিব। এতিয়া প্ৰশ্ন নং-৪৫, অতুল বৰা ডাঙৰীয়া।

**শ্ৰী নৱ দলে, মন্ত্ৰী, সাংস্কৃতিক বিভাগ ইত্যাদি ঃ** প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী অতুল বৰা, বিধায়ক (দিছপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক যেতিয়া সাংস্কৃতিক বিভাগৰ ফালৰ পৰা ফোন কৰা হৈছিল যে ৫০লাখ টকাৰ ৰঙ্গমঞ্চৰ বাবে ঠাই এডোখৰ দিবৰ বাবে। মই স্থানীয় ৰাইজৰ লগত আলোচনা কৰি ক্ষেত্ৰীৰ হেলাগোগত এই মঞ্চৰ ঠাই ঠিক কৰিছিলো। তাৰ পিছত যোৱা বছৰ নৱেম্বৰৰ ২০ তাৰিখে এটা আধাৰশিলাও স্থাপন কৰিলো। ঠিকাদাৰে কাম নকৰা দেখি ৰাইজে সন্দেহ প্ৰকাশ কৰিলে যে এইটো কি হৈছে। মই সেইকাৰণে প্ৰশ্নটো উত্থাপন কৰিলো আৰু ইয়াৰ কাৰণটো হৈছে যে তেওঁ এটকাও পোৱা নাই আৰু কামটো হাউচফেডৰ দ্বাৰা কামটো কৰা নাইছল। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে যদি টকা নাছিলেই এই ধৰণৰ আধাৰশিলাৰ কাৰ্য্যসূচী ল'ব নালাগিছিল। কাৰণ মই য'ত আধাৰশিলা কৰিম তাত কাম

হ'বই লাগিব। কাৰণ মই এনেকুৱা মন্ত্ৰী বা বিধায়ক নহয় যে আধাৰশিলা স্থাপন কৰিম আৰু কামখিনি ১০-২০ বছৰলৈকে নহ'ব। সেয়েহে মন্ত্ৰী মহোদেয়ে উত্তৰটো দিলে মই ভাল পাম।

**শ্ৰী নৱ দলে, মন্ত্ৰী, সাংস্কৃতিক বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৰা ২০১৮-১৯ বিত্তীয় বৰ্ষত হেলাগোগত এটা ৰঙ্গমঞ্চ নিৰ্মাণৰ বাবে চৰকাৰৰ ফালৰ পৰা ৫০ লাখ টকাৰ এটা পুঁজি অনুমোদন হৈছিল আৰু এইটো নিৰ্মাণৰ বাবে হাউচফেডক দায়িত্ব দিছিলো আৰু ইতিমধ্যে হাউচফেডে ২০১৯-২০ বৰ্ষত কামখিনি আৰম্ভ কৰিছিল। ইতিমধ্যে প্ৰায় ৪৯ শতাংশ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। কিন্তু ২০১৯-২০ বৰ্ষত এই শিতানত পুঁজি আৱণ্টন নথকাত এইবাৰ অতিৰিক্ত মঞ্জুৰী পুঁজিৰ বাবে ২০২০-২১ বৰ্ষত বিত্তবিভাগক যোগাযোগ কৰি থকা হৈছে আৰু পুঁজি আৱণ্টন হোৱাৰ লগে লগে এই কাম সম্পূৰ্ণ ক ৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। পৰৱৰ্তী প্ৰশ্ন-৪৬। ড০ নোমল মোমিন। তেখেত অনুপস্থিত। পৰৱৰ্তী প্ৰশ্ন-৪৭। ৰেকিবুদ্দিন আহমেদ। তেখেত অনুপস্থিত। পৰৱৰ্তী প্ৰশ্ন-৪৮। আবুল কালাম ৰশিদ আলম।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, জলসম্পদ, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী আবুল কালাম ৰশিদ আলম, বিধায়ক (পূব গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন জিলাত বিজ্ঞান কেন্দ্ৰ স্থাপন হ'ব বুলি আৰু স্থাপন কৰা হৈ আছে বুলি উত্তৰ দিছে। মই বিশেষকৈ বিচাৰিছো যে গোৱালপাৰা জিলাৰ যিটো বিজ্ঞান কেন্দ্ৰ তাৰ কাৰণে মাটি অতি সোনকালে দি দিলো। প্ৰায় তিনি বছৰ মান হ'ল। ইয়াত কোৱা হৈছে যে গেট আৰু চাৰিসীমাৰ বেৰ দি থকা হৈছে। এতিয়া মেইন বিজ্ঞান কেন্দ্ৰটো কেতিয়া আৰম্ভ হ'ব আৰু কেতিয়া শেষ কৰিব? আমাৰ মাত্ৰ ২ মাহ সময়হে আছে। মোক পোনপটীয়া উত্তৰটো লাগে। ধন্যবাদ।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ গোৱালপাৰা জিলাত যিটো District Science Centre দিয়া হৈছে, সেইটো আমি দুটা ভাগত কাম কৰিছিলো। মাটিটো পোৱাৰ পিছত প্ৰথমতে Boundary Wall ৰ কাম develop কৰিবলৈ দি বাকীখিনি কাম কৰিছো। Science Centre ৰ tender হ'ল, contractor ৰে কাম চালে আৰু এতিয়া contractor সকলে আমাক কৈ আছে আধাৰশিলা কেতিয়া হ'ব? আমি সময় দিব পৰা নাই কিন্তু অতি সোনকালে আমি তাৰ আধাৰশিলা কৰিম আৰু বিধায়ক ডাঙৰীয়াও তাত থাকিব।

**শ্ৰী আবুল কালাম ৰচিদ আলম, পূৱ গোৱালপাৰা ঃ** ধন্যবাদ। এই আধাৰশিলাটো যাতে সোনকালে কৰাৰ ব্যৱস্থা কৰে। এই ঠাইটো আগতে এটা Municipality market ৰ নিচিনা আছিল আৰু এই centre টো নিৰ্মাণ কৰাৰ কাৰণে সকলো দোকান পোহাৰ খালী কৰি দিয়া হৈছে। গতিকে অতি সোনকালে যাতে মন্ত্ৰী মহোদয়ে আধাৰশিলা নিৰ্মাণৰ কাৰণে সময়টো উলিয়ায় তাৰবাবে মই অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াৰ কিবা ক'বলগীয়া আছে নেকি?

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** এইটো আমি অতি সোনকালে কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ৰূপক শৰ্মা।

**শ্ৰী ৰূপক শৰ্মা, নগাওঁ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নগাওঁতো এটা Science Centre নিৰ্মাণৰ কাৰণে প্ৰায় ১০ বিঘা ভূমি আবন্টন দিয়া হৈছিলে। বহুত দিন হৈ গ'ল কিন্তু এইটো এতিয়া কি পৰ্য্যায়ত আছে সেইটো আমি নাজানো আৰু এইটো কেতিয়ালৈ হ'ব তাৰ বিষয়ে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এই District Science Centre ৰ কাৰণে কেইবাবাৰো জিলা উপায়ুক্তৰ পৰা মাটি বিচাৰিছিলো। অকল মাটি বিচৰাই নহয়, আমাৰ team গৈ তাত নিজে খোজ খবৰ কৰিছিল। কিন্তু আমি সকলোবোৰ জিলাত মাটি আবন্টন নাপালো। সেইবাবে যিখিনি জিলাৰ পৰা আমি সেই সময়ত মাটি আবন্টন পাইছিলো সেই সমূহ জিলাৰ কাৰণে প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে। এতিয়া ১৭ খন জিলাত হ'ব আৰু বাকীখিনিত আমি পুনৰ প্ৰস্তুতি কৰিলেহে হ'ব। নগাওঁ জিলাৰ মাটিটো আমাৰ এই কামৰ পিছতহে আহিছে। প্ৰথমতে নগাওঁ জিলাৰ মূল ঠাইত মাটি পোৱা নাছিলে। তাৰবাবে এইটো পিছ পৰি গল। মাটি পোৱা হ'ল যদিও ইয়াৰ proposal টো এতিয়াহে revenue লৈ আহিছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৪৯, শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পূৰ্ব গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই দিয়া উত্তৰত কৈছে যে ইতিমধ্যে ২০১৯ বৰ্ষলৈকে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ গড়াখহনীয়াৰ ফলত প্ৰায় ৭২ লাখ ৫৪ হাজাৰ ৭১০ বিঘা মাটি পানীত জাহ গৈছে। ইয়াৰ পৰৱৰ্তী সময়ত যাতে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ মাটি জাহ যাবলগীয়া নহয় তাৰবাবে মন্ত্ৰী মহোদয়ে অনাগত দিনত কি ব্যৱস্থা হাতত লৈছে? এই সম্পৰ্কত মই জানিব বিচাৰিছো। দ্বিতীয়তে, অসমৰ বান আৰু গড়াখহনীয়াৰ সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ২০১২ চনত অসম বিধান সভাৰ ২৮ জুলাইত এটা সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। এই সিদ্ধান্ত অনুযায়ী কেন্দ্ৰীয় চৰকাৰে কি ব্যৱস্থা ললে এই সম্পৰ্কে জানিব বিচাৰিছো। তাৰোপৰি মোৰ সমষ্টিৰ যিটো খনাজান নদী আছে তাৰ ওপৰত ইতিমধ্যে মাননীয় মন্ত্ৰী মহোদয়ে কিছু ব্যৱস্থা হাতত লৈছে আৰু তাৰবাবে মই তেখেতক ধন্যবাদ জনাইছো। এতিয়াও কিন্তু কিছু অংশ বাকী ৰল যাৰফলত ভৱিষ্যতে পুনৰ গড়াখহনীয়া হোৱাৰ আশংকা আছে। গতিকে মই জানিব বিচাৰিছো ২০২০-২১ চনত যিখিনি বাকী থকা অংশ আছে সেইখিনিৰ কাম সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিব নেকি?

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কলিতা ডাঙৰীয়াই কেইবাটাও কথা ক'লে। প্ৰথম কথাটো হ'ল ব্ৰহ্মপুত্ৰত ৭২ লাখতকৈও অধিক মাটি জাহ গল। এইটো আমাৰ কাৰণে এটা ভাল খবৰ যে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে eroson টো আমাৰ ইয়াত অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা কৰিছে আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বিশেষ প্ৰচেষ্টাত। গতিকে এই ক্ষেত্ৰত আমি অধিক সা-সুবিধা পাম। ইয়াৰ উপৰিও বিজ্ঞানসন্মতভাৱে আমি কেইবাটাও কথা ঠিক কৰিছো গড়াখহনীয়া ৰোধ কৰাৰ কাৰণে। আমি এখন নদীক corrective dredging কৰিব বিচাৰিছো। নদীখনৰ মূল যিটো channel সেইটো যাতে শুদ্ধ পথেৰে যায় আৰু যাতে গড়াখহনীয়া নহয় তেনেধৰণৰ কেইবাটাও কথা ইতিমধ্যে ঠিক কৰা হৈছে। গড়াখহনীয়াৰ ক্ষেত্ৰত ইতিমধ্যে যথেষ্ঠ পদক্ষেপ লোৱা হৈছে। ২০১৬ চনৰ পৰা ২০১৯-২০ লৈকে প্ৰায় ৭০০ কোটিৰো অধিক টকা গড়াখহনীয়া ৰোধৰ বাবে বিভাগটোৱে লৈছে।

ইয়াৰ পিছত তেখেতে আন এটা কথা কৈছে যে অসমৰ বান আৰু গড়াখহনীয়াৰ সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ল'বলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত কি পদক্ষেপ লৈছে? এই ক্ষেত্ৰত সকলোৱে ভালকৈ জানে যে অসম বিধান সভাত আমি আগতেও কেইবাটাও প্ৰস্তাৱ লৈছিলো। অধ্যক্ষ ডাঙৰীয়াৰ নেতৃত্বত গৈ কেন্দ্ৰীয় চৰকাৰৰ হাতত আমি প্ৰস্তাৱ দিছিলো যদিও কোনো কাম নাহিলে। কিন্তু এতিয়া আমাৰ চৰকাৰৰ তৰফৰ পৰা মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত

আমি কিছু প্ৰক্ৰিয়া আৰম্ভ কৰিছিলো। ২০১৭ চনৰ ১ জানুৱাৰীত যেতিয়া মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া অসমৰ বান পৰিস্থিতিৰ বুজ ল'বলৈ আহিছিল সেইদিনা মাননীয় মুখ্যমন্ত্ৰী আৰু উত্তৰ পূৰ্ব্বাঞ্চলৰ কেইবাজনো মুখ্যমন্ত্ৰী উপস্থিত আছিল। সেইদিনা আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে আমাৰ এই সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে লোৱাৰ প্ৰস্তাৱ তেখেতক দিছিল। তেতিয়া প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ক'লে যে এইটো অধ্যয়ণ কৰিব লাগিব আৰু তেখেতে ১০০কোটি টকা কেবল অধ্যয়ণৰ বাবদ দিলে। ইয়াৰ পৰা গৈয়ে লগে-লগে নীতি আয়োগৰ উপাধ্যক্ষক ইয়াৰ অধ্যক্ষ হিচাপে দি এখন উচ্চ পৰ্য্যায়ৰ সমিতি প্ৰস্তুত কৰি দিলে। এই উচ্চ পৰ্য্যায়ৰ সমিতিখনে গোটেইখিনি পৰ্য্যালোচনা কৰাৰ পিছত ঠিক কৰিলে যে উত্তৰ পূৰ্ব্বাঞ্চলত এটা কেন্দ্ৰীয় চৰকাৰৰ North East Water Management Authority গঠণ কৰিব লাগে। আগৰ চৰকাৰৰ দিনতো এই ধৰণৰ প্ৰচেষ্টা হাতত লোৱা হৈছিল কিন্তু সকলো ৰাজ্যই ইয়াত সন্মতি দিয়া নাছিল। কিন্তু এইবাৰ প্ৰধানমন্ত্ৰীয়ে নিজে সকলো ৰাজ্যৰ মুখ্যমন্ত্ৰী সকলৰ লগত আলোচনা কৰি এই authority ত সন্মতি দিবৰ কাৰণে ঠিক কৰিলে। যোৱা মাৰ্চ মাহৰ ৬ তাৰিখে যেতিয়া আমাৰ ইয়াত বাজেট অধিবেশন চলি আছিল সেইদিনাখনেই দিল্লীত ইয়াৰ মিটিং হৈছিল। মুখ্যমন্ত্ৰী ডাঙৰীয়া তাত যাব পৰা নাছিল যদিও উত্তৰ পূৰ্ব্বাঞ্চলৰ প্ৰায় সংখ্যক মুখ্যমন্ত্ৰী তাত উপস্থিত থাকি এই authority ত সন্মতি দিলে। এইটো আমাৰ এটা ডাঙৰ achievement.যিটো বহু দিনৰ পৰা হোৱা নাছিল। ইয়াৰ মূল কাৰণ হৈছে আমাৰ পানীৰ source হৈছে অৰুণাচল, নাগালেণ্ড, মিজোৰাম। তেওঁলোকে যদি তাত সন্মতি নিদিয়ে আমি ইয়াত control কৰিব নোৱাৰো। যোৱা ৬ মাৰ্চত যিটো সিদ্ধান্ত হ'ল এইটো আমাৰ কাৰণে খুব ভাল খবৰ। সেইবাৰ parliament ত এইটো উত্থাপন কৰাৰ কাৰণে প্ৰস্তুতি চলোৱা হৈছিল। বিলখন Draft Bill হৈ গল আৰু এই Draft Bill খন circulate কৰা হ'ল, প্ৰত্যেক খন ৰাজ্যই সংশোধনী দিলে। তাৰ পিছত এতিয়া এই বিলখন parliament ত আনিব পৰা অৱস্থাত আছে আৰু এইখন হ'লে কেন্দ্ৰীয় চৰকাৰে অসমৰ এই সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিব বা ৰাষ্ট্ৰই এই ক্ষেত্ৰত পৰিকল্পনা আৰু পুঁজি দুয়োটাই দিব।

ইয়াৰ উপৰিও কলিতা ডাঙৰীয়াই খনাজানৰ কথা কৈছে। ইয়াৰ বহুখিনি কাম হৈ আছে আৰু বাকীখিনিও আগবাঢ়িব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ডা০ মতিউৰ ৰহমান মণ্ডল।

**ডাঃ মতিউৰ ৰহমান মণ্ডল, মানকাছাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক ধন্যবাদ জনাইছো। ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ সম্পৰ্কত যি sub-notice আনিছো। মোৰ সমষ্টি আৰু দক্ষিণ শালমাৰা মানকাছাৰ জিলাৰ এটা দিঘলীয়া stress দক্ষিণ শালমাৰা, হাজিৰহাট, গতাহবাৰী, ধলাখোৱা, চুবচৰ, মালিৰ আলকা, বৰাহি গাওঁ GP আৰু গাওঁবোৰত যোৱা দুবছৰে ক্ৰমিকভাৱে বিভিন্ন সমস্যাৰে জৰ্জৰিত হৈ আছে। ব্যক্তিগতভাৱে মই মন্ত্ৰী মহোদয়ক লগ ধৰিছিলো এইটোৰ ওপৰত ব্যৱস্থা ল'বলৈ। তেওঁৰ বিভাগে এইটো inquiry কৰি আহিলে কিন্তু আজিলৈকে তাৰ ওপৰত কোনো ব্যৱস্থা নহ'ল। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছো যে কেতিয়া এই ব্যৱস্থা ল'ব?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ সমস্যা থকা সেই ঠাই সমূহ লৈ মই গৈছিলো। তাৰে কিছু সমস্যা বহু জটিল। বাংলাদেশ আৰু ভাৰতৰ সীমান্তত Border fencing ৰ সৈতে উটুৱাই লৈ গল। সেইখিনিত ইতিমধ্যে কাম হৈছে। ইয়াৰ উপৰিও বাকী কেইবাটাও

সমস্যা আছে। সেই সমস্যা সমূহৰ ক্ষেত্ৰতো আমি অলপ অলপ কৈ আগবাঢ়িবলৈ চেষ্টা কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্নসমূহৰ উত্তৰো পাৰিলে আপোনালোকে চুটিকৈ দিব। এতিয়া শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰত যিটো হিচাপ দিয়া হৈছে যে গড়াখহনীয়াৰ ফলত ৭২ লাখ ৫৪ হাজাৰ ৭১০ বিঘা মাটি জাহ যোৱা বুলি কৈছে। কিন্তু ইয়াত মাত্ৰ ২৩ খন জিলাৰ তথ্যহে দিয়া হৈছে। বাকী ১০ খন জিলাৰ পৰা তথ্য বিচৰা হৈছে বুলি দিছে। তেনেকুৱা হ'লে এই হিচাপ আৰু বহুত বেছি হ'ব। আটাইতকৈ ডাঙৰ কথাটো হৈছে নিয়মাগঠণৰ গোটেই কথাখিনি মই পঢ়ি চালো। এইখিনিলৈ ঠিকে আছে। কিন্তু অসুবিধাটো হ'ল যদি ব্ৰহ্মপুত্ৰৰ মূল সুঁতিটো dredging কৰাৰ পৰিকল্পনা নকৰে এইটো ফলপ্ৰুসু নহ'ব। এই বিষয়ে কিবা পৰিকল্পনা আছে নেকি?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী গুনীন্দ্ৰ নাথ দাস।

**শ্ৰী গুনীন্দ্ৰ নাথ দাস, বৰপেটা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা জনাব বিচাৰিছো যে যোৱা ১০ ডিচেম্বৰত আমাৰ মাননীয় খাদ্য আৰু যোগান মন্ত্ৰীয়ে বৰপেটা মৰা চাউল খোৱাত এটা আধাৰশিলাৰ কাম আৰম্ভ কৰি আহিলে, তাত ৪ কোটি টকাৰ আঁচনি আছিলে, ২ কোটি দিয়া হ'ল আৰু বাকী ২ কোটি টকাও দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইটো মোৰ অনুৰোধ। আন এটা কথা ক'ব বিচাৰিছো যে মোৰ সমষ্টি পাজাৰ ভাঙা, পালাজী, বৰহমপুৰ, গৰৈমাৰীত খহনীয়া হৈ আছে। তাত এটা SDRF ৰ আঁচনি লোৱা হৈছে এইটো অনুমোদন দিয়া বাবে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী নজৰুল ইছলাম ডাঙৰীয়া।

**ড° নজৰুল ইছলাম, লাহৰীঘাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো মৰিগাওঁ Water Resource Department ৰ জৰিয়তে লাহৰীঘাট আৰু ধিং সমষ্টিৰ গড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে ADB বুলি এটা আঁচনি দিয়া হৈছিল। এই আঁচনিটোৰ বৰ্তমান status কি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, গড়াখহনীয়াৰ ক্ষেত্ৰত মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই ক'লে যে যিখিনি মানুহ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হৈছে তেখেতসকলৰ কাৰণে যোৱা কেবিনেটত আমি এটা সিদ্ধান্ত লৈছো। এতিয়া যিহেতু মাটিৰ যথেষ্ঠ অভাৱ তেওঁলোকক মাটিৰ সলনি মাটিৰ মূল্যটো দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। তেখেতসকলে যেতিয়া মাটি কিনিবলৈ ঠিক কৰিব তাৰ মূল্য ১ লাখ, ডেৰ লাখৰ পৰা ৫ লাখলৈকে আছে। সময় নাই কাৰণে মই কথাখিনি ভাঙি কোৱা নাই। এই মূল্যখিনি তেওঁলোকক মাটি কিনিবলৈ যাওঁতে দিব আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থাটো গড়াখহনীয়াত হ'ব।

তাৰ পিছত গুনীন্দ্ৰ দাস ডাঙৰীয়াই যি দুটা আঁচনিৰ কথা কৈছে সেই দুটা আমি সংলগ্ন কৰিবলৈ ব্যৱস্থা কৰিম। ইয়াৰ পিছত সন্মানীয় সদস্য নজৰুল ইছলাম ডাঙৰীয়াৰ উত্তৰটো দিব বিচাৰিছো। তেখেতৰ গোটেই সমষ্টিটোৱে ভয়াৱহৰূপে গড়াখহনীয়াত ভোগে। তাৰবাবে আমি ADB ত trans three ত এটা proposal দিয়া হৈছিল। এইটো ইতিমধ্যে প্ৰক্ৰিয়াৰ মাজত আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া কমলাক্ষ্য দে পুৰকায়স্ত। মন্ত্ৰী ডাঙৰীয়া আপোনাৰ উত্তৰটো lay কৰা বুলি ধৰি ললো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ( উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, লক্ষিপুৰৰ পৰা ধানবালৈ প্ৰায় ১২১ কিঃমিঃ জলপথ শূণ্য হিচাপে চিনাক্ত কৰা হৈছিল। তাৰ মাজত ৪৮ কিঃ মিঃ ত খনন কাৰ্য্য আৰম্ভ হৈছে। কিন্তু অধ্যক্ষ মহোদয়, আপুনি গলে দেখিব তাত কি ভয়ঙ্কৰ দূৰ্নীতি চলি আছে। এই জলপথ খনন কাৰ্য্যৰ বাবে প্ৰায় ১০০ কোটি টকা sanction কৰা হৈছে। কিন্তু মাত্ৰ অলপ ঠাইহে খনন কৰা হৈছে। এতিয়া প্ৰায় ৭০ শতাংশ টকা উঠাই লোৱা হৈছে। গতিকে মই বিচাৰিছো তাৰবাবে এটা উচ্চস্তৰীয় inquiry হ'ব লাগে, মন্ত্ৰী মহোদয়ে তাত যাব লাগে আৰু প্ৰকৃত তথ্যটো উদ্‌ঘাটন কৰিব লাগে।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই কামটো কৰিছে Inland Water Authority of India গতিকে তাত জাহাজ চলাচল কৰিবৰ কাৰণে কৰা খনন এইটো জলসম্পদ বিভাগৰ কাম নহয়। গতিকে মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক মই দৃষ্টিগোচৰ কৰিছো সদনৰ জৰিয়তে, তেখেতে ব্যৱস্থা ল'ব।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ। Point of Order, কওঁক।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া) ঃ-** অধ্যক্ষ ডাঙৰীয়া, মই সদনৰ পৱিত্ৰতা ৰক্ষা কৰিবৰ কাৰণে, আজি এটা বিশেষ কথা মই দৃষ্টিগোচৰ কৰিব বিচাৰিছো, যে আমাৰ এই সদনখন Rules of Procedure and Conduct of Business in Assam Legislative Assembly যে এই কিতাপখনৰ বিধি অনুযায়ী পৰিচালনা হৈ আছে। যোৱা কালি এই বিধান সভাত এটা ঘটনা সংঘটিত হৈছিল, যে এগৰাকী বিধায়কে তেওঁ আমাৰ সদনৰ নিয়ম নীতি উলংঘা কৰি তেওঁ সদন আৰম্ভ হওঁতেই প্ৰশ্নোত্তৰ কাল নহওঁতেই তেওঁ উঠি Point of Order দিছে, আৰু আপুনি তেতিয়া তেওঁক বহিবলৈ আহ্বান জনাইছিল, যে প্ৰশ্নোত্তৰ কালৰ পিছত এইটো তেওঁ উল্লেখ কৰিব পাৰিব। তাৰ পিছত তেওঁ নামানি অলপ বিশৃঙ্খল হোৱাৰ কাৰণে আপোনাৰ যি অধিকাৰ আছে, সেই অধিকাৰ মতে এই কিতাপখনত থকা ৩১৪ আৰু ২৯৭ অনুচ্ছেদ মতে আপুনি তেওঁৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিছে, তেওঁক বৰ্খাস্ত কৰিছে। ইয়াত কিন্তু এইখন পৱিত্ৰ সদনত আমাৰ ইমান খিনি সদস্য আছে বা কংগ্ৰেছ দলৰ জেষ্ঠ্য যিসকল বা সদস্য আছে, কিন্তু কোনেও প্ৰতিবাদ কৰা নাই, তেওঁৰ ওপৰত আপুনি ব্যৱস্থা গ্ৰহণ কৰিছে। এইটো পৰম্পৰা সদনৰ, আগতেও এনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু মই দুখিত হৈছো এই কাৰণে যে যোৱাকালি সংবাদ মাধ্যমত এটা কথা দৃষ্টিগোচৰ হৈছে, ৰাজহুৱাভাৱে এটা কথা কৈছে, যে কোনোবাই কেতিয়াবা কয়, যে এইটো ৰাজনৈতিক ভাৱে নিৰপেক্ষ হোৱা নাই। কিন্তু যোৱা কালি এটা কথা আমাৰ অধ্যক্ষ ডাঙৰীয়াৰ সম্পৰ্কত তেখেতে কৈছে, যে অধ্যক্ষ ডাঙৰীয়াৰ টিকটৰ টানাটনি হৈছে সেই কাৰণে বিজেপি ক তেল মাৰিবৰ কাৰণে এই কথাটো মই আশা কৰিম এই সদনৰ মৰ্য্যদা হানি হোৱা যিখিনি কথা বতৰা হৈছে, মই আশা কৰো যে ইয়াত আচলতে কোনো এগৰাকী সদস্যই এই কথাটো কেতিয়াও সমৰ্থন কৰিব নোৱাৰে। এই কথাটোৰ সম্পৰ্কত মই অধ্যক্ষ ডাঙৰীয়াক আহ্বান জনাম যে এইটো আপোনাৰ ব্যক্তিগত মান সন্মানৰ প্ৰশ্ন নহয়। এইটো হ'ল এই সদনৰ পৱিত্ৰতা, এই চকীখনৰ মৰ্য্যদা আমি যিহেতু ৰক্ষা কৰিব লাগিব প্ৰতিজন ব্যক্তিয়ে। মইয়ো ১৯৯৬ চনৰ পৰা এইখন বিধান সভাত আছিলো, এইখন বিধান সভাত গনেশ কুটুম ডাঙৰীয়াৰ পৰা আৰম্ভ কৰি পৃথিৰী মাঝী, প্ৰনৱ গগৈ ডাঙৰীয়াকে আদি কৰি আপোনালোকৰ যিখিনি অধ্যক্ষ ডাঙৰীয়াক

পাইছে, হয় গণতান্ত্রিকভাৱে ইয়াত প্ৰতিবাদ হৈছে। বা নিৰপেক্ষতা হোৱা নাই এই কথাটো কৈছে। কিন্তু অধ্যক্ষ ডাঙৰীয়াৰ টিকটৰ সম্পৰ্কত এনেধৰণৰ মন্তব্য আজিলৈকে কোনোৱে কোৱা নাই। আৰু এইটো যাতে কেতিয়াও এই সদনত, বা এনেধৰণৰ কথা নহয়। এইটো এটা অশুভ পৰম্পৰা হ'ব। সেই কাৰণে অধ্যক্ষ ডাঙৰীয়া মই আশা কৰিছো যে সকলো দলৰ দলপতিৰ পৰা লাগে তেওঁলোকৰ মন্তব্য লওঁক। এই ক্ষেত্ৰত এটা কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰক, আৰু মই ন'হলে কিন্তু প্ৰিভিলেজ নটিচ দিব লাগে যদি আজি এই বিষয়টো সভাতে নিষ্পত্তি হয় ভাল। যদি প্ৰিভিলেজ নটিচ দিব লাগে, নটিচ দিয়াৰ কাৰণে মই সন্মতি প্ৰকাশ কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি, নাজিৰা)** ঃ-অধ্যক্ষ মহোদয়, বিষয়তো ইমানতে অন্ত পৰিলে ভাল হয়। পূৰ্বতেও এনেকুৱা হৈছে কিন্তু আমি এই বিলাক পচন্দ নকৰো, যি হৈ গ'ল হ'ল।

(সদনত হুলস্থুল হয়)

**মাননীয় অধ্যক্ষ** ঃ- নালাগে। পাটোৱাৰী ডাঙৰীয়া বহক। it is related to me. please sit down. ৰূপজ্যোতি কুৰ্মী আপুনিও ক'বলৈ পাব। আপুনি কিয় তেনেকৈ চিঞৰ বাখৰ কৰিছে?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ- অধ্যক্ষ ডাঙৰীয়া ১৯৮৫ চনৰ পৰা বহুতো অধ্যক্ষ আমিও লগ পালো, পুলকেশ বৰুৱাকে আৰম্ভ কৰি জীৱকান্ত গগৈ, চক্ৰৱতী বহুত অধ্যক্ষক আমি লগ পাইছো আপোনালৈকে আদি কৰি। সদনত কেতিয়াবা তৰ্ক বিতৰ্ক হয়, আৰু আমি অধ্যক্ষৰো সমুখলৈকে গৈ কওঁ যে চাৰ, আপুনি নিৰপেক্ষভাৱে এইটো দিয়া নাই। তেতিয়া অধ্যক্ষ ডাঙৰীয়াই এই বিধান সভাত ৰকিবুল হুছেইন ডাঙৰীয়া উপস্থিত আছিল, তেতিয়া তেওঁ মন্ত্ৰী আছিল। তেখেতে ভালকৈ জানিব , নজৰুল ইছলাম ডাঙৰীয়া আছিল তেখেতেও ভালকৈ জানিব যে Rules of Procedure and Conduct of Business in Assam Legislative Assembly, Rule 314 আমি যেতিয়া অধ্যক্ষ ডাঙৰীয়া কওঁ যে আপুনি নিৰপেক্ষ হোৱা নাই। অধ্যক্ষ ডাঙৰীয়াই সদায় এটা কথা কৈছিল, যে Speaker Ruling is final আৰু সেইটো ক'ত আছে; Rules of Procedure and Conduct of Business in Assam Legislative Assembly Rule 314 এইটো অত স্পষ্টভাৱে আছে। আমাৰ টংকবাহাদুৰ ৰায় ডাঙৰীয়াই সদায় আমাক এইটো কথা কয়, আমি তেতিয়া সেইটো মানি লৈছিলো। তাৰোপৰি কেতিয়াবা কেতিয়াবা কি হয় যে অধ্যক্ষ ডাঙৰীয়াই যেতিয়া দেখে যে control ৰ বাহিৰত গৈছে, কোনোবাই নিয়ম মনা নাই ,কেতিয়াবা সাময়িক ভাবে কৰে। যেনে কংগ্ৰেছৰ এগৰাকী সদস্য প্ৰাক্তন মন্ত্ৰী ভৰত নৰহ ডাঙৰীয়াক এটা session ৰ কাৰণে এটা সময়ত কৰিব লগা হৈছিল, এনেকুৱা ধৰণৰ আচৰণৰ বাবে। যদি তেনেকুৱা ধৰনৰ কিছুমান কথা হয়, অকল সিমানেই নহয়, যে অধ্যক্ষৰ যিটো মৰ্য্যদা, এই মৰ্য্যদাটো বহুত ডাঙৰ মৰ্য্যদা সদনখনৰ কাৰনে। আৰু আপোনাৰ মৰ্য্যদাটো থকা মানে আমাৰ সকলোৰে মৰ্য্যদা থাকিব সদনখনৰ থাকিব। প্ৰতিজন সদস্যৰে মৰ্য্যদা থাকিব। কালি যিটো ঘটনা প্ৰথমতে হৈছে, আপুনি আপোনাৰ Rules of Procedure and Conduct of Business in Assam Legislative Assembly Rule তাৰ 297 মতে ব্যৱস্থা ললে। ২৯৭ মতে ব্যৱস্থা লোৱাৰ পিছত মাননীয় বিৰোধী দলৰ দলপতিয়ে কলে যে তেখেতক আহিব দিব লাগে। মোকো সুধিলে যে Parliamentary Minister হিচাপে কি কৰা যায় । মই কৈছো ঠিক আছে , আহিব দিয়ক , কিন্তু যাতে এনেকুৱা

ঘটনা আকৌ হ'ব নালাগে। তাতে এতিয়া মাননীয় বিৰোধী দলৰ দলপতিয়ে কথাটো কৈছে যে end হ'ব লাগে। fullstop হ'ব লাগে ইয়াত। এইটো ময়ো মানো কিন্তু আহিব দিয়াৰ পিছত, তাৰ পিছৰ পৰ্য্যায়ত আপুনি ভাৱকচোন কি হ'ল বুকুট থপৰিয়াই থপৰিয়াই ইয়াত যিটো হুলস্থুল হ'ল। ইমান অশোভনীয়তা হ'ব নালাগে। আমিওটো বিৰোধীত আছিলো বুকুট থপৰিয়াই থপৰিয়াই লাইকা দধীয়াৰ মাটিৰ সম্পৰ্কত, ইমান আপুনি কন্ট্ৰোল কৰিব চাইছিল তথাপি পৰা নাই, এইবিলাক কথা ঠিক হোৱা নাই। মই অধ্যক্ষ ডাঙৰীয়া এটা কথাই কওঁ আমি সকলোৱে বিৰোধী আৰু শাসক পক্ষই ৰাজনৈতিক ক্ষেত্ৰখনত আছো। বিধান সভাৰ মজিয়াত আপোনাসকলে জনসাধাৰণৰ স্বাৰ্থত, পলিচিৰ ওপৰত সাংঘাটিকভাৱে , কঠোৰ ভাৱে চৰকাৰখনক সমালোচনা কৰক, সেইটোত কোনো আপত্তি নকৰো আমি যি খুচি। কালি বিৰোধীদলৰ দলপতি ডাঙৰীয়াই কৈছে, ৰেভিনিউ বিভাগত চাপ্লিমেন্টৰি ডিমাণ্ডত গাড়ী কিনা কিবা কৰা, বিৰোধী দলৰ দলপতিয়ে কৈছে যে এইটো চিৰিয়াচ ইছু আমি বিস্তৃতভাৱে আলোচনা কৰো। আপুনি এগ্ৰী কৰিছে আমি আপত্তি কৰা নাই চৰকাৰে। আমিও আপত্তি কৰিব পাৰিলো হয়, আমি বিচাৰিছো যে কওঁক আপোনালোকে ভূমি নীতিৰ ওপৰত আপোনালোকে কি ক'ৰ বিচাৰছে কি কৰিব বিচাৰিছে, কেনেকে বিচাৰিছে কওঁক আপোনালোকে। চৰকাৰৰ তৰফৰ পৰা আমি গোটেইখিনি কথা খুব সহজভাৱে, বিশেষকৈ আমাৰ মাননীয় মুখ্যমন্ত্ৰী, তেখেতে প্ৰথম দিনাৰ বক্তব্যতে কৈছে যে আমি Team Assam গতিকে অকল বিজেপিৰে উন্নতি নহয়, আপোনালোকৰো উন্নতি হ'ব, সকলোৰে উন্নতি হ'ব। মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰথম দিনাই সেই কথা কৈছে সেই Spirit তেই আমি কাম কৰি আছো। অধ্যক্ষ ডাঙৰীয়া যেতিয়া এই বিষয়টো কালি মেডিয়াত ওলাইছে, যে অধ্যক্ষ ডাঙৰীয়াৰ টিকটৰ টনাটনি হৈছে, সেইটো এটা ৰাজনৈতিক বিষয়। অধ্যক্ষ ডাঙৰীয়াৰ টিকটৰ টনাটনি হ'বনে নহয় সেইটো আমাৰ ৰঞ্জিত দাস ডাঙৰীয়া আৰু নাদ্দা ডাঙৰীয়াই জানিব, তেওঁটো নাজানিব তেওঁৰ টো অথ'ৰিটি নাই। গতিকে যিটো বস্তুত তেওঁৰ কোনো অথৰিতিনাই তাতে আপোনাৰ defend কৰাৰ অথ'ৰিটি ক'ত পালে ? গতিকে মই সচাঁকে কৈছো যে এই সদনখনৰ মৰ্য্যদাৰ খাতিৰত আপোনাৰ, আপোনাৰ ব্যক্তিগত কথাত নহয়, তেওঁ কালি মিডিয়াত তেওঁ সেই কথাটো কোৱাৰ কাৰণে তেওঁ ক্ষমা খোজা উচিত। নহ'লে পদ্ম হাজৰিকাই যিটো প্ৰিভিলেজ নটিচত আনিব সেইটোত মোৰো সমৰ্থন আছে।

**মাননীয় অধ্যক্ষ** ঃ- ১ মিণিট। এইতিয়া মই অকনমান ক'ব খুজিছো কাৰণ বিষয়টো মোৰ লগত জৰিত। মোৰ লগত মানে অধ্যক্ষৰ আসনখনৰ লগত জৰিত। মই আপোনাক ক'বলৈ দিলে এখন হুলস্থুলহে হ'ব। আপোনাৰ দলপতি আছে, আপোনাৰ দলপতিৰ লগত পৰামৰ্শ হৈ কথা ক'ৰ। এইটো কথাত মই সোমাব খোজা নাই। সেই কাৰণে মই আপোনাক ক'ৰ খোজা নাই। আকৌ এটা হুলস্থুল হ'ব। কথাটো হৈছে তেওঁক মই নিজৰ ভাইৰ নিচিনাকৈ ভাবো। কাৰণ আমি একেখন জিলাৰে । তেওঁৰ মাতৃ মোৰ লগত খুব close আছিল । হয়, কিছুমান কথাত তেওঁ সীমাৰ পৰা বাহিৰলৈ গুছি যায়, এইটো বহুতৰ আছে। এই গোটেই বিষয়টোৱেই হৈছে, হয়, এই চকীখনৰ মৰ্য্যদা। মই আজিও শেষত তিনিজনমানক দিছো। আমাৰ আগৰ প্ৰাক্তন মন্ত্ৰী ডাঙৰীয়াই কেতিয়াও নকয় তেখেতে দুবাৰ ঠিয় হৈছে। মই ভাবিছো কিবা এটা কৰি অকনমান ক'ব পাৰিম নেকি ? সেই কাৰণে মই চেষ্টা কৰো, এই House টো, মোৰ Speaker হিচাপে দায়িত্ব দুটা। এটা Opposition ক maximum সুবিধা দিয়া আৰু At the same time চৰকাৰখন যাতে শ'লঠেকত নপৰে তাৰ প্ৰতিও চকু ৰখা। House টো মই আগতেও কৈছো, belong to opposition. তেওঁলোকে কথা ক'বলৈ সুযোগ ক'ত পাব ? ইয়াতে পাব। শাসকীয় সকলে মন্ত্ৰীৰ

ওচৰতো যাব পাৰে, যেতিয়াই তেতিয়াই ক'ব পাৰে। মই প্ৰথমৰে পৰাই এই step টো লৈ আহিছো। আৰু সেই কাৰণেই কেতিয়াবা মোক criticize ও কৰে। মই কলেও বেয়া নাপাওঁ as a Speaker যে বহুত সুবিধা দিয়ে। মই আপোনালোকক যিমান পাৰো accommodate কৰি আহিছো। কিন্তু এইটোও ঠিক যে মই চৰকাৰ এখনক শলঠেকত পেলোৱা কামত কেতিয়াও নোসোমাও। Speaker ৰৰ দায়িত্ব চৰকাৰখনক stable কৰা আৰু এই কথাটো মই ক'ৰ পৰা শিকিছো , বাবু বসন্ত দাসৰ কথাৰ পৰা। মই ৯১ চনত শিকিছো এইটো। তেওঁ কংগ্ৰেছ দলৰ মানুহ আছিল Speaker হিচাপে। opposition য়ে rule কৰিছিল তেতিয়া। কিবা কাৰণে তেওঁ Speakerহৈ গ'ল। পিছত ছাদুল্লা হে মুখ্যমন্ত্ৰী হ'ল। গোপীনাথ বৰদলৈ ন'হল। আৰু এদিন সমান সমান ভোট, সেইটো আপোনালোকে পঢ়িছে বহুতে। ৯১চনত এইখিনি মই পঢ়িছিলো কেলৈ ? মই এজন Lawyer আছিলো , সেই কাৰণে মই Law ৰ কিতাপ বিলাকেই পঢ়িছিলো। তেতিয়া বসন্ত দাসে ইচ্ছা কৰিলেই সেই পাৰ্টীৰ বুলি তেওঁলোকক ভোট দি চৰকাৰখন গিৰাই দিব পাৰিলেহেতেন, কিন্তু নিগিৰালে। এই বিলাক হৈছে আমাৰ এইখন সদনৰ পৰম্পৰা, আৰু সেই পৰম্পৰাটো ৰক্ষা কৰাৰ কাৰণে আমি চেষ্টা কৰি আছো। হয়, কেতিয়াবা কেতিয়াবা মোৰো ভুল হ'ব পাৰে, দুই এটা সৰু সৰু ভুল। কিন্তু মই deliberately কেতিয়াও মই ভুল নকৰো। আৰু সেই কাৰণে কেতিয়াবা মই আপোনালোককো কওঁ, পাটোৱাৰী ডাঙৰীয়া অকনমান আৰু চমু কৰক। কৈছোনে নাই ? মন্ত্ৰী সকলকো কওঁ। কিয় কওঁ, যে হয়, আৰু কেইটামান প্ৰশ্ন আহিলে আহক। কিন্তু কালিৰ কথাটো মই নাজানো কাৰণ মই টি ভি চাবলৈ মই সময় নাপাওঁ। কেতিয়াবা ঘৰৰ মানুহে চাই, তেতিয়া কয় যে এনেকুৱা এটা হৈছে। মই সেই কাৰণে ক'ব খুজিছো যে এই কথা বিলাক যিটো পাটোৱাৰী ডাঙৰীয়াই কৈছে, ৰূপজ্যোতি কুৰ্মীয়ে নিজে নিজকে সোধা উচিত। আপুনি আৰু ইয়াত কথা কলে আৰু বেলেগ হ'ব, অকন মান নিজে বুজিব। মই আজি এই মুহুৰ্তত বুজিবলৈ কোৱা নাই। কথা এটা হ'লে আজি এই মুহুৰ্ততআপুনি বুজিও নাপাব। কেতিয়াবা আপুনি অকলে বহি ভাবিবচোন। কথাটো হৈছে যে, চাওঁক, আপোনাক মই এনেও কোৱা নাই। ৰূপজ্যোতি কুৰ্ম্মী এইখন চাব। এই কিতাপখন চাব। ইয়াতে কি লিখা আছে চাব। A point of order, 6 নং ত আছে। লিখা আছে যে A member can raise a point of order under Rule 300 only. During the interval between the termission of one item of business and commencement of another item. আৰু A point of order shall not be raised during Question Hour. মই এনেই কথা নকওঁ। ইয়াতে লিখি দিছে। এইটো সদনে বনোৱা ৰুল। সেইকাৰণে আপোনাক প্ৰথমে কৈছিলো, কিন্তু আপোনাক টানকৈ নকলে নুশুনেই নহয়। আপুনি যেনেকৈ কৈ থাকে, সেই কাৰণে মই আপোনাক কৈছিলো, যে আপুনি এইটো, মই দিব লাগেনে নাই নাজানো, মই point of order ৰত সাধাৰণতে কিছুমান বস্তু নিদিওঁ। কিন্তু ভাবিছিলো এইটো যে border ৰ কথা আৰু border is near to us also মই যেতিয়া বিৰোধীত আছিলো, আপুনি মোৰ proceedings ত চাব। অসম নাগালেণ্ড border বিষয়ত মই সদায় এটা ভাগ লওঁ। যেনেকৈ ৰমেন্দ্ৰ নাৰায়ন কলিতাই এটা বিষয়ত সদায় লয় । মই সদায় দি আছো। দ্বিপৰ বিলখন আমাক লাগে। আপুনি সদায় কয়। আমাৰ border টোৰ অসুবিধা। গতিকে ওলোৱাত মই বেয়া পোৱা নাই। কিন্তু zero Hour Notice আছে। ৩০১ আছে। মোক যদি কলেহেতেন, মই দেৰিকৈ দিছো যদিও কিবা এটা কৰিব পাৰে নেকি ? মই কেতিয়াবা accumodate কৰো, নকৰাকৈ থকা নাই। কিন্তু এইবাৰ তিনিদিনৰ

Session, খুব সময় কম। সেয়েহে বহুতৰ কথা মই ল'ব পৰা নাই। এতিয়া এই কথাটো আৰু আপুনি , এই কিতাপখনো পঢ়িব। point of order ৰৰ chapter টো পঢ়ি ল'ব। তাত লিখিছে, A member shall not raise a point of order to ask information আজি আপুনি সেই কথাটো সুধিব গৈছে point of order দি। information আপুনি খুজিব নোৱাৰে। তথাপি important issue এটা আপোনাৰ সমষ্টিত হৈছে কিন্তু কালি হোৱা নাই। সেই কথাটো কেতিয়াবাৰ পৰাই হৈ আছে। কেতিয়াবা এনেকুৱা হয়, মোৰ সমষ্টিত এটা ঘটনা ঘটিছে মই তৎক্ষণাত আনিবলৈ উপায় নাই। মই ক'ব খুজিছো এই কথাবিলাক আগৰে পৰা হৈছে। আগলৈও হৈ যাব। কালি কৈছোৱেই বহুত দিনৰ পৰা এইটো চলি আছে। border dispute টো। কিন্তু আমিও বুজি পাওঁ যে চৰকাৰৰ কৰ্তব্য আছে। নিশ্চিতভাবে আছে. কিন্তু এটা কথা যে এই কথাটো আপুনি ক'লে, আপুনি ৰুলিং মানি ওলাই গ'ল। তাৰ পাছত যেতিয়া দেৱব্ৰত শইকীয়াই কলে যে, আনিব লাগে। মই কি এজন মানুহ বাহিৰত থাকিলে ফুৰ্তি পাওঁ নেকি ? মই আপোনাকো সুধিছো, এই কাৰণেই যে, দুয়োটা পক্ষৰ সন্মতিমৰ্ম্মে মই আনিব পাৰো। কিন্তু মই কেতিয়াবা সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে নোকোৱাকৈ মই নিজাববীয়াকৈ কাৰোবাক সদন চলাবৰ কাৰণে বাহিৰলৈ পঠিয়াব পাৰো। সেইটো ৰুলত আছে, আৰু Kaul and Shakdher খন ভালকৈ পঢ়িব। তাত সকলো পাব। সেই কাৰণে যোৱা কালি মই আপোনাকো সুধিলো তেতিয়া আপুনি ক'লে। Liberaly আমিও বুজিছো, মানুহ এজনে কলে আমিও মানি ল'ব লাগে। এতিয়া সেই কাৰণে মই কথাটো কলো। আৰু এই বিষয়টোত পাটোৱাৰী ডাঙৰীয়া আপুনি এটা কথা কৈছে, মই ৰিকুৱেষ্ট কৰিম সদনৰ মৰ্য্যদাৰ কথা আছে। তেখেতে যদি বুজি নাপায় আমি জোৰকৈ একো কৰিব নোৱাৰো, আৰু তাক বঢ়োৱা হ'ব। মই তেখেতৰ নিজৰ বিবেকক সুধিবলৈ কৈছো, মই এই মুহুৰ্তত একা সুধিবলৈ কোৱা নাই, সেই কাৰণে মই তেখেতক কথা ক'বলৈয়ো দিয়া নাই, আৰু তেখেতে যদি কথা কৰ বিচাৰে মোকে ক'ব। বিৰোধী দলৰ দলপতি থাকিব, সংসদীয় পৰিক্ৰমা মন্ত্ৰী থাকিব। যিমান কয় ক'ব এই ক্ষেত্ৰত। মোৰ কোনো আপত্তি নাই। সেই কাৰণে এনেকুৱা কথা হ'ব নালাগে। মই ইলেকশ্যনত উঠিম নুঠিম এইটো বাৰু এতিয়া ইছু হ'ব লাগে নেকি ? মই সেই কাৰণে কৈছো আমি হাউচত এটা লেভেলত থকা ভাল। after all I am occupying this chair and question is raised on this chair? মই এতিয়া এইটো কৰিব নোৱাৰো। উপাধ্যক্ষ বহক, কথা পাতক। আজি সদনৰ শেষ দিন কেইবাখনো বিল আছে। মই এইবিলাকত আহিব খোজা নাই। মই আপোনালোকক ধন্যবাদ জনাইছো। you have realized. মই আপোনাক কৈছো, you should also realized. কেতিয়াবা যদি আপুনি এইখন চকীত বহে এই কথাবিলাক realise কৰিব। গতিকে যি হৈছে, মই সেইটোত একো ধৰা নাই। কিন্তু বাকী আপুনি যিটো প্ৰশ্ন কৰিছে, মই সেইটো তেওঁৰ consent লৈ পঠিয়াই দিছো। please এইটো আৰু নকৰিব। এইটো কথাত লাগিলে মই সদনৰ বাহিৰত বহিম। মই কেৱল সংসদীয় পৰিক্ৰমা মন্ত্ৰীক কৈছো, আৰু কাকো কবলৈ দিয়া নাই। আৰু বিৰোধী দলৰ দলপতিক কৈছো। কিবা থাকিলে আপুনি বিৰোধী দলৰ দলপতিক কওঁক। তেখেতে উপস্থাপন কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ- অধ্যক্ষ ডাঙৰীয়া, আপুনি যিটো কথা কৈছে যে, মই তেওঁৰ consent ত এৰি দিছো। that is your greateness and thats why you are greate. That is why you are respected by all. আৰু আপুনি সদায় বিৰোধী দলক fair justice দি আহিছে। কেতিয়াও আপুনি মই সংসদীয় পৰিক্ৰমা মন্ত্ৰী হিচাপে এই বিধান

সভাৰ procedure ত যেতিয়া মই জড়িত থাকো, মোকো কেতিয়াবা কয় যে চুটি কৰক, নাম নকৰ কিন্তু আমিতো বেয়া পোৱা নাই। কিন্তু তেওঁলোকক এটাfair justice দিছে। আপুনি যিহেতুকে আপোনাৰ greateness টো show কৰিছে যিটো কথা আমি সকলোৱে অনুভৱ কৰিছো যে, তেওঁ একাষাৰ কথা কোৱা উচিত। আপুনি কৈছে, মই তেওঁৰ consent লৈ দিছো। That is your greateness গতিকে তেওঁ তেওঁৰ greateness টো দেখুৱাওক। বা বিৰোধী দলৰ দলপতিয়ে তেওঁক কওঁক যে তেওঁ এটা greateness দেখাওক। সদনৰ পৰম্পৰাটো ৰক্ষা হওঁক। এইটো কিন্তু মই নামানো অধ্যক্ষ ডাঙৰীয়া। যিমান যি নহওঁক কাৰণ কিয় ইয়াতে মই ৰকিবুল হুছেইন ডাঙৰীয়াক সাক্ষী দি গ'লো নহয়। ৰকিবুল হুছেইন ডাঙৰীয়া মন্ত্ৰী তেতিয়া। নজৰুল ইছলাম ডাঙৰীয়া তেতিয়া মন্ত্ৰী। টংক বাহাদুৰ ৰায় ওচৰলৈ আমি যেতিয়া গৈছিলো, তেওঁ সদায়ে কয়, Speaker Ruling is final আৰু সেইটো Rules of Procedure and Conduct of Bussiness in Assam Legislative Assembly 314 গতিকে এই কথাটোৰ দুজন সাক্ষী মই দিলোই ইয়াতে। আপুনি তেতিয়া মন্ত্ৰী আছিল। আপুনি উপস্থিত আছিল নে নাছিল মই নাজানো। কিন্তু আপুনি যিহেতু আপোনাৰ consent য়ে তেওঁৰ consent লৈ ঠেলি দিছে। তেওঁৰ consent টো দেখুৱালে আমি সদনে সকলোৱে সুখ পাম।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে, এই বিষয়টো মই ইমানতে সামৰিছো। তেখেতে ভাৰক। মই বিৰোধী দলৰ দলপতিক কৈছো, তেখেতে ভাবি পেলাই ক'ব। এইতয়া মই next point লৈ যাম। point of order কাৰ আছিল।

**শ্ৰী পদ্ম হাজৰিকা, সদস্য (চতিয়া)** ঃ-অধ্যক্ষ ডাঙৰীয়া এই বিষয়টো ইমানতে সামৰিলে আমি সেইটোত সন্তুষ্ট নহম। কাৰণ আপোনাৰ ব্যক্তিগত মান সন্মানৰ কথা নহয়, এই চকীখনৰ মান সন্মানৰ কথা আছে। আমাৰ সকলোৰে মান সন্মান জড়িত হৈ আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ- আৰু এটা কথা অধ্যক্ষ ডাঙৰীয়া, গোটেই হাউচখনে এই গোটেইখিনি কথা নিৰৱে শুনি আছে। সুন্দৰ ভাৱে শুনি আছে। আপুনি কি কৈছে, বিৰোধী দলৰ দলপতিয়ে কি কৈছেয় আমি কি কৈ আছো ? এই হাউচখন witness ইমান ধুনীয়াকৈ কৈ থকাৰ পাছত এজন মাননীয় সদস্যই যদি সেই consent সেই কথাখিনি যদি তেওঁ অনুভৱ নকৰে, তেনেহ'লে এই বিধান সভাত আমি ৰাইজৰ প্ৰতিনিধি হিচাপে ৰাইজক আমি কি দেখুৱাম ?

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে। ৰূপজ্যোতি কুৰ্মী, মই আপোনাক এটা লাইন সুধিছো কেৱল, বেলেগ একো সোধা নাই। you are free to say anything সেইটো মই কোনো আপত্তি কৰা নাই। আপুনি ক'ত কি কয়, সেইটো freedom of speech সকলোৰে আছে। আপুনি কেৱল মই কালি আপোনাক ওলাই যাবলৈ কোৱা কথাটো মই Legally কৈছিলো। কোনো মই intentionally কোৱা নাছিলো। গতিকে আপুনি মোক ওলাই যোৱাৰ ক্ষেত্ৰত আগতেওঁ বহুতে কৈছে, বহুত আপোনালোকে বিৰোধীতা কৰিছে। তেখেতে নিৰপেক্ষভাৱে কৰা নাই এইবোৰ ক'বই। কোৱাত মই ইমান আপত্তি কৰা নাই। কিন্তু যিটো কথা কালি আপুনি কৈছে, মোৰ ব্যক্তিগত কথাটোত আপুনি সেইটো কোৱাটো উচিত আছিল বুলি ভাৱে নেকি ? সেইটোৱে সুধিছো। যদি নাভাবে ঠিক আছে। যদি ভাবে তেতিয়া হ'লে কথাটো মোৰ কাৰণে বিপদ হ'ব। মই সকলোকে বুজাব লাগিব নহয়। আপুনি মোৰ ক্ষেত্ৰত যিটো ব্যক্তিগত কমেন্ট দিছে, সেইটো উচিত আছিল বুলি ভাবে নেকি ? যদি নাভাবে এইটো ঠিক হোৱা নাই। যিহেতু আপুনি তৃতীয় বাৰৰ কাৰণে বিধায়ক হৈ আহিছে। বেছিকৈ দিলে যিহেতু তৰ্ক-বিতৰ্ক হ'ব সেয়ে মই বিৰোধী দলৰ দলপতিকো

কৈছো যে বিষয়টো বন্ধ কৰিলে ভাল হ'ব।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, কালিৰ এটা বিষয় লৈ আজি এই সদনত এটা চৰ্চা চলি আছে। এই পবিত্ৰ বিধান সভাত আপুনি আমাৰ অভিভাৱক আৰু আপোনাক কেন্দ্ৰ কৰিয়েই শাসক দলৰ কেইবাজনো জ্যেষ্ঠ বিধায়কে বিষয়টো উত্থাপন কৰিছে। আপুনি চাগে লক্ষ্য কৰিছে কালি মাননীয় উপাধ্যক্ষ মহোদয় সদনৰ আসনত থাকোতে কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই বক্তব্য ৰাখিছিলো। যিহেতু আমি বিৰোধী গতিকে আমি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব লাগিব......

................................. সদনত হুলস্থুল.............................

কালি মই লাইকা-দধিয়াৰ বিষয়ে মুখ্যমন্ত্ৰীৰ গৃহ জন্মভূমি বিন্ধাকটা পঞ্চায়তৰ কথা কৈছিলো.....

................................. সদনত হুলস্থুল.............................

**মাননীয় অধ্যক্ষ ঃ** আপুনি কালি ব্যক্তিগত ভাৱে মোৰ যিটো কথা কৈছে সেইটোৱে মৰ্যাদা লাঘৱ কৰিছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি মই আবেগিক হৈ খণ্ডত ব্যক্তিগত ভাৱে আপোনাৰ ৰাজনৈতিক বিষয় লৈ যিটো কৈছিলো সেইটো মোৰ ভুল হৈছে, মই স্বীকাৰ কৰিছো।

................................. সদনত হুলস্থুল.............................

**শ্ৰী নুৰুল হুডা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ উদাৰতাক মই ধন্যবাদ জনাইছো আৰু লগতে এটা কথা ক'ব বিচাৰিছো যেতিয়া আমি কথা কৈ থাকো তেতিয়া শাসক পক্ষৰ বিধায়ক সকলে যদি মুখ নোখোলে তাৰ কাৰণে এটা ব্যৱস্থা কৰিব।

................................. সদনত হুলস্থুল.............................

মই আজি ক'ব বিচাৰিছো যে প্ৰশ্নকালীন ঘণ্টাত পইণ্ট অব অৰডাৰৰ সৃষ্টি শাসক দলৰ পৰাই হৈছে.....

................................. সদনত হুলস্থুল.............................

**মাননীয় অধ্যক্ষ ঃ** যদি ইয়াৰ লগত জড়িত নোহোৱা পইণ্ট অব অৰডাৰ কিবা আছে কওঁক।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মোৰ তৰাবিহীন প্ৰশ্ন নং ৮৩ ত গুৱাহাটী স্মাৰ্ট চিটী কৰা আৰু গুৱাহাটীত মেট্ৰো ৰেল আৰম্ভ কৰাৰ ওপৰত যিটো প্ৰশ্ন আছিলে ইয়াত 'খ' নং প্ৰশ্নৰ উত্তৰত চৰকাৰে কৈছে যে ২০১৭ চনত মেট্ৰো ৰেল পলিচি কৰা হৈছিল আৰু তাৰ অধীনত কিছু কাম কৰা হৈছিল গতিকে ২০১৭ চনৰ মেট্ৰো ৰেল পলিচিৰ পৰা চৰকাৰে গুৱাহাটী স্মাৰ্ট চিটিত মেট্ৰো ৰেল দিব মোৰ বোধেৰে সেইটো শুদ্ধ হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** কমলাক্ষ্য দে পুৰকায়স্থ।

**কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি হৈছে Law মেকাৰ। গতিকে আমাৰ কাৰণে এখন আইন আৰু বেলেগৰ কাৰণে এখন আইন হ'লে কথাটো ভাল নহয়। সেয়ে মই ভাৱো ২০০৫ চনৰ পৰা New Pension Scheme লাঘু হৈছে গতিকে ২০০৫ ৰ পৰা আমি যিকেইজন বিধায়ক জিকি আছো তেওঁলোকৰ কাৰণে New Pension Scheme স্কীমটো লাঘু কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাযুক্ত প্ৰশ্ন নং ৫৪ ত মই জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক সুধিছিলো যে সৰুক্ষেত্ৰী সমষ্টিত কিমান নদীয়ে কোন

কোন ঠাইত খহনীয়াৰ সৃষ্টি কৰিছে? উত্তৰত তেওঁলোকৰ শুদ্ধ তথ্যটো নাই। ইয়াত পহুমৰা নদীৰ কথা কোৱা হৈছে। য'ত চাৰিটা পঞ্চায়তত খহনীয়াৰ সৃষ্টি হৈছে তাত অকল এটা পঞ্চায়তৰ এখন গাওঁৰ নাম দিছে য'ত দহখন গাওঁৰ নাম থাকিব লাগিছিল। কালদিয়া নদীৰ বহুত স্থান বাদ দি দিলে মাত্র কালাতুলি নামৰ এখন ঠাইৰ নাম দিলে। টিহু নামৰ এখন নদী আছে যিখনৰ নামটোৱে উল্লেখ নকৰিলে। যি নদীয়ে হাজাৰ হাজাৰ মানুহৰ মাটি আৰু ঘৰ-বাৰী ইতিমধ্যে লৈ গৈছে। গতিকে বিভাগৰ ফালৰ পৰা যদি এনেকুৱা উত্তৰবোৰ দিয়ে তেনেহ'লে অধ্যক্ষ মহোদয়, আপুনি ভাৱক বিভাগ কিমান সচেতন আৰু কি ধৰণে কাম কৰি আছে?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে মই বস্তুটো তালৈ পঠিয়াম। এতিয়া শ্ৰী ৰফিকুল ইছলাম।

**শ্ৰী ৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি শেষৰ দিন। আমি যেতিয়া বেলট চালো এ, বি, চি, ডি আৰু ই পাচঁটা গ্ৰুপ আছিল। এ, বি, চি আহিল কিন্তু ডি, ই ৰ কোনো বিভাগত আলোচনা নহ'ল। বহুত কথা আনিব লগা আছিল আমি সময় নাপালো। যোৱা তিনিদিনৰ পৰা লাষ্টগেটত বহুত সমস্যা লৈ বিভিন্ন গ্ৰুপে আলোচনা কৰি আছে। ভেঞ্চাৰ স্কুলৰ শিক্ষকসকলে তেওঁলোকৰ ডাইচ কোডৰ পৰা আৰম্ভ কৰি ছেকশ্যনেল শিক্ষক, হাইয়াৰ চেকেণ্ডাৰী, কলেজ বিলাকত এজন দুজন ষ্টুডেণ্টৰ বাবে এনৰ'লমেণ্ট নোহোৱাৰ কাৰণে আজিলৈকে স্কুল-কলেজ বিলাক নোহোৱাৰ কাৰণে বিভিন্ন ধৰণৰ ধৰ্ণা চলি আছে। বহুতে বাহিৰৰ বিশ্ববিদ্যালয়ৰ পৰা ইউ জি চি ৰিকোগনেশ্যন অনাৰ কাৰণে এই কাম বিলাক বন্ধ হৈ আছে গতিকে এই কথাবিলাক আপোনাৰ জৰিয়তে মই অৱগত কৰিলো। ঠিক তেনেদৰে বিশেষ ভাৱে সক্ষম সকলৰ বাবে বিভিন্ন বিভাগত খালী হৈ থকা পদ সমূহ পূৰণৰ বাবে বিভিন্ন ধৰণৰ আন্দোলন চলি আছে। এই সকলৰ প্ৰতি আমাৰ সুদৃষ্টি থাকিব লাগে। আজি টাই-আহোমৰ যুৱক সকলে জনজাতিকৰণৰ কাৰণে, ভূমিহীন মানুহবিলাকে ভূমিৰ কাৰণে আন্দোলন কৰি আছে। কিছু পৰিমাণে ভূমি প্ৰদান কৰা হৈছে যদিও ভূমিহীন যথেষ্ট মানুহে গুৱাহাটীৰ পৰা আৰম্ভ কৰি ধুবুৰী, শদিয়া, গোৱালপাৰা, নগাঁও ৰ পৰা আৰম্ভ কৰি মাজুলীলৈকে মাটি পোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, আজি মাদ্ৰাছাৰ ছাত্ৰ-ছাত্ৰী সকলে সত্তৰ বছৰীয়া অনুষ্ঠান বন্ধ কৰিবলৈ যোৱা কাৰণে আন্দোলন কৰি আছে যাতে এই বিলখন উত্থাপন কৰা নহয় আৰু চিলেকশ্যন কমিটিলৈকে পঠিয়াই বিবেচনা কৰা হয়। ঠিক তেনেদৰে ১০৮ ৰ ড্ৰাইভাৰ, টেকনিচিয়ান আদি কৰ্মচাৰী সকলে বাহিৰত আজি আন্দোলন কৰি আছে গতিকে সেইসকলৰ হৈ মই আপোনাৰ জৰিয়তে দৃষ্টি গোচৰ কৰিছো যাতে তেওঁলোকৰ সমস্যা সমূহ সমাধান হয়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা চাৰিটা বছৰ আপোনাৰ অধ্যক্ষতাত যিধৰণে এই সদনখন আপুনি পৰিচালনা কৰিছে তাৰ বাবে ব্যক্তিগত ভাৱে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। যিটো নীতিৰ কথা কোৱা হয় যে the House is of the opposition in a Democracy সেইখিনি ৰূপায়ণ কৰাৰ ক্ষেত্ৰত যথেষ্ঠখিনি আহোপুৰুষাৰ্থ চেষ্টা কৰিছে এই কথা আমাৰ দৃষ্টিগোচৰ হৈছে। এই সদনত শাসক বা বিৰোধী পক্ষই যিটো লেভেললৈকে নাযাওঁক কিয়, আঁচলতে যাব নালাগে কিন্তু we should not point out fingures towards the Chair of the Speaker কাৰণ অধ্যক্ষৰ মৰ্য্যদা ৰক্ষা হ'লেহে আমাৰ সদনৰ মৰ্য্যদা ৰক্ষা হ'ব। এই কথাটো আমি সকলোৱে মনত ৰখা উচিত। At the same time we should also keep in our mind that yes, in Democracy, more

the Speaker is neutral, more the Democracy will flourish but simultaneously we should also keep in our mind that he also belongs to a party, he will have his political future এই কথাবিলাকো আমি দৃষ্টিত ৰখাটো ভাল হ'ব। We should not blind to this aspect. মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰসংগত মই আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো। এটা সময়ত খুব সম্ভৱ মাৱলাংকাৰ চাহাৰ স্পীকাৰ থাকোতে লোকসভাত এই কথাবোৰ লৈ আলোচনা হৈছিল যে আমাৰ স্পীকাৰ যিমানেই নিউট্ৰেল হ'ব সিমানেই Democracy Flourish কৰিব। কিন্তু we also know that Speaker also belongs to a political party, he has also future এই কথাবোৰ লৈ কেনেকৈ Democracy আৰু বেছি flourish কৰিব পাৰি কেনেকৈ অধ্যক্ষই without ভয় ভীতি সদন চলাব পাৰে এই কথাবোৰ লৈ লোকসভাত বিভিন্ন ৰাজনৈতিক দলৰ মাজত আলোচনা হৈছিল আৰু তাত সকলো ৰাজনৈতিক দলৰ লিডাৰ সকলৰ সহমতত এটা প্ৰস্তাৰ ও হৈছিলে যে আমাৰ যিজন স্পীকাৰ থাকিব তেওঁ পিছৰ ইলেকশ্যনত যাতে কোনো ৰাজনৈতিক দলে তেওঁৰ বিৰূদ্ধে প্ৰাৰ্থী নিদিয়ে। এই ব্যৱস্থা আমি যেতিয়ালৈকে কৰিব নোৱাৰিম যিয়েই যিমান ভাষণ নিদিয়ক কিয় the Speaker is also under some compulsion এই কথাটো আমি মনত ৰাখিব লাগিব। সেয়ে মই সকলো ৰাজনৈতিক দলৰ নেতা সকলক অনুৰোধ জনাব বিচাৰিছো সকলোৱে বহি আলোচনা কৰি যদি এই নিয়মটো কৰিব পৰা যায় তাৰ ব্যৱস্থা কৰিব লাগে। মোৰ তৰাবিহীন প্ৰশ্ন নং ৭০ ৰ উত্তৰত ২০০৮ চনত মন্দিয়াৰ আৰ্য্যভট্ট চাইন্স ছেণ্টাৰ কৰা বুলি কৈছে, তাত এজন কো-অ'ৰডিনেটৰ ও আছে। মই আজি ১০ বছৰ বিধায়ক হৈ আছো। It is non existance totally গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এইটোৰ এটা তদন্ত কৰিবলৈ অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এইটো কি কাৰণে হৈছে? ক'ৰবাত ভাৰা ঘৰত চলি আছে নেকি?

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয়তে, অংক আৰু বিজ্ঞান বিষয়ৰ ১৩০ খন স্কুলত ফেচিলিটেটৰ দিয়া বুলি কৈছে। মোৰ সমষ্টিত অশিক্ষিতৰ সংখ্যা আটাইতকৈ বেছি। তৎস্বত্তেও মোৰ মাত্ৰ এখন স্কুল তাতো খালী হৈ আছে। চৰ অঞ্চলত যিহেতু এতিয়াও ৮০ শতাংশই অশিক্ষিত গতিকে তাত চৰকাৰে আটাইতকৈ বেছি গুৰুত্ব দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, আজি মোৰ তৰাবিহীন প্ৰশ্ন নং ৭৬ ত জ্যোতি-বিষ্ণু কলাকেন্দ্ৰৰ বিষয়ে প্ৰশ্ন কৰা হৈছিলে। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ জৰিয়তে প্ৰতিটো ব্লকতে এটা এটা জ্যোতি-বিষ্ণু কলাকেন্দ্ৰ হোৱাৰ কথা আছিলে। গোটেইখিনি কৰিব পৰা নাই সেইটো বেলেগ কথা। ২০১২ চনতে মই ডি আৰ এচ চি ৰ সদস্য হৈ থাকোতে একেৰাহে ৰিক'মেণ্ডেশ্যন কৰি অহা হৈছিলে যে মন্দিয়াত এটা জ্যোতি-বিষ্ণু কলাকেন্দ্ৰ হ'ব লাগে। আমি মাটিও দিলো ৫ বিঘা। যোৱা ডি আৰ এচ চি মিটিঙত ও ৰিক'মেণ্ড কৰিছো। আজি ও বিভাগৰ উত্তৰত আছে যে the work is under process for issuing of Administrative Approval.

**মাননীয় অধ্যক্ষ ঃ** আগতে কথাটো মই ও নাজানিছিলো। জ্যোতি-বিষ্ণুৰ নামত এটা অডিট'ৰিয়াম সকলো বিধায়কৰ সমষ্টিতে একো একোটাকৈ দিয়া হৈছিল। এইটো জনসংখ্যা ভিত্তিত দিয়া হয়। গতিকে মই মাননীয় বিধায়ক গৰাকীৰ সমষ্টিৰ সেই দিশটো চাই দিবলৈ বিভাগক অনুৰোধ জনাম। এতিয়া শ্ৰী দেবব্ৰত শইকীয়া।

**শ্ৰী দেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তিনিদিনীয়া

অধিবেশনখন হৈ গ'ল আৰু সচাঁকৈয়ে আগৰ বক্তা সকলে কোৱাৰ দৰে বাহিৰত বহুত মানুহ ৰৈ থাকে সেয়ে মই ভাৰো আপুনি যদি এটা ব্যৱস্থা গ্ৰহণ কৰে যাতে ভৱিষ্যতে আমাৰ বিধান সভাৰ এক্ট ইম্পলিমেণ্টেশ্যন কমিটি, পিটিশ্যন কমিটি, চাব'ৰডিনেট লেজিচলেশ্যন কমিটিৰ বিষয়া সকল গৈ সেই দিশবিলাক চাইচিতি বিভিন্ন ধৰণৰ আইন বলবৎ কৰিলে আমাৰ কাম খিনি ভাল হ'ব কাৰণ বিভিন্ন সময়ত তেওঁলোকে চৰকাৰে প্ৰতিশ্ৰুতি ভংগ কৰাৰ অভিযোগ লৈ আহে। বিকলাংগ বা অন্যান্য সকলৰ ক্ষেত্ৰত দেখা গৈছে যে তেওঁলোকক চৰকাৰে প্ৰতিশ্ৰুতি দি পালন নকৰাৰ ক াৰণে বিভিন্ন সময়ত দাবী-ধৰ্ণা আদি উত্থাপন কৰি আহিছে।

**মাননীয় অধ্যক্ষ ঃ** হয়, আমি বিধান সভাৰ ফালৰ পৰা এইটো চাব পাৰিম। এতিয়া আমাৰ এটা ঘোষণা আছে। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলী ১৮৬ ৰ ২ নং নিয়মৰ অধীনত মাননীয় সদস্য-সদস্যা সকলৰ জ্ঞাতাৰ্থে জনাব খুজিছো যে অসম বিধান সভাৰ ১৩ নং লক্ষীপুৰ বিধান সভা সমষ্টিৰ পৰা নিৰ্বাচিত সদস্য শ্ৰী ৰাজদ্বীপ গোৱালা ডাঙৰীয়াই যোৱা ২৯ ডিচেম্বৰ ২০২০ তাৰিখে কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ১৮৬ ৰ ১ নং নিয়মৰ অধীনত বিধান সভাৰ সদস্য পদৰ পৰা পদত্যাগ কৰে। শ্ৰী ৰাজদীপ গোৱালা ডাঙৰীয়াৰ পদত্যাগ পত্ৰ ২৯ ডিচেম্বৰ ২০২০ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ গ্ৰহণ কৰা হয়।

এতিয়া মাননীয় সদস্য শ্ৰী দেবব্ৰত শইকীয়া। ফাঁচি বজাৰত চাউলৰ দামৰ সম্পৰ্কত।

**শ্ৰীদেৱব্ৰত শইকীয়া, নাজিৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছো। শূণ্যকালীন ঘণ্টাত এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিবলৈ দিয়া বাবে। আমাৰ অসম কাকতত যোৱা ২৪ তাৰিখে প্ৰকাশ হৈছিল "ফাঁচী বজাৰত চাউলৰ কুইণ্টল ৩,০০০ টকাৰো অধিকঃ ধানৰ কুইণ্টল ৬০০ টকালৈ নামিছে, মুৰত হাত কৃষকৰ।" মহোদয় ধানৰ মূল্য কমিলে চাউলৰো মূল্য কমিব লাগে। কিন্তু চাউলৰ মূল্য বাঢ়ি গৈছে সেই গতিকে গোটেই বাতৰিটোত এটা কথা অভিযোগ উঠিছে যে উজনি অসমৰ জিলাসমূহতো প্ৰতিকুইণ্টল ধানৰ মূল্য ৬০০-৭০০ টকা হৈছে, শোণিতপুৰত ৭০০-৮০০ টকা হৈছে আৰু মৰিগাওঁ জিলাত প্ৰতি কুইণ্টল ধানৰ মূল্য ৬০০ টকা হৈছে। এই অনুসৰি যিটো আমাৰ চাউলৰ মূল্য হব লাগিছিল, সেইটো হোৱা নাই। চাউলৰ মূল্য প্ৰতিখন বজাৰত বৰ্ধিত হৈ গৈ আছে। মহোদয়, এই কথাটোৱে আমাক প্ৰমাণ কৰে যে, কৃষকৰ পৰা মিল তথা সৰু সৰু ব্যৱসায়ী ধান ক্ৰয় কৰি এচাম মধ্যভূগীয়ে পুঁজিপতি বনীয়া বিক্ৰী কৰি আহিছে আৰু কৃষক সকলে যি উৎপাদন কৰে, তেওঁলোকে উৎপাদনৰ প্ৰকৃত মূল্য পাবলৈ তেনেকৈ সক্ষম হোৱা নাই। এই কথাখিনিৰ লগত ইতিমধ্যে ভাৰতৰ যি তিনিখন বা চাৰিখন আইন প্ৰণয়ন হৈছে তাৰো কিছু কথা জড়িত হৈ আছে যিহেতু প্ৰকৃততে পূৰ্বতে আছিল যে ৰাজ্য বিলাকৰ নিজৰ নিজৰ ধান ক্ৰয় কৰাৰ নীতি আছিল, কিন্তু এতিয়া Central আইন আনি প্ৰতিখন ৰাজ্যৰে consolidate কৰি control কৰিব বিচৰা হৈছে। ঠিক তেনেকৈ আগত আছিল Essential Comodities Act তাৰ ফলত অত্যাৱশ্যকীয় সামগ্ৰী কেতবোৰ অধিক জমা কৰিব পৰা নগৈছিল। কিন্তু পুঁজিপতি সকলে অধিক জমা কৰি যিকোনো সময়ত বিক্ৰী বাৰ্তা কৰিব বিচাৰে তাৰ ফলত সেই Essential Comodities Act খনো আমাৰ দেশৰ পৰা প্ৰত্যাহাৰ কৰিব বিচৰা হৈছে যাতে বৃহৎ পুঁজিপতি গোষ্ঠীয়ে বহু দিনলৈ শস্য বেছিকৈ জমা কৰিব পাৰে আৰু প্ৰয়োজন সাপেক্ষে বেছি দামত বিক্ৰী কৰিব পাৰে। ঠিক তেনেকৈ দ্বিতীয়তে আছিল যে যি উৎপাদন কৰিব, কেনেকুৱা ধৰণৰ উৎপাদন কৰিব এইখিনি কৃষকৰ ওপৰত নিৰ্ভৰ কৰিছিল। কিন্তু এতিয়া ডাঙৰ কোম্পেনী বিলাকে যদি contract farming কৰে, তেতিয়াহ'লে তেখেতসকলক আগধন দি কেনেকুৱা কি বিক্ৰী কৰিব

লাগে সেইখিনি কথা পুঁজিপতি শ্ৰেণীয়ে dictation কৰিব পাৰিব। সেই গোটেই বিলাকে কৃষক সকলক এটা সমস্যাত পেলাইছে যি সকলে কৃষি কৰিব জানে আৰু দেশৰ ৮০ শতাংশতকৈ অধিক কৃষিজীৱি বিশেষকৈ গোটেই ভাৰতৰ পশ্চিম অঞ্চলত বা উত্তৰ অঞ্চলত বেছিকৈ, অসমত সেই ব্যৱস্থা হোৱা নাই যদিও ২০১২ চন মানৰ পৰা আমাৰ ৰাজ্যৰো যাতে ধানখিনি চৰকাৰে ক্ৰয় কৰিব পাৰে, FCI কৰিব পাৰে। সেই কাৰণে বিভিন্ন দাবী আৰু হেচা থকাৰ ফলত আমাৰ ৰাজ্যতো FCI বা অন্যান্য অনুষ্ঠানে চৰকাৰী কামৰ বাবে ধান কিনাৰ ব্যৱস্থা কৰা হৈছিল আৰু এইখিনি কি নাৰ পিছত যাতে FCI যোগেদি সহজে সুলভ মূল্যত বিভিন্ন চৰকাৰী আঁচনি বা অন্যান্য বিলাকক দিব পৰা যায়, তাৰবাবে এটা যত্ন কৰা হৈছিল। যোৱা সময়ছোৰত আমাৰ হাতত পৰা তথ্য মতে অসমত প্ৰায় ১০০ ৰো অধিক ধান কিনাৰ অনুষ্ঠান বা প্ৰতিষ্ঠান আছে আৰু এইবিলাক অকল এটা অনুষ্ঠান নহয় NAFED, Assam Food & Civil Supply Corporation, NACOFED, National Consumer Coperative Faderation, Food Corporation of India, Assam Agriculture Marketing Board আদি বিভিন্ন অনুষ্ঠানে ধান ক্ৰয় কৰিবলৈ বিভিন্ন অঞ্চলত তেখেতসকলৰ ক্ৰয় কেন্দ্ৰ উত্থাপন কৰি আৰু অসমত, ভাৰতৰ মুঠ ধান উৎপাদনৰ ৪.২ শতাংশ উৎপন্ন হয় ইয়াত ২৭ লাখ কৃষিজীৱি পৰিয়াল ইতিমধ্যে জড়িত হৈ আছে আৰু এটা তথ্য অনুসৰি মাত্ৰ ২২ হাজাৰ ৫ শ ৫২ জন কৃষকে নিম্নতম সমৰ্থনমূল্য পাবলৈ সক্ষম হৈছে আৰু যি ধান সমূহ ক্ৰয় কৰিবলৈ বিভিন্ন অনুষ্ঠান থাকে, তেখেত সকলেও গোটেইখিনি কিনিব নোৱাৰে। এইক্ষেত্ৰত এটা অতি গুৰুত্বপূৰ্ণ অনুষ্ঠান আছিল Assam State Agriculture Marketing Board যিটো হ'ল অসম কৃষি বিপনন পৰিষদ। কিন্তু এই নতুন আইন অনাৰ পিছত সেই প্ৰতিষ্ঠানটো যিটো ৭২ চনৰ আইন অনুসৰি ৭৮ চনত অসমত গঠন কৰা হ'ল ইয়াৰ ৭৮৮ জনতকৈ অধিক কৰ্মচাৰীৰ জীৱন আৰু জীৱিকাৰ লগত তেখেত সকলৰ পৰিয়ালৰ প্ৰতি এটা অৰ্থনৈতিক ভাবুকি আহি পৰিছে। কাৰণ নতুন আইন অনুসৰি তেখেত সকলৰ এই অনুষ্ঠানটো disolve কৰা হ'ব আৰু সেইবাবে ইতিমধ্যে চৰকাৰে ৬০১ জনক VRS, ১৫৪ জন casual কৰ্মচাৰীক অব্যাহতি দিয়াৰ ব্যৱস্থা কৰিছে। কিন্তু কথাটো হ'ল যে, আমাৰ গোটেই দেশত প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কৈছে যে, MSP থাকিব আৰু MSP থাকিবলৈ হ'লে MSP ৰ যোগেদি কৃষক ৰাইজে ধান কোনোবা এটা অনুষ্ঠানত ক্ৰয় বিক্ৰয় কৰাকৈ সেই সুযোগ থাকিব লাগিব। কিন্তু যদি আমি ভাৰত চৰকাৰৰ অনুষ্ঠান বিলাকৰ পৰিৱৰ্তে বৰ্তমান Food & Civil Supply Corporation গঠন হৈছে, যদিহে এই কৃষি বিপণন পৰিষদটো ভংগ হৈ যায়, তেতিয়াহ'লে সেই অনুষ্ঠানটোত এই সকলক পুনৰ নিযুক্তি দি অসমৰ বিভিন্ন অঞ্চলৰ পৰা ধান ক্ৰয় কৰাৰ এটা সুযোগ আমি কৰিব পাৰো নেকি এই কথাটো মই ্যিহেতু এটা চৰকাৰৰ ঘোষিত পলিচি আছে যে, আমি নিৱনুৱা সকলক সংস্থাপন দিম তেনে সময়ত নিবনুৱাক সংস্থাপন দিব নোৱাৰিলো যিসকলে ইতিমধ্যে ক মৰ্মত হৈ আছে, তেখেত সকলক যাতে আমি চাকৰিবিহীন কৰিব নালাগে, নিৱনুৱা কৰিব নালাগে এইক্ষেত্ৰতো মই গোটেই সমগ্ৰ অসম চৰকাৰখনৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু লগতে যিখিনি আমাৰ মধ্যভোগীৰ ফলত কৃষক সকলে উচিত মূল্য পোৱা নাই যাৰ ফলত কৃষিৰ প্ৰতি এটা সময়ত অনীহা আহিব পাৰে আৰু তাৰ ফলত তেওঁলোকে যদি লোন লৈয়ো কৃষি কাৰ্যত তেখেতসকল নিয়োজিত হৈছিল আৰু শুনা যায় যে, বজাৰত কেতিয়াবা উচিত মূল্যৰ অভাৱত কৃষক সকলে যিকোনো উৎপাদিত সামগ্ৰী পেলাই থৈ যায় পানীৰ মূল্যত বিক্ৰীব বিচাৰে, আমাৰ food stores ৰ সমস্যা, সেই গতিকে গোটেইখিনি সমস্যা নাইকিয়া

হ'বলৈ হ'লে খাদ্য অসামৰিক যোগান বিভাগ, কৃষি বিভাগ আৰু অন্যান্য বিভাগৰ মাজত এটা যিটো কোৱা যায়, convergence এটা ভাল ধৰণে হ'ব বুলি মই আশা কৰি আজি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে অসমৰ কৃষক সকলে উচিত মূল্য পাব পাৰে যিকোনো ক্ষেত্ৰত আৰু অসম কৃষি বিপণন পৰিষদকো প্ৰয়োজন সাপেক্ষে চৰকাৰৰ নতুন এই বিভাগটোত নিয়োজিত কৰি আমাৰ কৃষক সকলক শক্তিশালী কৰাৰ প্ৰগতিৰ দিশত আগুৱাই লৈ যাব পৰা যায়। ধন্যবাদ।

**শ্ৰী ৰকিবুল হুছেইন, চামগুৰি ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিখিনি কথা আমাৰ দলপতিয়ে কৈছে, সেইখিনিকে আগধৰি কেৱল মই এটা highlight কৰিব বিচাৰিছো যে, বহুতে আমাক ক'ব দিছে যে কৃষি বিপণন পৰিষদত ৬০১ জন কৰ্মচাৰী চাটাই কৰিব বিচাৰিছে। যিটো সময়ত employment দিয়াৰ কথা কৈ আছে চৰকাৰখনে। কাম কৰি থকা এশ ভাগৰ এশ ভাগ থলুৱা ৬০১ জন কৰ্মচাৰীক তেওঁলোকক বাধ্যতামূলক অৱসৰ দিব খুজিছে আৰু ১৫৪ জন অস্থায়ী কৰ্মচাৰীক তেওঁলোকক বিদায় দিব বিচাৰিছে। এই কথাখিনি অলপ গুৰুত্ব সহকাৰে চাই তেওঁলোকৰ যাতে চাকৰিটো থাকে, কাৰণ এনেই চাকৰি দিব পৰা নাই, আকৌ যদি থলুৱা লোক সকলৰ যদি ঘৰখন নচলা হয়, তেওঁলোকে হাবাথুৰি খাইছে। এই কথাখিনি অলপ চাব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ফনীভূষন চৌধুৰী, মাননীয় যোগান মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীযুত শইকীয়া ডাঙৰীয়াই যি বিষয়টো, ধানৰ কুইণ্টল ৬০০ টকালৈ নামিছে, মুৰত হাত কৃষকৰ এই শীৰ্ষক বাতৰিটো আমাৰ দৃষ্টিগোচৰ হৈছে আৰু এই বিষয়টো মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো। এই কাৰণেই জনাইছো যে আমি চৰকাৰখনে লোৱা কিছু কাম-কাজৰ খতিয়ান সম্পৰ্কত বিধান সভাৰ মজিয়াত উত্থাপন কৰাৰ কাৰণে আমি এটা সুযোগ পাইছো। এই ধানৰ কুইণ্টল ৬০০ টকালৈ নামিছে বুলি এই বাতৰিটো ওলোৱাৰ পাছত আমি আচলতে যিবিলাক জিলা বা যিবিলাক স্থানৰ নাম ইয়াত উল্লেখ কৰিছে সেই স্থান বা জিলাসমূহত আমি খবৰ লৈছো কিন্তু আমি মৰিগাওঁত খবৰ লৈছো, শোণিতপুৰত খবৰ লৈছো, কিন্তু আমি আচলতে কুইণ্টল ৬০০ টকালৈকে কতো নমা নাই। আমাৰ যিটো information. এতিয়া আচলতে বাতৰিটো কিমানদুৰ সত্য, এইকথাটো এতিয়া মোৰ মনত এটা সন্দেহ উপজিছে। যিয়েই নহওঁক, আজি আমি পোৱা খবৰ মতে মৰিগাওঁত বাৰশ তেৰশ টকা কুইণ্টল, ঠিক একেধৰণে শোণিতপুৰতো বাৰশ তেৰশ টকা কুইণ্টল চাউল বিক্ৰী হৈ আছে।

**শ্ৰীদেৱব্ৰত শইকীয়া, নাজিৰা ঃ** চাৰ, গোটেই ঘটনাটো হ'ল MSP সুলভৰ আছে। গতিকে MSP পালে ভাল হয়।

**শ্ৰী ফনীভূষন চৌধুৰী, মাননীয় যোগান মন্ত্ৰী ঃ** মই এইটো কথা কৈ আছো। বৰ্তমান ৬০০ টকা মূল্যত ধান বিক্ৰী হোৱা নাই। এই কথাটোহে মই প্ৰথমতে কৈছো। যিটো মাননীয় সদস্য গৰাকীয়ে MSP ৰ কথাটো কৈছে, Minimum Support Price ৰ কথাটো কৈছে, যে আমাৰ ৰাজ্যখনত এই নিম্নতম সমৰ্থিত মূল্য কৃষকৰ পৰা পোনপটীয়াকৈ ধান ক্ৰয় কৰা আচঁনিখন অসম চৰকাৰে ২০১২-২০১৩ চনৰ পৰা আৰম্ভ কৰিছে আৰু সেইমৰ্মে ২০১২-১৩ চনৰ পৰা বিভিন্ন PPC ৰ জৰিয়তে কেন্দ্ৰ বিলাকৰ জৰিয়তে ধান ক্ৰয় কৰি থকা হৈছে। মই এইক্ষেত্ৰত দুটামান তথ্য আপোনালোকক দিব বিচাৰিছো। ২০১৪-১৫ চনত ৰাজ্যখনত ধান ক্ৰয় আমাৰ লক্ষ্য আছিল ১৭ হাজাৰ মেট্ৰিকটন। সেইবাৰ ২০১৪-১৫ চনৰ বৰ্ষৰ ১৭ হাজাৰ মেট্ৰিকটনৰ বিপৰীতে ধান ক্ৰয় কৰা হৈছিল ২২ হাজাৰ ৮৯৭ মেট্ৰিকটন। আকৌ আমি যদি ২০১৯-২০ বৰ্ষলৈকে যদি যাওঁ,

২০১৯-২০ ত ধান ক্রয় কৰাৰ লক্ষ্য লোৱা হৈছিল ৪ লাখ ৬৯ হাজাৰ ৫০০ মেট্ৰিকটন। ১৭ হাজাৰ বিপৰীতে ২০১৪-১৫ ত আমি ২০১৯-২০ ত ৪ লাখ ৬৯ হাজাৰ ৫০০ মেট্ৰিকটন ধান ক্ৰয় কৰাৰ সিদ্ধান্ত লোৱাৰ লক্ষ্য লৈছিলো তাৰ বিপৰীতে আমি ৩ লাখ ১৫ হাজাৰ ২৩৫ মেট্ৰিকটন যোৱাবছৰ ধান ক্ৰয় কৰিবলৈ সক্ষম হৈছো য'ত ২০১৪-১৫ চনত মাত্ৰ ২২ হাজাৰ ৮৯৭ ধান ক্ৰয় কৰা হৈছে। এই কথাটো মই এই কাৰণেই কৈছো যে, আচলতে আমি বৰ্তমান মাননীয় শ্ৰীসৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰখন অহাৰ পিছত কেন্দ্ৰীয় চৰকাৰে যিটো MSP ত গুৰুত্ব আৰোপ কৰাৰ কাৰণে আমি এনে ধৰণে ধানৰ ক্ৰয়টো বৃদ্ধি কৰিছো আৰু এইক্ষেত্ৰত যোৱা বছৰ আমি Food & Civil Supply Corporation ক ধাৰ্য্য কৰাই দিছিলো, টাৰ্গেট দিছিলো ৪৫ হাজাৰ মেট্ৰিকটন, FCI ক দিছিলো ২ লাখ ৫০ হাজাৰ মেট্ৰিকটন, Assam Agriculture Marketing Board ক দিছিলো ৪৫ হাজাৰ মেট্ৰিকটন, NAFED ক ৩৫ হাজাৰ মেট্ৰিকটন, NACOF ৫৮ হাজাৰ ৫০০ মেট্ৰিকটন, NCCF ৩৬ হাজাৰ ৬০০ মেট্ৰিকটন এনেধৰণৰ আমি লক্ষ্য স্থিৰ কৰি দিছিলো, এজেঞ্চী সমূহক। তাৰ বিপৰীতে FCI দিয়া ২ লাখ ৫০ হাজাৰ মেট্ৰিকটনৰ বিৰূদ্ধে তেওঁলোকে ১ লাখ ৯৫ হাজাৰ ৯৩৯ মেট্ৰিকটন, Food & Civil Supply Corporation য়ে ৩৫ হাজাৰ ৬৪০ মেট্ৰিকটন আৰু Assam Agriculture Marketing Board য়ে ৪৫ হাজাৰৰ বিপৰীতে ৯ হাজাৰ ৩২৬ মেট্ৰিকটন, NAFED ক ৩৫ হাজাৰ মেট্ৰিকটন, মেট্ৰিকটনৰ বিপৰীতে ৪৫ হাজাৰ ৭৪২ মেট্ৰিকটন। NACOF ৫৮ হাজাৰ ৫০০ মেট্ৰিকটনৰ বিপৰীতে ১৭ হাজাৰ ৯০৪ মেট্ৰিকটন, NCCF য়ে ৩৬ হাজাৰ বিপৰীতে ১০ হাজাৰ ৬৮৩ মেট্ৰিকটন ধান ক্ৰয় কৰিছে মুঠ ধান ক্ৰয় কৰা হৈছিল ৩ লাখ ১৫ হাজাৰ ৩৫ মেট্ৰিকটন। কথাটো হৈছে যে এইবাৰ ইয়াত বাতৰি কাকতত পৰিৱেশন হোৱাৰ পিছতে আমাৰ বি ভাগে FCI কে আদি কৰি বিভিন্ন এজেঞ্চীয়ে ধান ক্ৰয় কৰে তেওঁলোকক আমি নিৰ্দেশ দিছো। দৰাচলতে এটা কথা হয় ধান দি ক্ৰয় কৰা হয় ধানখিনি FCI ক জমা দিয়া হয় কিন্তু কথাটো হৈছে ১৭ শতাংশ যিটো মইচাৰ সেই ১৭ শতাংশ মইচাৰক অতিৰিক্ত হলে সেই ধান FCI য়ে সেইখিনি নলয় যাৰ ফলত দেখা যায় যে অসমত ধান ক্ৰয় কৰাৰ ব্যৱস্থাটো হয় ডিচেম্বৰৰ শেষৰ পৰা মাঘ মাহৰ আগলৈকেহে। সেই কাৰণে আমি ধান ক্ৰয় কৰা আৰম্ভ কৰা নাছিলো কিন্তু এই বাতৰিটো পৰিৱেশন হোৱাৰ পিছত FCI ক আমি ধান ক্ৰয় কৰাৰ কাৰণে নিৰ্দেশনা দিও আৰু সেই মতে FCI আৰু Markating Board Corporation য়ে তেওঁলোকে ধান ক্ৰয় কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে FCI য়ে যোৱা ২৩-১২-২০২০ চনৰ পৰা তেওঁলোকে ধান ক্ৰয় কৰিব বুলি আৰম্ভ কৰিছে, Food & Civil Supply Corporation য়ে ২৩-১২-২০২০ চনৰ পৰা আৰম্ভ কৰিছে, FCI য়ে ২৯-১২-২০২০ ৰ পৰা আৰম্ভ কৰিছে ঠিক তেনে ধৰণে NCCF য়ে ৫ জানুৱাৰীৰ পৰা, Markating Board য়ে ৮ জানুৱাৰীৰ পৰা, NAFED য়ে ৮ জানুৱাৰীৰ পৰা আৰু NCCF য়ে তেওঁলোকে ১৮ জানুৱাৰীৰ পৰা ধান ক্ৰয় কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব আৰু মই ভাবো যেতিয়া এই সংস্থাসমূহে ধান ক্ৰয় কৰা আৰম্ভ কৰিব নিশ্চয় ৰাজ্যখনৰ কৃষক ৰাইজে যিটো minium support price বৰ্তমান এই বছৰ ১৮ শ ৬৮ টকা ধাৰ্য্য কৰা হৈছে, প্ৰতি টকা প্ৰতি কুইণ্টলত পাবলৈ সক্ষম হ'ব আৰু এই ক্ষেত্ৰত মই এটা কথা কবলৈ বিচাৰিছো যে, মাননীয় সদস্য হুছেইন ডাঙৰীয়া আৰু দেৱব্ৰত শইকীয়া ডাঙৰীয়াই Marketing Board ৰ কথাটো কৈছে, supply department ৰ অধীনত নপৰে। এই বিষয়টো Agriculture Department ৰ Marketing Board ত আছে।

গতিকে এইবিষয়টো নিশ্চয় Agriculture Department য়ে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিব। এই বাতৰিটোত মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়াই উত্থাপন কৰাৰ সংক্ৰান্তত আমাৰ বিভাগে গ্ৰহণ কৰা এইখিনি কথা মই সামৰিছো।

**মাননীয় অধ্যক্ষঃ** শ্ৰীৰবিৰাম নাৰ্জাৰী আৰু প্ৰদীপ হাজৰিকা। তেখেতসকলে এটা ন'টিচ দিছে Khalingduar Reserve Forest fit case for upgrading wild life centuary. শ্ৰীৰবিৰাম নাৰ্জাৰী অনুপস্থিত।

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰিঃ** মাননীয় অধ্যক্ষ মহোদয়, Filling the door Reserve Forest, এই Reserve Forest খন ভূটান আৰু অসমৰ সীমান্ত অঞ্চলত এই Khalingduar Reserve Forest খন আছে আৰু এই Reserve Forest ৰ লগতবৰ নদী চেনচিউৰী যিখন আছে, বৰনদী চেনচিউৰীখন এই খনৰ লগতে লাগি আছে। ইয়াত বিভিন্ন ধৰণৰ speceis আছে আৰু কিছুমান গোটেই পৃথিৰীত নথকা speceis ও ইয়াত পোৱা যায়। এই যিখন Reserve Forest আছে, এই Reserve Forest খন আমি এতিয়ালৈকে চৰকাৰৰ পৰা যি ধৰণে গুৰুত্ব দিব লাগিছিল, গুৰুত্ব দিয়া হোৱা নাই। ইয়াত যিবোৰ Common Animal Door, Wild Animal Door যিবিলাক আছে, সেই door এতিয়া বাধা প্ৰাপ্ত হৈছে। তাত গোটেই reserve খন যোৱা 1993 ৰ পৰা 2001 ৰ এই পিৰিয়দটোত ইয়াক সাংঘাটিক ধৰণে ধ্বংস কৰা হৈছে। ইয়াত গছ-গছনি কাটি সেই জাগাবিলাক কাটি তাত জীৱ-জন্তু থকাৰ পৰিৱেশটো নাইকিয়া কৰা হৈছে। এই গোটেই Khalingduar Reserve Forest খন অতি সুন্দৰকৈ নিৰ্মাণ কৰিব কৰিব পাৰি, সুন্দৰকৈ ৰাখিব পাৰি। এখন কেৰেলাৰ Idukki Forest যিখন আছে, এই ফৰেষ্টৰ লগত সুন্দৰকৈ তুলনা কৰিব পৰা যায়। এইখন এখন National Park সুন্দৰ এখন centuary ইয়াত বনাব পাৰি আৰু এইখন ইমান ধুনীয়া জাগাত আছে যে, আমাৰ চাইনাৰ পৰা ভূটান হৈ যিখিনিanimal park হয়, সেই জীৱ-জন্তু বিলাকো এই Reserve Forest লৈ অহা যোৱা কৰে। এই Reserve Forest দক্ষিণৰ দিশে জিল ওডালগুৰি পৰে আৰু সিমান্তৰ সিফালে ভূটান পৰে। সেইকাৰণে ইমান সুন্দৰ এখন জাগাত থকা ইমান সুন্দৰ এখন Reserve আছে, এইখনৰ ওপৰত বহুতে লিখিছে। আজি অকল Assam Tribune তে লিখা নাই কিন্তু অন্যান্য expert তেও তাত ৰিচাৰ্চ কৰিব গৈছে। তাৰ ওপৰতো তেওঁলোকে যথেষ্ট তেনেকুৱা ধৰণৰ নোট দিছে। আফ্ৰিকাৰ যিটো হায়না আছে তাত দেখা যায় তাহাতৰ নোমবিলাক চুটি চুটি। কিন্তু এইখনত যিটো হায়না আছে সেই হায়নাটোৰ পিঠিটো আৰু নেগুৰডালত জোপোহা নোম আছে যথেষ্ট দীঘল। এইটো rare variety এইটো হায়না। এই যিবিলাক ইয়াত জীৱ-জন্তু আছে বা ইয়াত যিখিনি bio diversity যিটো আছে এতিয়া সেইটো আমি ৰক্ষণাবেক্ষণ দিব লাগে আৰু ইয়াত যদি কিছু অলপ গুৰুত্ব দিয়া হয় তেতিয়াহ'লে এইখন এখন World ত এইখন এখন best centuary হ'ব বুলি বহুতে মন্তব্য দিছে। ইয়াত যিখিনি biodiversity আছে যদি সেইখিনি গুৰুত্বসহকাৰে ৰক্ষণাবেক্ষন দিব পৰা যায় তেতিয়াহ'লে এইখন পৃথিৱীৰ ভিতৰতে এখন ভাল চেংচ্যুৰেৰী হ'ব বুলি বহুতো বিজ্ঞলোকে মন্তব্য দিছে। এই বিষয়টো মাননীয় বিধায়ক ৰবিৰাম নাজাৰী ডাঙৰীয়াই আনিছিলে আৰু মইয়ো তাত চহী কৰিছিলো। আমাৰ পানেৰী পাৰ্ক আছে, কাজিৰঙা নেশ্যনেল পাৰ্ক আছে, এইবিলাকৰ লগতে যদি এইখনো চেংচ্যুৰেৰী কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লয় তেতিয়াহ'লে মই ভাবো আৰু এখন সুন্দৰ চেংচুৰেৰী আমি পাব পাৰিম। উপাধ্যক্ষ মহোদয়, এতিয়া যিটো হাতী- মানুহৰ সংঘাত আহিছে । এই হাতী- মানুহৰ সংঘাত অহাৰ প্ৰধান

কাৰণটো হৈছে deforestration. আমি ফৰেষ্ট এৰিয়াবিলাক ধ্বংস কৰিছো । এইটো অঞ্চলতো এনেকুৱা হৈছে যে, বনৰ পৰা বহুতো হাতী ওলাই আহি গাওঁবিলাকত বহুতো ক্ষতি সাধন কৰিছে, ঘৰ দুৱাৰ ভাঙিছে, খেতি-বাতি নষ্ট কৰিছে। ইয়াৰ কাৰণ ফৰেষ্ট এৰিয়া বিলাকত জংঘল কাটি তাত মানুহে ঘৰ বনাইছে, বসবাস কৰিছে । গতিকে এতিয়া জীবজন্তু বিলাক থকা ঠাই নাইকীয়া হৈছে। এই বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয়। মই ভাবো ইয়াত ৰাইজৰ প্ৰতিনিধিসকলে নিজৰ নিজৰ অঞ্চলৰ সমস্যাসমূহ দাঙি ধৰিছে তেনেদৰে সমস্যা সমাধানো হৈছে কিন্তু এই জীৱ জন্তু বিলাকক লৈ যিটো সমস্যা হৈছে সেইবিলাক সমাধান কৰাৰ ক্ষেত্ৰত যিধৰনে ইয়াত গুৰুত্ব পাব লাগিছিল তেনেধৰনে পোৱা নাই। কেৱল জীৱ জন্তুয়ে নহয় উপাধ্যক্ষ মহোদয়, Botanical Species, অৰ্কিড যিবিলাক অসমৰ হাবিত এতিয়াও আছে , যিবিলাক Botanical Species য'তে ত'তে নাপায়। এতিয়ালৈকে বিজ্ঞানীসকলে প্ৰায় ২০০০-৩০০০ টা অৰ্কিডৰ প্ৰজাতি এক্সপ্ল'ৰ কৰিছে। ইয়াত এক্সপ্ল'ৰ কৰিবলগীয়া অৰ্কিডৰ স্পেচিচ বহুতো আছে। ইয়াত বহুতো ধুনীয়া ধুনীয়া ৰিভাৰলেট আছে, স্প্ৰীং আছে। এইবিলাক চাই পৃথিৱীৰ কেইবাজানো টুৰিষ্টে দুখ কৰিছে। তেওলোকৰ কমেন্টবিলাক আমি পাইছো। ইমান ধুনীয়া ঠাইবিলাক এনেকৈয়ে কিয় নষ্ট কৰিছে বুলি তেওঁলোকে লিখিছে। আমি নিজেও সেই ঠাই বিলাকত যোৱা নাই। ক্লিংদাদুৰ ৰিজাৰ্ভ ফৰেষ্ট যিখন বৰদনদী চেংচ্যুৱেৰিত আছে। এই ঠাইবোৰ বহু মানুহে দেখাই নাই। ডি ফৰেষ্ট্ৰেশ্যনৰ কাৰনে এই ঠাইবিলাকত অত্যাচাৰ বেছি হৈছে। এই অত্যাচাৰটো বন্ধ কৰিব লাগে। ইয়াক প্ৰিজাৰ্ভ কৰিব লাগে। ফৰেষ্ট ৰিজাৰ্ভখন চেংচ্যুৰেৰীলৈ ৰূপান্তৰ কৰিব লাগে। যিবিলাক Animal Corridor আছে সেইবিলাক যাতে কোনো কাৰণতেই বন্ধ নহয়। হাতী -মানুহৰ যি সংঘাত হৈছে সেই সমস্যাটো সমাধান কৰিবলৈ আমাৰ ফৰেষ্ট ৰিজাৰ্ভবিলাক আছে । চৰকাৰে সেইবিলাক সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ ভূটানৰ লগত, চাইনাৰ লগত যিটো জিঅগ্ৰাফিকেল কনেক্টিভিটি আছে সেইটো কোনোবাই নোহোৱা কৰিম বুলি কৰিব নোৱাৰে। সেই কনেক্টিভিটি ভূটানৰ পৰাও আহিছে চাইনাৰ পৰাও আহিছে , আহি পেলাই অসম পাইছেগৈ। গতিকে This is very good link to Kaziranga . এতিয়া এই লিংকটো আমি যদি ডিচলিংক কৰিবলৈ যাওঁ তেতিয়াহ'লে আমাৰ যিটো এনভায়ৰণমেন্ট আছে সেইটোত বাধা আহিব। হাতী-মানুহৰ সংঘাতটো আৰু বাঢ়ি যাব। সেই কাৰণে মই এই বিষয়টো চৰকাৰৰ দৃষ্টিত আনিছো। মই আশা ৰাখিম যাতে অহা দিনবিলাকত এই বিষয়টো গুৰুত্ব পায়। ধন্যবাদ

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াক ইং ২৮-১২-২০২০ তাৰিখৰ “ অসমীয়া প্ৰতিদিন ” বাতৰি কাৰতত প্ৰকাশিত গেথেঁলা মাৰিছে দীপৰ বিলৰ সৌন্দৰ্য্য বৰ্দ্ধনৰ ১০ কোটি টকাৰ আঁচনি। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, এই বিষয়টো মই প্ৰতিখন বিধান সভাত উত্থাপন কৰি আহিছো। কিন্তু দুভাৰ্গ্যজনক কথা যে বিগত দিনবিলাকত মই উত্থাপন কৰা কথাখিনিৰ এটা কামো সম্পন্ন নহ'ল। মাননীয় বন আৰু পৰিবেশ মন্ত্ৰী ডাঙৰীয়াৰ যে আন্তৰিকতা নাই এনে নহয়, বিভাগীয় বিষয়াসকলৰ আন্তৰিকতা নথকা বাবেহে তাৰে এটা কামো হোৱা নাই। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, বিশ্বৰ মানচিত্ৰত দীপৰ বিলটো জলাশয় হিচাপে আছে। মই ভাবো বিশ্ব মানচিত্ৰত থকা এই দীপৰ বিলটো আমাৰ বাবে খুৱেই গুৰুত্বপূৰ্ণ। দীপৰ বিলৰ পৰিসীমাটো যদি আমি চাওঁ তেনেহ'লে ২০০০ স্কোৱেৰ কি. মি তকৈ অধিক মাটি এই জলাশয়টোত আছে। ইয়াৰে ৪১৪ স্কোৱেৰ কি.মি ৱাইল্ড লাইফ চেংচ্যুৰেৰি হিচাপে ইতিমধ্যে ঘোষণা কৰিছে। দীপৰ বিলৰ আৰু বহুতো সমস্যা আছে। দীপৰ বিলৰ সৌন্দৰ্য্যবৰ্দ্ধনৰ বাবে মই আমাৰ চিগনেশ্যাৰ

স্কীমত ২০১৮-১৯ চনত ১০ কোটি টকাৰ আঁচনি আবন্টণ দিছিলো। ইতিমধ্যে বিত্ত বিভাগেও এই ক্ষেত্ৰত অনুমোদন জনাইছে। ইতিমধ্যে Assam Tourism Development Corporation য়ে ইয়াৰ বাবে বাহিৰৰ পৰা আৰ্কিটেক আনি ডিজাইনো কৰিছে। কিন্তু আমাক বন বিভাগে অনুমতি নিদিয়াৰ কাৰণে আজি দুবছৰে সেই পুঁজিখিনি আমি খৰছ কৰিব পৰা নাই। বিশেষভাবে যেতিয়া মই ১০ কোটি টকাৰ আবন্টণ দিছিলো তেতিয়া মই আনন্দিত হৈছিলো। অসম বিধান সভাই এই কথা ঘোষণা কৰাৰ পিছ মূহুৰ্ত্ততে আমাৰ সমুহ সদস্যই টেবুলত থপৰিয়াই সমৰ্থন দিছিলে। কাৰণ এইটো এটা গুৰুত্বপূৰ্ণ জলাশয়। আমাৰ বন আৰু পৰিবেশ মন্ত্ৰীক মই বিভিন্ন সময়ত এই কথা কৈ আহিছিলো। উৰিষ্যাত থকা 'ডাল লেক', 'চিল্কা লেক ' ইত্যাদিক সেই ৰাজ্য চৰকাৰে পৰ্য্যটকক আকৰ্ষিত কৰাৰ বাবে যিটো পৰ্য্যটনৰ আঁচনি লৈছে সেইটো চাবলগীয়া। উপাধ্যক্ষ মহোদয়, আজি যদি আপুনি চাবলৈ যায় তেতিয়া হৃদয়ঙ্গম কৰিব পাৰিব যে এই বিষয়ত আমি কিমান পিছ পৰি আছো। দীপৰ বিলৰ লগতে ৰাণীৰ ওচৰত অসম-মেঘালয় সীমান্তত থকা চাতাৰ গাওঁ নামৰ গাওঁখনতো মই ইতিমধ্যে ৰাস্তা নিৰ্মান কৰিছো। তাতো এটা সুন্দৰ জলপ্ৰপাত আছে। দুখন নদী লগ হৈ এটা কেন্দ্ৰ বিন্দুত মিলিত হৈ পাহাৰৰ মাজেৰে নিগৰি বৈ গৈ ৫০০ মিটাৰ মান বৈ আহি এখন নৈত পৰিছে। এই সকলোখিনি ফৰেষ্ট এৰিয়া । এনেধৰনৰ সুন্দৰ প্ৰকল্প এটা পশ্চিম গুৱাহাটীতো কৰিব পৰা অৱস্থাত আছে। অসম -মেঘালয় সীমান্তৰ চাতাৰ গাওঁত থকা জলপ্ৰপাতটোলৈ যোৱা ৰাস্তাটো মই কৰালো। কিন্তু পৰ্য্যটনৰ ক্ষেত্ৰত কিছু কাম তাত আৰু কৰিবলগীয়া আছে। যদি বন বিভাগে সমৰ্থন দিয়ে তেনেহ'লে আমি তাত পৰ্য্যটনৰ আকৰ্ষণৰস্থলী হিচাপে বহু কাম কৰিব পাৰো। কাশ্মীৰৰ 'ডাল লেক', উৰিষ্যাৰ 'চিল্কা লেক'ত বোটিঙৰ সুন্দৰ ব্যৱস্থা আছে। আমি দীপৰ বিলত যিটো আঁচনি লৈছিলো তাতো 'বোটি'ৰ ব্যৱস্থা আছিল। তাত বোটিঙৰ আঁচনি কৰিলে কি অসুবিধা হয় মই জানিব পৰা নাই। এটা কথা হয় তাত পৰিভ্ৰমী চৰাই চৰিবলৈ আহে। উপাধ্যক্ষ মহোদয়, মই এটা কথা জানিব খুজিছো যে আজি আমি নিয়ম অনুযায়ী আঁচনি কৰোতে অথবা অনুমতি বিচাৰোতে বন বিভাগে অনুমতি দিয়া নাই কিন্তু যেতিয়া ৰেলৱে বিভাগে ৰেলৱে ট্ৰেক বনালে, দীপৰ বিলৰ নিচেই কাষত বৰা গাওঁত ডাম্পিং গ্ৰাউণ্ড বনাওতে বন বিভাগে কেনেকৈ অনুমতি দিলে? যেতিয়া দীপৰ বিলত বেদখল হ'ল সেইবিলাক ৰোধ কৰাৰ বাবে কিয় ব্যৱস্থা নল'লে? আজি আমি তাত' ৱাট্চ টাৱাৰ ' বনাব বিচাৰিছো, তাত উঠি পৰ্য্যটকসকলে পৰিভ্ৰমী চৰাই নিৰীক্ষণ কৰিব পাৰিব, দীপৰ বিলৰ সৌন্দৰ্য্য চাব পাৰিব। এটা ৱাট্চ টাৱাৰ তাত আছে কিন্তু আমি সেইটো ৰিনোভেশ্যন কৰি মোডিফিকেশ্যন আঁচনি লোৱাৰ বাবে দুটা বছৰ অপেক্ষা কৰিব লগীয়া হৈছে। উপাধ্যক্ষ মহোদয়, "দীপৰ বিল চোছাইটি" বুলি এটা চোছাইটি গঠন কৰা হৈছে। মুখ্যমন্ত্ৰী মহোদয়ে এই চোছাইটিৰ সভাপতি। মাননীয় মুখ্যমন্ত্ৰীৰ লগতো দীপৰ বিলক লৈ মই আলোচনা কৰিছো। আজিও ১২ টা বজাত আলোচনা আছে। দীপৰ বিলৰ ৰক্ষণা-বেক্ষণৰ বাবে আমি যদি কাম নকৰো তেতিয়া হ'লে অসমৰ পৰ্য্যটনৰ ক্ষেত্ৰত আমি কেনেকৈ আগবাঢ়িম। এই প্ৰশ্নটো আজি মোৰ সন্মূখত আহিছে। দীপৰ বিলত বিভিন্ন ঠাইৰ পানী আহি প্ৰদুষিত হৈছে। তাৰ বাবে স্মাৰ্ট চিটি আঁচনিৰ আওঁতাত এটা 'ৱাটাৰ ট্ৰিটমেন্ট' আঁচনি কৰাৰ সিদ্ধান্ত হৈছে। মই মাননীয় বিত্ত মন্ত্ৰীৰ ঘৰত আঁচনি লৈ ৰাতি গৈছিলো, তেখেতে ৰাতিয়ে আঁচনি অনুমোদন কৰি নিশা ১২ বজাত 'চিগনেছাৰ আঁচনিটো' অনুমোদন কৰা বুলি মোক খবৰ দিছিল। তাত আঁচনি হোৱাটো আজি সকলোৱে বিচাৰিছে , বন মন্ত্ৰী মহোদয়ে বিচাৰিছে, কিন্তু কি পাক চক্ৰত পৰি এই দীপৰ বিলৰ আঁচনি কাৰ্য্যকৰী কৰিব পৰা নাই। এইটো এতিয়া মোৰ সন্মূখত ডাঙৰ প্ৰশ্ন। দুইমাহ

পিছতে নিৰ্ব্বাচনৰ কাৰণে নোটিফিকেশ্যন হ'ব। গতিকে ১০ কোটি টকাৰ আঁচনি যিটো উদ্দেশ্যত মই লৈছিলো তাত সফল হ'ব নোৱাৰিম। মই সফল হোৱা নোহোৱাটো ডাঙৰ কথা নহয় কিন্তু ৰাজ্য চৰকাৰৰ যিটো পৰিকল্পনা, যিটো সপোন তাক বাস্তবায়িত কৰাৰ পৰা আমি পিছ হুঁহকিব লগা হৈছে। মই বিশেষভাবে আপোনাৰ জৰিয়তে মাননীয় বন মন্ত্ৰীক অনুৰোধ কৰিছো যে দীপৰ বিলত যিখিনি আঁচনি মই ইতিমধ্যে লৈছো সেইখিনি কৰাৰ বাবে সোনকালে অনুমোদন দিয়ক। যদি তেখেত অনুমোদন দিয়াৰ ক্ষেত্ৰত অপাৰগ, কিবা ফৰেষ্টৰ আইন বা নীতি-নিয়ম আছে তেন্তে সেই ১০ কোটি টকাৰ আঁচনি মই সমষ্টিৰ আন আন ঠাইত ল'ম। মোৰ ১০ কোটি টকাৰ আঁচনি অথলে যাবলৈ নিদিওঁ। কাৰণ ৰাইজৰ ওচৰত মই হেয় প্ৰতিপন্ন হ'ব নিবিছাৰো যে বিধায়কজনে আঁচনি লৈও কাম আৰম্ভ কৰিব নোৱাৰিলে, মই এইটো বিছৰা নাই। গতিকে বন বন্ত্ৰী মহোদয়ে এই বিষয়টো হস্তক্ষেপ কৰি এটা যদি সিদ্ধান্ত দিব নোৱাৰে তেতিয়াহ'লে দীপৰ বিলক পৰ্য্যটনৰ আকৰ্ষনস্থলী আমি যে কৰিব পাৰিম সেইটো মই ভাবিব নোৱাৰো। গতিকে উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মোৰ কথাখিনি ক'লো। গতিকে মই আশা ৰাখিছো, এই ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াই এটা সিদ্ধান্ত কৰি মাননীয় মুখ্যমন্ত্ৰীৰ জৰিয়তে আধাৰশিলা স্থাপন কৰি অতি সোনকালে যাতে কাম আৰম্ভ কৰিব পাৰে , সেই তৎপৰতা তেখেতে দেখুৱাওঁক। আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো।

**শ্ৰীকমলেখ্য দে পুৰকায়স্থ ঃ** ছাৰ এটা কথা অৰ্ন্তভুক্ত কৰিব বিচাৰিছো। ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াই যোৱা ৫ টা বছৰে প্ৰতি বিধান সভাতে এই বিষয়টো উত্থাপন কৰি আহিছে। আমিও প্ৰত্যোকে বিচাৰিছো তেখেতৰ বিষয়টো যাতে সমাধান হয়।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰীপৰিমল শুক্লবৈদ্য, বন ও পৰিবেশ মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, দীপৰ বিলৰ উন্নয়ণৰ হকে আৰু ইয়াক পৰ্য্যটকস্থলী বনাবৰ নিমিত্তে মাননীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই আজি যিটো 'জিৰো আৱাৰ কোৱেশ্যন' আনিছে এই কথাটো মই জ্ঞাত । প্ৰতিটো বিধান সভাত এই প্ৰশ্নটো তেখেতে উত্থাপন কৰি আহিছে। দীপৰ বিলৰ নিচিনা এখন ঠাই। যিখন ঠাই ক'বলৈ গ'লে প্ৰকৃততে Gateway of Guwahati বুলি আমি ক'ব পাৰো। গুৱাহাটী সোমোৱাৰ মুখতে এনেকুৱা এটা ধুনীয়া ঠাই সম্ভৱত গোটেই ভাৰতবৰ্ষত এনেকুৱা গুৱাহাটীৰ দৰে মেট্ৰ'পলিটান চিটি বহুত কম আছে। এই দীপৰ বিলটো যদি আমি ধুনীয়াকৈ কৰিব পাৰিলোহেতেঁন তেতিয়াহ'লে এইটো আমাৰ কেৱল গুৱাহাটীৰ বাবে নহয় গোটেই অসমৰ বাবে এটা গৌৰৱ হ'ব। দীপৰবিল মানে ফৰেষ্টৰ মাটি, ইয়াতে ৪.১০ বৰ্গ কি. মিটাৰ আমাৰ ফৰেষ্টৰ মাটি আছে। বাকী around প্ৰায় ২২ বৰ্গ কি. মিটাৰ ঠাই গোটেইখিনি ৰাজহ আৰু বন বিভাগৰ মাটি মিলি আছে। এতিয়া দীপৰ বিলত যি প্ৰজেক্ট হ'ব কোনো ঠাইত আমাৰ বনবিভাগৰ কথা থাকিব পাৰে, নিসন্দেহে আছে। আমাৰ ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই জানে, অলপ আগতে তেওঁ কৈছে কথাটো যে দীপৰ বিল ছ'ছাইটি, দীপৰবিল ছ'ছাইটিৰ কাৰণে সম্ভৱত তিনি বাৰ আমাৰ কনফাৰেন্স ৰুমত মই বিভিন্ন বিভাগৰ লগতে কথা পাতি আমি ছ'ছাইটিখন বনোৱাৰ ক্ষেত্ৰত আগভাগ লৈ আমি এইখিনি কাম আৰম্ভ কৰিছিলো আৰু চোচাইটি নিৰ্মাণ হৈছে, চোচাইটিৰ এবাৰ মিটিঙো হৈ গ'ল। এতিয়া এই চোচাইটিৰ মিটিং হোৱাৰ পাছতে এতিয়া গোটেইখিনি ঠাই যাতে ভাল কৰি চালি-জাৰী চাই দেখা তাৰ কাৰণে যিটো প্ৰয়াস বা কাম সেইটো মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আৰম্ভ হৈছে। টোটেল চাৰ্ভে চলি আছে, ইত্যাদি ইত্যাদি কথা আছে। এতিয়া কথা হৈছে যেতিয়া এই ১০ কোটি টকা

আমাৰ দীপৰবিলত দিয়া হৈছে মাননীয় বিধায়কৰ জৰিয়তে, মই খুব ভাল পালোঁ। হয়, আজিৰ দিনত দ্বীপৰবিলখন অলপ উন্নত হ'ব আৰু আমাৰ পৰ্য্যাতকৰ ঠাই হিচাপে কৰ্তন কৰি দিয়া হ'ব। এই ক্ষেত্ৰত স্বাভাৱিক ভাৱে কিছুমান কথা আহি পৰে, উত্তৰত মই এই কথাটো আপোনালোকক ক'ব বিচাৰিছো মাননীয় উপাধ্যক্ষৰ জৰিয়তে যে, ইয়াতে যেতিয়াই পাৰ্মিচনৰ কথা আহিছে বা এন ও চি ৰ কথা আহিছে, তেতিয়া আমাৰ বিভাগ আপোনালোকৰ টকা য'ত দিলে তেওঁলোকৰ লগত এ টি ডি চি ৰ লগতে বহিব লগীয়া হ'ল। কাৰণ প্ৰজেক্টটো জানিব লাগে। এতিয়া বহা ক্ষেত্ৰটো এনেকুৱা বহি resoloution তেওঁলোকে প্ৰিপেয়াৰ কৰিলে, সেই resoloution ৰ শেষৰ পংকিটো আমি আপোনাৰ জ্ঞাতাৰ্থে অলপ মাননীয় উপাধ্যক্ষৰ জৰিয়তে আপোনাক জনাব বিচাৰিছো। এই মিটিং খন হৈছিল ১২-১০-২০২০ ইংৰাজী তাৰিখে। ডেৰমাহ বা দুমাহ আগতে হৈছে, ইয়াতে কোৱা হৈছে The ATDC will revisit the entire periphery of the Deepor Beel Wetlands i.e. the Ramsar site including the North Bank of the wetland and try to identify suitable Govt. land on the North Bank and prepare a Project Proposal afresh considering all the aspects and issues disscussed above in the light of provisions of relevent Acts & Rules which are in force. The ATDC would share this fresh project proposal with Forest Department for NOC, if required. এইটো শেষৰ কথা। তেওঁলোকে কৈছে যে এটা fresh project proposal বনাব, এইটো এক, ডেৰমাহ আগৰ কথা। এতিয়া কথা হৈছে কিয় fresh proposal বিচাৰিব লাগে, এই ক্ষেত্ৰত আমাৰ বিভাগে দিয়া যি মন্তব্য, সেই মন্তব্যটো আপোনাৰ সন্মূখত দাঙি ধৰিছো, ইয়াতে কোৱা হৈছে- আমাৰ প্ৰত্ৰিকাৰ উদ্ধৃতি দি আপুনি কৈছে যে 'অসম পৰ্যটন উন্নয়ন নিগমক বন বিভাগে দিয়া নাই আপত্তিবিহীন প্ৰমাণপত্ৰ' সেইটোৰ সন্দৰ্ভতে আপুনি এই শূণ্যকালীন ঘন্টাত আপোনাৰ এই প্ৰশ্নখিনি কৰিছে বা আলোচনা কৰিছে।

অসম পৰ্যটন উন্নয়ন নিগমৰ পৰিচালন সঞ্চালকে 'উত্তৰণ' আঁচনিৰ অধীনত দীপৰ বিল উন্নয়ন ক্ৰিয়া কলাপৰ কাৰণে এটা প্ৰস্তাৱিত প্ৰকল্প দাখিল কৰিছিল য'ত অসমৰ প্ৰধান মুখ্য বন সংৰক্ষক, বন্যপ্ৰাণী তথা মুখ্য বন্যপ্ৰাণী অধীক্ষকক আপত্তি বিহীন প্ৰমাণ প্ৰত্ৰৰ বাবে আবেদন জনাইছিল। এই সংক্ৰান্তত অসমৰ প্ৰধান মুখ্য বন সংৰক্ষক, বন্যপ্ৰাণীয়ে অসম পৰ্য্যটন উন্নয়ন নিগমৰ পৰিচালন সঞ্চালকৰ লগত ২৮-০৯-২০২০ ইংৰাজী তাৰিখত প্ৰস্তাৱিত স্থান, আইন আৰু নিয়মাৱলীৰ দফা সমূহৰ সংক্ৰান্তত এখন সভা অনুস্থিত কৰিছিল। উক্ত সভাত অসম পৰ্য্যটন উন্নয়ন নিগমৰ তৰফৰ পৰা প্ৰকল্পৰ ওপৰত বিতং বিৱৰণ দাঙি ধৰা হৈছিল। আলোচনাত প্ৰধান মূখ্য বন সংৰক্ষক, বন্যপ্ৰাণীয়ে মন্তব্য ৰাখি কৈছিল যে যিহেতু দীপৰ বিল খন গুৱাহাটী চহৰত অৱস্থিত আৰু পৰ্য্যটনৰ চাহিদা আছে সেয়েহে দীপৰ বিল অভয়াৰণ্যক কেন্দ্ৰ কৰি পৰ্য্যটনৰ উন্নয়ন কৰাৰ সুবিধা আছে। কিন্তু যিহেতু দীপৰ বিলখন ৰাণী সংৰক্ষিত বনাঞ্চলৰ উত্তৰদিশে অৱস্থিত, সেয়েহে এনে ধৰণৰ প্ৰকল্প উন্নয়ন সাধনৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিব লগা হয়। ৰাণী আৰু গড়ভঙা সংৰক্ষিত বনাঞ্চল দীপৰ বিল দক্ষিণ পাৰত অৱস্থিত আৰু ইয়াৰ প্ৰায় দুশ মান বন্যহস্তী আছে। দীপৰ বিলখন এই বন্যহস্তীৰ আৱাস স্থলীৰ অবিচ্ছেদ্য অংগ। যোৱা প্ৰায় এটা দশক দীপৰ বিলৰ চৌপাশে বিভিন্ন ধৰণৰ নিৰ্মাণ কাৰ্য যেনে (পন্যাগাৰ, পেট্ৰল পাম্প, দেৱাল, পথ ইত্যাদি) গঢ় লৈ উঠিছে যাৰ ফলত ৰাণী গড়ভঙা সংৰক্ষিত বনাঞ্চল আৰু দীপৰবিলৰ মাজত পৰম্পৰাগত

হস্তীৰ অহা-যোৱা পথ নিচিহ্ন প্ৰায় হ'ল। সেয়েহে দীপৰ বিলত পৰিৱেশ তন্ত্ৰৰ ওপৰত পৰা চাপ সমূহ হ্ৰাস কৰাৰ প্ৰয়োজনীয়তা আছে। এতিয়া কথা হৈছে ইয়াতে প্ৰায় ধৰক ৪০০ মান বন্যহস্তী অহাযোৱা কৰে আৰু বাকী আপুনি যি কথা উত্থাপন কৰিছে, ৰেল লাইন হয়, ৰেল লাইন আমাৰ আৰ এফ দি ও গৈ আছে, কিন্তু তাৰ বাহিৰেও যি দখল হৈছে সেই দখল কিন্তু আমাৰ ৪.১০ বৰ্গ কি. মিটাৰৰ ভিতৰত হোৱা নাই। সেইটো আমাৰ ৰাজহৰ ঠাইত দখল হৈছে, কল-কাৰখানা হৈছে, ঘৰ-বাৰী হৈছে, হৈছে কিন্তু ফৰেষ্টত হোৱা নাই। ফৰেষ্ট হয়তো এতিয়াও বেদখল মুক্ত আছে। এই কাৰণত এই যে বন্যহস্তীবোৰ অহা যোৱা কৰে কেতিয়াবা হাতী মৰে, কেতিয়াবা মানুহ মৰে। আপোনালোকে দেখে ৰেলটো মাজে মাজে মৰে, এনেকুৱা হাতী মানুহৰ সংঘৰ্ষটো এনেকুৱা ঘটনা হৈ থাকে। আজি ইয়াত সাবধানতা লোৱা প্ৰজেক্টত সাবধানতা লোৱাৰ আৱস্বকতা নিঃসন্দেহে আছে।

প্ৰধান মুখ্য বন সংৰক্ষক, বন্যপ্ৰাণীয়ে উক্ত সভাত উল্লেখ কৰে যে ২০০২ চনত অনুস্থিত ৰামচৰ অভিবৰ্তনত দীপৰ বিলখন আন্তৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ জলাশয় ৰূপে ঘোষণা কৰে। সেয়েহে ৰামচৰ স্থলী দীপৰ বিলখনৰ মাত্ৰ ৪.১০ বৰ্গ কি. মিটাৰ এলেকাক ২০০৯ চনত অভয়াৰণ্য ৰূপে ঘোষণা কৰে।

দীপৰবিল অভয়াৰণ্যৰ গুৰুত্ব তথা অসম পৰ্যটন উন্নয়ন নিগমৰ দ্বাৰা উপস্থাপন কৰা প্ৰস্তাৱিত প্ৰকল্প সমূহৰ দিশ চালি জাৰি চাই উক্ত সভাত সিদ্ধান্ত কৰা হৈছিল যে অসম পৰ্য্যটন উন্নয়ন নিগমে দীপৰ বিল জলাশয়ৰ অৰ্থাৎ ৰামচৰ স্থলীৰ সমগ্ৰ কাষৰীয়া অঞ্চল পুনৰ জৰীপ কৰিব আৰু উত্তৰ পাৰৰ চৰকাৰী ভূমি চিনাক্ত কৰি সমস্ত দিশ সামৰি নতুন প্ৰকল্প প্ৰস্তুত কৰিব। এই নতুন প্ৰকল্পৰ কথাটো আমি আপোনাক অলপ আগতে তেওঁলোকৰ resoloutionটো আমি পাঠ কৰি শুনালো।

উক্ত প্ৰকল্পত প্ৰয়োজ্য হোৱা আইন আৰু নিয়মাৱলী সমূহ ধ্যান ৰখা হ'ব। তদুপৰি অসম পৰ্য্যটন উন্নয়ন নিগমে নতুন প্ৰকল্পৰ বিতং তথ্য বন বিভাগৰ ওচৰত দাখিল কৰিব যাতে প্ৰয়োজন হোৱা আপত্তিবিহীন প্ৰমাণ পত্ৰ প্ৰদান কৰাৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব। এতিয়া কথা হৈছে যে আমাৰ এক, ডেৰমাহ আগতে এনেকুৱা মিটিং হৈছে আৰু দুটা বিভাগে এনেকুৱা এটা স্থিতিত আছে যে হয় আমাৰ ইয়াতে কিছুমান এফ চি এক্ট আছে, আপোনালোকে জানে, ফৰেষ্টৰ কিছুমান এক্ট থাকে। ঠিক তেনেকুৱা এন জি টি ৰ এক্ট কিছুমান আছে, গোটেইখিনি মিলাই, আমিতো ধৰক ইয়াত বহুতখিনি Elephant Corridor আছে, এতিয়া এ টি ডি চিয়ে যদি Elephant Corridor ত ধুনীয়া এখন ঘৰ বান্ধি দিয়ে, ঘৰটোতো হাতীয়ে ভাঙিব লগতে মানুহকো মাৰিব। তেতিয়া আকৌ ফৰেষ্টৰ ওপৰত এই কথা বিলাক আহি পৰিব পাৰে যে আমি এইটো কন্ট্ৰোল কৰিব পৰা নাই বা আমি Elephant Corridor ত এই বিলাক ঘৰ বনাই আছো। আজি এই ক্ষেত্ৰত আমাৰ ভালকৈ চাৰ্ভে কৰি তেওঁলোকে দিয়াৰ কথা আছিল যে আমি এটা প্ৰজেক্ট চাবমিট কৰিম। এই প্ৰজেক্টো চাবমিট কৰাৰ পিছতে য'ত Elephant Corridor আছে, য'ত বন্যপ্ৰাণীৰ হেৰী নাই এই ঠাইত তেওঁলোকে যিটো কৰিব পাৰে নিঃসন্দেহে কৰিব পাৰে, কোনো অসুবিধা নাই আৰু এন ও চি নিদিয়াৰ কোনো প্ৰশ্নয়ে নুঠে। কাৰণ আমাৰ অসমখন এনেকুৱা নহয়যে আৰু এ টি ডি চি আৰু বেলেগ বিভাগৰ, অসমখনটো গোটেই আমাৰ ৰাইজৰ অসম আৰু প্ৰতিটো বিভাগৰে দায়িত্ব আছে অসমখন সুন্দৰ কৰাৰ। এই ক্ষেত্ৰত মোৰ কথা হ'ল যিহেতুকে আপুনি ১০ কোটি চিগনেচাৰ প্ৰজেক্টৰ টকাটো এ টি ডি চিক দিছে, তেওঁলোককো

আপুনি যদি কৈ দিয়ে যে সোনকালে, যিমান সোনকালে পাৰে, যি কথাখিনি লৈ ইয়াতে চৰ্চা হৈছে, যিহেতু ইয়াতে আমাৰ কিছুমান প্ৰয়োজনীয় ব্যৱস্থা ল'ব লাগিব এই ব্যৱস্থা লৈ তেওঁলোকে তেওলোকৰ ডি পি আৰ টো প্ৰস্তুত কৰি যদি দিয়ে যিমান সোনকালে পৰা যায় সিমান সোনকালে এন ও চি দিয়াৰ আমাৰ যিটো আমাৰ কৰ্ত্তব্য আমাৰ কৰ্ত্তব্য পালনে আমি পিছুৱাই নাথাকো, ময়ো বিচাৰো আমি গোটেইখিনিয়ে বিচাৰো যে হয় আমাৰ এই দীপৰ বিলৰ সৌন্দৰ্য আৰু যাতে আমি ভালকৈ ৰাইজৰ সন্মূখত লৈ যাব পাৰো আৰু এইটো এটা পৰ্যটন স্থলী হিচাপে গঢ় লৈ উঠে তাৰ কাৰণে প্ৰয়াস থাকিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো কথা কলে যে এ টি ডি চি য়ে যিটো প্ৰজেক্ট, সেই প্ৰজেক্টৰ ক্ষেত্ৰত দাখিল কৰা নাই বুলি কৈছে, ইতিমধ্যে আমাৰ যিটো প্লেনিং আছে সেই প্লেনিংটো ইতিমধ্যে আমাৰ বন বিভাগক দিয়া হৈছে এ টি ডি চি য়ে কোৰা মতে। যিটো Elephant Corridor ৰ কথা কৈছে, সেই Elephant Corridor টো আমি চাইছো, সেইখিনি বাদ দিছো। ১০ কোটি টকাৰ কিমান কাম হ'ব, ভৰিষ্যতেহে আমি সেই প্ৰজেক্টটো যিটো প্ৰজেক্ট কৰা হৈছে, আমি এতিয়া প্ৰিলিমিনাৰী কামখিনি কৰিম। এতিয়া ওৱাট্চ টাৱাৰটো দিওঁতে সেইটো এটা এৰিয়ালৈকে য'ত আপুনি বেলেগ ঠাইত কৰিব নোৱাৰে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰীৰ লগত বহিব আপুনি, আজি বিল আছে অলপ।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মই বহিম, বহিও আছো, এতিয়া মানে কথাখিনি অলপ বুজাই দিলে আৰু ভাল হ'ব। তাৰমানে এই যিটো ওৱাট্চ টাৱাৰ হ'ব, ওৱাট্চ টাৱাৰ এটা আছেই, তাতে কেৱল আমি অকনমান ঠিকথাক কৰি তাৰ মাজত অকনমান হিল্চ এৰিয়া আছে তাতে এখন দলং দি অহাযোৱা কৰিব পাৰে তেনেকুৱা আৰু বোটিং টোত কোনো অসুবিধা নাই। বোটিংত আমি কিবা কন্সট্ৰাকচনৰ কাম কৰিম নেকি? ইতিমধ্যে ষ্টেহোমৰ কাৰণে ইকোফ্ৰেণ্ডলি লজৰ কাৰণে ইতিমধ্যে কিছুমান এন জি ও য়ে কৰিলে, কিছুমানে কৰিছে, আমি তেনেধৰণে পৰিকল্পনা সেইখিনিত লোৱা নাই, লম আমি। কিন্তু এইখিনি কাম মই ভাৱো যে ওৱাট্চ টাৱাৰ, বোটিং সেইখিনিত কি এটা বাধা আহিব পাৰে সেইটো মই বুজি পোৱা নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো তেওঁৰে এখন মিটিং দিয়ক সোনকালে আৰু এ টি ডি চিক মাতক, মোক মাতক, ফৰেষ্টৰ বিষয়াক মাতক, আমি যদি একেই দিনা বহি কথাখিনি পাতিব পাৰো, একেই দিনাই সেইটোৰ এন ও চি দিবৰ কাৰণে আপুনি সক্ষম হ'ব। জইন মিটিং দি দিলে হ'ল।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে জইন মিটিং দি আপোনাক মাতিব, ঠিক আছে হ'ব।

**শ্ৰী ৰফিকুল ইছলাম ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, দুটা বাক্য মই কম।

**মাননীয় উপাধ্যক্ষ ঃ** আজি সময় নাই নহয়।

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, আমি তেওঁৰ লগত আগতে ১০ কোটি টকাৰ চিগনেচাৰ প্ৰজেক্ট লৈ বহিছো আমাৰ মাননীয় বিধায়কৰ লগত। তেওঁ জানে যে আমাৰ ইচ্ছাটো আছে। বিভাগীয় মন্ত্ৰী হিচাপে মই, আকৌ তেওঁ কৈছে যে হয় আমি তেওঁক মাতি এ টি ডি চি ক লৈ কিয় কামটো হোৱা নাই, চিগনেচাৰ প্ৰজেক্ট আজিৰ নহয় আমাৰ গোটেইখিনি বিধায়কে পাইছো, চিগনেচাৰ প্ৰজেক্টৰ কামো শেষ হৈ গ'ল, যিহেতু আপুনি চিগনেচাৰ প্ৰজেক্টৰ টকা দিছে, এ টি ডি চি য়ে কিয় ইমান দিন পেলাই ৰাখিলে এই কথাবিলাকো আপোনালোকে, কাৰণ মিটিং খন হ'ল এক মাহ আগত, এতিয়া গোটেই আমাৰ ফৰেষ্টৰ ওপৰত এই কথাখিনি জাপি দিয়া হ'ল। যে আমি

দিয়া নাই। চিগনেচাৰ প্ৰজেক্টৰ কথা এক মাহ আগৰ কথা হয় নেকি, কথা নহয় নহয়, এই কথাখিনিৰো গভিৰত যাব লাগে, গৈ আমাৰ মাননীয় বিধায়ক বন্ধুৱে যেতিয়া ক'ব এই মাহৰ ভিতৰত কৈ যদি আমাৰ যি যোৱা মিটিঙত আলোচনা হৈছে, আলোচনা মৰ্মে ডি পি আৰ খন দিলে আমিও এদিনৰ ভিতৰত যাতে এন ও চি দিব পাৰো তাৰ ব্যৱস্থা কৰি দিম। সেইটো এটা গ'ল। আৰু এটা কথা অলপ আগতে আমাৰ পৰম শ্ৰদ্ধাৰ যিজন আমাৰ প্ৰদীপ হাজৰিকা ডাঙৰীয়াই কিছুমান আলোচনা কৰিছিল আৰু এই ক্ষেত্ৰত ৰবিৰাম নাৰ্জাৰী ডাঙৰীয়াও।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি লিখিত দিব কৈছিলে।

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** হয়, মই একেবাৰে অলপতে মাত্ৰ ২ মিনিতৰ ভিতৰত উত্তৰ দি আছো আৰু লিখিত পাব আমি দি দিম। ইয়াতে খুব ধুনীয় অসম ট্ৰিবুনত এটা আহিছে আৰু ইয়াতে কোৱা হৈছে "Khalingduar RF fit case for upgrading to wildlife Sanctuary." এইটোৰ সন্দৰ্ভতে আপুনি কথাটো কৈছে আৰু কথাটো খুব সচা। মই আপোনাৰ জৰিয়তে অসম ট্ৰিবুন প্ৰত্ৰিকাকো আন্তৰিক ধন্যবাদ জনাম যে তেওঁলোকে খুজিমেলি ইমান ধুনীয়াকৈ কথাটো উত্থাপন কৰিছে। আমি ট্ৰিবুন অথৰিটিক ধন্যবাদ জনাইছোঁ। কথাটো একেবাৰে সচাঁ যে ১৯ ধৰণৰ প্ৰজাতি ইয়াত বসাবাস কৰি আছে, ৰৱেল লাইফত, আৰু ইয়াতে ওৱাইল দগৰ পৰা লিউপাৰ্ট, কেটচেৰ পৰা আদি কৰি আমাৰ হাতী ইত্যাদি ইত্যাদি প্ৰায় ১৯ প্ৰজাতিৰ ওৱাইল লাইফ ইয়াতে আছে। কিন্তু কথাটো হৈছে এইটো আপুনি জানে যে এই Khalingduar RF এইটো বি টি চি এৰিয়াত পৰে। এই বি টি চি এৰিয়াত পৰাৰ কাৰণে বি টি চি ৰ ফালৰ পৰা যদি প্ৰপোজেলটো আহি যায় আমি খুব সোনকালে কামটো কৰি দিব পাৰিম। যিহেতু আপুনিও এইটোত খুব মনযোগ দিছে আৰু সদনৰ জৰিয়তে কথাটো উত্থাপন কৰিলে আমি আমাৰ ফালৰ পৰাও বি টি চিক আমি এটা অনুৰোধ কৰিম যে আমাৰ এনেকুৱা এটা চৰ্চা হৈছে তেওঁলোকে যদি এইটো ফিট ভাৱে তেনেহলে আমাৰ ইয়াতে প্ৰপোজেল পঠালে আমাৰ ফালৰ পৰা যিটো কৰিব লাগে আমি খুব সোনকালে কৰি দিম। ধন্যবাদ।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** চাৰ, আপুনি যে দীপৰ বিলটো আজি ৪ বছৰে দিলে আৰু মোৰ আজি এইটো শেষ আৰু নকৰো, সেই কাৰণে ধন্যবাদটো দিবৰ কাৰণে উঠিছো আৰু আপুনিও যে দীপৰ বিলৰ উন্নয়নৰ ক্ষেত্ৰত ব্যৱস্থা লব লাগে আপোনাৰো যে এটা প্ৰৱাল ইচ্ছা আছে এইটো প্ৰতিপন্ন হৈছে, মই বিধায়ক হিচাপে আপোনাক এটা ধন্যবাদ দিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, দীপৰ বিল সম্পৰ্কে এক মিনিট। মই ধন্যবাদ দিম মাননীয় সদস্য কলিতা ডাঙৰীয়াক, যোৱা ৫ বছৰ কন্সট্ৰেটলি তেখেতে এই প্ৰশ্নটো উত্থাপন কৰিছে ইয়াৰ আগতে মই ৫ বছৰ বিধায়ক তেতিয়াও প্ৰত্যেক বিধান সভাত মাননীয় সদস্যই উত্থাপন কৰিছে, ১০ বছৰৰ পৰা শুনি আছো। মাননীয় অধ্যক্ষ মহোদয়, ইমান গুৰুত্বপূৰ্ণ ঠাই গুৱাহাটীৰ আমাৰ, ইমান ঘন আমাৰ আবাদী ইয়াৰ মাজত ইমান ডাঙৰ সম্পত্তি এটা আমাৰ যোৱা ১০ বছৰে , ইয়াৰ আগত মই নাছিলো সদস্য, কিজানি তেতিয়াও হৈছে আলোচনা, এতিয়ালৈকে ১০ কোটি টকা দি সেইখিনি ইমপ্লিমেন্ট কৰিব পৰা নাই, মই দুখৰে কৈছো অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰীক আপোনাৰ জৰিয়তে অনুৰোধ কৰিম আনটাইড ফাণ্ডৰ পৰা তেখেতে ৫০ কোটি টকা তাতে দিয়ক, দি দীপৰ বিলৰ এই সমস্যা, আজি কাশ্মীৰৰ কথা আমি কওঁ, অসমত থাকি আমাৰ যোৱাৰ ঠাই নাই, আমি মেঘালয়ত যাওঁ, আমি অৰুনাচলত যাওঁ, আজি আমি শ্বিলঙত ফুৰিবলৈ

যাওঁ আমাৰ লৰা-ছোৱালী যায়, আমাৰ মানুহে যায়। দীপৰ বিল আমি এটা তেনেকুৱা পজিচন কৰিব পৰা নাই যে গোটেই অসমৰ মানুহ তাত আহিব। মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো চৰকাৰক যে এইটো গুৰুত্ব সহকাৰে লব লাগে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আনটাইড ফাণ্ডৰ পৰা ৫০ কোটি টকা তাৰ কাৰণে এলাউড কৰি Within no time তাতে দীপৰ বিলৰ উন্নতিৰ কাম কৰিব লাগে এইটো চৰকাৰৰ প্ৰতি অনুৰোধ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । মই পৰৱৰ্ত্তীলৈ যাব খুজিছো, কেৱল এটা কথা মই কওঁ দীপৰ বিলখন প্ৰকৃততে আমিও যেতিয়া এয়াৰপোৰ্টৰ ফালে যাওঁ বৰ ধুনীয়া দেখিবলৈ। ভট্টাচৰ্য্য ডাঙৰীয়া তেখেতেও চেষ্টা কৰিছে বহুত, আপোনাৰ সেইখন কৰিব পাৰিলে আমাৰ পৰ্যটক ৰ বাবে এটা ভাল পইন্ট হয়। সেই কাৰণে মই ভাৰিছো কিবা এটা হওঁক। সেই কাৰণে এইটো অসমৰ ইচ্চু বুলিয়ে লৈছো দীপৰ বিল যিহেতু গুৱাহাটীৰ। আপুনি যিহেতু তাৰ বিধায়ক হয়, কিন্তু অসমৰ কাৰণে এটা সম্পদ হ'ব, বাহিৰৰ পৰা বহুত মানুহ আহি গুৱাহাটীৰ পৰা গুচি যায়, তেওঁলোক কাজিৰঙা যায় বেছিকৈ। গতিকে দীপৰ বিল থাকিলে এটা টুৰিচ দেচটিনেচন যদি কৰিব পৰা যায়, কেৱল বহুত মানুহে মাটিবোৰ কিনিলে। মই শুনা মতে বহুত ডাঙৰ ডাঙৰ মানুহেও মাটি কিনিছে তাত। সেইবোৰ নাজানো কেনেকৈ কিনিলে। গতিকে মই ভাৱো যে কিছুমান ঠাইত ষ্ট্ৰিকলি অন্ততঃ থকা খিনি এতিয়া, মুখৰ খিনি যাতে নাযায়। এতিয়াও বহুত ডাঙৰ ঠাই মুকলি হৈ আছে সেই বিলাক যদি কোনোবাই কিনিছে পইছাপাতি বেক কৰি হলেও, মই নাজানো কেনেকৈ পাৰে। কিন্তু কৰাটো ভাল। নহলে সেইটো যদি ব্লক হৈ যায় তেতিয়াহলে বাহিৰৰ পৰা সৌন্দৰ্য্যটো একেবাৰে নাইকীয়া হৈ যাব। ধন্যবাদ, এতিয়া মই পৰৱৰ্তী কাৰ্য্যসূচী জাকিৰ হুছেইন সিকদাৰ নিয়মাৱলী ৩০১ৰ অধীনত প্ৰধান মন্ত্ৰীৰ আৱাস যোজনা।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ ঃ** অধ্যক্ষ ডাঙৰীয়া, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়মানুসৰী পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ এক জলন্ত সমস্যা সম্পৰ্কে।

**মাননীয় অধ্যক্ষ ঃ** এক চেকেণ্ড ৰ'ব, ইছলাম ডাঙৰীয়া আপুনি এটা প্ৰিভিলাইজ দিছিলে, হয়নে সেইটো মই এটা ৰুলিং দিব পাৰো, কিন্তু কথাটো হৈছে এইটো প্ৰকৃতকে নাহিব বুলি প্ৰকৃততে এডমিট কৰা নাই, আপুনি পিছত সুধিলে মই কৈ দিম, এখেতে কৈ লওঁক এতিয়া। সেইটো মই এডমিট কৰা নাই এতিয়, কম পিছত।

**শ্ৰীআমিনুল ইছলাম ঃ** ঠিক আছে।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন ছিদ্দাৰ।

**শ্ৰী জাকিৰ হুছেইন ছিদ্দাৰ, বৰপেটা** ঃ মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্ৰ্যামোন্নয় বিভাগৰ এটা জলন্তকাৰী সমস্যা সম্পৰ্কে **৩০১** ৰ অধীনত আপুনি পবিত্ৰ বিধান সভাত উত্থাপন কৰিবলৈ সুযোগ দিয়াৰ বাবে প্ৰথমতে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ লগতে বিভাগক অৱগত কৰিব বিচাৰিছো যে **২০১১** চনৰ জৰিপ মতে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ পৰা বাদ পৰা যোগ্য ব্যক্তি সকলক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত আনিবলৈ **২০১৮-১৯** বৰ্ষত অসমৰ বিভিন্ন গাওঁ পঞ্চায়ত গাওঁ সভা অনুষ্ঠিত কৰি এখন তালিকা প্ৰস্তুত কৰা হৈছে। সেই তালিকা অনুসৰি অসমত বিভিন্ন পঞ্চায়তত সেই যোগ্য ব্যক্তি সকলক যাতে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ পাই তাৰ কাৰণে Geo-tag কৰাৰ ব্যৱস্থা কৰিছিল app ৰ জৰিয়তে। মাননীয় অধ্যক্ষ মহোদয়, Geo-tag আৰম্ভ হ'ল, বিভিন্ন কাৰণত। যিমান হিতাধিকাৰী বাছনি কৰিলে সমগ্ৰ অসমত কিন্তু Geo-tag সম্পুৰ্ণ কৰিব নোৱাৰিলে। আপোনাক

যদি উদাহৰণ স্বৰূপে কওঁ বৰপেটা জিলাত মুঠ অতিৰিক্ত তালিকাত **১,৪২,৪৫৫** ব্যক্তি যোগ্য হৈছিল আৰু সেই যোগ্য ব্যক্তিসকলক Geo-tag কৰা হৈছিল, কিন্তু আজিৰ তাৰিখলৈকে **৩১,৬৬০** ব্যক্তি বা পৰিয়াল এই Geo-tag ৰ আওতাত আহিব পৰা নাই। Geo-tag কৰা কাৰণে বিভাগে ব্যৱস্থা লৈছিল, তাৰ কাৰণে ধন্যবাদ জনাওঁ। এতিয়াও বিভিন্ন পঞ্চায়তত সেই তালিকাত নাম আছে, তেওঁলোকে Geo-tag কৰিব পৰা নাই। বিভাগে হঠাত **২০১৯** চনৰ **৭** মাৰ্চ তাৰিখে বন্ধ Geo-tag কৰি দিলে। যোৱা লোকসভা নিৰ্বাচনৰ অধিসূচনা ঘোষণা হ'ল, Geo-tag বন্ধ কৰি দিলে। কিন্তু Geo-tag কৰাৰ কাৰণে পঞ্চায়ত আৰু গ্ৰ্যামোন্নয়ন বিভাগে যিসকল বিষয়া কৰ্মচাৰী নিয়োজিত কৰিছিল, তেওঁলোকে ভাল ধৰণে কাম কৰিছিল। কিন্তু কৰবাত মোবালৰ নেটওৱাৰ্ক সমস্যা, গাওঁ অঞ্চলত মোবালৰ নেটওৱাৰ্কৰ সমস্যা। যিমান পৰিয়াল তাতকৈ বিষয়া কৰ্মচাৰী যিটো manpower হ'ব লাগিছিল, সেই manpower বিষয়া কৰ্মচাৰীৰ সংখ্যাত কম আৰু যিমান দিনলৈকে বিভাগে Geo-tag কৰাৰ সময় দিব লাগিছিল তাতকৈ কম সময় দিলে। যাৰ কাৰণে এতিয়াও মাননীয় অধ্যক্ষ মহোদয় সমগ্ৰ অসমত বহুত মানুহে সেই তালিকাত নাম থকাৰ পিছতো Geo-tag ৰ পৰা বঞ্চিত হৈ আছে আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ  ঘৰৰ তালিকাত তেওঁলোকৰ নাম অন্তভূক্ত কৰিব পৰা নাই। মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে মন্ত্ৰী ডাঙৰীয়া এবাৰ বৰপেটা জিলালৈ গৈ পঞ্চায়ত আৰু গ্ৰ্যামোন্নয়নৰ আঁচনিৰ ওপৰত review এখন মিটিঙ কৰিছিল মোৰ লগতে বৰপেটা জিলাৰ বিধায়ক সকলেও আছিল। তাতে কথাটো আমি উত্থাপন কৰিছিলো মন্ত্ৰী ডাঙৰীয়াই অতি সোনকালে ইয়াৰ কাৰণে এটা ব্যৱস্থা লোৱা বাবে আমাক আশ্বা দিছিল। কিন্তু আজিৰ তাৰিখ পৰ্য্যান্ত পুনৰাই Geo-tag ৰ কাম আৰম্ভ হোৱা নাই। গতিকে মন্ত্ৰী ডাঙৰীয়াই এই কাম কেতিয়াৰ পৰা আৰম্ভ কৰিব আৰু যিসকলে Geo-tag ৰ পৰা বঞ্চিত হৈ আছে, এই বঞ্চিত মানুহখিনিক কেতিয়া উপকৃত কৰিব। কাৰণ Geo-tag নহলে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰৰ তালিকাৰ অনুমোদন নজনায়। গতিকে আমাৰ মানুহখিনি যাতে বঞ্চিত হব লাগীয়া নহয় তাৰ কাৰণে Geo-tag ৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, তাৰ লগতে আৰু এটা কথা উত্থাপন কৰিব বিচাৰিছো যে আমি সমগ্ৰ অসমত সেই অতিৰিক্ত তালিকাত **২৩,৯৪,৮০৯** জন ব্যক্তিৰ নাম ইতিমধ্যে গৃহিত হৈছে। মাননীয় অধ্যক্ষ মহোদয়, Geo-tag ৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ পাবলৈ হ'লে আধাৰ কাৰ্ডৰ লগাতো বাধ্যতামূলক কৰি দিছে। এই আধাৰ কাৰ্ড কৰাৰ কাৰণে অসমত আধাৰ কাৰ্ডৰ কেন্দ্ৰবোৰ কম আছিল যদিও লাহে লাহে কেন্দ্ৰবোৰ বঢ়াই দি আছে, গতিকে সেই তালিকাত থকা ব্যক্তি সকলে আধাৰ কাৰ্ড কেন্দ্ৰলৈ গৈছে। এটা দিনত এটা কেন্দ্ৰই তেওঁলোকৰ Bio-metric ৰ ব্যৱস্থাৰ কাৰণে কৰিব নোৱাৰে। তাতেও নেটওৱাৰ্কৰ কথা আহে, গতিকে বঞ্চিত হৈছে। মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই মন্ত্ৰী ডাঙৰীয়া এটা তথ্য দিব বিচাৰিম যে আজিৰ তাৰিখতো যি **২৩,৯৪,৮০৯** জন হিতাধীকাৰী আছিল, তেওঁলোকৰ মাজৰ পৰা এতিয়াও **১২,৮৬,৫০৮** জন মানুহে আধাৰ কাৰ্ড বনাব পৰা নাই। হয়তো এই তথ্য এতিয়া কিছু কমি আহিব, মই কিছুদিন আগতে এই তথ্যতো লৈছিলো। গতিকে এই যি আধাৰ কাৰ্ডৰ সমস্যা, আধাৰ কাৰ্ড নহলে তেওঁলোকে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ নাপাব।  আধাৰ কাৰ্ডতো তেওঁলোকে যেতিয়া কৰিবলৈ যায়, আধাৰ কেন্দ্ৰ সমূহ কম হোৱাৰ ফলত সমস্যাত পৰে। গতিকে মাননীয় মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো আধাৰ কাৰ্ডৰ বিষয়তো যদিও তেখেতৰ বিভাগৰ নহয়, তথাপিও চৰকাৰৰে বিভাগ । গতিকে আধাৰ কাৰ্ডৰ কেন্দ্ৰসমূহ যাতে আৰু বেছিকৈ দিয়ে তাৰ কাৰণে মন্ত্ৰী মহোদয়ে

যাতে সেই বিভাগৰ লগত যোগাযোগ কৰে। এই তালিকাত থকা বহুত মানুহো, তেওঁলোকে আধাৰ কাৰ্ডত থকা NRC ৰ সময়ত, যিসকল ব্যক্তিৰ NRC ৰ draft list ৰ পৰা নাম বাদ পৰিছিলি, সেই draft list ৰ পৰা final list অনাৰ কাৰণে যিসকলে apply কৰিছিল। তেওঁলোকে NRC ৰ কেন্দ্ৰসমূহলৈ গৈছিল, তেওঁলোকে আধাৰ কাৰ্ডৰ কাৰণে Bio-matric দিব লগীয়া হৈছিল। কিন্তু সেই সময়ত তেওঁলোকৰ আধাৰ কাৰ্ড নহ'ল। সেই আধাৰ কাৰ্ড নোহোৱা মানুহখিনিয়ে এতিয়া নতুনকৈ যেতিয়া আধাৰ কেন্দ্ৰলৈ যায়, আধাৰ কাৰ্ডাৰ কাৰণে Bio-matric দিব লগীয়া হয়। তেতিয়া কেন্দ্ৰৰ বিষয়াসকলে তেওঁলোকক কয় যে আপোনাৰ pending আছে। আগতেও তেওঁলোকে আধাৰ কাৰ্ড পোৱা নাই, এতিয়াও নতুনকৈ কৰিবলৈ গ'লে pending কৰি থৈছে, নতুনকৈ কৰিব নোৱাৰে। যাৰ কাৰণে বহুতে আজিৰ তাৰিখত আধাৰ কাৰ্ড বনাবলৈ পৰা নাই। আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰৰ কাৰণে যি আধাৰ কাৰ্ডৰ লিং কৰিব লাগে, সেই লিং কৰিব পৰা নাই। মাননীয় মন্ত্ৰী ডাঙৰীয়া এই প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰবোৰ অতি সোনকালে হ'ব লাগে, সোনকালে ঘৰৰ টকা বোৰ মুকলাই দিব লাগে, তাৰ কাৰণে তৎপৰতা লৈছে। এইটো আমি স্বীকাৰ কৰিব লাগিব লগতে ধন্যবাদও জনালো। কিন্তু যিমানে তৎপৰতা লওঁ, যিসকল ব্যক্তিৰ NRC ৰ draft list ৰ পৰা নাম বাদ পৰিছিলি, সেই draft list ৰ পৰা final list অনাৰ কাৰণে NRC ৰ কেন্দ্ৰসমূহলৈ গৈ তেওঁলোকে আধাৰ কাৰ্ডৰ কাৰণে Bio-matric দিব লগীয়া হৈছিল। সেই সমস্যাতো ডাঙৰ সমস্যা হৈ আছে। সেই সমস্যাতো আমি যেতিয়ালৈকে শেষ নকৰিম, তেতিয়ালৈকে প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ সম্পূৰ্ণ তালিকা সম্পূৰ্ণ কৰিব নোৱাৰিব।

গতিকে মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাও এই দুটা সমস্যা - অতি সোনকালে Geo-tag ৰ ব্যৱস্থা কৰিব লাগে আৰু NRC ৰ কাৰণে যিসকলে Bio-matric দিছিল, তেওঁলোকৰ কি সিদ্ধান্ত, তেওঁলোকৰ final list ত নাম আহিছে, কিন্তু আধাৰ কাৰ্ড কৰিবলৈ গ'লে pending দেখুৱাই। এই system টো ক'ত ৰৈ আছে, ৰাজ্য চৰকাৰে তাৰ কি ব্যৱস্থা লব লাগে, ৰাজ্য চৰকাৰে উদ্যোগ লৈ সেই আধাৰ কাৰ্ডৰ সমস্যা সমাধান কৰিব লাগে। সেই কথাখিনি আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক অৱগত কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী নৱ কুমাৰ দলৈ, পঞ্চায়ত আৰু গ্ৰ্যামোন্নয়ন বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জাকিৰ হুছেইন ছিকদ্দাৰ ডাঙৰীয়াই প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীন Geo-tag বিষয়টোক লৈ তেখেতে দৃষ্টি গোচৰ কৰিছে। প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিখন **২০১৬-১৭** চনত আৰম্ভ কৰা হৈছিলে। এই আঁচনিখন ৰূপায়ন কৰিবলৈ **২০১১** চনৰ লোক পিয়লৰ ভিত্তিত নিৰ্দ্ধাৰিত কৰা হৈছিল। পোন প্ৰথমে এই আঁচনিখন ৰূপায়ণ কৰাৰ সময়ত লক্ষ্য কৰিছিলো যে **২০১১** চনৰ অৰ্থ-সামাজিক লোক পিয়লত বহুতো আৰ্থ-সামাজিৰ হিতাধীকাৰি বাদ পৰি গৈছিলে। **২০১৬-১৭** বৰ্ষৰ পৰা এতিয়ালৈকে ভাৰত চৰকাৰৰ পৰা এতিয়ালৈকে **১,৮১,৮৩৩** ঘৰ অনুমোদন পাবলৈ সক্ষম হৈছো। এইখিনি ৰূপায়ণ কৰিবলৈ যাওঁতে আমি দেখিলো যে **২০১১** চনৰ অৰ্থ-সামাজিক লোক পিয়লত সমগ্ৰ অসমতে বিভিন্ন ঠাইত এনেকুৱা যোগ্য হিতাধীকাৰী বাদ পৰি গৈছিল। এই বিষয়টো দৃষ্টি গোচৰ হোৱাৰ লগে লগে মাননীন মূখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্ব দিল্লীলৈ গৈ ভাৰত চৰকাৰক অনুৰোধ কৰিছিলো যে **২০১১** চনত অৰ্থ-সামাজিক যিহেতু মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই **২০২২** চনৰ ভিতৰত ভাৰতবৰ্ষৰ সকলো দূখীয়া ৰাইজক একো একোটা ঘৰ দিয়াৰ বাবে এই আঁচনিখন

লৈছে। গতিকে এই Flackship programme টো সফল ৰূপায়ণৰ বাবে আমি কেন্দ্ৰীয় চৰকাৰক অৱগত কৰিছিলো যে বহুতো লোক থাকি গৈছে। এই অনুৰোধ মৰ্মে ভাৰত চৰকাৰে পুনৰ Geo-tag কৰাৰ বাবে ২০১৮ চনত অনুমোদন প্ৰদান কৰিছিল। এইখিনিত সময়ত আমি Geo-tag প্ৰদান কৰি প্ৰায় ২৩,৯৪,০০০ লোক Geo-tag আৰু Registration কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছিলো। কিন্তু ২০১৯ চনত লোকসভাৰ নিৰ্বাচনৰ বিধি বলবৎ হোৱাৰ বাবে এই বিষয়টো স্থগিত থাকিলে।

এইখিনিতে মাননীয় অধ্যক্ষ মহোদয়, সদনক জনাবলৈ পাই সুখী হৈছো ২০১১ চনত যিখিনি অৰ্থ-সামাজিক লোক পিয়লৰ ভিত্তিত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ যি সুত্ৰ আছিলে- কেচাঘৰ আৰু পকাঘৰ। টিনথকা ঘৰসমূহক কেচাঘৰ হিচাপে গ্ৰহণ যোগ্য নাছিলে। এই বিষয়টো মাননীয় মূখ্যমন্ত্ৰীৰ বিশেষ তৎপৰতাত আৰু প্ৰধানমন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ লগত কেইবাটাও দিন বিস্তাৰিত আলোচনা কৰাৰ পিছত ভাৰত চৰকাৰে প্ৰায় চাৰে এঘাৰ লাখ ঘৰ ২০১১ চনৰ আৰ্থ-সামাজিক লোক পিয়লৰ ভিত্তিত এতিয়া পুনৰ এই টিনপাত ঘৰতসমূহকো এতিয়া অনুমোদন প্ৰদান কৰিছে। এইবাৰ আমাৰ বিভাগতোৰ বাবে ডাঙৰ প্ৰত্যাহ্বান যে আমি যোৱা ২০২০-২১ বৰ্ষত প্ৰায় চাৰে তিনি লাখতকৈ অধিক ঘৰ পাইছো আৰু এইবাৰ প্ৰায় চাৰে এঘাৰ লাখ ঘৰ ভাৰত চৰকাৰৰ পৰা অনুমোদন পাইছো। মুঠ ১৫ লাখ ঘৰ ২০২২ চনৰ ভিতৰত আমি নিৰ্মাণ কৰি উলিয়াব লাগিব আৰু আমাৰ বিভাগে এই প্ৰত্যাহ্বান গ্ৰহণ কৰি ৰূপায়িত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছো। তাৰ বাবে বিশেষকৈ মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়া আৰু প্ৰধানমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো যে এনেধৰণ এটা গুৰুত্বপূৰ্ণ বিষয়ত উচিত পদক্ষেপ গ্ৰহণ কৰিছে।

Geo-tag ৰ বিষয়তো যিহেতুকে যোৱা লোক সভা নিৰ্বাচনৰ পিছত থাকি গ'ল, এই পুনৰ Geo-tag কৰাৰ বাবে যোৱা ৩ চেপ্তেম্বৰ, ২০২০ তাৰিখে মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াও ভাৰত চৰকাৰক এখন পত্ৰৰ জৰিয়তে অনুৰোধ কৰিছে। আমি আশা ৰাখিছো ভাৰত চৰকাৰে কম দিনৰ ভিতৰত নিৰ্দেশনা দিব আৰু দিয়াৰ লগে লগে পুনৰ Geo-tag ব্যৱস্থাতো গ্ৰহণ কৰি যাতে সকলোকে সামৰিব পাৰো তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিম।

লগতে আধাৰ কাৰ্ডৰ ব্যৱস্থাটো আপোনালোকে ইতিমধ্যে জানিছে যে মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়া সমগ্ৰ অসমৰ প্ৰত্যেকতো পঞ্চায়তে আধাৰ কাৰ্ড দিয়াৰ জৰিয়তে সকলো হিতাধিকাৰীয়ে আধাৰ কাৰ্ডৰ লিং কৰিব পাৰে তাৰ কাম ক্ষিপ্ৰতাৰে কৰি আছে, অলপ সময় লাগিব আৰু বাকী বিভাগেও যাতে আধাৰ কাৰ্ডৰ লিং কৰিব পাৰো, তাৰ বাবে জিলা উপায়ুক্ত সকলৰ লগত আমি সঘনে যোগাযোগ কৰি আছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আধাৰ কাৰ্ডৰ বিষয়তো অলপ specific চাই দিব মন্ত্ৰী ডাঙৰীয়া।

এতিয়া মই অসম বিধান সভাৰ আবেদন সমূহৰ সমিতিৰ সভাপতি মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াক আবেদন সমিতিৰ ৪৬ তম প্ৰতিবেদনখন দাখিল কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, সভাপতি, আবেদন সমূহৰ সমিতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ আবেদন সমূহৰ সমিতিৰ ৪৬ তম প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়া আপোনাক কৈছো যে মই আপোনাৰ কথাটো গুৰুত্ব সহকাৰে লৈছো। মই বস্তুটো মন্ত্ৰী ডাঙৰীয়ালৈ লিখিম, যাতে এটা শুদ্ধ উত্তৰ দিয়ে।

**শ্ৰী অমিনুল ইছালম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰায় বিভিন্ন বিভাগে এইটো কৰে যিটোত

খেলিমেলি থাকে , সেইটো প্ৰশ্নৰ উত্তৰ আমি পাওঁ যে “তথ্য বিচৰা হৈছে”। খেলিমেলিৰ কাৰণে দিব নিবিচাৰে। যিটো তথ্য এক ঘন্টাত পাব পাৰে। গতিকে এই বিষয়তো এনেকুৱাই হৈছে। কালি মই ২০১৩-১৫ চনৰ একেখন শিক্ষা অনুষ্ঠানৰ data বিচাৰিছিলো। তাৰ Principal যিজন আছে, তেওঁ data দিছিলে যে Dr. Ram Manohar Luhia Avadh University ৰ পৰা ২০০১ চনত পাছ কৰিছে। পিছত যেতিয়া দেখা গ'ল fake। আকৌ ২০১৫ চনত ইয়াত data দিছে যে তেওঁ CMJ ৰ পাছ কৰিছে। এনেকুৱা কিছুমান fake কাম কৰিছে যে তেওঁলোকে data তো নেদিয়ে। যদিও এইটো breach of privilege নহলেও। আপোনাৰ তৎপৰতাত এইটো চাব এইটোৱে অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মই চাম।

এতিয়া মই মাননীয় Labour & Employment Minister ক - “ The Assam Tea Plantations Provident Fund and Pension Fund and Deposit Linked Insurance Fund Scheme (Amendment) Bill, 2020” বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীসঞ্জয় কিষাণ,** Labour & Employment Minister ঃ মাননীয় অধ্যক্ষ মহোদয়, “ The Assam Tea Plantations Provident Fund and Pension Fund and Deposit Linked Insurance Fund Scheme (Amendment) Bill, 2020” দফাই দফাই বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ আগবঢ়ালো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদন দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'ল - “ The Assam Tea Plantations Provident Fund and Pension Fund and Deposit Linked Insurance Fund Scheme (Amendment) Bill, 2020” বিবেচনাৰ বাবে লোৱা হওঁক ।

যি সকল মাননীয় সদস্য/সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওঁক ‘হয়’

যি সকল মাননীয় সদস্য/সদস্যাই প্ৰস্তাৱটোৰ বিপক্ষে আছে তেখেতসকলে কওঁক ‘নহয়’

মই ভাৱো ‘হয়ৰ’ সপক্ষে, ‘হয়ৰ’ সপক্ষে, ‘হয়ৰ’ সপক্ষে

প্ৰস্তাৱটো গৃহত হ'ল।

এতিয়া বিধেয়কৰ ২ নং দফাত মাননীয় সদস্য শ্ৰীদেবব্ৰত শইকীয়া, শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, শ্ৰীৰকিবুল হুছেইন, শ্ৰীওয়াজেদ আলি চৌধুৰী, শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, শ্ৰীদূৰ্গা ভূমিজ, ডাঃ মতিউৰ ৰহমান মণ্ডল, শ্ৰী আবুল কালাম ৰশিদ আলাম, শ্ৰী জাকিৰ হুছেইন সিকদাৰ, শ্ৰীমতী ৰ'জলীনা তিৰ্কী, শ্ৰী শুকুৰ আলী আহমেদ, শ্ৰী জামাল উদ্দিন আহমেদ, শ্ৰী নৰুল হুদা, শ্ৰী ৰেকিবুদ্দিন আহমেদ, শ্ৰী শ্বেৰমান আলী আহমেদ, শ্ৰী ইলিয়াছ আলী আৰু শ্ৰী ৰূপজ্যোতি কুৰ্মীৰ নামত এটা সংশোধনী আছে।

মই এই ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীৰূপজ্যোদি কুৰ্মীক সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move - in clause 2 of the propose bill the word '2 lakh' appearing in the last line shall be substituted by the by the word '3 lakh'.

আমি এই সংশোধনীটো বিশেষ ভাৱে গুৰুত্বপূৰ্ণ এখন বিল, য'ত প্ৰায় ৩০ লাখৰ ওচৰা ওচৰি

চাহ জনগোষ্ঠিৰ চাহ শ্ৰমিক যিসকল শ্ৰমিক হিচাবে নিয়োজিত হৈ থকাৰ ওপৰিও যিসকল তেওঁলোকৰ সতি-সন্তান, তেওঁলোকৰ ভৱিষিতৰ লগত এই বিলখন জৰিত হৈ আছে। যিহেতু শ্ৰমিক সকলে কাম কৰে তেওঁলোকৰ যেতিয়া আপদ-বিপদ আহে বা তেওঁলোকৰ কিবা দূৰ্ঘটনা হয় একমাত্ৰ অন্যতম ভৰষা যে PF ৰ টকাতো আছে, তাৰ পৰাই বিয়া পাতিব পৰা যাব, সকাম পাতিব পৰা যাব, পঢ়ুৱাব পৰা যাব বা অৱসৰৰ পিছত ঘৰ বনাব পৰা যাব। বহু আশা বা সপোন পুহি ৰাখে এই বিলখনৰ লগত আমি যদি চাওঁ এটা যুগধৰি এই নিম্নতম যি মজুৰি, আৰু মজুৰিৰ পিছত সময়ে সময়ে যদি মজুৰি বৃদ্ধি হৈছিল, তাৰ তুলনাত এটা অংশ কৰ্তন হৈ পেলাই PF ত জমা হয়। জমা হোৱাৰ পিছত তেওঁলোকৰ কিবা যদি দূৰ্ঘটনা ঘটে এক লক্ষ্য টকা পায়। এতিয়া চৰকাৰে আনিব গৈ আছে **২** লাখ টকা। আমি তাত কব বিচাৰিছো **৩** লাখ টকা পাব লাগে। আমি এইটোৰ কাৰণে কব বিচাৰিছো মূল্য বৃদ্ধিয়ে এই সময়ত ৰাইজক জুৰুলা কৰাৰ সময়ত, ইয়াৰ লগত বস্তু-বাহিনীৰ দাম বিভিন্ন কাৰণ GST ৰ বিলখনৰ কাৰণে হওঁক, কাপোৰ কানিৰ পৰা আদি কৰি ঘৰ বনোৱা বস্তু-বাহিনী চিমেন্ট ৰদৰ দাম, বিভিন্ন কাৰণত মানুহৰ আগৰ তুলনাত যিটোৰ টকাৰ মুল্য অলপ হলেও কমি পৰিছে। যাৰ কাৰণে আমি **২** লাখ টকাৰ ঠাইত **৩** লাখ টকা হোৱাতো বিচাৰিছো।

দ্বিতীয়তে এটা গুৰুত্বপূৰ্ণ প্ৰসংগ কব বিচাৰিছো বৰ্তমানৰ এই চৰকাৰখন চলি থকা অৱস্থাতে বগীধলা নামৰ এখন বাগান প্ৰায় দুই বছৰ ধৰি গোলাঘাট জিলাত বন্ধ হৈ আছে। তাৰ শ্ৰমিক সকলে দৰমহাও পোৱা নাই, মজুৰীও পোৱা নাই আৰু তেওঁলোকৰ PF ৰ টকাও জমা হোৱা নাই। এনে যিসকল মালিকৰ ভুলৰ বাবে এই বাগানসমূহ এনেকৈ বন্ধ হৈ আছে, PF ৰ টকা জমা হোৱা নাই। তেওঁলোকৰ ভৱিষ্যতে কি হ'ব মাননীয় মন্ত্ৰী মহোদয়ে জনাব লাগে। আমি এনে বাগান পাইছো যি বাগানে সহযোগ পাই লৈ কেইদিনৰ মানৰ কাৰণে সকাহ পাবলৈ হাইকোৰ্টৰ সহায় লব বিচাৰে। তেওঁলোকে PF ৰ টকা জমা দিব নোৱাৰে। আইনৰ অনুসৰি তেওঁলোকক জেলত পঠিয়াব লাগে। কিন্তু তেওঁলোকে stay order লৈ হাইকোৰ্টৰ পৰা বাছি যাব বিচাৰে। তাৰে শ্ৰমিক সকলে উক্ত বাগান সমূহৰ যি ন্যায্য পাপ্য পাব লাগে তাৰ পৰা বঞ্চিত হৈ আছে। এনে ক্ষেত্ৰত বগীধলা চাহ বাগনকে লৈ দেওপানী বাগানকে লৈ এই বাগানসমূহৰ মালিক পক্ষৰ উদাহৰণ হিচাবে মই কৈছো এনেকুৱা বহু বাগান আছে, এনে বাগানৰ মালিকসকলৰ পক্ষে কেনেধৰণৰ ব্যৱস্থা লব। তাৰ শ্ৰমিক সকলৰ কাৰণে, PF ৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লব, আমাক অকণমান জনালে ভাল পাম ।

ইয়াৰ লগতে আমি কব বিচাৰিছো শেষৰ বিষয় যিটো গুৰুত্বপূৰ্ণ। আগৰ পৰা চাহ শ্ৰমিক সকলে বিশেষকৈ দুই পক্ষৰ বৈঠকৰ অনুসৰি CCPA আৰু অসম চাহ মজদুৰ সংঘৰ আলোচনাৰ মাধ্যমহে মজুৰী বৃদ্ধি হৈ আহিছে। আজি মজুৰিৰ লগত জৰিত এই PF ৰ বিষয়তো **১-১-২০১৮** চনৰ পৰা **৩১-১২-২০২০** চনৰ যি তিনি বছৰীয়া চুক্তি সেইটো শেষ হব। **১-১-২০২১** চনৰ পৰা চাহ শ্ৰমিকৰ নতুন তিনি বছৰীয়া চুক্তি হ'ব, তাত মজুৰী বৃদ্ধি হব লাগে। এই ক্ষেত্ৰত PF ৰ লগত বিষয়তো জৰিত। এই কাৰণে আমি মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মাননীয় মূখ্যমন্ত্ৰীৰ পৰা এটা স্পষ্টিকৰণ বিচাৰিছো যে চাহ শ্ৰমিকৰ মজুৰী বৃদ্ধি যিটো গুৰুত্বপূৰ্ণ বিষয় ইয়াৰ লগত জৰিত হৈ আছে PF আৰু Deposit linked insurance fund ৰ এইটো সংশোধনী। এই ক্ষেত্ৰত চৰকাৰী পক্ষই আমাক জনাব লাগে যে চাহ শ্ৰমিকৰ মজুৰি অহা ১ জানুৱাৰীৰ পৰা ৩ বছৰৰ বাবে বৃদ্ধি কৰাৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে, সেই বিষয়ে আলোচনা কৰিছেনে নাই, যদি কৰিছে কেতিয়ালৈ কাৰ্য্যকাৰী হব আৰু কিমান টকাকৈ মজুৰি বৃদ্ধি কৰা হব তাৰ লগতে মজুৰি বৃদ্ধিৰ লগত জড়িত P. F. ৰ শিতানত বৃদ্ধিৰ পৰিমানৰ বিষয়ে বিতংকৈ জনালে ভাল হয়।

মাননীয় আধ্যক্ষ মহোদয়, মই শেষৰটো বিষয় কবলৈ বিচাৰিছো- মাননীয় বিত্ত মন্ত্ৰী সদনত উপস্থিত আছে, তেখেতে এটা Expart Committee গঠন কৰিছিল অসম চাহ নিগমৰ চাহবাগান সমূহক লৈ। মোৰ মৰিয়নি সমষ্টিত ৫ খন চাহ বাগিছা চাহ নিগমৰ অধীনত আছে লগতে আপোনাৰ যোৰহাট সমষ্টিৰো কিছু সংখ্যক চাহ বাগিছা যেনে - চিনামৰা, মুৰমুৰীয়া, বাঘধৰা আদি বাগান চাহ নিগমৰ অধীনত আছে। এই বাগিছা সমূহৰ শ্ৰমিক সকলে পি,এফৰ বহুদিন ধৰি তেওঁলোকৰ প্ৰাপ্যসমূহ পোৱা নাই। এই ক্ষেত্ৰত বৰ্তমান চৰকাৰে এই যিটো নতুন সংশোধনী আনিব বিচাৰিছে "The Assam Tea Plantation Provident and Pension Fund and Diposite Link Insurence Fund Scheme"ৰ অধীনত,এই ক্ষেত্ৰত অসম চাহ নিগমৰ শ্ৰমিক সকলক কেনেধৰণে জড়িত কৰিছে , তেওঁলোকে সুবিধাবোৰ কেনেধৰণে পাব এই ক্ষেত্ৰত স্পষ্টীকৰণ এটা দিলে ভাল হয়। এইখিনি মই আপোনাৰ জড়িয়তে মাননীয় শ্ৰম মন্ত্ৰী মহোদয়ৰ দৃষ্টিআকৰ্ষণ কৰিলো লগতে আমি যিটো প্ৰস্তাৱ উত্থাপন কৰিছো যে চৰকাৰী পক্ষই যি দুই লাখ কৰিব বিচাৰিছে আমি এইটো তিনি লাখ টকা গ্ৰহণ কৰাৰ বাবে আহ্বান জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় আধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী সঞ্জয় কিষাণ, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, আমি সংশোধনীটো আনিব বিছাৰিছো যিহেতুকে এই ডি,এল,আই আঁচনিটো শ্ৰমিক সকলৰ টকা-পইচাৰ ওপৰত নিৰ্ভৰশীল। এই আঁচনি মতে ধাৰাবাহিকভাৱে প্ৰথমে পাচ হাজাৰ টকা, ইয়াৰ পিছত দহ হাজাৰ,ইয়াৰ পিছত বিশ হাজাৰ কৰা হ'ল তেনেকৈ আহি আছে। এইটো ধনৰ ওপৰত নিৰ্ভৰ কৰে। সেয়েহে লাষ্ট পঞ্চাচ হাজাৰ টকাৰ পৰা এইটো এক লাখ টকা কৰা হৈছিল। এইবাৰ আমি এইটো এক লাখ টকাৰ পৰা দুই লাখ টকালৈ আনিছো। অধ্যক্ষ ডাঙৰীয়া, পিছৰ পৰ্যায়ত হয়তো নিশ্চয় আমি তিনি লাখ টকালৈ এওঁলোকৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম।

দ্বিতীয়তে, বিধায়ক ডাঙৰীয়াই কেইবাটাও প্ৰশ্ন উত্থাপন কৰিছে, ইয়াৰে ভিতৰত বগীডলা চাহ বাগিছাখন সচাকৈ বৰ শোচনীয় অৱস্থাত আছে। বহুদিনৰ পৰা বাগিছাখন বন্ধপ্ৰায় অৱস্থাত আছে আৰু আমি এইখন কাৰ্যক্ষম কৰিবলৈ যাওঁতে মালিকপক্ষই হাইকোৰ্ট কৰিলে। গতিকে বৰ্তমান এই বিষয়টো যিহেতু হাইকোৰ্টৰ বিচাৰাধীন হৈ আছে সেইবাবে বৰ্তমানলৈ আমি তাত কোনোধৰণৰ ব্যৱস্থা লবপৰা নাই। এই কথাটো মাননীয় বিধায়কজনক অবগত কৰিছো। ইয়াৰোপৰি শ্ৰমিকৰ মজুৰিৰ বিষয়টো তেখেতে আনিছে। অধ্যক্ষ ডাঙৰীয়া, আপোনালোকে জানে যে ইতিমধ্যে এজনীয়া কমিটীৰ জড়িয়তে আমি এখন প্ৰতিবেদন গ্ৰহণ কৰিছিলো আৰু এই প্ৰতিবেদন ইতিমধ্যে আমি মালিক গোষ্ঠী আৰু বিভিন্ন ট্ৰেড ইউনিয়নলৈ প্ৰেৰণ কৰিলো। এই একজনীয়া কমিটীয়ে মজুৰিৰ ক্ষেত্ৰত যিটো পৰামৰ্শ দিছিল, সেই পৰামৰ্শসমূহ ইতিমধ্যে আমি বিভিন্ন মালিক গোষ্ঠীলৈ প্ৰেৰণ কৰিলো। নিয়ম অনুযায়ী আজিৰ পৰা দুমাহমান আগতে তেখেত সকললৈ আমি প্ৰতিবেদন প্ৰেৰণ কৰি এটা সিদ্ধান্ত তেওঁলোকৰ পৰা বিচাৰিছিলো। তেওঁলোকৰ ভিতৰত মাত্ৰ টি ইণ্ডিয়া এছ'ছিয়েশ্যন আৰু ইণ্ডিয়া টি এছ'ছিয়েশ্যন নামৰ সংগঠন দুটাই তেওঁলোকৰ মতামত দিছে । তেনেধৰণৰ আৰু বহুতো মালিক গোষ্ঠীয়ে কোনোধৰণৰ সিদ্ধান্ত আমাক জনোৱা নাই। ট্ৰেড ইউনিয়ন সমূহৰ পৰাও আমি যিখিনি পৰামৰ্শ বিচাৰিছিলো পোৱা নাই। তেওঁলোকৰ পৰা পৰামৰ্শ পালে বা নাপালেওঁ ইতিমধ্যে যি দুটা সংগঠনে আমালৈ সিদ্ধান্ত প্ৰেৰণ কৰিছে, তেওঁলোকক লৈ আমি বহি আলোচনা কৰি আমি অতি সোণকালে শ্ৰমিক সকলৰ মজুৰিৰ ক্ষেত্ৰত এটা উপযুক্ত সিদ্ধান্তলৈ আহিব পাৰিম।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী,বিধায়ক ঃ** চাহ নিগমৰ বাগানসমূহত এই প্ৰভিজনটো পি,এফত ইনক্লুড হ'ব নেকি?

**শ্ৰী সঞ্জয় কিষাণ, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, চাহ নিগমৰ অধীনত যি ১৫ খন চাহবাগিছা আছে আমাৰ চৰকাৰ অহাৰ পিছতে আমাৰ চৰকাৰে এটা ডাঙৰ অংশ প্ৰায় ১০০ কোটিৰ ওচৰা-ওচৰি তেখেত সকলৰ পি,এফৰ বাবে মোকলাই দিছিলে। যোৱা চৰকাৰৰ দিনৰ টকা প্ৰায় ২০০ কোটিতকৈ বেছি ইতিমধ্যে আছে। গতিকে এই ক্ষেত্ৰত চাহ নিগমৰ ক্ষেত্ৰটো এইটো প্ৰযোজ্য হ'ব।

**মাননীয় আধ্যক্ষ ঃ** ঠিক আছে। যিহেতু মন্ত্ৰীয়ে আগলৈ হোৱাৰ সুবিধা থকা বুলি কৈছে মই ভাৱিছো সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ হ'ব চাগে, (সকলোৱে সন্মতি জনায়)। মই সদনৰ সন্মতি সাপেক্ষে এই সংশোধনীটো প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰিছো। সেইকাৰণে এতিয়া দফা নং- **২** বিধেয়কখনৰ অংশ হ'ব।

মই ভাবো যিসকল সপক্ষে আছে কওঁক 'হয়' আৰু যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

এতিয়া বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়ে মই প্ৰস্তাৱটো কৈছো যে বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰম্ভণ বিধেয়কৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক 'হয়' আৰু যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম , পৰিসৰ আৰম্ভণ বিধেয়কখনৰ অংশ হৈছে বুলি মই ঘোষণা কৰিলো।

এতিয়া মই মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী সঞ্জয় কিষাণ, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Tea Plantation Provident Fund and Deposit Linked Insurance Fund Scheme (Amendment) Bill 2020" বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় আধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনৰ অনুমোদনৰ বাবে উত্থাপন কৰিম। "The Assam Tea Plantation Provident Fund and Deposit Linked Insurance Fund Scheme (Amendment) Bill 2020" পাৰিত কৰা হওঁক। যিসকলে সপক্ষে আছে কওঁক 'হয়' আৰু যিসকল বিপক্ষে আছে কওঁক 'নহয়'। (সকলো সদস্যই সন্মতি প্ৰকাশ কৰে) মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱ পাৰিত হৈছে আৰু সংশোধনী বিধেয়কখনো পাৰিত কৰা হ'ল বুলি মই ঘোষণা কৰিলো।

ইয়াৰ পিছৰ কাৰ্যসূচী "The Assam Official Language (Amendment) Bill 2020" বিধেয়কখন মই সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াক উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী,সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Official Language (Amendment) Bill 2020". বিধেয়কখন দফাই দফাই বিৱেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো। "The Assam Official Language (Amendment) Bill 2020" be taken in to consideration.যিসকলে

সপক্ষে আছে কওঁক 'হয়' আৰু যিসকল বিপক্ষে আছে কওঁক 'নহয়'। (সকলো সদস্যই সন্মতি প্ৰকাশ কৰে) মই ভাৰো 'হয়' ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱ গৃহীত হৈছে। এতিয়া বিধেয়কখনৰ ২ নং দফাত ২ টা সংশোধনী আছে। সংশোধনী দুটা কৰিছে কমলাক্ষ্য দে পুৰকায়স্থকে ধৰি তেখেতৰ সহযোগী সদস্য সকল আৰু হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী সদস্য সকলে। এতিয়া প্ৰথমে সংশোধনী দুটা উত্থাপন কৰি লওঁক আৰু পিচত তাৰ ওপৰত বক্তব্য ৰাখিব।

**শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ** ঃ মাননীয় অধ্যক্ষ মহোদয়, I like to move in clause 2 after the words of "Bodo Language" in Debnagiri script. The word "and Bengoli Language" shall be added.

**শ্ৰী আমিনুল ইছলাম** ঃ Hon'ble Speaker Sir, I beg to move in clause 2 of the proposed Bill in between the word Scheduled and punctuation mark, full stop appearing in last line the word "and Assamese will be used in all over the State as Linked Language" shall be added.

**মাননীয় অধ্যক্ষ** ঃ সংশোধনী দুটা উত্থাপন কৰা হ'ল, এতিয়া বক্তব্য ৰাখক।

**শ্ৰীকমলাক্ষ দে পুরকায়স্থ(উত্তর করিমগঞ্জ)** - মাননীয় অধ্যক্ষ মহোদয়, মায়ের ভাষাই মাতৃভাষা। সেই ভাষাকে ভালোবাসি, ভালোবাসি বিশ্বজনের মাতৃভাষা। সব ভাষার প্রতি শ্রদ্ধা, সব ভাষাকে সম্মান করা সেটাই আমাদের ভারতবর্ষের সংবিধান। অধ্যক্ষ মহোদয়, বিগত দিনেও সেটা নিয়ে বিতর্ক হয়েছিল। আজ এই বিষয়ের মূল উদ্দেশ্য হচ্ছে বড়ো ভাষাকে সহযোগী ভাষা হিসাবে স্বীকৃতি দেওয়ার জন্য ভাষা বিল আনা হয়েছে। আমার কথা হচ্ছে, বড়ো ভাষাকে স্বীকৃতি দেওয়া হোক আমাদের কোনো আপত্তি নেই। এখানে বাংলা ভাষাকে কিন্তু উপেক্ষা করা হচ্ছে। সেটা আমার কথা নয়, আমার ১৫ নাম্বার প্রশ্নের উত্তরে বলা হয়েছে ২০১১ এর সেনসাস্ মতে বাঙালী জনসংখ্যা হচ্ছে ৯০ লাখ ২৪ হাজার ৩২৪ জন। বড়ো জনসংখ্যা হচ্ছে ১৪ লাখ ১৬ হাজার ১২৫ জন। অধ্যক্ষ মহোদয়, ৯০ লাখ মানুষকে উপেক্ষা করে সেই ভাষাকে যদি সহযোগী ভাষা হিসাবে দেওয়া না হয় তাহলে কোনো বা কোনো ক্ষেত্রে ডিসক্রিনিমেশন দেখা যাচ্ছে। আমার দাবী হচ্ছে, বড়ো ভাষাকে স্বীকৃতি দেওয়া হোক, কিন্তু যেহেতু ৯০ লাখ মানুষের ভাষা বাংলা, তাই সেই ভাষাকেও সহযোগী ভাষা হিসাবে স্বীকৃতি দেওয়া হোক। বর্তমান সরকারের মধ্যে বিভিন্ন সময়ে বাঙালীদের প্রতি অনেক সহযোগীতার কথা শুনা যায়, সেই কারনে বাংলা ভাষাকেও সহযোগী ভাষা হিসাবে স্বীকৃতি দেওয়া হোক, যাতে একটা সুষ্ঠ ও সুন্দর বাতাবরণের সৃষ্টি হয়। আমরা চাই সংবিধানকে অক্ষুন্ন রাখা এবং সবাইকে নিয়ে একটা সুষ্ঠ ও সুন্দর পরিবেশের মধ্যে আমারা বাস করতে চাই, সেটাই আমার দাবী।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া ইছলাম ডাঙৰীয়া।

**শ্ৰী আমিনুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়,আমাৰ যিখন এমেণ্ডমেন্ট বিল আহিছে তাত দেৱনাগিৰী speech টোৰ ওপৰত বড়ো ভাষাক associate official language কৰাৰ কথাটো কোৱা হৈছে। ইয়াত আমাৰ সমৰ্থন আছে ,ভাল কথা । বাংলা ভাষাকো associate official language কৰা হওঁক তাত আমাৰ আপত্তি নাই। কিন্তু আমাৰ প্ৰধান কথাটো হ'ল আমি ইয়াত দুটামান শব্দ যোগ কৰিব বিচাৰিছো যে- Assamese language will be used in all over the state as link language অৰ্থাৎ য'ত অফিচিয়েলি বড়ো বা

বাংলা ভাষা associate language হিচাপে ব্যৱহাৰ হ'ব। সেয়ে অসমীয়া ভাষাটোক .official language আৰু link language হিচাপে add কৰি দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী,সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থ আৰু ইছলাম ডাঙৰীয়াই যিটো কথা কৈছে এই সম্পৰ্কত মই কব বিচাৰিছো যে ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু আন্দোলনকাৰীৰ মাজত ২৯-০১-২০২০ চনত এখন বি,টি,আৰ চুক্তি স্বাক্ষৰিত হৈছিল। এই বি,টি,আৰ চুক্তিখনৰ ৬.২ ক্লজত আছিল যে associate language হিচাপে বড়ো ভাষাটো দিব লাগে। গতিকে এইটো চুক্তিৰ ভিত্তিতহে হৈছে, এনেকুৱা হোৱা নাই যে আমি স্পেচিয়েলি ইয়াত বড়ো ভাষাটো আনি দিছো।

দ্বিতীয়তে, আমিনুল ইছলাম ডাঙৰীয়াই যিটো কথা কৈছে যে অসমীয়া ভাষাটোক link language কৰাৰ কথা, সেইটো link language বুলি কোৱাৰ দৰকাৰ নাই, কিয়নো ১৯৬০ চনৰ যিখন এক্ট আছে সেই এক্ট মতে অসমীয়া ভাষাটো official language হয়েই। গতিকে পুনৰ এইটো link language হিচাপে আনিবৰ প্ৰয়োজন নাই।

তৃতীয় কথাটো হ'ল, কমলাক্ষ দে পুৰকায়স্থই কোৱাৰ দৰে আমাৰ মাতৃভাষাৰ প্ৰতি সন্মান সকলোৰে থাকিব। আমাৰ কথাটো হ'ল এইটো চুক্তিৰ আধাৰতহে হৈছে। আজি ৯০ লাখ মানুহ ইয়াত আছে, আমি জানিছো। কিন্তু বৰাকৰ তিনিখন জিলাতে বঙালী ভাষাটো official language, মাধ্যম হিচাপে আছেই। সেইটোতটো কোনো অসুবিধা হোৱা নাই। গতিকে আমাৰ কথাটো হ'ল ইয়াতে ৯০ লাখ আছে বা ১৮ লাখ বড়ো আছে। বড়ো ভাষাটো চুক্তিৰ মাধ্যমতে associate language হিচাপে আহিছে। চৰকাৰে নিজাববীয়াকৈ বড়ো ভাষাটো অনা নাই। মই সেইদিনা পঢ়ি গম পালো যে গোটেই পৃথিৰীত প্ৰায় ২২ কোটি বাংলা ভাষা কোৱা মানুহ আছে। অসমীয়া ভাষাটোৰ ক্ষেত্ৰত আমি চালে গম পাওঁ যে অসমক লৈ অসমীয়া ভাষা কোৱা মানুহ এই পৃথিৰীত ডেৰ কোটি মানুহও নাই। গোটেই বিশ্বজুৰি ২২ কোটি বঙালী ভাষা কোৱা মানুহ আছে। এইটো এটা ডেভ'লপ লেংগুৱেজ। বঙালী ভাষাতে কবিতা লিখি কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে ন'বেল প্ৰাইজো পাইছিল। এই লেংগুৱেজটোক লৈ আমি যদি এইবিলাক কৰি থাকো এইটো ঠিক কথা নহয়। গতিকে এইবিলাক সৰু সৰু কথাত লাগিব নালাগে। আজি বি,টি,এ,ডি এলেকাটো লৈ আমাৰ সকলোৰে এটা ডাঙৰ চিন্তা আছিল যে অসমখন দ্বি-খণ্ডিত হ'ব নেকি ! এখন ছেপাৰেট বড়োলেণ্ড হ'ব নেকি ! Devide Assam 50-50 এনেকুৱা ধৰণৰ শ্লোগান আছিল। কিন্তু এই চুক্তিখনে এই কনচেপ্টটো নাইকীয়া কৰি যিখন অসমত আমি আজি আছো, সেই অসমৰ চাৰিসীমাটো এই চুক্তিখনে নিৰ্ধাৰিত কৰিলে। এইটো আমাৰ কাৰণে বহুত ভাল খবৰ। গতিকে যিখন চুক্তি হৈছে তাৰ দফাকেইটা আমি নিশ্চয় মানিব লাগিব আৰু মানিলেহে তেওঁলোকক সন্মান কৰা হব। সেইটোতো এটা আমাৰ কাৰণে ডাঙৰ মাইলেজ। বি,টি,এ,ডি এলেকাত যিবিলাক মানুহ বসবাস কৰি আছে তেওঁলোকৰ যিটো অশান্তি আছিল এটা সময়ত,এতিয়া এই চুক্তিখনৰ ফলত সেই অঞ্চলটোত এটা শান্তি বিৰাজমান হ'ল। এইটো বহুত ডাঙৰ কাম হ'ল। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া, মুখ্য মন্ত্ৰী সৰ্বানন্দ সনোৱাল ডাঙৰীয়া, নেডাৰ কন্‌ভেনৰ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া তেওঁলোকে ভাৰতৰ প্ৰধান মন্ত্ৰী আৰু গৃহ মন্ত্ৰীৰ লগত এই চুক্তিখন কৰাৰ কাৰণে আমাৰ মনত যিটো শংকা আছিল যে এচাম মানুহে অসমখনক আকৌ Devide Assam 50-50 লাইনত লৈ গৈ আছে নেকি এনেকুৱা ধৰণৰ যিটো চিন্তা আছিল এই চিন্তাটো নাইকীয়া হৈ গ'ল।

গতিকে এই চুক্তিখন অসমৰ কাৰণে ভাল হ'ল। সেয়েহে এই চুক্তিখনৰ দফা কেইটাক আমি সন্মান কৰিবই লাগিব আৰু মানিবই লাগিব। সেইকাৰণে মই ভাৱো যে এইটো বেছি ভিতৰলৈকে যাব নালাগে। কিয় নালাগে, কাৰণ অসমত প্ৰায় ৩৩ টা জনগোষ্ঠীয় ভাষা আছে। কোনো ভাষাৰ বিকাশৰ কাৰণে আচলতে আমি কোনোৱে কাম কৰা নাই। আজি অসমীয়া ভাষাটো অসমত, বঙালী, হিন্দী ভাষাটো এটা rich language। পৃথিৱীত সকলোতকৈ rich language হ'ল সংস্কৃত। আমাৰ যিবিলাক rich language সেইবিলাক ঠিকেই আছে। আমাৰ মুখ্যমন্ত্ৰীয়ে সদায় কয় বৰাক, ব্ৰহ্মপুত্ৰ, পাহাৰ ,ভৈয়াম । গতিকে আমাৰ এই বৰাক, ব্ৰহ্মপুত্ৰ,পাহাৰ ,ভৈয়ামৰ এই সম্প্ৰীতিটো আমি বিনষ্ট হ'ব দিব নালাগে আৰু এইটো লৈ পেলাই আমি আৰু বেছি বিতৰ্কত যাব নালাগে মই এইখিনি অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কথাটো হৈছে এইটো চুক্তিৰ লগত সম্বন্ধ থকা বিষয়।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, বি,টি, আৰ চুক্তি হৈছে, accordingly অসম চুক্তি হৈছে, চুক্তি ৰিলাকক আমি অস্বীকাৰ নকৰো।

**মাননীয় অধ্যক্ষ ঃ** কমলাক্ষ দে, ইয়াত প্ৰশ্নটো আহিছে, তেখেতে প্ৰশ্নৰ এটা উত্তৰ দিছে। আপুনি ইয়াক আকৌ বেলেগকৈ বহল কৰি নিনিব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** ইয়াত যিহেতু বিধেয়ক আহিছে, তাৰ ওপৰত আমি বহলাই ক'বই লাগিব ..ব্যৱধান..

**মাননীয় অধ্যক্ষঃ** সেইটো আমি বিধেয়কত নিদি ভোটত দি দিব পাৰো। কিন্তু, আপুনি যিখিনি কথা কৈছে ..ব্যৱধান..

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** ভোটত দিলে আমি নিজিকো বুলি জানো ...ব্যৱধান...

**মাননীয় অধ্যক্ষঃ** আপুনি কৈছে- বঙালী ভাষাটো ইয়াত দিলে ভাল। তেখেতৰ উত্তৰটো হৈছে ......ব্যৱধান..

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** আমি তেখেতৰ উত্তৰত সন্তুষ্ট হোৱা নাই।

**মাননীয় অধ্যক্ষঃ** কিন্তু তেখেতে কৈছে -আমি এইটো অতিৰিক্তভাৱে অনা নাই। এখন চুক্তি হৈছিল, তাৰ স্বাৰ্থত আমি এইটো আনিছো । তেখেতে কোৱা অনুসৰি বঙালী ভাষাটো কাছাৰৰ চৰকাৰী ভাষা হয়। আনহাতে, এইটো গোটেই অসমতে প্ৰযোজ্য হ'ব । আপোনালোকে যিটো বিচাৰিছে সেইটো এইবাৰ অহা নাই বুলিয়েই কৈছে, গতিকে, আপুনি অনুৰোধ কৰিব পাৰে যে আগলৈ আহিব লাগে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** তেখেতৰ উত্তৰত মই সন্তুষ্ট হ'ব পৰা নাই। কথাটো হৈছে যে- মন্ত্ৰী মহোদয়ে বি.টি.আৰ. চুক্তিৰ যি কথা ক'লে তাক আমি অস্বীকাৰ কৰা নাই। আমি কোনো চুক্তিকেই অস্বীকাৰ নকৰো, আমি চুক্তিক সন্মান কৰো। আপোনালোকে জানে যে- বঙালী মানুহ শান্তিপ্ৰিয়। আমাৰ মন্ত্ৰী মহোদয়েও কৈছে যে বঙালী ভাষাটো চহকী ভাষা। ভূপেন হাজৰিকাদেৱৰ লগতে বহুতে বেংগলত গৈ স্বীকৃতি লাভ কৰিছে কাৰণ অসমীয়া ভাষাত বঙালী ভাষাৰ বিশেষ অৰিহণা আছে আৰু তাক অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু, মন্ত্ৰী মহোদয়ে দিয়া উত্তৰত মই এই কাৰণেই সন্তুষ্ট হ'ব পৰা নাই যে বড়ো ভাষাক যদি সহযোগী ভাষা হিচাপে লোৱা হয়, সেইটো আমি অস্বীকাৰ নকৰো, কিন্তু, বঙালী ভাষাক কিয় সহযোগী ভাষা নকৰে? দ্বিতীয়তে, বঙালী ভাষাটো যদি ইমানেই চহকী আৰু তাৰ প্ৰতি যদি আপোনালোকৰ ইমানেই

মৰম, তেন্তে সহযোগী ভাষা কিয় নকৰে? যিহেতু, আপোনালোকে কয় যে বঙালী এটা চহকী আৰু ভাল ভাষা, তাক ২২ লাখ মানুহে কয়, আমি বিচাৰো আগন্তুক দিনত ৫ কোটি মানুহে কওঁক। সেয়েহে আমি অনুৰোধ কৰিছো- বঙালী ভাষাকো সহযোগী ভাষা হিচাপে স্বীকৃতি দিয়ক, এই কাৰ্য্যত আমাৰ বঙালী মানুহে আপোনালোকক ভাল পাব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, মই বাৰে বাৰে কৈ আছো যে-এই গোটেই বিষয়টো আমি বি.টি.আৰ. চুক্তিৰ ওপৰত আনিছো। তেখেতৰ যি ক'বলগীয়া থাকে, পৰৱৰ্তী দিনত সেইখিনি প্ৰস্তাৱ আকাৰে আনিব পাৰিব, আমাৰ তাত ক'বলগীয়া নাই। এইখন বিধেয়কত আমি কেৱল বি.টি.আৰ. চুক্তিৰ ভিত্তিতহে সংশোধনী আনিছো। এইটো general নহয়। গতিকে এই বিষয়টোৰ ওপৰত যদি বেছি বিতৰ্কলৈ যাওঁ, একো লাভ নহ'ব। সেয়েহে, অধ্যক্ষ মহোদয়, মই ভাৱো যে কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই বিষয়টোৰ সন্দৰ্ভত বেছি বিতৰ্কলৈ যাব নালাগে। এইটো যিহেতু এখন চুক্তিৰ ভিত্তিত হৈছে, গতিকে আমাৰ লগতে আপোনালোকেও চুক্তিখনক সন্মান কৰিব লাগিব কাৰণ আপোনালোকেতো বড়ো জনজাতিক বেয়া নাপায়, কংগ্ৰেছে ভালহে পায়, সেয়েহে এইবাৰ একেলগে মৰম-চেনেহেৰে নিৰ্বাচনো খেলিছে। গতিকে, এই কথাটো আৰু বেছি দূৰলৈকে নিব নালাগে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** আমি বড়ো ভাষাক সহযোগী ভাষা কৰাত বেয়া পোৱা নাই, ভালেই পাইছো।

**মাননীয় অধ্যক্ষঃ** সংশোধনীটো প্ৰত্যাহাৰ কৰাত আপোনাৰ ইচ্ছা নাই?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** হয়, আমি প্ৰত্যাহাৰ নকৰো।

**ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষা মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, মই আকৌ এবাৰ কৈছো যে- ইয়াত বহুত বেছি নতুন কৰা নাই। অসমত, originally, বড়ো ভাষাটো চৰকাৰী ভাষা হিচাপে আছিলেই, but in a restricted area. ১৯৮৫ চনত কংগ্ৰেছ চৰকাৰৰ দিনতেই এটা সিদ্ধান্ত লোৱা হৈছিল যে অসমীয়া ভাষা ৰাজ্যিক ভাষা হ'ব আৰু বড়ো সহযোগী ৰাজ্যিক ভাষা হ'ব। এই সিদ্ধান্তটো প্ৰয়াত হিতেশ্বৰ শইকীয়া দেৱৰ দিনতেই লোৱা হৈছিল, that was restricted to only Bodo inhabitat areas. Subsequently, অসম চৰকাৰে এখন notify কৰি ওদালগুৰি আৰু কোকৰাঝাৰ কৰি restrict কৰিছিল। By this amendment, we are withdrawing the restriction. গতিকে কেৱল restriction টোহে withdraw কৰা হৈছে, নতুন কিবা এটা কৰাৰ কথা হোৱা নাই। বঙালী, অসমীয়া ভাষা আদি চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিয়াৰ ওপৰত ইতিমধ্যে অসম বিধান সভাত debate কৰি settle কৰা হৈছে। There was a rich debate on Assam Assembly that why only Assamese should be the official language. তাৰ ওপৰত বহু তৰ্ক-বিতৰ্ক, গৱেষণা, ভোটদান আদি হৈ গৈছে, এই সম্পৰ্কে আমাৰ ইয়াত এটা বহুত ডাঙৰ ইতিহাস আছে। সেয়েহে, পুৰকায়স্থ ডাঙৰীয়াক মই অনুৰোধ কৰিম যে সেই বিষয়টোলৈ আমি আজি যোৱাটো উচিত নহয়। আমি নতুনকৈ একো কৰা নাই, ১৯৮৫ চনত কংগ্ৰেছে যি কৰিছিল মাত্ৰ সেয়া অনুকৰণ কৰি আছো। বড়ো ভাষা আছিলেই, আমি কেৱল তাৰ scope টো expand কৰিছো। সদনৰ সকলো সদস্যলৈ মোৰ এটা বিশেষ অনুৰোধ যে অসমৰ জনজাতীয় লোকসকল ভূমি পুত্ৰ আৰু জন-জাতীয় লোকসকলক আমি যেতিয়া কিবা privilege দিব বিচাৰো, তেতিয়া তেওঁলোকৰ লগত জেদ কৰিব নালাগে। We can bring a resolution independently, যেনে- বঙালী, মিচিং, তামিল আদি ভাষা

সহযোগী ভাষা কৰাৰ বাবে ক'ব পাৰো। কিন্তু, সদনত যেতিয়া জনজাতীয় লোকক privilege দিয়াৰ বাবে আমি কিবা আইন আনো বা কোনো প্ৰস্তাৱ আনো, তেতিয়া counter কথাবোৰ উত্থাপন হ'লে সেই লোকসকলৰ মনত প্ৰশ্ন উদয় হয় যে আমি অসমত থাকিম নে নাই? আমাৰ কাৰণে কিবা এটা কথা ক'লেই দেখোন ওলোটা কথা আৰম্ভ হৈ যায়! যদি কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই অনুভৱ কৰে যে বঙালী ভাষাক সহযোগী ভাষাৰ স্বীকৃতি প্ৰদান কৰিব লাগে, কিন্তু, মই নাভাৰো যে অসমৰ কোনো বঙালী সম্প্ৰদায়ৰ লোকেএইটো বিচাৰিব, because Bengali is a world language. আজি কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই যদি কোনো বঙালী মানুহক গৈ কয় যে এটা বিশ্ব বৰেণ্য ভাষাক আজি সহযোগী ভাষা কৰি দিব লাগে, এই কথাত বঙালী সমাজে সন্মতি প্ৰদান কৰিব নে নাই মই নাজানো। মোৰ সমষ্টিতো বঙালী মানুহ আছে, কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাক আজি যদি সহযোগী ভাষা কৰাৰ কথা ওলায়, তেন্তে মই ভাৰো যে এই ক্ষেত্ৰত আমাক কোনেও ভাল নাপাব। বঙালী লোকসকলে য'ত এই ভাষাটোক বিশ্ব পৰ্যায়লৈ নিব বিচাৰিছে, তেনে ক্ষেত্ৰত আমি এই ভাষাটোক টানি আনি সহযোগী ভাষা হিচাপে স্বীকৃতি দিয়াত বঙালী লোকসকলে শলাগিব নে নাই তাৰ ওপৰত আমি debate কৰিহে সিদ্ধান্ত ল'ব লাগিব। ইয়াৰ বাবে independently আপোনালোকে প্ৰস্তাৱ আনক, memorandum আনক আৰু চৰকাৰে ইয়াৰ ওপৰত আলোচনা কৰিব। কিন্তু, যেতিয়াই জনজাতীয় লোকসকলৰ বাবে আমি কিবা privilege আনো, তেতিয়া সংখ্যাৰ কথা আনি অসমীয়াই কয় যে, বড়ো লোকৰ জনসংখ্যা ১৪ লাখ, তাৰ বিপৰীতে অসমীয়াৰ সংখ্যা ১ কোটি, গতিকে অসমীয়াকো privilege দিয়ক আৰু তেতিয়াই বড়ো মানুহখিনিৰ অনুভৱ হয় যে আমি কিয় অসমৰ পৰা ওলাই নাযাওঁ! ১৯৬৮ চনত BTC গঠন হোৱাৰ দিনৰে পৰা Divide Assam 50-50 ৰ কথা চলি আছিল। এই বড়ো শান্তি চুক্তিখনে আজি তাৰ সমাপ্তি কৰিলে যে তেওঁলোক অসমৰ ভিতৰত থাকিব। Today, let's celebrate BTR Accord. কিন্তু, বঙালী ভাষাৰ মৰ্য্যাদা, অসমীয়া ভাষাৰ মৰ্য্যাদাক লৈ আমি যদি সদনত কিবা আলোচনা কৰিব বিচাৰো তেন্তে যিকোনো device ৰ যোগেৰে আলোচনা কৰা উচিত। কিন্তু, বড়ো সমাজৰ বাবে আমি যদি কিবা এটা আনো, তাত জেদ কৰিব নালাগে। পৃথিৱীত সকলোৱে জানে যে সংখ্যা ভিত্তিত জনজাতীয় লোক নচলে আৰু তাৰ বাবেই আজি বিদ্ৰোহ হৈছে। এতিয়া যদি কয় যে, বঙালী মানুহ শান্তিপ্ৰিয় বাবে আমি আন্দোলন নকৰো। আচলতে বঙালী মানুহ হৈছে চিন্তাশীল আৰু বিবেকবাক্, তেওঁলোকে বুজে যে কোনটো কাম কৰিলে সমাজত শান্তি থাকে আৰু কোনটো কাম কৰিলে সমাজত শান্তি নাথাকে। মই ভাৰো, আজি এই বিতৰ্কটো কৰা উচিত নহয়। কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই যদি ভাৱে যে অসমত বঙালী ভাষা সহযোগী ভাষা হ'ব লাগে আৰু এই কথাটো বঙালী সমাজে যদি মানি লয়, তেন্তে আপোনালোকে নিজৰ ধৰণে আলাপ-আলোচনা কৰি প্ৰস্তাৱ আনিব। কিন্তু,বড়ো মানুহখিনিৰ বাবে কিবা এটা আনিলে জেদ কৰিব নালাগে। এই জেদ কৰাৰ বাবেই অসমখন আজি এই পৰ্যায়ত আহি পৰিছে। আমি আপোনালোকৰ অভিমতবোৰ ৰেকৰ্ড কৰিছো, আপোনালোকে আলোচনা কৰি কোনোবা এটা ভাল সময়ত প্ৰস্তাৱ আনিব, অন্ততঃ আজি জেদ নকৰিব। এই সদনৰ পৰা বড়ো ভূমিলৈকে আমি এটা বাৰ্তা পঠাব লাগে যে অখণ্ড অসমৰ প্ৰতি AABSU, NDFB আদি গোটেই কেইটা সংগঠনে যি আস্থা পোষণ কৰিছে, তাৰ পৰিপ্ৰেক্ষিতত সদন একমত। বি.টি.চি.ত নিৰ্বাচন হৈ গ'ল। তাত ৮৫% ভোটদান হৈছে, কিন্তু একো গণ্ডগোল নহ'ল। গতিকে, আমি বড়ো নেতাসকল যেনে প্ৰমোদ বড়ো বা হাগ্ৰামা মহিলাৰী বা প্ৰমিলা ব্ৰহ্মাই হওঁক, তেওঁলোকক আজি সদনে থিয় হৈ অভিনন্দন জনাব লাগে। তাত ৮৫% ভোটদান হ'ল, কিন্তু অসমত কিবা নিৰ্বাচন

হ'লেই সৰুকৈ হ'লেও মৰা-মৰি পৰিস্থিতিৰ সৃষ্টি হয়। অধ্যক্ষ মহোদয়, আপুনি জানি ভাল পাব - এনেধৰণৰ এক ব্যৱস্থা হ'ল যে মাত্ৰ এটা Polling Centreতহে repoll হৈছে, তাৰ বাহিৰে ক'তো repoll নহ'ল। So, let's dedicate today to the Bodo Agitation, let's recall their martyrs and Bodofa Upendra Nath Brahma. লগতে, বড়ো ভূমিৰ বাবে প্ৰচেষ্টা কৰা, সমৰ্পন কৰা লোকসকলৰ বাবে আজিৰ দিনটোক আমি সমৰ্পন কৰো আৰু অতি গৌৰৱেৰে বড়ো ভাষাক সহযোগী ভাষা হিচাপে গ্ৰহণ কৰো। অসমত উৰিয়া, চাওঁতালী সম্প্ৰদায়ৰো লোক আছে আৰু তেওঁলোকেও ক'ব পাৰে যে তেওঁলোককো সহযোগী ভাষা লাগে। তেওঁলোকৰ সংখ্যাৰ কথা আমি ক'বলৈ নাযাওঁ, বড়োতকৈ চাগে চাওঁতালী, উৰিয়া ভাষী লোক বেছি আছে সেইটো কোনেও নাজানে। গতিকে, এই কথাবোৰ আমি কেতিয়াবা সদনত নিশ্চয় আলোচনা কৰিম। Bodofa Upendra Nath Brahma, যাক ৰবাকৰ মানুহেও অত্যন্ত মৰম কৰিছিল, আজি তেখেতৰ স্মৃতিত এই বিধেয়কখন যাতে উৎসৰ্গা কৰা হয় আৰু প্ৰধান মন্ত্ৰী মোডী ডাঙৰীয়াক ধন্যবাদ ও অভিনন্দন জনাই Bodofa Upendra Nath Brahmaক স্মৰণ কৰি কোনো ধৰণৰ বিতৰ্ক নকৰিবলৈ বিৰোধী দলৰ দলপতিক বিশেষ ভাৱে অনুৰোধ কৰিছো। Today, by majority, we will pass this Bill, but, it should not be by majority, it should be by the concensus of the House. তাৰ পিছত যি বিতৰ্ক বা আলোচনা আছে, সেয়া আমি কৰিব পাৰো।

**শ্ৰী বৃন্দাবন গোস্বামী (তেজপুৰ)ঃ** অধ্যক্ষ মহোদয়, অতি গুৰুত্বপূৰ্ণ বিষয় আমাৰ মন্ত্ৰী ডাঙৰীয়াই কৈছে। আজি যিটো সংশোধনী প্ৰস্তাৱ আনিছে, সেইটো ভাল সংশোধনী। অসমৰ প্ৰত্যেকটো জনগোষ্ঠী মিচিং, ৰাভা, বড়ো, তিৱা আদিয়ে যেতিয়া নিজৰ আত্ম-প্ৰতিষ্ঠাৰ সংগ্ৰাম আৰম্ভ কৰিছিল, তেতিয়া যোৰহাটত অসম জাতীয় বিৱৰ্তন হওঁতে বড়ো ভাষাক অসমৰ সহযোগী ভাষা কৰিব লাগে বুলি প্ৰস্তাৱ লোৱা হৈছিল আৰু এই খবৰটো দিবলৈ মই যেতিয়া ৰাতি যোৰহাটৰ পৰা কোকৰাঝাৰলৈ গৈছিলো, তেতিয়া ৰাতিপুৱা সমৰ ব্ৰহ্ম চৌধুৰী আৰু চৰণ নাৰ্জাৰীক লগ পোৱাৰ আগতেই অসম চৰকাৰৰ তৰফৰ পৰা ঘোষণা কৰা হৈছিল যে বড়ো ভাষাক সহযোগী ভাষা হিচাপে গ্ৰহণ কৰা হৈছে। কিন্তু, সহযোগী ভাষা দুটা খণ্ডতহে কৰিছিল। আজি মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো যে সহযোগী ভাষা সমগ্ৰ অসমতেই হওঁক, আজি যিহেতু সেই পৰ্যায়ত উপনীত হৈছো, গতিকে আমি সকলোৱে সমৰ্থন কৰা উচিত। এটা প্ৰশ্ন আহিছে আৰু তাৰ উত্তৰ আমাৰ বিত্ত মন্ত্ৰী মহোদয়ে ভালকৈ কৈছে যে সমগ্ৰ পৃথিৱীতে সৰু সৰু জাতি সত্তাৰ আন্দোলনৰ সংগ্ৰাম আৰম্ভ হৈছে। ভৰেন্দ্ৰ দত্ত ডাঙৰীয়াই ক্ষুদ্ৰ জাতি সত্তাৰ অধিকাৰ সম্পৰ্কে সুন্দৰ কিতাপ লিখিছে। পৃথিৱীত ইতিমধ্যে ৬০০ টা সৰু সৰু জাতি-জনগোষ্ঠী নোহোৱা হৈ গ'ল যাৰ বাবে ৰাষ্ট্ৰসংঘই Indigenous Department খুলিছে। মই ৰাষ্ট্ৰসংঘলৈ যাওঁতে বলিভিয়াৰ ৰাষ্ট্ৰপতিয়ে সভাপতিত্ব কৰিছিল আৰু তেতিয়া এই বিষয়টোৱেই আলোচনা হৈছিল। সেই সময়ত পৃথিৱীৰ বিভিন্ন দেশত ক্ষুদ্ৰ জাতিসত্তাৰ কি অৱস্থা হৈছে তাৰ বিষয়ে জানিব পাৰিছিলো। ঠিক তেনেদৰে, অসমৰ ক্ষুদ্ৰ জাতিসত্তা যেনে মিচিংসকল, তেওঁলোক একেবাৰে সৰু, দেউৰীসকলতো নাইয়েই, তিৱা সকল সৰু জাতি। এই জাতি-সত্তাসমূহৰ ভিতৰত বড়োসকলে দীঘলীয়া সময় ধৰি সংগ্ৰাম কৰিছে। আজি মই তিহুৰাম বড়োক শ্ৰদ্ধাৰে সুঁৱৰিছো। মই শিক্ষামন্ত্ৰী হৈ থাকোতে তেওঁক কেইবাবাৰো লগ পাইছো। AABSU ৰ সভাপতি ৰবিৰাম ব্ৰহ্ম, বিশ্ববিদ্যালয়ত পঢ়োতে মোৰ roommate আছিল। তেওঁলোকৰ সংগ্ৰাম, ত্যাগ, কষ্ট মই দেখা পাইছিলো। এই ক্ষুদ্ৰ

জাতি সত্তাৰ অধিকাৰত  পৃথিৱীজোৰা যি সংগ্ৰাম, এই সংগ্ৰামৰ এটা অংশ বড়ো সকলেও কৰি আহিছে, সেয়েহে আমি আজি ইয়াক সমৰ্থন কৰিব লাগে। মাননীয় বিত্ত মন্ত্ৰীয়ে খুব সুন্দৰ ভাৱে ব্যাখ্যা কৰিছে, আমি বিসম্বাদ কৰিব নালাগে। আজি মিচিং সকলে, বিষ্ণুপুৰীয়া সকলে নিজৰ ভাষাৰ স্বীকৃতি পাইছে, কিন্তু, দেউৰী, তিৱা, টাই সকলে পোৱা নাই। তাৰ বাবে আমি আনন্দৰাম বৰুৱা ভাষা গৱেষণা কেন্দ্ৰ স্থাপন কৰিছো। প্ৰত্যেকটো জনগোষ্ঠীৰ ভাষিক, সাংস্কৃতিক পৰিচয় ৰখাটো এইখন সদনৰ পৱিত্ৰ দায়িত্ব আৰু আজি এই দায়িত্ব পালন কৰিবলৈ চৰকাৰ আগুৱাই অহাত ধন্যবাদ জনাইছো। যোৱা পৰহি মই বক্তব্য ৰাখোতে দীনেশ চৰকাৰ, পদ্মনাথ ভট্টাচাৰ্যৰ নাম লৈছো, এই চিন্তাশীল ব্যক্তিসকলে অসমৰ কাৰণে কি কৰা নাই ? পৃথিৱীত চীনা, হিন্দী আৰু বঙালী এই তিনিটা ভাষা কোৱা লোকেই সংখ্যাগৰিষ্ঠ। মই কোৱা নাই যে বাংলা ভাষা নাইকিয়া হ'ব। আশুতোষ মুখাৰ্জী, ৰবীন্দ্ৰনাথ ঠাকুৰে আমাৰ সমাজখনত দিয়া অৱদানৰ বিষয়ে কেতিয়াবা সময় পালে নিশ্চয় ক'ম। আমিনুল ইছলাম ডাঙৰীয়াই সুন্দৰকৈ Link Language ৰ কথা কৈছে। আমাৰ যোগাযোগৰ ভাষা অসমীয়াই থাকিব, কিন্তু অসমীয়াসকলে কেৱল নিজৰ সত্তাৰ ভাষাই নহয়  উত্তৰ-পূৰ্বাঞ্চলৰ ভাষা, নাগামিজ ভাষাকো গ্ৰহণ কৰিছে।  অসমত ভাষাৰ পৰিৱৰ্তন হৈছে। গতিকে, আমাৰ ভাষাভিত্তিক যি এক সংঘাত আছিল সেইটো ঘূৰাই আনিব নালাগে। জাতি-ভাষা-জনগোষ্ঠী নিৰ্বিশেষে যিখন সৌহাৰ্দ্যপূৰ্ণ অসম গঢ় লৈছে, তাত যাতে পুনৰ সংঘাতৰ সৃষ্টি নহয়, তাৰ বাবে গুৰুত্ব দিব লাগে। আজি আমাক সকলোৱে চাই আছে, গতিকে সদনে এই বিধেয়কখনৰ যোগেৰে সৎ ভাৱ, সম্প্ৰীতি, আস্থাৰ এক নতুন বাৰ্তা যাতে অসমৰ ৰাইজৰ মাজত লৈ যাব পাৰো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ  মহোদয়, Bodofa Upendra Nath Brahmaক আজি সদনৰ পৰা সেৱা ও শ্ৰদ্ধা জনাইছো। বি.টি.আৰ চুক্তি আৰু তেওঁলোকৰ শ্বহীদসকলকো শ্ৰদ্ধা জনাইছো। অধ্যক্ষ মহোদয়, বড়ো ভাষাক সহযোগী ভাষা হিচাপে স্বীকৃতি দিয়া হ'ব .....ব্যৱধান .... আপোনালোকে বিধেয়কখন অনাৰ বাবে .........ব্যৱধান ....আপোনালোকে যদি পাছ কৰিব বিচাৰে তেন্তে কোনো কথা নাই, পাছ কৰি দিয়ক.......ব্যৱধান ....

**ডঃ হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰীঃ** আমি পাৰিত কৰিম। কিন্তু, কথাটো হ'ল যে আজিৰ দিনটোত সদনত কোনো debate হ'ব নালাগে।

**মাননীয় অধ্যক্ষঃ** সংশোধনীটো প্ৰত্যাহাৰ কৰিব নে ?

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** Amendment withdraw নকৰো।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, শিক্ষা মন্ত্ৰীঃ** অধ্যক্ষ  মহোদয়,  এজন মানুহে সদনত পাঁচ বছৰ থকাৰ পিছতো বঙালী ভাষাৰ বাবে মনত নপৰিল, আজি তেওঁৰ মনত পৰিছে। সকলো ক্ষেত্ৰতে ৰাজনীতি খেলাটো উচিত নহয়। কিয়নো বঙালী ভাষাৰ প্ৰতি যদি ইমানেই মৰম, তেন্তে, ইমান বছৰে কিমান যে সুবিধা পাইছে- Zero Hour, Amendment, Bill আদি আছে, Private Members' Bill এখনেই কিয় নানিলে ? ইয়াক বঙালী ভাষাৰ প্ৰতি মৰম নহয়, ৰাজনীতি বুলি কয়।

মই বিৰোধী দলৰ দলপতিক অনুৰোধ কৰিম যাতে বড়ো ভূমিৰ প্ৰতি ভাল বাৰ্তা এটা পঠিয়াব পাৰো। তেওঁ যাতে কমলাক্ষ দেৱক এইবোৰ আজিৰ দিনটোত উঠাই লবৰ বাবে অনুৰোধ কৰিম।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি, নাজিৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে উঠাই লব বুলি কৈছে।

**माननीय अध्यक्ष ঃ** বিৰোধী দলেও এইটো উইদ্ৰ কৰিছে আৰু আমিও এই মানি লৈছো। বিলখনৰ ক্ষেত্ৰত এটা Consensus হোৱাটো বেয়া নহয়। আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিটো পৰামৰ্শ দিছে সেইটো বেলেগে আনিব পাৰিব আৰু বেলেগে আনিলে আমি তাতো আলোচনা কৰিম।
**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এমেণ্ডমেণ্ট আছিল, আমাৰ উদ্দেশ্যটো এইটোৱেই আছিল যে-

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ কথাটো ক'লে। আপুনি Link language ৰ কথা কৈছিল। সেই কথাটো পিছত চাব। আজি বিল খনৰ লগত নাই। সেই কথাটোৱেই কৈছে। আজি বিলখন এটা বিশেষ উদ্দেশ্যৰ কাৰণে কৰিছে। ধন্যবাদ। এতিয়া সদনৰ সন্মতি সাপেক্ষে আমি সংশোধনীটো প্ৰত্যাহাৰ কৰা বুলি কৈছো। মই ভাৱো দফা নম্বৰ ২ বিধেয়কৰ অংশ হ'ব।
সদনত অনুমতিৰ বাবে আগবঢ়ালো।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে দফা নম্বৰ ২ বিধেয়কৰ অংশ হ'ল। বিধেয়কৰ ১ নম্বৰ দফা সংক্ষিপ্ত নাম পৰিসৰৰ আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে বিধেয়কৰ ১ নম্বৰ দফা সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভণ সদনত উত্থাপন কৰিলো। বিধেয়কৰ ১ নম্বৰ দফা সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভণ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে বিধেয়কৰ ১ নম্বৰ দফা সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভণ বিধেয়কৰ অংশ হৈছে। এতিয়া মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে অনুৰোধ কৰিলো।
**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Official Language (Amendment) Bill, 2020" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো উত্থাপন কৰিলো। "The Assam Official Language (Amendment) Bill, 2020" be passed.

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে প্ৰস্তাৱ পাৰিত হৈছে আৰু বিধেয়ক খনো পাৰিত কৰা হৈছে আৰু বিধেয়কখনো পাৰিত হৈছে বুলি মই ঘোষণা কৰিলো।

'The Assam Taxation (Liquidation of Arrear Dues) (Second Amendment) Bill, 2020"

ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে অসমৰ ৰাজ্যপাল ডাঙৰীয়াই এটা বাণী পাঠ পঠিয়াইছে।

Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that The Assam Taxation (Liquidation of Arrear Dues) (Second Amendment) Bill, 2020" Bill, will be taken into consideration by the Assam Legislative Assembly

এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত, শিক্ষা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Taxation (Liquidation of Arrear Dues) (Second Amendment) Bill, 2020" বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** The Assam Taxation (Liquidation of Arrear Dues) (Second Amendment) Bill, 2020" be taken into consideration.

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, ‘হয়’

যিসকল বিপক্ষে আছে কওঁক, ‘নহয়’

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে প্ৰস্তাৱ গৃহীত হৈছে বুলি মই ঘোষণা কৰিলো। বিধেয়কৰ ২ ৰ পৰা ৫ নং দফা কেইটাৰ লগত অনুসূচীখনত ও কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে মই প্ৰস্তাৱটো উত্থাপন কৰিছো যে ২ ৰ পৰা ৫ নম্বৰ দফাকেইটাৰ লগত অনুসূচীখনো বিধেয়কৰ অংশ হ’ব।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, ‘হয়’

যিসকল বিপক্ষে আছে কওঁক, ‘নহয়’

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে ২ ৰ পৰা ৫ নম্বৰ দফাকেইটাৰ লগত অনুসূচীখনো বিধেয়কৰ অংশ হ’ল বুলি মই ঘোষণা কৰিলো।

এতিয়া বিধেয়কৰ ১ নম্বৰ দফা সংক্ষিপ্ত নাম পৰিসৰৰ আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে মই প্ৰস্তাৱটো উত্থাপন কৰিছো যে বিধেয়কৰ ১ নম্বৰ দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ’ব।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, ‘হয়’

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে বিধেয়কৰ ১ নম্বৰ দফা সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভণ বিধেয়কৰ অংশ হৈছে। এতিয়া মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত, শিক্ষা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Taxation (Liquidation of Arrear Dues) (Second Amendment) Bill, 2020" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো। "The Assam Taxation (Liquidation of Arrear Dues) (Second Amendment) Bill, 2020" be passed.

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে প্ৰস্তাৱ পাৰিত হিচাপে বিধেয়ক খনো পাৰিত কৰা হ'ল বুলি মই ঘোষণা কৰিলো। ইয়াৰ পিছত আছে-Assam Micro Finance Institutions (Regulation of Money Landing) Bill, 2020"

ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে অসমৰ ৰাজ্যপাল ডাঙৰীয়াই এটা বাণী পাঠ পঠিয়াইছে।

Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that The Assam Micro Finance Institutions (Regulation of Money Landing) Bill, 2020" be taken into consideration by the Assam Legislative Assembly

এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন সদনত এই বিলখন বিবেচনাৰ বাবে উত্থাপন কৰিবৰ বাবে অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত, শিক্ষা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Micro Finance Institutions (Regulation of Money Landing) Bill, 2020" বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো। "The Assam Micro Finance Institutions (Regulation of Money Landing) Bill, 2020" be taken into consideration.

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে প্ৰস্তাৱ গৃহীত হৈছে আৰু ইয়াৰ পিছত বিধেয়কখনৰ ২ আৰু ৩ নং দফাত সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে বিধেয়ক খনৰ এই দফা দুটা অংশ হ'ব বুলি মই ঘোষণা কৰিলো।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে বিধেয়কৰ ২ আৰু ৩ নম্বৰ দফা দুটা বিধেয়কৰ অংশ হ'ব। বিধেয়কৰ ৪নম্বৰ দফা সংশোধনী প্ৰস্তাৱ আছে। বিধেয়কৰ ৪ নম্বৰ দফাত দে ৱব্ৰত শইকীয়াৰ লগতে কেইবাজনো সন্মানীয় সদস্যৰ এটা সংশোধনী প্ৰস্তাৱ আছে। সেয়েহে এই সংশোধনীটো উত্থাপন কৰি তাৰ ওপৰত ক'বৰ বাবে অনুৰোধ কৰিলো।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, বিধায়ক (মৰিয়ণী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move in (1) of clause 4 of the proposed bill the word and figure 30 appear in line 3 shall be substitued by word and figure 7.

অৰ্থাৎ "The Assam Micro Finance Institutions (Regulation of Money Landing) Bill, 2020" বিলখন আমি পঢ়ি চালো তাত সময় সীমা দিছে ৩০ দিনৰ। আমি এই সময়-সীমা শিথিলতা কৰি সাত দিনৰ ভিতৰত কোনো এটা অনুষ্ঠানে সকলোখিনি নথি-পত্ৰ জমা দিব লাগে । এই প্ৰস্তাৱটো গ্ৰহণ কৰিবলৈ চৰকাৰ প্ৰশাসনক আহ্বান জনাইছো। ইয়াৰ কাৰণ হ'ল- Micro Finance অসমত প্ৰৱেশ কৰা আৰু অসমত প্ৰৱেশ কৰি আজি বিভিন্ন বাতৰিৰ শিৰোণাম, টি ভি মাধ্যমৰ শিৰোণাম দখল কৰা বহু কেইটা সংস্থাই বহু শ শ কোটি টকা অসমৰ পৰা লৈ যোৱা, বহু ডাঙৰ ডাঙৰ মানুহৰ নাম ও সাঙুৰ খাই পৰিছে। ইয়াৰ লগতে বহু ব্যক্তি বা পৰিয়ালে এই Micro Finance সময় মতে ঋণ পৰিশোধ কৰিব নোৱাৰা বাবে আত্ম হত্যা কৰা, তেওঁলোকৰ ল'ৰা-ছোৱালীক বিদ্যালয়, মহাবিদ্যালয়ৰ পৰা নাম এৰুৱাই লৈ অহা। বহু Micro Finance কোম্পানীৰ হয়তো নিয়মৰ শিথিলতা থকাৰ বাবে প্ৰশাসনৰ Strict Administration প্ৰশাসনিক ব্যৱস্থাৰ কৰোবাত সুৰুঙা পাই তেওঁলোকে দিন-দুপৰতে টিন খুলি লৈ অনা, গৰু-ছাগলী গোহালিৰ পৰা লৈ অহা মানুহক অপদস্থ কৰা আদিৰ দৰে বিভিন্ন ঘটনা ঘটিছে। যাৰ কাৰণে আমি বিৰোধীৰ ফালৰ পৰা ৩০ দিনৰ সময়-সীমা লৈ আমি অতি গুৰুত্ব সহকাৰে গভীৰভাৱে চাই সাত দিনৰ ভিতৰত যদি হয়, চৰকাৰেও কঠোৰ হৈছে যেতিয়া আৰু আমিও খুব সাবধানে কাম কৰিব লাগিব। RBI guide line follow কৰিব লাগিব। আমাৰ সমষ্টিত এনেকুৱা Micro Finance কোম্পানীয়ে ভোটাৰ কাৰ্ডৰ ওপৰত ঋণ দিছে। কোনোবাই হয়তো ৰেচন কাৰ্ডৰ ওপৰত ঋণ দিছে। অন্য কোনো নথি-পত্ৰ চোৱা নাই। এগ্ৰিমেণ্ট সমূহ ইংৰাজীত থকাৰ বাবে হয়তো স্বাক্ষৰতাৰ অভাৱত তেওঁলোকক ইমান সমূহ এগ্ৰিমেণ্ট কেৱল চহী কৰিবলৈ কয়। তেওঁলোকে বিপদৰ সময়ত ঋণসমূহ ল'বলৈ যায়। সেয়েহে কেৱল টকাখিনি পাবলৈ ক'ত চহী কৰিছে সেইখিনি পঢ়ি নাচাই কেৱল চহীটো কৰে। এই এগ্ৰিমেণ্টসমূহ ইংৰাজী ভাষাত থকা বাবে হয়তো বহু অসুবিধা হৈছে। আমি বিৰোধী দলৰ ফালৰ পৰা যোৱা বিধান সভাত শূন্যকালীন ঘণ্টা আৰু বিভিন্ন শিতানত আমি

আলোচনা দিছিলো। আমাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াকে ধৰি বহুজন আৰু শাসক বিৰোধীৰ কেইবাজনে এই আলোচনাত অংশগ্ৰহণ কৰিছিল। আমাৰ বিৰোধীৰ ফালৰ পৰা এটা কথা ভাল লাগিছে এই বিলখনৰ ওপৰত এটা এমেণ্ডমেণ্ট আহিছে। আমি এই সুযোগতে চৰকাৰক Micro Finance কোম্পানীৰ এই বিলখনৰ ক্ষেত্ৰত ৩০ দিনৰ সলনি ৭ দিনৰ প্ৰস্তাৱটো গ্ৰহণ কৰিবলৈ সময়সীমা দিবলৈ অনুৰোধ কৰিলো। ধন্যবাদ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত, শিক্ষা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই Micro Finance কোম্পানীৰ দ্বাৰা বিভিন্ন সময়ত ঘটি থকা কিছু দৃশ্য আৰু যিটো অনিয়মীয়া ব্যৱস্থা তাৰ ওপৰত তেখেতে সদনৰ দৃষ্টি আকৰ্ষণ কৰিছে আৰু মই ও সদনৰ অনুমতি বিচাৰিম যে এই বিলখন পাৰিত হোৱাৰ প্ৰাক্ মূহুৰ্ত্তত এই বিলখনৰ মুখ্য যিখিনি প্ৰভিজন সেইখিনিৰ বিষয়ত মই সদনৰ দুই-তিনি মিনিট সময় লৈ অৱগত কৰিম। মই ভাৱো যে বিলখন যিধৰণে ড্ৰাফট কৰা হৈছে তাত ইমানেই কোৱা হৈছে যে এটা কোম্পানীয়ে আইনখন প্ৰণয়ন হোৱাৰ পিছত ৰেজিষ্ট্ৰেশ্যনৰ বাবে আবেদন কৰিবৰ বাবে ৩০ দিন সময় দিয়া হ'ব। সাত দিনত এইটো এই কাৰণে সম্ভৱ নহয় যে সাত দিনত আমি যিমান নথি-পত্ৰ বিচাৰিছো কোনো কোম্পানীয়ে সাত দিনৰ ভিতৰত তাক প্ৰস্তুত কৰিব নোৱাৰে। এই গোটেই আইন সমূহৰ এটা ফৰমেট থাকে। আমি অন্ধ্ৰপ্ৰদেশ, মহাৰাষ্ট্ৰ আদি বিভিন্ন ৰাজ্যৰ লগত কনচাল্ট কৰি তেওঁলোকৰ আইনসমূহ পঢ়িছো।

So, 30 days is most reasonable period. সাত দিন হ'লে কোৰ্টত গ'লে ক'ব যে তোমালোকে এইটো কি আইন বনাই লৈ আহিছা, Strike down. গতিকে unreasonable Act যদি এচেম্বলীয়ে পাচ কৰে Court can strike it down. সেই কাৰণে মই ভাৱো যে 30 days is most reasonable period. এই বিষয়ে আমি চিন্তাই কৰা নাছিলো। প্ৰথম আমি চিন্তা কৰিছো। গতিকে মই সন্মানীয় সদস্য গৰাকীৰ ভৱনাক সন্মান কৰি মই অনুৰোধ কৰিম যে ৩০ দিন most reasonable period. তাতকৈ কমালে এক্ট খনৰ legal validity আইনৰ সন্মুখত নাথাকিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ আপুনি কিবা ক'ব নেকি?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, বিধায়ক (মৰিয়ণী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি পুনৰবাৰ বিবেচনা কৰিবলৈ চৰকাৰক অনুৰোধ জনাইছো। E-Business ৰ আৰম্ভ হৈছে চৰকাৰৰ ফালৰ পৰা আৰু তেনেস্থলত কাগজ পত্ৰৰ কথাসমূহো যদি আহি যায়, ৩০ দিনৰ সময়টো অতি দীঘলীয়া সময় হ'ব। সেই কাৰণে চৰকাৰে পুনৰ বিবেচনা কৰি ৩০ দিনৰ সলনি ১৫ দিনৰ ব্যৱস্থা কৰিব পাৰি নেকি তাৰ বাবে অনুৰোধ জনালো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত, শিক্ষা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰম্ভণিতে ৩০ দিন সময় থাকক। যদি clause টোৱে কিবা বাধা আৰোপ কৰে তেতিয়া আমি পুনৰ বিবেচান কৰিম। কিন্তু আজিৰ দিনত এইখনৰ কোৰ্টত বহুত প্ৰতিযোগিতা হ'ব। কাৰণ এইখন লৈ বহুত হুলস্থূল হ'বই। Unreasonable Act এখন পাচ কৰা বুলি যাতে আমাক কোৰ্টত ক'ব নোৱাৰে। সেইকাৰণে বৰ্তমান ৩০ দিন থাকিব দিয়ক পিছত দৰকাৰ হ'লে আমি পুনৰ বিবেচনা কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। তেখেতে যিহেতু সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছে গতিকে সদনৰ সন্মতি সপক্ষে সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এইটো ৪ নং দফা আছিল। ইয়াৰ লগতে ৫,৬,৭ নম্বৰ দফাত সংশোধনী প্ৰস্তাৱ নাই। মই ৪,৫,৬,৭ নম্বৰ দফাকেইটা একেলগে

কৈছো যে ৪,৫,৬ আৰু৭ নম্বৰ দফাকেইটা বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

সেয়েহে মই ৪,৫,৬ আৰু ৭ নম্বৰ দফা কেইটাবিধেয়ক খনৰ অংশ হ'ব বুলি মই ঘোষণা কৰিলো। ইয়াৰ পিছত ৮ নম্বৰ দফাত দুটা সংশোধনী আছে। দুয়োটাই হয়তো আপোনালোক বিধায়নী দলৰ। মই সংশোধনী কেইটা আপোনালোকক উত্থাপন কৰিবলৈ আহ্বান জনালো। দুয়োটা সংশোধনী একেলগে ক'লেও হ'ব- যিহেতু একেটা clause তে হ'ব।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিধায়ক (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, In clause no 8(5) of clause 8 shall be substituted by the following borrowers will not be liable to repay loans which have not been granted in violation of RBI guidelines ragarding kept of an amount which can be land to a single coustomer by one or more lander during the specified period and the RBI guideline prohibiting more than two separate lander landing to same coustomer during the specified period.The lander which has violated or will violate the RBI guidelines will bear the burden of the unpaid dues. আৰু এটা দিছো- After sub clause 6 in clause 8 a new sub clause has been added as follows - No 7 clause.All dues of borrowers which may acquire during natural calamitees such as flood and earth quake, Corona type situation will be waved of and some relief may provided to the lander by the Govt.to offset the resulten lose. Further after sub clause 6 in clause 8, a new sub clause shall be added as follows -the lander shall provide training to the borrower to ensure that the loan is not miss-spend and purpose of the loan is fulfill.

মাননীয় অধ্যক্ষ মহোদয়, আমি সদনত এটা বেচৰকাৰী প্ৰস্তাৱ আনিছিলো যি সমূহ Micro Finance কোম্পানী আছে, সেই সমূহ regulate কৰিবলৈ। তামিলনাডু বা অন্ধ্ৰপ্ৰদেশত যেনেকুৱা এটা crisis হৈছিল তাৰ ফলত RBI .য়ে Y.H.Malegam ৰ অধীনত এখন কমিটী দিছিল। ঠিক তেনেকৈ অসমত যাতে এনেকুৱা নহয়। বিশেষকৈ যোৱা বছৰত বহু আত্মহত্যা, ঘৰ এৰি বেলেগলৈ গুচি যোৱা আদিৰ দৰে বহু তথ্য আহিছিল। লগতে বহু পৰিয়ালে সামাজিক গ্লানি ল'বলগীয়া হৈছিল যেতিয়া Loan Recovery Agent সমূহে ঘৰলৈ আহি তেওঁলোকৰ টিনপাত খুলি লৈ গৈছিল। লগতে অন্য বয়-বস্তু লৈ গৈছিল। বিশেষকৈ গোলাঘাটকে আদি কৰি উজনি অসমৰ বিভিন্ন বাগানতো ইয়াৰ প্ৰকোপ বেছি বুলি বিভিন্ন তথ্য আহিছিল। সেইখিনি সময়তে বাগানৰ বাবে এই বিধান সভাত এখন বিলৰ বাবে এটা প্ৰস্তাৱ আনিছিলো। লগতে RBI ৰ এটা গাইড লাইন আছে যে The income limit of the Rural borrower has been raised to 1.25 lakh. শেহতীয়াকৈ ঠিক তেনেকৈ RBI also allowed Micro

Finance lander to extend maximum credit worth Rs.1.2 lakh to Rural borrowers ৰাজ্যত নহ'লেও বিদেশত ৮৪ টাতকৈ বেছি Micro Finance ত কাম কৰা বেঙ্ক বা Non Banking Institute আছে। যাৰ সৰ্বমুঠ প্ৰায় ১.৫০ লাখ কোটিতকৈ অধিক টকা বজাৰত আছে আৰু যোৱা সময়ছোৱাত কৰ'ণা হোৱাৰ পিছতো বহুতো মানুহে এই ঋণ পৰিশোধ কৰিব পৰা নাই। সেই কাৰণে আমি ক'ব বিচাৰিছো যে অসমত যি RBI ৰ এটা গাইড লাইন আছে, সেই অনুসৰি কেৰল দুটা অনুষ্ঠানে এজন ব্যক্তিক লোন দিব পাৰে। কিন্তু ৫-৬ টা অনুষ্ঠানে দিয়াৰ ফলত লাখ লাখ টকা ধৰুৱা হৈছে আৰু তেওঁলোকৰ নিজৰ যিটো পেচা আছে, সেইটো এৰি তেওঁলোকে অন্য ৰাজ্যলৈও গৈছে। এনেকুৱা ধৰণৰ যিসমূহ পৰিস্থিতি হৈছে তাৰ পৰা আঁতৰিব হ'লে তেনেধৰণৰ কিছু লিমিট থাকিব লাগে। লগতে যদি সেই কোম্পানীসমূহে দিয়ে সেই কোম্পানী সমূহকহে দায়বদ্ধ কৰিব লাগে। যিখিনি পইচা দিয়া হ'ল তাৰ বাবে যিজন ধাৰুৱা তেখেতক মাফ কৰি দিব লাগে। যিহেতু এনেকুৱাধৰণৰ কিষাণ ক্ৰেডিট কাৰ্ড বা কৃষকৰ লোন মাফ কৰাৰ বৃহৎ উদাহৰণ ভাৰতত আছে, কল্যাণকামী ৰাষ্ট্ৰ হিচাপে এনেকুৱা এটা ব্যৱস্থা ইয়াত থাকিব লাগে। খুব শেহতীয়াকৈ এটা কথা ওলাইছিল যে গোসাঁইগাওঁৰ নিৰ্মল পালৰ পৰিয়ালৰ ৫ জন সদস্যই ঋণৰ ধৰুৱা হৈ আত্মহত্যা কৰিছে আৰু এই কথাটো মনত ৰাখি এই কথাখিনি জনাইছো। ইয়াৰ লগতে ইয়াত যিটো clause দিছিলো যে বহু ক্ষেত্ৰত ঋণ কিবা এটা কামৰ কাৰণে লৈ বেলেগ এটা কামত লগাই দিয়ে। সেই কাৰণে যিসকলে ঋণ লব তেওঁলোকক কি উদ্দেশ্যত সেই বিষয়ে ট্ৰেইনিং দিয়াব লাগে আৰু RBI গাইড লাইনৰ ওপৰত মুঠতে যদি কোনোবাই কৰে তেওঁলোককো দোষী সাব্যস্ত নকৰি অতিৰিক্ত পইচা তেওঁলোকৰ পৰা লোৱাৰ ব্যৱস্থা কৰিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষৰ আসনত মাননীয় সদস্য শ্ৰী বিনন্দ শইকীয়া উপবিষ্ট।**

**শ্ৰী বিনন্দ শইকীয়া, ছিপাঝাৰ ঃ** মন্ত্ৰী মহোদয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় সভাপতি মহোদয়, সন্মানীয় বিৰোধী দলপতি ডাঙৰীয়াই যি কেইটা amendment আনিছে বিশেষকৈ তেখেতে এটা amendment দিছে যে All dues of borrowers which may occur during the natural calamities such as flood, earthquake or corona type situation will be waved up and some relief may be provided to the landers by Government to obsess the resultant loss. অধ্যক্ষ মহোদয়, amendment টোৰ লগত Governmentয়ে Micro Finance Company বিলাকক lost হ'লে তেওঁলোকৰ lost ৰ কাৰণে আমি তেওঁলোকক সহায় কৰাৰ কথা ইয়াত উল্লেখ আছে। ইয়াৰ অৰ্থ এইটোৱে যে ইয়াৰ লগত treasury ৰ out flow অৰ্থ্যাৎ চৰকাৰৰ কোষৰ পৰা ধন ব্যয় কৰিব লাগিব। এই amendment টো যদি আমি বিবেচনা কৰিব লাগে তাৰ আগত চৰকাৰৰ কিমান টকা ওলাব, তেনেকুৱা সুবিধা আমাৰ বাজেটত আছে নে নাই এই গোটেই দিশ বিলাক আমি বিবেচনা কৰিব লাগিব আৰু এই মুহুৰ্তত তেনেকুৱা এটা সিদ্ধান্ত লোৱাটো চৰকাৰৰ পক্ষে সম্ভৱ নহয়। আনহাতে training ৰ ক্ষেত্ৰত যিখিনি provision আমি সন্নিবিষ্ট কৰিছো গোটেই Act খন যদি পঢ়ে তেতিয়া বুজিব যে without proper consultation, proper training এই সকলোবিলাক বিষয়বস্তুৰ ওপৰত joint libality group বিলাকক নজনোৱাকৈ loan দিয়াৰ ব্যৱস্থা নাই।

(Hon'ble Speaker on the chair)

মাননীয় অধ্যক্ষ মহোদয়, মই এই বিলখনৰ Highlight ৰ ওপৰত ক'ব খুজিছো। এইটো কথা সত্য যে বিৰোধী দলৰ ফালৰ পৰা বিভিন্ন সময়ত Micro Finance Company য়ে আমাৰ সমাজ ব্যৱস্থাত যি এক সাংঘাতিক ধুমুহাৰ সৃষ্টি কৰিছে তাৰ বিষয়ে বিৰোধী পক্ষই সদনত বিভিন্ন সময়ত অৱগত কৰি আহিছে। ঠিক সেইদৰে উজনি অসমত আমাৰ দলৰ বিধায়ক সকলো মই যেতিয়াই উজনি অসম ভ্ৰমনলৈ যাওঁ, তেতিয়াই তেখেতসকলে আমাৰ এই সমাজ ব্যৱস্থাত Micro Finance Company সমূহে এক প্ৰকাৰ ধুমুহাৰ সৃষ্টি কৰিছে এই বিষয়ে তেখেতসকলে চৰকাৰক দৃষ্টিগোচৰ কৰি আহিছে। প্ৰথমতে আমি এটা বস্তু চাব লাগিব যে Financial যিখন বজাৰ loan return বা loan দিয়া সেই গোটেই কামবিলাক RBI ৰ দ্বাৰা পৰিচালিত। আজি মহাৰাষ্ট্ৰ চৰকাৰে Money Laundering ৰ ওপৰত Act বনাইছে। কিন্তু তেওঁলোকে Bank আৰু MFI বিলাকক ইয়াৰ আওতাৰ পৰা বাহিৰত ৰাখিছে। The banks and MFIs are registered to RBI. অৰ্থ্যাৎ তেওঁলোকৰ regulations ৰ দায়িত্ব RBI ৰ ওপৰত আছে। অন্ধ্ৰপ্ৰদেশ আৰু তামিলনাডুয়ে bank ক বাহিৰত ৰাখিছে কিন্তু MBFC আৰু MFI বিলাকক এই regulation ৰ অন্তৰ্ভুক্ত কৰিছে। ফলত MBFC আৰু MFI বিলাকে Court ত গৈছে আৰু তেওঁলোকে dual control ৰ এটা অভিযোগ আনিছে যে আমাক State য়েও control কৰিব আৰু central য়েও control কৰিব, তেনেকুৱা হ'ব নোৱাৰে। আমাক দুইটাৰ ভিতৰত এটাইহে control কৰা উচিত। যোৱাকালি RBI ৰ পৰা আমালৈ এখন চিঠি আহিছে যে MBFC আৰু MFI বিলাকক আমি মনিটৰ কৰো। গতিকে আপোনালোকে ইয়াৰ ওপৰত আইন প্ৰণয়ন কৰিব নালাগে। MBFC আৰু MFI বিলাকে প্ৰধানমন্ত্ৰীৰ কাৰ্য্যালয়তো memorandum দিছে যে আমাক dual control ত অআনিব নালাগে। আজিৰ দিনটোত তেওঁলোকে অসমত ১২ হাজাৰ কোটি টকাৰ লোন দি থৈ দিছে। অৰ্থ্যাৎ আমি চাব পাৰো যে কিমান vested interest বাঢ়িছে। অসমৰ দুখীয়া আই মাতৃ সকলক, দুখীয়া মহিলা সকলৰ capacity assess নকৰাকৈ তেওঁলোকক ১২ হাজাৰ কোটি টকা লোন দিছে। এই টকাৰ সিংহভাগেই উজনি অসমত লোন দিছে। মই বিৰোধী দলপতি ডাঙৰীয়াৰ লগত সন্মত যে উজনি অসমৰ লগতে সমগ্ৰ অসমতে Micro Finance Company ৰ agent সমূহে আমাৰ সমাজ ব্যৱস্থাটোক অত্যন্ত প্ৰতিকূল প্ৰভাৱ পেলাইছে। আমাৰ বহু মহিলাই আত্মহত্যা কৰিছে, মহিলাসকলে নিজৰ ভিতৰতে কাজিয়া পেচাল কৰিছে কাৰণ এগৰাকী মহিলাই টকা ঘুৰাই নিদিলে বাকী ৯ গৰাকী মহিলাৰ ওপৰতো এই agent সমূহে অত্যাচাৰ কৰে। agent সমূহে ঘৰৰ ভিতৰত সোমাই বিভিন্ন ধৰণৰ আতঙ্কৰ সৃষ্টি কৰিছে। মই ভাৱো এইবোৰ হোৱা উচিত নহয়। মোক বহু মহিলাই আহি লগ কৰি কৈছে যে কিছু মহিলাই নিজৰ সতীত্বৰ লগতো compromise কৰিবলগা হৈছে টকা ঘুৰাই দিব নোৱাৰাৰ বাবে। মই ভাৱো এইটো সঁচা নহওক। আমাৰ অসমত 'কা' আন্দোলনৰ আগত এই মহিলাসকলে ৰাজপথলৈ ওলাই আহিছিল এই Micro Finance Company ৰ বিৰুদ্ধে। আজি RBI য়ে কৈছে যে তেওঁলোকক আমি regulate কৰো। মইতো যথেষ্ঠ অনন্দিত হম কাৰণ ৰাজ্য চৰকাৰৰ কোনো mechanism নাই তেওঁলোকক regulate কৰাৰ কাৰণে। DC office ত সুদৰ হিচাপ কৰাৰ কাৰণে কোনো ব্যৱস্থা নাই। আমাৰ লগত তেওঁলোকৰ disclosure নাই যে এগৰাকী মহিলাক কেইটা লোন দিলে। যদি RBI য়ে তেওঁলোকক regulate কৰে আমি ভাল পাম। কাৰণ তেতিয়া MFI বিলাকে আইনৰ বাহিৰত যাব নোৱাৰে। কিন্তু আজি দুৰ্ভাগ্য যে RBI ৰ ফালৰ পৰা স্পষ্ট

guideline থকাৰ পিছতো সেই সমূহ implement নোহোৱাৰ কাৰণে অসমৰ সমাজ জীৱনৰ ভয়ঙ্কৰ প্ৰত্যাহ্বান আহি পৰিছে। RBI ৰ Code ত লিখা আছে যে এজন মানুহক দুটাতকৈ বেছি লোন দিব নোৱাৰে। কিন্তু এগৰাকী মহিলাক ৫ টা লৈকে লোন দিছে। তেওঁলোকে কৰ পৰা টকা ঘুৰাই দিব ? এগৰাকী চাহ বাগিছাৰ মহিলাই যিসকলে minimum wage নাপায়, তেওঁলোকক লোন দিছে ৫ লাখ টকা। কৰ পৰা লোনৰ টকা ঘুৰাই দিব ? আমাৰ বাজেটত আমি কৈছিলো যে যিসকল মহিলা আজি এই ব্যৱস্থাৰ বাবে নিজৰ সৰ্বস্ব হেৰুৱাইছে। তাৰবাবে আমি ৫০০ কোটি টকাৰ এটা corpus fund বাজেটত ৰাখিছো। এতিয়া সেই corpus fund টো জিলা সমূহত বিতৰণ কৰি দিম যাতে যিখিনি মহিলা একেবাৰে বিপদত আছে তেওঁলোকক economic rehabilitation দিয়াৰ কাৰণে। প্ৰয়োজন হ'লে অহাবাৰ নিৰ্বাচনৰ পাছত, চৰকাৰ যাৰেই নহওক another 500 কোটি টকা দি হ'লেও আমি এই মহিলা সকলক বিপদৰ পৰা ৰক্ষা কৰিব লাগিব। অধ্যক্ষ মহোদয়, মই অলপ সময় লৈছো কাৰণ আজি আমাৰ সমাজ ব্যৱস্থাটো ইমান ধ্বংশ কৰিছে যে যদি মই এই কথাখিনি উল্লেখ নকৰো তেনেহলে মই মোৰ দায়িত্বৰ পৰা ওলাই যাব লাগিব। আজি কোনো DC নাজানে যে কিমান MFI আছে। কোনোবাই কয় বন্ধন, কোনোবাই কয় ৰামধেনু, কোনোবাই কয় starline, কোনো registration নাই। আজি আমি এই আইনখনত আনিছো যে যি মূহুৰ্ততে ৰাজ্যপাল মহোদয়ে এই আইনখনত sign কৰিব আমি gazette ত notify কৰিম। তাৰ ৩০ দিনৰ ভিতৰত সকলো MFI য়ে DC ৰ ওচৰত নিজৰ registration কৰিব লাগিব। তিনিচুকীয়াত যদি ব্যৱসায় কৰে, তিনিচুকীয়াত, ডিব্ৰুগড়ত যদি ব্যৱসায় কৰে, ডিব্ৰুগড়ত আৰু কামৰূপত যদি ব্যৱসায় কৰে, কামৰূপত। এতিয়া প্ৰথমবাৰৰ বাবে আমি গম পাম যে এই MBFC বিলাক কৰ পৰা আহিছে। ৩০ দিনৰ ভিতৰত যদি register নকৰে আৰু তাৰ পিছতো যদি লোন দিয়ে তেওঁলোকক DC সকলে গ্ৰেপ্তাৰ কৰিব পাৰিব আৰু অসমৰ পৰা বাহিৰ কৰি দিব পাৰিব। Without registration কাকো লোন দিব নোৱাৰে। এই registration টো থাকিব ২ বছৰৰ কাৰণে। এই দুবছৰত যদি আমাৰ আইনখন নামানে তেওঁলোকক আমি renewal নিদিওঁ। Only those who does business with good ethics তেওঁলোকেহে renewal পাব। অধ্যক্ষ মহোদয়, আমি ইমানখিনি লৈকে কৰিছো যে DC য়ে যদি নিজেও গম পায় বা পেপাৰত পঢ়ে বা আন কোনোবা source ৰ পৰা গম পায় যে এই group ৰ agent য়ে গৈ কাৰোবাৰ ঘৰত অত্যাচাৰ কৰিছে বুলি তেখেতে without any written complain সেইটো investigation কৰি তাৰ registration cancel কৰিব পাৰিব। আমি বহুত বেছি significant provision আনিছো। Reserve Bank ৰ যি SOP তাত লিখা আছে যে দুটাতকৈ বেছি লোন দিব নোৱাৰে। কিন্তু আমি এই আইনত কৈছো যে এগৰাকী মহিলাক দুটা MFI য়েহে লোন দিব পাৰিব, বেলেগে দিব নোৱাৰে। এতিয়া সমস্যাটো হৈছে দুটাই লোন দিয়ে আৰু লোন ঘুৰোৱাৰ আগতেই এটাই pan card খন লৈ আকৌ আনটোৱে ৰেচন কাৰ্ড খন লৈ, এটাই Electricity Bill খন লৈ আকৌ এটাই ফোনৰ বিলখন লৈ লোন দিয়ে। যিমান বেয়া হ'ব পাৰে তাতকৈ বেছি বেয়া কৰি মহিলা সকলক বান্ধি লৈছে। গতিকে এতিয়া আমি সিদ্ধান্ত লৈছো যে দুটাতকৈ বেছি লোন দিব নোৱাৰিব। চাহ বাগিছাৰ শ্ৰমিক সকল vulnerable . তেওঁলোকৰ Minimum wage ক লৈ বিতৰ্ক চলি থাকে। আমি কৈছো যে নিয়মীয়া চাহ বাগিছাৰ শ্ৰমিক সকলক যদি পৰিয়ালৰ এজনেহে বাগানত কাম কৰে তেতিয়া ৩০ হাজাৰ টকাতকৈ অধিক লোন দিব নোৱাৰিব আৰু দুজনে যদি কাম কৰে তেতিয়া

৫০ হাজাৰ টকাতকৈ অধিক লোন দিব নোৱাৰিব। যিসকল BPL তেওঁলোকক লোন দিব নোৱাৰিব। আমি বিলখনত কৈছো যে তেওঁলোকক চৰকাৰী আঁচনি দিয়া হ'ব। আত্ম সহায়কৰ আঁচনি দিয়া হ'ব, NRLM, অৰুণোদয়, বা আন চৰকাৰী আঁচনি দিয়া হ'ব। যিসকলৰ লোন ঘুৰাই দিয়াৰ কোনো capacity নাই তেওঁলোকক MFI বিলাকে লোন দিব নোৱাৰিব। অধ্যক্ষ মহোদয়, আমি ইয়াত কৈছো যে যদি বানপানী বা আন কোনো প্ৰাকৃতিক দুৰ্যোগ আহে তেতিয়া তেওঁলোকে তিনি মাহলৈকে সুদৰ ওপৰত morateorium দিব লাগিব। ইয়াৰ উপৰিও আমি যিটো ৭৪ clause ৰাখিছো যিটো আমাৰ মহিলা সমাজে ভাল পাব তাত আমি কৈছো যে কোনো ধৰণৰ agent য়ে কাৰো ঘৰত গৈ উৎপাত কৰিব নোৱাৰিব। ১৪(১) MFI ৰ money lending agency or organization shall not deploy any agent. তাৰমানে কোনো agent থাকিব নোৱাৰিব। মহিলাসকলে অফিচ যাব লাগিব আৰু মাজত কোনো agent থাকিব নোৱাৰে। এই agent সকলে মহিলাসকলক শোষন কৰে। তেওঁলোকে মহিলা সকলৰ পৰা undue advantage লৈছে। গতিকে অধ্যক্ষ মহোদয়, আজি মই কওঁ যে যোৱা ৫ বছৰত এই সদনত আমি যিমান আইন পাচ কৰিলো তাৰ ভিতৰত this is the piece of legislation যিখন আজি আমি মহিলা সমাজৰ বাবে উৎসৰ্গিত কৰিছো।

অধ্যক্ষ মহোদয়, মই অলপ carefull হ'ব খুজিছো। যোৱাকালি RBI ৰ পৰা চিঠি আহিছে যে এই বিলখন সদনত lay কৰাৰ আগতে আমাৰ লগত আলোচনা কৰিব। তেতিয়া আমি উত্তৰ দিছো যে it is a priviledge of the House. RBI য়ে আমাক ক'ব নোৱাৰে যে সদনত কি lay হ'ব। এই চিঠিখনৰ লগত follow up কৰি যোৱাকালি এই বিলখন সদনত lay হোৱাৰ লগে-লগে RBI ৰ পৰা তুৰন্ত চিঠি আহিছে যে এইখনৰ ওপৰত আপোনালোকে বিল কৰিলে এইখিনি এইখিনি সংশোধন কৰক। আইন পাচ হোৱাই নাই governor মহোদয়ৰ assent হোৱাই নাই। সদনে যদি কিবা আইন ভুল কৰে তাৰ সংশোধনীৰ কাৰণে court আছে। কিন্তু কোনোও সদনক advice দিব নোৱাৰে। আজি যদি মই RBI ৰ এই চিঠিখন আনি দিওঁ The officers of the RBI will have to face the priviledge of this August House. এই বিলখন কোৰ্টলৈ আগুৱাই লৈ যোৱাটো it will be a tough road ahead. মই RBI ৰ Governor মহোদয়ক চিঠি এখনো লিখিব খুজিছো, he is a very very reputed person, ভাৰতৰ Finance Secratary আছিলে, Indian administrative service ত he has a very distinguished service career তেওঁৰ notice ত আনিব খুজিছো যে যিখন বিল এই সদনৰ এটা property, how RBI can come in between. কেন্দ্ৰীয় চৰকাৰে ভুল আইন কৰিলেও আমাৰ মাজত নাহে। Governor ক advice দিব আপুনি এইখনত assent নিদিব বুলি because there is a constitutional mechanism. এই বিলখনৰ ক্ষেত্ৰত আমি এটা ডাঙৰ প্ৰত্যাহ্বান সন্মুখীন হ'ব লাগিব। এই বিলখন মই বিৰোধী দলপতিক এইবাবেই কৈছো কাৰণ এই বিলখন আনোতে Legislative Department আৰু standing council ৰ vating লৈ আনিছো। এতিয়া যদি আমি কিবা ইয়াত amendment কৰো গোটেই বিলখনে কোৰ্টত গৈ strike down হৈ যাব পাৰে। গতিকে under the situation মই ভাৰো এই বিলখন কোনো touch নকৰাকৈ, কাৰণ মই ভাৰো এই বিলখন draft কৰোতে বহু কৰ্মচাৰীয়ে যথেষ্ঠ পৰিশ্ৰম কৰিছে। ইয়াত এটা দাবি কমা সলনি কৰিলেও কোৰ্টত কি অৱস্থা হ'ব নাজানো though the

House has the power. সেইকাৰণে মই বিৰোধী দলপতি ডাঙৰীয়াক অনুৰোধ কৰিম যে আমি ইয়াত কোনো ধৰণৰ amendment put নকৰো। কিন্তু যদি আমি ভাৱো যে this Bill is not adequate enough protect our women, our mothers and sisters definitely আমি অহা বিধান সভাত ইয়াৰ ওপৰত আলোচনা কৰিম। গতিকে under this given situation মই সদনক অনুৰোধ কৰিম এই বিলখনত যাতে সদনত কোনো ধৰণৰ সংশোধনী নকৰাকৈ গৃহীত কৰাৰ বাবে সুবিধা কৰি দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ৰকিবুল হুছেইন, ৰহা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা কৈছে সেই কথাখিনিত আমাৰ আপত্তি এই কাৰণেই নাই যে আমাৰ মহিলা সকলে যি জীয়াতু ভুগি আছে সেই কথা আমি ৰাজহুৱা ভাৱে জড়িত লোক সকলে কৰ্মস্থলীলৈ যাওঁতে মৰ্মে মৰ্মে উপলব্ধি কৰিছো। আজি চৰকাৰে এনেধৰণে এখন আইন আনি এই লোকসকলক সহায় কৰিব খোজা কাৰণে আমি ধন্যবাদ জনাইছো। এইটো কিমান ভয়ানগ এটা পৰিস্থিতি আৰু ইয়াৰ লগত কি বৃহৎ গোষ্ঠী জড়িত হৈ আছে যিসকলে এই সমস্যাটো সমাধান কৰিবলৈ নিবিচাৰে। আমি কেবল দাৰি কমা চেমিকলন সলনি কৰিব বিচৰা নাই। আমি ক'ব বিচাৰিছো যিসকল ভুক্তভোগী মহিলা আছে তেওঁলোকৰ বাবে এই corpus fund টোৱে বিভিন্ন ধৰণে সহায় কৰিব। কিন্তু আজিৰ তাৰিখলৈকে যিসকলে ঋণৰ বোজা সহিব নোৱাৰি **তেওঁলোকৰ নিজৰ সহযোগী সকলৰ দ্বাৰা অত্যাচাৰিত হৈছে, সেই সকলক one time settlement, OTS ৰ যোগেদি আজি ইয়াত সৰ্বসন্মত যিহেতু আপোনালোকে বিচাৰিছে, এটা আমি তেখেত সকলক সহায় কৰিব পাৰো নেকি ? যিহেতু আমাৰ বিভিন্ন ৰাজ্যত আপোনালোকে দেখিছে যে আমাৰ Kissan Credit Card ৰ দ্বাৰা যিখিনি লোণ লৈছিল যিসকলে আত্মহত্যা কৰিছিল, সেই সকলক আমি one time settlement, ৰ যোগেদি আমি ঋণ মাফ কৰিছো। গতিকে আমি এই লোক সকলক, যি সকলে এতিয়া জীয়াতু ভোগি আছে আৰু চৰকাৰখনে বিভিন্ন ক্ষেত্ৰত আমি লোণ লৈছো আজি আমি চাইছো, মই আগত কোৱা নাই কথা বিলাক যে প্ৰায় ৭৯১২৩ কোটি টকা ঋণ লৈছো আমি। প্ৰায় প্ৰতিজনৰ মুৰত২৩৯৭৭ টকা জনমুৰি আমাৰ ঋণ আছে। যিহেতু আমি বিশ্ববেংক, এছিয়ান ডেভেলপমেন্ট বেংক, নাৰ্বাড আদিৰ পৰা ধাৰ লৈছো, গতিকে আমাৰ যদি পইচাৰ ইমান নাটনি আছে ক'ৰবাৰ পৰা আমি যোগাৰ কৰি হ'লেও লাগিলে ইমান ঋণ লোৱাটো ঠিক নহয়, আগতে কৈছিল যে এইখন চৰকাৰে ঋণ নলয় আগৰ চৰকাৰে লৈছিল। এই ক্ষেত্ৰত যিহেতু আমাৰ মহিলা সকলে ইয়াত জৰিত, মহিলা সকলৰ কোন বিলাক জড়িত ? বেংকৰ মানুহ জড়িত নহয় অধ্যক্ষ ডাঙৰীয়া, নিজৰ আত্মসহায়ক গোটৰ ৮ গৰাকী মানুহে তেওঁলোকৰ পক্ষ লয় ২ গৰাকীক হেচা দিয়ে। গতিকে এটা শুনিব নোৱাৰা অৱস্থা হৈছে। তেওঁলোকে মাইক্ৰো বেংক বুলি নাজানে। আমাৰ যিটো গাৱত প্ৰচলিত, বন্ধন বেংক বুলিয়েই জানে। বন্ধন বেংকৰ পৰা যিটো লোণ দিয়ে সেই লোণ ল'বলৈ এই কাৰণেই যায়, সাধাৰণতে আমি বাকী লোণ বিলাকৰ ক্ষেত্ৰত যিমান অসুবিধা, যিমান কাগজ-পত্ৰ বিচাৰে, তেওঁলোকে সহজতে ঋণটো দিয়ে, আৰু এটা কথা যে আমি চৰকাৰে বিভিন্ন কামত হিতাধিকাৰীয়েই হওঁক আমি বিভিন্ন ক্ষেত্ৰত ঋণ লৈছো যদি আমি এটা বান্ধি দিওঁ যে আমি একেজন মানুহক ৩ টা লোণ নিদিওঁ, ৩০ হাজাৰৰ ওপৰত লোণ নিদিও, তেতিয়া যি সকলে লোণ ঘূৰাই দিব পাৰিব, তেওঁলোকৰ ক্ষেত্ৰটো অলপ অসুবিধা হ'ব। কাৰণ আমি সকলোকে ভাবিব নালাগিব যে তেওঁলোকে ঋণ পৰিশোধ কৰিব নোৱাৰিব। কোনোবাই ঘৰ**

বনাব দুখীয়া মানুহ বিলাকে বিভিন্ন ক্ষেত্ৰত তেওঁলোকৰ ল'ৰা-ছোৱালী পঢ়াব কিবা কাৰণে যদি ২-৩ লাখ টকাৰ লোণ লাগে, মন্ত্ৰী ডাঙৰীয়াই কওঁতে মই লিখিছিলো যে ৩০ হাজাৰ টকাৰ ওপৰত ঋণ ল'ব নোৱাৰিব তেনেকুৱা এটা বান্ধোনত আনিব। এতিয়া মই ভাবো যে এই ক্ষেত্ৰত বহুতৰ অসুবিধা হ'ব। এই কথাখিনি পিছত চালেও আপোনালোকে হ'ব,আৰু যিটো আপোনালোকে আনিছে সেই ক্ষেত্ৰত আমি কৈছো যে যদি one time settlement, কৰি এটা মেচেজ যাওঁক যে আপোনালোকে যেনেকৈ আমাৰ পৰা সহাৰি বিছৰাৰ লগে লগে বাকী কামটো আমি আপোনালোকক সমৰ্থন কৰিছো, যে যি সকলে আজিৰ তাৰিখলৈকে পিছৰখিনিত আপোনালোকে ৰেগুলেশ্যনৰ যোগেদি, আমি ৰেগুলেট কৰিম। আজিৰ তাৰিখলৈকে যি সকলৰ ঋণ আছে, ঋণো আপোনালোকে সেই ধৰণে মাফ কৰিব নালাগে ৰিটাৰ্ণ কৰিব পাৰে। যি সকলে নোৱাৰে, বিশেষকৈ চাহজনগোষ্ঠীৰ লোকসকলৰ ক্ষেত্ৰত আমি বেছিকৈ এই ক্ষেত্ৰত দেখিছো, বাকী জনজাতিৰ লোক সকলৰ ক্ষেত্ৰটো আমি দেখিছো বা বাকী লোক সকলৰ ক্ষেত্ৰটো দেখিছো যিয়ে ৰিটাৰ্ণ কৰিব নোৱাৰে, এই লোক সকলৰ ক্ষেত্ৰত one time settlement ,আমি এটা সদনৰ পৰা সৰ্বসন্মত এটা সিদ্ধান্ত লৈ দাবি, ক'মা কোনো সলনি নকৰাকৈ, এই বিলখন আমি সৰ্বসন্মতক্ৰমে পাছ কৰি এটা মেচেজ দিব পাৰে নেকি যে, যিটো কৰ্পাচ ফাণ্ডৰ কথা কৈছে, সেই ফাণ্ডখিনিৰে হওঁক বা অন্যৰে হওঁক আমি লোণ লৈ হলেও, যিহেতু আমি আজি ৭৯ হাজাৰ কোটি টকাৰ ঋণ লৈছো, আৰু কৰবাৰ পৰা ঋণ লৈ এইখিনি সকাহ দিব পাৰো নেকি ? কথাখিনি মই পুনৰবাৰ OTS ৰ যোগেদি ঋণটো মাফ কৰিব পাৰে নেকি, এই কথাখিনি মাননীয় মন্ত্ৰী ডাঙৰীয়াক চিন্তা কৰি চাবলৈ মই অনুৰোধ জনাইছো।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, দুটা ইছু সন্মিলিত হৈ গ'ল কাৰণে মই ভাবো যে, আমি ক'ত লোণ লৈছো, ক'ত লোৱা নাই, সেই বিষয়ে বাজেটত আলোচনা কৰিব পাৰিম। প্ৰশ্নটো হৈছে, যেতিয়া এজন মানুহ ধনীহৈ যাব, তেতিয়া তেওঁৰ মুৰৰ ওপৰত ঋণটো বাঢ়ে কিন্তু তেওঁৰ per capita income টো বাঢ়ি যায়। গতিকে অসমৰ জনমুৰি আয় ৩ শতাংশ য়ে লোণ ল'ব পাৰো। কংগ্ৰেছ চৰকাৰৰ দিনটো ৩ শতাংশ লোণ লোৱা হৈছিল। আমিও ৩ শতাংশ য়ে লোণ লওঁ। ভাৰত চৰকাৰে তাতকৈ বেছি লোণ ল'ব বিছাৰিলেও, লোণ ল'ব অনুমতি নিদিয়ে। সমস্যাটো হ'ল কংগ্ৰেছ চৰকাৰৰ দিনত GDP আছিল ২ লাখ কোটি আৰু এতিয়া অসমৰ GDP হ'ল ৩ লাখ কোটি। গতিকে মই ভাবো যে এই বিলাকৰ ওপৰত যদি আমি আলোচনা কৰো, এজন মানুহ যেতিয়া ধনী হয়, আগতে আমাৰ সদনৰ সদস্যসকলে দৰমহা কম থাকোতে মাৰুতীৰ লোণ লৈছিল, এতিয়া দৰমহা বেছি দিওঁতে ঘূৰাই দিব বেছিকৈ পাৰে কাৰণে মাৰ্চিডিজ লৈছে। গতিকে সমস্যাটো এইটো নহয় বা আমি কিয় লৈছো, গতিকে অসম যিমানেই আগবাঢ়িব, তাত quantity of loan and quantity of resource will increase. কিন্তু চাব লাগিব percentage ত আৰু percentage ত we are keeping it at 3 percent তাতকৈ আমি GDP ৰ ৩ শতাংশৰ ওপৰত যোৱা নাই। এই কথাটো মই ভাবো যে এই ডিবেটবোৰ আমি পিছত কৰিম this is not the forum. সমস্যাটো হৈছে যে one time solution ,আমি কৰিব পাৰো, আৰু মোৰ ইচ্ছা আছে যে, আমি এই মানুহখিনিক এই বিপদৰ পৰা মুক্তি দিব লাগে। প্ৰশ্নটো হৈছে one time settlement ,আমি কাক দিম, এই MFI বিলাকক দিব লাগিব, তাৰমানে যিসকলে অন্যায় কৰিলে, তেওঁলোকে বিছাৰি আছে। সদায় Principal Secretary ক আহি কৈ আছে যে MFI,OTS কৰি দিয়ক । বেংকৰ লোণত OTS কৰাত একো নাযায়, কাৰণ সেইটো ৰাষ্ট্ৰলৈকে যায় টকাটো। আজি চৰ্টিছগড়টো যদি চায়, বা আগত কংগ্ৰেছ

চৰকাৰে যেতিয়া পি. চিদাম্বৰমে যেতিয়া কৃষি ঋণ waive কৰিছিল, চাহাকাৰৰ লোণ waive কৰা নাছিল, অকল বেংকৰ লোণ waive কৰিছিল বা ক'পাৰটিভ বেংকৰ লোণ waive কৰিছিল, কাৰণ that money goes back to the nation আজি যদি আমি MFI কোনোবা starling ৰ যদি আমি OTS কৰি দিওঁ সেই starling Company ৰ balance sheet টো বাঢ়ি গ'ল। ইয়াত মোক পিছত মানুহে ক'ব যে কিমান কোটি টকাৰ কমিশ্যন হৈ গ'ল, এই ডাঙৰ খেলাটোত। কাৰণ It is a 12 thousand crore আৰু এই12 thousand crore যদি আমি তেওঁলোকক দি দিওঁ, তেওঁলোকে ইয়াত কাণত ধৰি ৩ বাৰ উঠা বহা কৰিব, অসমত আমি আৰু নাহো, আমাৰ কাম হৈ গ'ল। ১০০ বছৰৰ কাৰণে। সেই কাৰণে অধ্যক্ষ মহোদয়, মই যে ভাবো এই মহিলাখিনিক আমি সহায় কৰিব লাগিব। but what is the ethical line? ৩ হাজাৰ, ৪ হাজাৰ, ৫ হাজাৰ, ৭ দিন নাখাম, আমি MLA য়েই ৩ বছৰ দৰমহা নলওঁ, যদি এই মানুহখিনি আমি বিপদৰ পৰা উদ্ধাৰ কৰিব পাৰো। ১২ হাজাৰ কোটি টকা যোগাৰ কৰিব নোৱাৰা, তাৰ কাৰণে আমি কি কৰিব লাগিব, কি কৰিব নালাগে, এই গোটেই কথাটো নহয়। কিন্তু ethically কোনো চৰকাৰে প্ৰাইভেট মানুহক লোণ ঘূৰাই দিব নোৱাৰে কাৰণ ইয়াত কি লোণ দিছিল, কি কাগজ, কি লোণ আছে, কোনে কি কাগজত চহী কৰিছে, অলপ আগতে ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কৈ গ'ল যে মহিলাসকলে নাজানেই ক'ত চহী মাৰি দিছে? কিমান টকা লৈছে একাউন্টৈদিও টকা নাহে। গতিকে এই ব্যৱস্থাটো , আজি এইটো first step কিন্তু মই সদনক আশ্বাস দিছো, যে ৫০০ কোটি ১০০০ কোটি আমি লৈ মহিলাজনীক যদি আমি নগদ টকাটো দিব পাৰো, আৰু মহিলাজনীয়ে one time solution কৰি লোৱাটোত আমাৰ আপত্তি নাই। তেতিয়া আমি ethical পষ্টত নপৰো। কাৰণ আমি নিজক বচাব লাগিব। কাৰণ Government of India আৰু ৰিজাৰ্ভ বেংকে কেতিয়াও আমাক permission নিদিব, প্ৰাইভেট মানুহৰ লগত আমি OTS কৰো। আমি মহিলাসকলক ক'ব লাগিব যে তোমাক ১ লাখ টকা দিলো, এই ১ লাখ টকা তুমি কম্পেনীটোৰ লগত negotiate কৰা, তোমাক সকলো কাগজ ঘূৰাই দিব আৰু তুমি ১ লাখ টকা ডিপ'জিত দিবা। এই আইনখনে এতিয়া কম্পেনীখিনিক বান্ধি পেলাব। এজেন্ট বিলাক ঘৰত যাব নোৱাৰা হ'ব, টি.ভি উঠাব নোৱাৰা হ'ব, টিন ভাঙিব নোৱাৰা হ'ব। তেতিয়া এজেন্টখিনি নিজে মহিলাখিনিক আহি ক'ব ঠিক আছে, একো নাই, ১ হাজাৰ টকা দে আৰু লেঠাটো মাৰ। So that is the time where these thousand crore, 500 crore may be this corpus can go to 5000 crore কোনো তাত লিমিট নাই। আমি কৰিব লাগিব, আৰু তাৰ কাৰণে আমি খুব সাৱধানৰে আগুৱাব লাগিব আৰু চৰকাৰে definately যেতিয়া ফেব্ৰুৱাৰী মাহত মই vot on Accounts আনিম, মই এই পবিত্ৰ সদনক আশ্বাস দি ৰাখিছো, যে এই বিষয়ে আমি ক'ৰবাত নহয় ক'ৰবাত আমাৰ চিন্তাৰ এটা উমান এই হাউচক দিম। কাৰণ আজি মই OTS কাৰ লগত কৰিম। ৰকিবুল হুছেইন ডাঙৰীয়াই পৰামৰ্শ দিছে খুব ভাল হৈছে, যদি আজি লোণটো ষ্টেটবেংকৰ হ'লহেতেন, মই কলো হয় Let us do the OTS.

**মাননীয় অধ্যক্ষ ঃ-** ১ মিণিট। আমাৰ হাতত কেইবাখনো বিল আছে। গতিকে পিছবেলা বহিলে ভাল হ'ব। এতিয়া আপোনাক অলপ সময় দিছো, এইখন বিল যাতে শেষ হ'ব পাৰে।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী ঃ-**এতিয়া যদি আমি এই লাইনটো বিযেশজ্ঞ সকলৰ লগত আলোচনা কৰিব লাগিব যে Government য়ে এই প্ৰাইভেট কম্পেনীবিলাকৰ লগত OTS.কৰিব পাৰিব নে নাই ? মই ভাবো যে best line টো হ'ল, আমি বিধায়ক সকল থাকি DC ক মাতি আনি,

মহিলা সকল আৰু কম্পেনীবিলাকৰ মাজত মিটিং কৰিব লাগিব, যে ইমান টকা ল’ আৰু মহিলাখিনিক মুক্ত কৰি দে। টকাটো কিন্তু মহিলাগৰাকীৰ একাউন্টৰ পৰাহে যাব লাগিব। চৰকাৰৰ একাউন্টৰ পৰা যাব নোৱাৰে। গতিকে এই বিষয়টো ইমান সহজ নহয় যে আজি ৫ মিণিটত আমি ডিবেট কৰি আমি শেষ কৰিব পাৰো, কিন্তু এটা in Principle decision ত আমি উপনিত হ’ব পাৰো যে মহিলাসকলৰ লগত আমি ঠিয়হৈ থাকিম, লাগিলে কৰবাত ১ টকা লোণ লোৱাৰ কথা নহয়, লাগিলে MLA য়েই দৰমহা নলওঁ। লাগিলে আমি MLA fund নলও দুটা বছৰ, কিন্তু এই মহিলা সকলক বিপদৰ পৰা উদ্ধাৰ কৰাৰ কাৰণে আমি প্ৰচেষ্টা কৰিম। কাৰণ লোণ ল’ব খুজিলেও মই লোণ ল’ব নোৱাৰো my cut off is 3 percent GDP ৰ ৩ শতাংশ ৰ ওপৰত মই যাব নোৱাৰো। সেই বাবে অধ্যক্ষ মহোদয়, বিৰোধী দলৰ ভাৱনাটোক আমি সন্মান কৰিছো, আৰু মোৰ vote on Accounts ত এই বিলখন পাছ হোৱাৰ পাছত বিশেষজ্ঞ সকলৰ লগত আলোচনা কৰি কি ৰাস্তাইদি আমি আগুৱাব পাৰো, তাৰ এটা ধাৰণা vote on Accounts ত দিম ।অধ্যক্ষ মহোদয় মইJust for clarification কৈছো, অসমৰ এতিয়া GDP আজিৰ দিনত ৩ লাখ ৭৩ হাজাৰ কোটি। তাৰ আমি ৩ শতাংশ লোণ ল’ব পাৰো।This is our Constitutional Right আৰু আমি তাৰ ওপৰত ১ টা টকাও লোণ লোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ-Thank you.

**শ্ৰী ৰকিবুল হুছেইন, সদস্য (চামগুৰী)** ঃ- অধ্যক্ষ মহোদয়, তেওঁৰ প্ৰথম যি কেইটা part যে আমি যদি OTS টো private Bank ক দিব নোৱাৰো, আমি মানুহখিনিক পইচাটো দিম আৰু মানুহখিনিয়ে দিব। পইচাটো টো বেংকে পালেই। সেই কথাখিনিকে তেওঁ Last ত তেওঁ যিখিনি কথা কলে, যে regulation ৰ কাৰণে regulate কৰিবৰ কাৰণে এখন committee যাৰ দ্বাৰাই কৰক, MLA জনৰ কথা কৈছে, MLA ক ৰাখক, নাৰাখক, DC ক যদি আনে তেওঁ কোৱাৰ দৰে, কি বা লোণ লৈছে, ভুলকৈ লৈছে নে ? শুদ্ধকৈ লৈছে, সেই কথাখিনি regulate কৰিবৰ কাৰণে যদি এখন কমিটি কৰি মহিলাসকলক দি দিয়ে। মই ভাবো যে বেংকৰ মানুহবিলাক যিবিলাক দিবলৈ যায়, সেইখিনি স্থানীয় মানুহ, বেলেগ মানুহ নহয়, আৰু স্থানীয় যিজন অলপ বলৱান মানুহ শক্তিশালী মানুহ, বেংকে তেওঁক ৰাখে। তেওঁক ৰাখি তেওঁৰ জৰিয়তে বাকীবিলাক কাম কৰে। গতিকে যদি আন্যায়ভাবে সেই মানুহবিলাক হেচা দি দুটকা লৈ যদি ৪ টকা return বিচাৰিছে মই ভবো যে শেষৰ part টো যিটো কৈছে, সেইটো অকনমান যদি কৰিব পাৰে, ডি চি ক মাতি আনি, বেংককো মাতি আনি, মহিলাসকলক MLA খিনিকো লৈ তেওঁলোকে যদি কৰে, তেতিয়া মই ভাবো যে one time settlement ৰ যিটো চিন্তা কৰিছে। আজি আমি পাচ কৰাটোত আমাৰ আপত্তি নাই তেতিয়া one time settlement টো আমি through মহিলাগৰাকীৰ যোগেদি কৰিম। মহিলাগৰাকীৰ যোগেদি কৰি মহিলাগৰাকীক পইচাটো দি দিম, মহিলাকে দিয়ক আৰু সেইখিনি দি সম্পূৰ্ণ কৰক যাতে বেছি পইচাও ল’ব নোৱাৰে। কিমান পইচা লৈছে সেইখিনি অকনমান চৰকাৰৰ ঘৰটো গোটেই কথাখিনি জনা হ’ল। মই ভাবো যে সেইটো হ’লে এটা মেচেজ যাব যে আমাৰ ঘৰবিলাকে অলপ সকাহ পাইছে। বাকী ন’হলে আমাৰ আইনটো হ’ব। কিন্তু আমাৰ লোণটো থাকি গলে এই মেচেজটো নাযাব। সেই কাৰণে মই এই সমস্যাটো সমাধানৰ কাৰণে এই কথাখিনি উপস্থাপন কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয়, মই ভাবো যে মোৰ কথাখিনি correct

prospectiveত বিৰোধী দলেও লৈছে। এতিয়া চৰকাৰে প্ৰাইভেট মানুহৰ লগত OTS কৰিব নোৱাৰে ১ নংত, আৰু পাৰে যদিও মই অৱগত নহয়। we have to examine. ২য়তে মহিলাগৰাকীৰ কাগজ পত্ৰ বিশেষ কোনো validity নাই। আজি কি হ'ব? we have triggered আজি এই বিলখন পাচ হোৱাৰ লগে লগে কোম্পানীবিলাকে গম পালে যে এতিয়া আৰু সেই পাহুৱাল মানুহজনক মহিলাগৰকীৰ ঘৰত পঠাব নোৱাৰো। ৰকিবুল হুছেইন ডাঙৰীয়াই ঠিক কৈছে, এই মানুহবোৰ বেলেগ কোনো নহয়, আমাৰ গাৱঁৰ মস্তানজনকে এজেন্ট হিচাপে নিযুক্তি কৰিছে। আজিৰ দিনৰ পৰা তেওঁলোক আৰু ঘৰত যাব নোৱাৰিব। যেতিয়া তেওঁলোক ঘৰত যাব নোৱাৰিব, কম্পেনীকেইটা defensiveত আহি যাব। যে এতিয়া আমি কিবা পালেই আৰু অসমৰ পৰা ৰক্ষা পৰিম। সেই কাৰণে এই যিটো মই ২য় পৰামৰ্শ দিলো যে আমি এখন কমিটি কৰি মহিলাখিনি আৰু বেংকৰ মাজত মিটিং কৰাই বেংক নহয় MFI কেইটাৰে মিটিং কৰাই এটা reasonable amountত আহি মহিলাকেইগৰাকীৰ জৰিয়তে Accountত দিব পাৰো, মহিলাকেইগৰাকী ঋণমুক্ত হৈ গ'লে ভৱিষ্যতে আত্মসহায়ক গোট আদিৰ ঋণ ল'ব পাৰিব। মই এইটোকে অধ্যক্ষ মহোদয়, ক'ব খুজিছো, যে মোৰ vote on Accounts ৰ সময়ত এতিয়াটো আমি আলোচনা কৰিছো, আমাৰ সকলোৰে লগত আলাপ-আলোচনা কৰি কেবিনেটতো আলোচনা কৰি মই এই হাউচতে প্ৰতিশ্ৰুতি দিছো যে during vote on Accounts এইখিনি কাম মই scheme এটা লৈ আহিম, আৰু এই কথাখিনি নকৰিলে অধ্যক্ষ মহোদয় মোৰে ৰাতি টোপনি নাহে, পৰিৱেশটো ইমানেই বেয়া তাক বুজাব নোৱাৰি। যেইবাৰেই মই উজনিত যাওঁ অধ্যক্ষ মহোদয়, মনটো বেদনাৰে সৈতে উভতি আহো। কাৰণ পৰিৱেশটো অত্যন্ত বেয়া আৰু যেনে তেনে আমি ইয়াক সমাধান কৰিবই লাগিব। ইয়াত বিৰোধী আৰু চৰকাৰী নহয় আমি সকলোৱেই মিলি এই সমস্যাটো সমাধান কৰিম।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে। ধন্যবাদ।

**শ্ৰী ৰকিবুল হুছেইন, সদস্য (চামগুৰী)** ঃ- অধ্যক্ষ মহোদয়, আমি agree কৰিছো। আপুনি বাকীখিনি আনক। কিন্তু এতিয়া এনেকুৱা এটা কৰিব পাৰি নেকি অধ্যক্ষ মহোদয়, যে DC লৈ এখন চিঠি দি এটা regulate কৰি এটা কমিটি কৰিম বুলি কৈ দিলে, in the meantime ফেব্ৰুৱাৰীলৈকে অন্ততঃ এই যিবিলাক বেংক, বেংবিলাকো আমি শুনা কথা, বহুতৰ লগত আমি ইমান শতাংশ দিম, তেনেকুৱা ধৰণৰ কথা বতৰাও হৈছে। RBI ক হাত কৰিব গৈছে , তাৰ মাজত আকৌ বহুত মানুহ সোমাই যাব। এখন চিঠি দি পেলাই DC ক এবাৰ জনাব নেকি, অধ্যক্ষ মহোদয়।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয়, বিষয়টো লৈ আজি বিলখন পাচ হলেই, next line of thinking হৈয়েই যাব, আৰু আজি আৰু vote on Accounts ৰ মাজত hardly we have 40 days. সেই কৰাণে আমি আহিমেই হাউচত আৰু our approach will be very very positive.

**মাননীয় অধ্যক্ষ** ঃ- Thank you.

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি** ঃ- অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কথাখিনি খুব সুন্দৰকৈ গ্ৰহণ কৰাৰ বাবে। এই বিধান সভাত আমি যিটো আলোচনা কৰি আছিলো। Districtwise এটা regulatory Authority তেখেতে কৰিব বুলি আশা কৰিছো। যাতে গোটেই প্ৰক্ৰিয়াটো ছাৰ, ইমান বেছি বিপদাপন্ন হ'লেও আমি সকলো অসমৰ মহিলা সমাজ বা

অসমীয়া সমাজ। যিহেতু এই বেংকবিলাকক কোনো কাগজ নালাগে, কোনো ধৰণৰ callateral নালাগে আৰু একো নলগাৰ বাবে, সহজলভ্য ঋণৰ আশাত তেওঁলোকে গৈ আজি এই বিপদত পৰিছে। তেওঁলোকে income generation ৰ বাবে গৈ স্কুটী কিনে বা আন কিবা কিনে এনেকুৱা ধৰণৰ হৈ থাকে। মন্ত্ৰী মহোদয়ক কথাখিনিৰ আশ্বাস দিয়াৰ বাবে ধন্যবাদ জনাই সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- Thank you. আমিনুল ইছলাম ডাঙৰীয়া, আপোনাৰ এটা আছিল এমেণ্ডমেন্ট। এইখিনিটো শেষহৈ যাব এতিয়া। কেৱল শেষত এটা এমেণ্ডমেন্ট আছিল ২১ত। ১ শাৰীত কৈ দিয়ক ।

**শ্ৰী আমিনুল ইছলাম, সদস্য (ধিং)** ঃ- মাননীয় অধ্যক্ষ ডাঙৰীয়া, এমেণ্ডমেন্টটো এই কাৰণেই আনিছিলো যে ইয়াত যি সকলে এই নীতি নিয়মবোৰ নামানিব মাইক্ৰো ফাইনাঞ্চ কোম্পানী বিলাকে, তেওঁলোকৰ কাৰণে ৬ মাহৰ জেল আৰু ১০ হাজাৰ টকাৰ জৰিমনাৰ provision টো আছে। ১০ হাজাৰ টকাৰ জৰিমনা আজি কালি একো নহয় অধ্যক্ষ মহোদয়। আমি সেই কাৰণে এইটো মিনিমাম ১ লাখ টকা জৰিমনা কৰিব লাগে। ১০ হাজাৰৰ পৰা ১লাখ জৰিমনা কৰিব লাগে ৬ মাহৰ জেলৰ লগতে।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয়, মই আগতে কৈছো যে এইটো আমাৰ Legislative Department য়ে চাই চিটি IPC, CRPC ৰ লগত মিলাই দিছে। ৬ মাহ জেল হ'লে IPC ১০ হাজাৰ টকাই জৰিমনা লিখা থাকে। আচলতে ১ লাখ/ ১০ হাজাৰ একো জৰিমনাই নহয়, আমাৰ যেতিয়া IPC, CRPC বৃটিছৰ দিনত যেতিয়া বনাইছিল, তেতিয়া এইবিলাক টকালৈকে যোৱা নাছিল, ইয়াত কিবা পাক আছে। ৬ মাহ জেল ১০ হাজাৰ। আজি বিজয় মালিয়াৰ দৰে মানুহো গ্ৰেপ্তাৰ হ'ল। ৰিলিজ হ'ল with ১০ হাজাৰ টকা বণ্ড। কিবা আছে সেই কাৰণে Legislative Department ত গ'লে১ লাখটো কাটি ১০ হাজাৰ কৰি দিয়ে। these are more technical things সেই কাৰণে আজি আমি ইয়াত touch নকৰো। পিছত লাগিলে কৰিম।

**শ্ৰী ৰকিবুল হুছেইন, সদস্য (চামগুৰী)** ঃ- এইটো Bailable offence নে non-bailable offence ?

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী** ঃ-আচলতে ৬ মাহ জেল হ'লে bailable offence হ'ব। কিন্তু registration cancel.তাৰ মানে বেপাৰ কৰিব নোৱাৰিব। প্ৰধান শাস্তিটো হ'ব their registration will be cancelled এইটো non-bailable কৰিব পাৰিনে, ভৱিষ্যতে মই cheeked কৰি দিম।

**মাননীয় অধ্যক্ষ** ঃ- মই এতিয়া ভাবিছো যে দুয়োটা সংশোধনী ৮ আৰু ২১ দফাত আছিল। সংশোধনী কেইটা প্ৰত্যাহাৰ হৈছে গতিকে মই একেলগে কৈছো যে আমাৰ যিখন বিল আমি আজি আনিছিলো, তাত ৮ ৰ পৰা ২৫ নং দফাকেইটা বিধেয়কৰ অংশ হ'ব বুলি মই ক'ব বিচাৰিছো। যি সকলে ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়। মই ভাবো যে ৮ ৰ পৰা ২৫ নং লৈ দফাকেইটা বিধেয়কৰ অংশ হৈছে। এতিয়া বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভনত কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়ে মই ক'ব বিচাৰিছো যে বিধেয়কৰ ১ নং দফা , সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভণ বিধেয়কৰ অংশ হ'ব। যি সকল সন্মানীয় সদস্য ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়। মই ভাবো যে হয় সপক্ষে, হয় সপক্ষে, হয়

**সপক্ষে, বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভণ বিধেয়কৰ অংশ হ'ব। মই বিত্তমন্ত্ৰী ডাঙীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।**

এতিয়া কাৰ্য্যসূচী নং ৮ (ক)

মই মাননীয় উদ্যোগ ও বাণিজ্য মন্ত্ৰীক "The Assam Ease of Doing Business (Amendment) Bill, 2020" বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবৰ বাবে অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Ease of Doing Business (Amendment) Bill, 2020" দফাই দফাই সদনত বিবেচনা কৰাৰ কাৰণে মই প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো।

"The Assam Ease of Doing Business (Amendment) Bill, 2020" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে। এতিয়া বিধেয়ক খনৰ ২ নং দফাত মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম আৰু তেওঁৰ সহযোগী সকলৰ এটা সংশোধনী আছে। মই সংশোধানীটো উত্থাপন কৰি বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী হাফিজ বছিৰ আহমেদ (বিলাসীপাৰা পশ্চিম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, *I like to move in second paragraph of Clause 2 of the proposed Bill, in between the word 'undertaking' & punctuation mark 'full stop' appearing in last line, the word 'for a stipulated period' shall be added.*

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আঁচলতে আমি "The Assam Ease of Doing Business (Amendment) Bill, 2020" বিলখনৰ ওপৰত যি সংশোধনী আনিছো, এ আই ইউ ডি এফ ৰ পৰা এটা সংশোধনী আছিল। আমি এই বিলখন এইকাৰণে ই আনিছো উদ্যোগ আৰু এণ্টাৰপ্ৰাইজ সমূহ যাতে ব্যৱসায় কৰাৰ ক্ষেত্ৰত ease হয়। গতিকে আমাৰ উদ্যোগৰ যিবিলাক existing unit আছে, এই উদ্যোগ বিলাকে ৰিনিউৱেলৰ কাৰণে এপ্লাই কৰিব লাগে। এপ্লাই কৰাৰ কাৰণে বহু ক্ষেত্ৰত polution certificate ইত্যাদি বিলাক পা ওঁতে তেওঁলোকৰ বহুত পলম হৈ যায় যাৰ ফলত উদ্যোগ সমূহে ভূগিব লগীয়া হয়। আমি বিচাৰিছো যাতে আমি এই গোটেই প্ৰক্ৰিয়াটো যাতে খৰতকীয়া কৰিব পাৰো আৰু single window system ত যাতে automatically হয়। যেতিয়া উদ্যোগ সমূহে অনলাইন এপ্লাই কৰিব তেতিয়া তেওঁলোকৰ পঞ্জীয়ণ প্ৰক্ৰিয়া সকলো বিভাগৰ পৰা automatically হৈ যাব। কেতিয়াবা এটা এটা বিভাগত দুইৰ পৰা চাৰি মাহলৈকে ফাইল ৰৈ যায়। কিন্তু ইয়াত automatic যাব। আপোনালোকে কৈছে যে এটা stipulated time দিব লাগে, এই stipulated time আমি ১৫ দিন দিয়া নাই। আমি কৈছো যে যিদিনাখন তেওঁ অনলাইন আবেদন কৰিব সেইদিনাখন automatically পাই যাব। ২ নং সংশোধনীৰ ক্ষেত্ৰত আমি কৈছো যে ইয়াত যিবিলাক inspection হয় এই inspection বিলাক computerised central inspection sys-

tem আমি কৰিব বিচাৰিছো। চাপ'জ কোনোবা এটা উদ্যোগত Labour Inspector গ'ল বা বেলেগ কোনোবা গ'ল তেওঁলোকে inspection কৰিলে, সেয়ে আমি কৈছো যে এটা computerised system ত তাত যাব আৰু সেইটো আমাৰ প'ৰটেলত থাকিব। গতিকে আমি গোটেই বিষয়টো একেবাৰে সহজ কৰাৰ কাৰণে আমি এই Ease of Doing Business বিলখন automatically যাতে registration and renewal বিলাক হয় তাৰ বাবে এই বিলখন আনিছো ইয়ে উদ্যোগিক ক্ষেত্ৰত যথেষ্ঠ সহায় কৰিব।

**শ্ৰী হাফিজ বছিৰ আহমেদ (বিলাসীপাৰা পশ্চিম)ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কৈছে যে সাত দিনতো হ'ব পাৰে। stipulated time দিব নোৱাৰি নেকি?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই Ease of Doing Business বিলখন আমাৰ চৰকাৰ অহাৰ পিছত প্ৰথমখন সদনতে পাচ হৈছিল। এই বিলখন পাচ হোৱাৰ পিছত আমি দেখিলো যে বহু ঠাইত বহু বিভাগত ফাইল বিলাক ৰৈ থাকে। আমি যেতিয়া Advantage Assam কৰিছিলো তেতিয়া Ease of Doing Business ত আমাৰ ৰেংকিং ভাৰতবৰ্ষৰ ভিতৰত তৃতীয় আছিল। তাৰপিছত বিশেষকৈ শ্ৰম বিভাগৰ বিভিন্ন আইন বিলাক ইয়াৰ আঁওতালৈ আনিলো। আমি ইতিমধ্যে কম্পিউটাৰ ইত্যাদি কিনাৰ কাৰণে ৫ কোটি টকা শ্ৰম বিভাগক দিছো। আজি ধৰা হ'ল উদ্যোগ এটাত ২০০০ কোটি টকা খৰচ কৰিছে আৰু যদি ৰিনিউৰেলৰ কাৰণে তিনি মাহ উদ্যোগটো বহি থাকিব লাগে তেতিয়া উদ্যোগটোৰ লগতে কৰ্মচাৰীৰো বহুত লোকচান হয়। গতিকে এই গোটেই কথাবিলাক আলোচনা কৰি আমি এইটো ease কৰিব বিচাৰিছো যাতে কোনেও অসুবিধাত পৰিব লগীয়া নহয় আৰু ক'তো ঘুৰি থাকিব লগীয়া নহয়। মাননীয় অধ্যক্ষ মহোদয়, stipulated time বুলি আমি এইকাৰণে দিয়া নাই কাৰণ এইটো auto renewal হৈ যাব। তেতিয়াহে উদ্যোগ বিলাক আহিব। নহ'লে এটা এটা উদ্যোগ বাহিৰৰ পৰা আহি এটা এটা বিভাগত গৈ পাৰমিশ্যন পোৱালৈকে পইচা শেষ হৈ যায় যিহেতু বহুতো লাইচেঞ্চ উলিয়াব লগীয়া হয়।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে সংশোধনীটো প্ৰত্যাহাৰ কৰা বুলি কৈছে আৰু সেয়ে মই এতিয়া ক'ব বিচাৰিছো ২ নং দফাৰ পৰা ৯ লৈকে দফা কেইটা বিল খনৰ অংশ হ'ব ।

এতিয়া প্ৰশ্নটো হৈছে বিধেয়কখনৰ ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯ এই দফা কেইটা বিধেয়ক খনৰ অংশ হ'ব

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে ২ ৰ পৰা ৯ নং লৈকে দফা কেইটা বিধেয়ক খনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। সেয়ে মই প্ৰশ্নটো সদনত উত্থাপন কৰিছো যে

বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সন্মানীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। এতিয়া মাননীয়

মন্ত্ৰী ডাঙৰীয়াক মই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Ease of Doing Business (Amendment) Bill, 2020" পাৰিত কৰাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হৈছে -

"The Assam Ease of Doing Business (Amendment) Bill, 2020" পাৰিত কৰাৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়ক খনো পাৰিত হৈছে বুলি মই ঘোষণা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ এতিয়া কাৰ্য্যসূচী নং ৯ (ক)**

"The Moran Autonomous Council (Amendment) Bill, 2020"

মই মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ মন্ত্ৰীক "The Moran Autonomous Council (Amendment) Bill, 2020" বিলখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবৰ বাবে অনুৰোধ জনালো।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Moran Autonomous Council (Amendment) Bill, 2020" দফাই দফাই সদনত বিবেচনা কৰাৰ কাৰণে মই প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো।

"The Moran Autonomous Council (Amendment) Bill, 2020" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে। এতিয়া বিধেয়ক খনৰ ২ নং দফাত সংশোধনী প্ৰস্তাৱ নাই সেয়ে বিধেয়ক খনৰ ২ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব বুলি ক'ব বিচাৰিছো

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে ২ নং দফা টো বিধেয়ক খনৰ অংশ হৈছে। বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। সেয়ে মই প্ৰশ্নটো সদনত উত্থাপন কৰিছো যে

বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সন্মানীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াক মই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Moran Autonomous Council (Amendment) Bill, 2020" পাৰিত কৰাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হৈছে -

"The Moran Autonomous Council (Amendment) Bill, 2020" be passed

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়ক খনো পাৰিত হৈছে বুলি মই ঘোষণা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ এতিয়া কাৰ্য্যসূচী নং ১০ (ক)**

"The Matak Autonomous Council (Amendment) Bill, 2020"

মই মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী সমূহৰ কল্যান মন্ত্ৰীক "The Matak Autonomous Council (Amendment) Bill, 2020" বিলখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবৰ বাবে অনুৰোধ জনালো।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Matak Autonomous Council (Amendment) Bill, 2020" দফাই দফাই সদনত বিবেচনা কৰাৰ কাৰণে মই প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো।

"The Matak Autonomous Council (Amendment) Bill, 2020" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে। এতিয়া বিধেয়ক খনৰ ২ নং দফাত সংশোধনী প্ৰস্তাৱ নাই সেয়ে বিধেয়ক খনৰ ২ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব বুলি মই ক'ব বিচাৰিছো

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে ২ নং দফাটো বিধেয়ক খনৰ অংশ হৈছে। বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। সেয়ে মই প্ৰশ্নটো সদনত উত্থাপন কৰিছো যে বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সন্মানীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াক মই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Matak Autonomous Council

(Amendment) Bill, 2020" পাৰিত কৰাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হৈছে -

"The Matak Autonomous Council (Amendment) Bill, 2020" be passed

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়ক খনো পাৰিত হৈছে বুলি মই ঘোষণা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ এতিয়া কাৰ্য্যসূচী নং ১১ (ক)**

"The Kamatapur Autonomous Council (Amendment) Bill, 2020"

মই মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী সমূহৰ কল্যান মন্ত্ৰীক "The Kamatapur Autonomous Council (Amendment) Bill, 2020" বিলখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবৰ বাবে অনুৰোধ জনালো।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Kamatapur Autonomous Council (Amendment) Bill, 2020" দফাই দফাই সদনত বিবেচনা কৰাৰ কাৰণে মই প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো।

"The Kamatapur Autonomous Council (Amendment) Bill, 2020" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে। বিধেয়কখনৰ ২ নং দফাত মাননীয় সদস্য শ্ৰী আব্দুৰ ৰছিদ মণ্ডলৰ নামত এটা সংশোধনী আছে। মই তেখেতক সংশোধনীটো উত্থাপন কৰি বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল (গোৱালপাৰা পশ্চিম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move for the ammendment of Clause 2 as "In second paragraph of Clause 2 of the proposed Bill, after the word 'members' appearing in line 4, the words 'from any place of the state belonging to Koch-Rajbonshi Community' shall be added.

মাননীয় অধ্যক্ষ মহোদয়, principle bill House ত যেতিয়া lay হৈছিলে তেতিয়া আমাৰ দলৰ ফালৰ পৰা এই কথাটো কোৱা হৈছিল যে আমি কোঁচ- ৰাজবংশীসকলক কমতাপুৰত Autonomous Council দিয়াৰ পক্ষত। কিন্তু আমাৰ আৰম্ভণিৰ পৰা দাবী আছিল যে এই জনজাতি সকলক আগতে জনজাতিকৰণ মৰ্য্যদা দিয়া হওঁক তাৰপিছত এই কাউঞ্চিলৰ কথা হওঁক। অৱশ্যে চৰকাৰে আমাৰ সেইখিনি কথা গ্ৰহণ নকৰি কমতাপুৰত Autonomous Council দিলে। কোঁচ-ৰাজবংশী সকলৰ উন্নয়ণ চৰকাৰী পক্ষই যেনেদৰে বিচাৰে আমি সকলোৱে বিচাৰো, ৰাইজে ও বিচাৰে।গোটেই অসমতে কোঁচ- ৰাজবংশীসকল আছে। অবিভক্ত গোৱালপাৰা জিলাৰ ৰাভা হাচং Autonomous Council ৰ পৰিসীমাক বাদ দি, বি টি আৰৰ পৰিসীমাৰ বাহিৰৰ এটা সৰু অঞ্চল লৈ কমতাপুৰ Autonomous Council বিল পাচ কৰা হ'ল। মাননীয়

অধ্যক্ষ মহোদয়, গোটেই অসমত প্ৰায় ৪০ লাখ কোঁচ- ৰাজবংশীৰ জনসংখ্যা আছে। তাতকৈ বেছি ও হ'ব পাৰে। কিন্তু চৰকাৰে যিটো কমতাপুৰ Autonomous Council গঠন কৰিছে তাত hardly ২ লাখ কোঁচ-ৰাজবংশী লোকক সামৰিব। অৰ্থাৎ ৯০ শতাংশতকৈ বেছি কোঁচ-ৰাজবংশী লোকক Autonomous Council ৰ যি লাভ দিব খোজা হৈছে তাৰ পৰা কোঁচ-ৰাজবংশী সকলক বঞ্চিত কৰা হ'ব। এই নীতিৰ বিপক্ষে আমি তেতিয়া সংশোধনী আনিছিলো কিন্তু চৰকাৰে মানি লোৱা নাছিল। এতিয়া যেতিয়া চৰকাৰৰ ফালৰ পৰা principal bill বিলৰ সংশোধনী আহিছে তাতো দেখা গৈছে যে এডপ্ট কমিটি বনোৱাৰ যি পৰিকল্পনা কৰা হৈছে তাত সদস্য সকল কোন কমিউনিটিৰ পৰা হ'ব এই কথাটো উল্লেখ কৰা হোৱা নাই। কিন্তু যিহেতু কোঁচ-ৰাজবংশী সকলৰ Autonomous Council সেইকাৰণে তাত স্পেচিয়েলী কোঁচ-ৰাজবংশী সকলৰ ফালৰ পৰা মেম্বাৰ হ'ব লাগে আৰু কিছুমান কাউঞ্চিল আছে জেনেৰেলৰ কাৰণে ৰিজাৰ্ভ থাকে এই কথাবিলাক যিহেতু স্পষ্ট হোৱা নাই তাৰবাবে সংশোধনীটো অনা হৈছিল যে গোটেই অসমৰ কোঁচ-ৰাজবংশী সকলৰ কল্যাণ হোৱাকৈ তেওঁলোকৰ represention হ'ব পৰাকৈ কোঁচ-ৰাজবংশী সকল ফালৰ পৰা মেম্বাৰ দিয়াৰ কাৰণে দাবী আনি এই সংশোধনীটো অনা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন যেতিয়া যোৱা দুদিনৰ আগৰ বিধানসভাত আনিছিল তেতিয়া আপুনি আজি ক'বলৈ কৈছিল। মোৰ কথাখিনি একেখিনিয়েই ।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** Kamatapur Autonomous Council বুলি কওঁতে আমি principal খিনি agree কৰিছো আৰু বাৰে বাৰে কৈছো যে তাৰ যিখিনি technical কথা আছে সেইখিনি address কৰা নাই। আজিলৈকে অসমত যিমানখিনি Autonomous Council হৈছে যেনে মিছিং Autonomous Council, Tiwa Autonomous Council, Rabha Autonomous Council, Thengal Kachari Autonomous Council আদি ৬ খন জনজাতি কৰাৰ পিছত Autonomous Council কৰা হৈছে আৰু বাকি যি সকলক কৰা হৈছে সেইসকলক উন্নয়ণ পৰিষদ অৰ্থাৎ Development Council কৰা হৈছে। গতিকে technically কিবা অসুবিধা আছে নেকি সেইখিনি আমি চৰকাৰৰ পৰা জানিম কাৰণ তেওঁলোকক এটা ভাল অভিপ্ৰায় দিবলৈ গৈ যদি বিপদত পেলোৱা যায় ভাল নহ'ব। ১নং কথা হ'ল যে তেওঁলোকে জনজাতি নোহোৱাকৈয়ে Autonomous Council দিব পৰা যায় নে নাযায় আৰু যদি যায় তেতিয়াহ'লে এইকথাখিনি পিছত কোনো আইনৰ সুৰুঙাত নাই নেকি? দ্বিতীয়তে, প্ৰধান দাবীটো হ'ল জনজাতিকৰণ কৰা। জনজাতিকৰণৰ অন্যতম কথা আছিল যে, তেওঁলোকৰ ৰাজনৈতিক ক্ষমতা যাতে য'ত য'ত Sizeable population আছে, তাত সংৰক্ষণৰ ব্যৱস্থা থাকে। তাত যাতে tribal বুলি declare হোৱাৰ পাছত তেওঁলোকে এম এল এ উঠিব পাৰে বিভিন্ন ধৰণৰ সংৰক্ষণৰ ব্যৱস্থাৰ যোগেদি ৰাজনৈতিক ক্ষমতাটো পায় সেই কথাটোৰ কাৰণে আহিছিল। এতিয়া যদি বি টি আৰ ত বা বেলেগ অঞ্চলত তেওঁলোকে ৰাজনৈতিক ক্ষমতা নাপায়, তেতিয়াহ'লে তেওঁলোকে বিভিন্ন পঢ়াশুনাৰ ক্ষেত্ৰত মেডিকেলেই হওঁক, ইঞ্জিনীয়াৰিঙেই হওঁক, সংৰক্ষণৰ ব্যৱস্থাৰে যদি জনজাতিকৰণ নাপায়, তেতিয়াহ'লে মূল যিটো দাবী, সেই দাবীটোতো তেওঁলোকৰ পূৰণ নহ'ল আৰু আন কিছুমানক উপকৃত কৰি গোটেই মানুহখিনিক এটা প্ৰবঞ্চনা কৰাৰ নিচিনা হৈছে। আজি গোটেই অসমত কোঁচ ৰাজবংশীসকল সিচৰিত হৈ আছে।

মই বাৰে বাৰে কৈছো নগাওঁ জিলাৰ পৰা আৰম্ভ কৰি বিভিন্ন জিলাত এই লোক সকলক কিবা কৰিব পাৰে, চেটেলাইট পদ্ধতিৰে কৰক। ইয়াতো সেই ব্যৱস্থাটো নেদেখিলো। গতিকে এটা ভাল অভিপ্ৰায়েৰে আনিছে এই কথাখিনি অকমান এড্ৰেছ কৰি যদি আপোনালোকে কৰিব পাৰে যে জনজাতিকৰণৰ কেতিয়া কৰিব আৰু ইয়াৰ লগত আপোনালোকে তিনিখন কৰিলে তাৰমাজত আমাৰ চুতীয়া কমিউনিটিৰ কাৰণে জনজাতি বিচাৰিছে। চাহ জনজাতি সকলক আপোনালোকে জনজাতিকৰণৰ কথা দাবী উত্থাপন হৈছে। আহোম সম্প্ৰদায়ক জনজাতিকৰণ কৰাৰ কথা কৈছে। ছয়টাৰ ভিতৰত তিনিটা আনিছে, তিনিটাৰ অনা নাই। জনজাতিকৰণ কৰা নাই। জনজাতি নকৰাকৈ Autonomous Council কৰিছে, Autonomous Council ৰ যিটো concept যিটো আমাৰ Central Act আৰু State Act ত আছে Six Schedule Act ত তাত জনজাতি হোৱাৰ পিছতহে Autonomous Council দিব পৰা যায়। গতিকে এই কথাখিনিক আপোনালোকে কেনেদৰে জোৰা মাৰিব, সেই কথাখিনি জানিলে আমি অলপ কৃতাৰ্থ হ'ম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীচন্দন বহ্ম, মাননীয় মন্ত্ৰী ঃ** ধন্যবাদ। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ Kamatapur Autonomous Council ইয়াৰ যিটো Interim Council ৰ কাৰণে General Counci আৰু Executive ইয়াৰ যিটো পৰিসীমাৰ কথা amemmend ত যিটো লৈ আহিছে এই বিষয়ত Ruls যেতিয়া আমি frame কৰিম, তেতিয়া আমি বিতং তথ্যটো তাত দাঙি ধৰিম আৰু আমি ভাবো, আমি এইখন পাচ কৰি Interim Council কৰাৰ যিটো বিল আজি আনিছো সেইটো পাচ কৰি যিহেতু আমি সময় পাম। সেই সময়ৰ আধাৰত এইটো আমি ধুনীয়াকৈ বিবেচনা কৰিব পাৰিম। ইয়াত মই ভাবো, সকলোৰে নিশ্চয় সন্মতি থাকিব। প্ৰসংগত যিখিনি কথা কৈছে, হুছেইন ডাঙৰীয়াই যে ছয় জনগোষ্ঠী সৰু সৰু Council দি মূল বিষয়ৰ পৰা চৰকাৰে ফালৰি কাটিব বিচাৰিছে নেকি৷ ছয় জনগোষ্ঠীক জনজাতিকৰণৰ যিটো প্ৰক্ৰিয়া, সেইটো চলি আছে আৰু ইতিমধ্যে সেইটো সিদ্ধান্তও আছিল। ৰাজ্যসভাতো ইতিমধ্যে বিলখন আহিল। Group of Minister Committee য়ে ইয়াত কাম কৰি আছে। চূড়ান্ত পৰ্য্যায়ৰ আমাৰ যিটো consultion, with the stakeholders সেইটো হ'ল। এতিয়া ইয়াৰ প্ৰস্তুতিটো কৰি আছো for the recommendation সেইটো আহি যাব। এইটো দিয়াৰ পাছত সেইটো নাইকিয়া কৰিবৰ কাৰণে সেইটো substitude হিচাপত কৰা হোৱা নাই। যোৱা বিধান সভাতো এই কথাটোৰ clarification মই দিছো। এইবাৰো এই একেটা কথাকে কোৱা হৈছে। এইটোৰ লগত সেইটো supplement নহয়, এইটো একদম স্পষ্ট কথা। Area of juridictions তেতিয়াও কোৱা হৈছিল অবিভক্ত গোৱালপাৰা excluding ৰাভা হাচং আৰু বি টি চি, সেইটো হ'ল এটা principle line আৰু সেইটোৰে সিদ্ধান্ত। এই সিদ্ধান্ত মৰ্মে সেইটো কৰা হৈছে। এতিয়া যিবোৰ কথা হাউচত সন্মানীয় সদস্য সকলে প্ৰস্তাৱ তথা এটা বিবেচনাৰ কাৰণে যিখিনি বক্তব্য দাঙি ধৰিছে, সেইটো ভাল কথা। যিমান জাতি জনগোষ্ঠীৰ, তেখেতসকলৰ আৰ্থ সামাজিক উন্নয়নৰ কাৰণে, শৈক্ষিক দিশত উন্নতি কৰাৰ কাৰণে যিখিনি দৃষ্টিভংগী সকলোৰে সেইটো অতি ধন্যবাদৰ পাত্ৰ। ইয়াৰ কাৰণে এটা experiment basis ত step by step গোটেই বিষয়বস্তুটো চৰকাৰে লৈ যাব বিচাৰিছে। আজি তিনিটা council ৰ কথা ইয়াত আহিছে consideration কৰা হৈছে আৰু এই গোটেই দাবী অসমৰ জাতীয় জীৱনৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক বিভিন্ন সমস্যা বিলাক সমাধান কৰাৰ কাৰণে চৰকাৰে দায়িত্ব সহকাৰে আগবাঢ়ি আছে। এইটো হ'ল মূল বিষয়ৰ

কথা।

**শ্ৰীৰকিবুল হুছেইন, চামগুৰিঃ** আপুনি যে ক'লে জনজাতি বিলখন ৰাজ্যসভাত আছে নেকি ? Laps হৈ গৈছে, এইটো ক'ব লাগে নহয়। ইয়াত যদি এটা ভুল বাৰ্তা যায়, ৰাজ্যসভাত বিলখন আছে বুলি যদি চৰকাৰ পক্ষই কয়।

**শ্ৰী চন্দন ব্ৰহ্ম, মাননীয় মন্ত্ৰী ঃ** ৰাজ্যসভাৰ বিলখন laps নহয়। ইয়াৰ কাৰণে ৰাজ্যসভাত বিলখন দাখিল কৰা হৈছে, আছে।

**শ্ৰী ৰকিবুল হুছেইন, চামগুৰি ঃ** সেইটো কোৱা নাই, তেতিয়াহ'লে ইয়াত আকৌ কমিটি কিয় লাগে। ৰাজ্যসভাতো গ'লেই।

**শ্ৰী চন্দন ব্ৰহ্ম, মাননীয় মন্ত্ৰী ঃ** Quant some of reservation OBC ৰ পৰা যিখিনি আমাৰ ছয়টা জনগোষ্ঠীক লৈ অহা হ'ব, OBC হিচাপত অসমত কিমান আমাৰ জাতি-জনগোষ্ঠী থাকিব। To define quantum of reservation.

**মাননীয় অধ্যক্ষ ঃ** আজি এইটো থাকক। "The Kamatapur Autonomous Council (Amendment) Bill ত যিটো সংশোধনী আছিল, সেইটো প্ৰত্যাহাৰ কৰা হৈছে বুলি মই ঘোষণা কৰিছো। সকলোৰে সন্মতি আছে। সেয়ে দফা নং ২ বিধেয়কৰ অংশ হ'ব। যিসকলে ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল ইয়াৰ বিপক্ষে আছে কওঁক 'নহয়'। মই ভাবো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, ২ নং দফাটো বিধেয়কৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। সেয়ে মই প্ৰশ্নটো কৰিছো বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল সন্মানীয় সদস্য-সদস্যাই ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল ইয়াৰ বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। এতিয়া মন্ত্ৰী ডাঙৰীয়াক মই বিধেয়কখন পাৰিত কৰাৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দন ব্ৰহ্ম, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Kamatapur Autonomous Council (Amendment) Bill, 2020" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো উত্থাপন কৰিছো, "The Kamatapur Autonomous Council (Amendment) Bill, 2020" be passed. যিসকলে ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল ইয়াৰ বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, প্ৰস্তাৱ পাৰিত হৈছে আৰু বিধেয়কখনো পাৰিত কৰা বুলি মই ঘোষণা কৰিলো। এতিয়া "The Bodo Kachari Welfare Autonomous Council Bill, 2020" ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপনৰ বাবে এটা বাণী পঠিয়াইছে। বাণীটো হৈছে-

Under the provision of Article 207 sub clause (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that "The Bodo Kachari Welfare Autonomous Council Bill, 2020" be taken into consideration by the Assam Legislative Assembly. মই মন্ত্ৰী ডাঙৰীয়াক এই বিলখন সদনত বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ

অনুৰোধ কৰিলো।

**শ্ৰী চন্দন ব্ৰহ্ম, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Bodo Kachari Welfare Autonomous Council Bill, 2020" বিবেচনাৰ কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিছো। "The Bodo Kachari Welfare Autonomous Council Bill, 2020" be taken into consideration. যিসকলে ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল ইয়াৰ বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, প্ৰস্তাৱ গৃহীত হ'ল বুলি মই ঘোষণা কৰিছো।

বিধেয়কখনৰ ২, ৩, ৪ নং দফাকেইটাৰ কোনো সংশোধনী নাই। গতিকে এই দফা কেইটা বিধেয়কখনৰ অংশ হ'ব। যিসকলে ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল ইয়াৰ বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, ২, ৩ আৰু ৪ নং দফাকেইটাৰ বিধেয়কখনৰ অংশ হৈছে বুলি মই ঘোষণা কৰিছো। এতিয়া ৫ নং দফাত মাননীয় সদস্য হাফিজ বচিৰ আহমেদ, তেখেতৰ এটা সংশোধনী আছে। মই সংশোধনীটো উত্থাপন কৰিবৰ কাৰণে তেখেতক অনুৰোধ কৰিলো।

**হাফিজ বচিৰ আহমেদ, বিলাসীপাৰা ঃ** Hon'ble Speaker, I beg to move in sub clause1of clause 5 of the propose the word of any community appearing last line shall be substitue by the word from among both reserve schedule tribes community unreserved comminity. চাৰ ইয়াত কোনো মেজৰ সংশোধনী নাই। ইয়াত মূল যিখন বিল আছে ইয়াত any community কোৱা হৈছে যে অলপমান ambiguous যেন লাগে। এইটো আৰু অলপ স্পষ্ট কৰি ক'ব বিচাৰিছো, from reserve and unreserved comminity কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দন ব্ৰহ্ম, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য আহমেদ ডাঙৰীয়াই যিটো দফাত সংশোধনীৰ কথা তেখেতে বা সংশোধনী প্ৰস্তাৱ আনিছে total elected constituency হ'ব আমাৰ 40.তাৰে ভিতৰত 36 টো হ'ল elected constituencies for nominated by the Government. 36 ৰ ST Reserve থাকিব 25, Non ST হিচাপত থাকিব open for all Non ST,General সকলোৰে contest কৰিব পৰা সেইটো হ'ল 11 তাৰে ভিতৰত Women Reserve টো থাকিব 6। সেই 6 যিটো Women Reserve যিটোপৰম্পৰা Election Commission Rule Regulation, Panchayati Raj ব্যৱস্থা তথা আমাৰ বিভিন্ন state run যিখিনি আমাৰ Councils আছে সেই Council বিলাকত Women Reservation টো by lottery সেই সমষ্টি বিলাকক নিৰ্ধাৰণ কৰা হয়। লটাৰীৰ দ্বাৰা সেই চিট বিলাকক নিৰ্ধাৰণ কৰা হয়। ইয়াৰ কাৰণে আমি ইয়াত Reserve টো Women fix আমি কৰি ৰাখিব নোৱাৰো। কাৰণ লটাৰী যেতিয়া হ'ব সেই লটাৰীটোত যদি ছয়টা ST Schedule ত যদি লাগি যায়, তেতিয়াহ'লে লটাৰীটো না কৰিব নোৱাৰে আৰু open schedule ত ১১ টাৰ ভিতৰত যদি ছয়টাটোত লটাৰীটো লাগি যায় Women Reserve টো তেতিয়া সেইটো নুই কৰিব নোৱাৰে। ইয়াৰ কাৰণে এই কথাটো তেনেকৈ ৰখা হৈছে

আৰু ইয়াত কোনো অসুবিধা নহয় আৰু existing যিখিনি council সেইটো তেনেকৈয়ে চলি আছে আৰু Election Commission সেইটো এটা যিটো procedure আছে লটাৰীৰ দ্বাৰা যিটো নিৰ্ধাৰণ কৰা হয়, ঠিক তেনেকুৱা ধৰণৰ ইয়াত আমি ৰাখিছো আৰু ইয়াৰ কাৰণে ইয়াত অসুবিধা আমি একো দেখা পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছে, গতিকে মই এতিয়া ক'ব বিচাৰিছো, যে বিধেয়কৰ ৫ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। এইটো হৈছে প্ৰশ্ন। যিসকলে সন্মানীয় সদস্য-সদস্যাই ইয়াৰ সপক্ষে আছে, কওঁক 'হয়' যিসকল ইয়াৰ বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, ৫ নং দফাটো বিধেয়কৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। বিধেয়কখনৰ ৬ ৰ পৰা ৬১ নং দফা কেইটা সংশোধনীৰ প্ৰস্তাৱ নাই। সেয়ে মই বিধেয়কখনৰ এই ৬ ৰ পৰা ৬১ নং দফা কেইটা বিধেয়কৰ অংশ হ'ব বুলি ক'ব বিচাৰিছো। যিসকলে ইয়াৰ সপক্ষে আছে, কওঁক 'হয়' যিসকল ইয়াৰ বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, ৬ ৰ পৰা ৬১ নং দফা কেইটা বিধেয়কখনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিলো। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। সেয়ে বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। মই ক'ব বিচাৰিছো। যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল ইয়াৰ বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। এতিয়া মন্ত্ৰী ডাঙৰীয়াক মই বিধেয়কখন পাৰিত কৰাৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দন ব্ৰহ্ম, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়,"The Bodo Kachari Welfare Autonomous Council Bill, 2020" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো "The Bodo Kachari Welfare Autonomous Council Bill, bill 2020" be passed. যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল ইয়াৰ বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, প্ৰস্তাৱটো পাৰিত কৰা হৈছে, বিধেয়কখনো পাৰিত কৰা হ'ল বুলি মই ঘোষণা কৰিছো। এতিয়া "The Assam Education (Provincialisation of Services of Non-Teaching Staff of Venture Educational Institutions) (Amendment) Bill, 2020" ৰাজভৱনৰ পৰা এটা বাণী পঠিয়াইছে। বাণীটো হৈছে-

Under the provision of Article 207 sub clause (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, do here by recommend that "The Assam Education (Provincialisation of Services of Non-Teaching Staff of Venture Educational Institutions) (Amendment) Bill, 2020" be taken into consideration by the Assam Legislative Assembly. মই শিক্ষা মন্ত্ৰীক বিলখনৰ প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মাননীয়, শিক্ষা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Education (Provincialisation of Services of Non-Teaching Staff of Venture Educational Institutions) (Amendment) Bill, 2020" খন বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ**মই এতিয়া প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো, "The Assam Education (Provincialisation of Services of Non-Teaching Staff of Venture Educational Institutions) (Amendment) Bill, 2020" be taken into consideration. যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল ইয়াৰ বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, গতিকে প্ৰস্তাৱটো গৃহীত হৈছে। পৰৱৰ্ত্তী কাৰ্য্যসূচী হৈছে বিধেয়কখনৰ ২ নং দফাৰ অনুসূচীত মাননীয় সদস্য শ্ৰী আমিনুল ইচলাম আৰু তেখেতৰ সহযোগী সকল আৰু শ্ৰী দেৱব্ৰত শইকীয়াৰ লগতে তেখেতৰ সহযোগীসকলৰ দুটা সংশোধনী আছে। মই দুয়োটা সংশোধনী উত্থাপন কৰি বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিছো। সংশোধনী একেই নে বেলেগ আছে, সংশোধনী দুয়োটাত? কওঁক আপুনি।

**হাফিজ বচিৰ আহমেদ, বিলাসীপাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত সংশোধনী মই বেলেগ আনিব খোজা নাই। ইয়াত যি Non-Teaching Staff আছে কলেজৰ তাত ছয়জনকৈ Staff তেওঁলোকৰ যিটো salery slip, বৰ্ত্তমান যি সময় এই সময়ৰ পৰিপ্ৰেক্ষিতত অত্যন্ত বুলি আমাৰ অনুভৱ হৈছে সেইটো আমি বিলত যি উল্লেখ কৰা আছে বাৰশৰ ঠাইত ওঠৰ শ আৰু এহেজাৰৰ ঠাইত যোল্লশ, অলপ পৰিৱৰ্ত্তন আমি বিচাৰিছো ইয়াত। অলপ enhance কৰিব বিচাৰিছো। সেইটোৱে আমাৰ সংশোধনী।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডিগ্ৰী কলেজৰ কথা কোৱা হৈছে। মই আগতেই কৈছিলো কথাটো। প্ৰত্যেকটো সমষ্টিত এনেকুৱা আছে। মোৰ সমষ্টিত তাৰা ভূষন পাল জুনিয়ৰ কলেজ, এম কে গান্ধী জুনিয়ৰ কলেজ। তেওঁলোক consecutive 3 years 99% ৰিজাল্ট কৰিলে, ক'ৰদা কলেজে 95% ৰিজাল্ট কৰিলে। ইমান ভাল ভাল ৰিজাল্ট। কিন্তু সৰু কিবা এটা কাৰণে আমি এইখিনি কলেজ Provincialise কৰিব পৰা নাই। এইবিষয়টোৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, কিবা এটা ব্যৱস্থা ল'ব নেকি? নহ'লে এই যে ভাল পঢ়োৱাৰ এটা মানসিকতা লাহে লাহে তলত আহি যাব। মই আৰু এটা কথা ক'ব বিচাৰিছো যে যিখিনি আমাৰ এল. পি., এম. ই. স্কুল আছে সেইখিনি স্কুলৰ teacher সকলে 3rd grade, 4th grade ৰ bell বজাব লগা হৈছে এনেকুৱা এটা আছে পৰিৱেশ হৈছে। 4th grade নাইকীয়া হৈ গৈছে। হাইস্কুলত 4th grade নাই। সেইটোৰ ক্ষেত্ৰত কিবা এটা ব্যৱস্থা ল'ব লাগে অন্তত স্কুল কেইখন চলোৱাৰ কাৰণে। 4th grade staff নাথাকে তেনেহ'লে হেড মাষ্টৰে গৈ bell বজাব লগা হৈছে যে এনেকুৱা এটা পৰিৱেশ হৈছে। শেষত মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ ওচৰত এটা অনুৰোধ কৰিম, ২০১১ চনত মই বিধায়ক হৈছো আৰু আজিলৈকে বিধায়ক হৈ আহিছো। আমাৰ proceeding কেইখন যদি পাই যাও, যে আমি কি কৈছে, কি কি আনিছিলো গোটেইকেইটা যদি পাই যাও। আমি zero hours কি question কৰিছিলো, লিখিত ভাৱে দিম আপোনাৰ ওচৰত।

**মাননীয় অধ্যক্ষ ঃ** আমি সদায় member সকললৈ পঠিয়াই দিও।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বহুতখিনি আহি পোৱা

নাই।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মাননীয়, শিক্ষা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, AIUDF বিধায়িনী দলৰ পৰা দৰমহা সংশোধন কৰি এটা সংশোধনী আনিছে। দৰাচলতে এই সংশোধনীটো যদি আমি মানো এখেতসকলৰ দৰমহা শিক্ষকসকলতকৈ বেছি হৈ যাব। অৰ্থাৎ আমি আগত যিখন বিল পাচ কৰিছো য'ত qualification নথকা যিসকল শিক্ষক যিসকল tutor হ'ব তেওঁলোকৰ দৰমহাৰ লগত সামঞ্জস্য ৰাখি এই দৰমহাখিনি fix কৰিছো। গতিকে আজি যদি এই খিনি দৰমহা আমি বঢ়াই দিওঁ তেতিয়াহ'লে কোনো ক্ষেত্ৰতকৈ শিক্ষকতকৈ এওঁলোকৰ দৰমহাটো বাঢ়ি যাব। কিন্তু যি মূহুৰ্ত্ততে এওঁলোকে qualification aquire কৰিব তেতিয়া তেওঁলোকে scale পালে অসুবিধা একো নাই। যেনেকৈ লাইব্ৰেৰীয়ানে যেতিয়া scale পাব যিটো UGC scale সেইটোৱে পাব কেৱল qualification নাথাকিলে আমি tutor কৰো তেতিয়াহে এইখন schedule কামত আহিব otherwise they will get pay as per UGC pay scale. এটা সমস্যাও আছে যে প্ৰাদেশিকীকৰণ কৰিবলৈ যাওঁতে যথেষ্ঠ টকা-পইচাৰ প্ৰয়োজন হয়। ক'ভিড-১৯ ৰ পিছত চৰকাৰৰ ৰাজহৰ সমস্যাও আছে। মই ভাবো যে অন্তত তেওঁলোকে ট্ৰেকত সোমাই যাওঁক , পিছত লাহে লাহে দৰমহা সংশোধনী কৰিবলৈ আমি নিশ্চয় পাৰিম। সন্মানীয় বিধায়ক কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই যিটো কথা কৈছে যে- ২০০৬ লৈকে যাৰ provincialisation Process ত আছিল recognisation আছিল অন্তত এটা বছৰো ৰিকগনাইজেশ্যন আছিল ২০০৬ চনৰ আগত তেওঁলোকৰ ২২ জানুৱাৰী বা ফেব্ৰুৱাৰী মাহত প্ৰাদেশীকৃত হৈ যাব। তাৰ পিছত আমাৰ আইনমতে প্ৰাদেশীকৃত কৰিবলগীয়া বাকী নাথাকিব। তাৰ পিছত এটা আমি আৰম্ভ কৰিছো যে Need base Formula আৰু performance base Formula . Need base Formula - অনুসৰি কোনোবা এখন ঠাইত ৫ কি.মিৰ ভিতৰত যদি শিক্ষানুষ্ঠান নাই , ২০০৬ চনৰ আগত সেইখনক আমি প্ৰাদেশিকীকৃত কৰিম on the need base . আৰু এটা হ'ল performance base Formula- কোনোবা শিক্ষানুষ্ঠানৰ পাৰ্ৰফৰ্মেন্স যথেষ্ঠ ভাল যদিওবা কলেজখন পিছত প্ৰতিষ্ঠা হৈছে- সমাজখনত সেই কলেজখনৰ প্ৰয়োজন আছে। তেনেহ'লে আমি প্ৰাদেশিকীকৃত কৰিম । বিশেষকৈ এই ফৰ্মুলা দুটাৰ ওপৰত শিক্ষা বিভাগে এতিয়া কাম কৰি আছে। আমি আগলৈ Vote of Accounts ৰ সময়ত ৰাইজক ধাৰণা এটা দিয়াৰ চেষ্টা কৰিম। কিন্তু পৰৱৰ্ত্তীসময়ত এইক্ষেত্ৰত এখন আইন আহিব। আইনৰ জৰিয়তে যদি নকৰো তেন্তে হাইকোৰ্টত পাছ কৰি দিব। সন্মানীয় সদস্য গৰাকীৰ প্ৰস্তাৰ আৰু আগত সদস্যসকলৰ যিটো প্ৰস্তাৱ আছিল need base আৰু performance baseৰ কথা এটা আমি ৰাখিছো। তাৰ ওপৰত ইতিমধ্যে আমাৰ মন্থন আৰম্ভ হৈছে। অধ্যক্ষ মহোদয়, আনটো প্ৰশ্নৰ উত্তৰ দিছেই ইয়াত মোৰ উত্তৰ দিবলগীয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ।

**হাফিজ বশিৰ আহমেদ, পূব বিলাসীপাৰা ঃ** অধ্যক্ষ মহোদয়, চেলাৰীটো বহুত কম হয়। তথাপিও মন্ত্ৰী মহোদয়ে এইটো under Consideration বুলি কৈছে। পৰৱৰ্ত্তী সময়ত বৃদ্ধি কৰিব বুলি আশা ৰাখিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে- ধন্যবাদ । যিহেতু সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ হৈছে গতিকে মই সদনৰ সন্মতি সাপেক্ষে দুয়োটা সংশোধনী প্ৰত্যাহাৰ হৈছে বুলি ঘোষণা কৰিলো সেয়েহে মই ভাবো অনুসুচীখন বিধেয়কৰ অংশ হ'ব। যিসকল সন্মানীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে

সেই সকলে কওঁক ‘হয়’ আৰু যিসকল বিপক্ষে আছে কওঁক ‘নহয়’। মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে , অনুসূচীখন বিধেয়কৰ অংশ হৈছে। বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণৰ কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে মই প্ৰশ্নটো উত্থাপন কৰিছো যে বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণৰ বিধেয়কৰ অংশ হ’ব। যিসকল সন্মানীয় সদস্য-সংংদস্যা ইয়াৰ সপক্ষে আছে সেই সকলে কওঁক ‘হয়’ আৰু যিসকল বিপক্ষে আছে কওঁক ‘নহয়’ । মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ’ল বুলি মই ঘোষণা কৰিলো। এতিয়া মই মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, শিক্ষা, স্বাস্থ্য ও পৰিয়াল কল্যাণ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, “ The Assam Education provincialisation of Service of Non teaching Staff of venture Educational Institutional Amendment Bill, 2020 ” পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো উত্থাপন কৰিছো অনুমোদনৰ বাবে । “ The Assam Education provincialisation of Service of Non teaching Staff of venture Educational Institutional Amendment Bill, 2020” be passed. যিসকল সন্মানীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে সেই সকলে কওঁক ‘হয়’ আৰু যিসকল বিপক্ষে আছে কওঁক ‘নহয়’ । মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, প্ৰস্তাৱ পাৰিত হৈছে। বিধেয়কখনো পাৰতি হোৱা বুলি মই ঘোষণা কৰিছো। এতিয়া লাষ্ট বিল- “ The Assam Repealing Bill, 2020’’ মই শিক্ষা মন্ত্ৰীক এই বিলখন বিবেচনা কৰিবলৈ সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড°হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী , শিক্ষা, স্বাস্থ্য ও পৰিয়াল কল্যাণ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, ‘‘The Assam Repealing Bill, 2020’’ দফাই দফাই বিবেচনা কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো ‘‘The Assam Repealing Bill, 2020’’ be taken into consideration . যিসকল সন্মানীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে সেই সকলে কওঁক ‘হয়’ আৰু যিসকল বিপক্ষে আছে কওঁক ‘নহয়’। মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে প্ৰস্তাৱ গৃহীত হৈছে। বিধেয়কৰ দুই নং দফাত মাননীয় সদস্য ৰাজেদ আলি চৌধুৰী আৰু তেখেতসকলৰ সহযোগীসকলৰ নামত এটা কমলাক্ষ দে পুৰকায়স্থ আৰু তেখেতসকলৰ সহযোগীসকলৰ নামত এটা আৰু হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগীসকলৰ নামত এটা, মুঠ তিনিটা সংশোধনী আছে। মই সংশোধনীবিলাক উত্থাপন কৰি ক’বৰ বাবে সদস্যসকলক অনুৰোধ কৰিলো।

**শ্ৰীশ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ** অধ্যক্ষ মহোদয়, আমাৰ দুটা ক্লজ আছে দুয়োটা একেলগে উত্থাপন কৰিছো- Hon'ble Speaker Sir, I moved that in clause II - sub clause- I the amendment shall be..... sub clasue III of clause - I of the proposed Bill the words at- at once shall be deleted and after the work force and before the puncuation Mark full stop the following word shall be edit only after a comprehensive Bill for modernization

of the exsisting Madrassas by introduction of other Subject with special emphasis Learning of Urdu Languages and English Literature there by converting this exsisting Madrassa into centre of excellence for learning of Urdu and Arabic Language along with English Literature elaborate provision for Establishment of a Arabic University in the line of Kumar Bhaskar Barma Sanskrit University in State of Assam is introduced and passed in the Assembly.

Amendment of Clause II Hon`ble Speaker Sir, I would like to move that after Sub Clause II of the proposed Bill in Sub clause I of Sub Clause II of the proposed Bill the punctuation Mark Full Stop shall be replace by puncuation Mark Coma and the following words shall be edit provided that any Madrassa becoming ellegible for provincialisation as per provincialisation Act as amended up to date shall be provincialised in line with the similarly situated venture Educational institution of the State.

Hon`ble Speaker Sir, before I justify my amendment I would like to just put one provision of our Constitution .

Article-30 Saction-II I would just like to put the State shall not in granting aid to educational institution discreminate against any educational institution on the ground Act it is the under the management of a Minority whether based on Religion all Language in inspite of this provision in our Constitution. এই বিলখন যোৱাকালি উত্থাপন কৰোতে মাননীয় মন্ত্ৰী মহোদয়ে যিধৰনৰ অভিপ্ৰায় প্ৰকাশ কৰিছে, সেই অভিপ্ৰায়লৈ লক্ষ্য ৰাখি আমাৰ Constitution ৰ এই Provision ৰ বিষয়ে মই ক'বলৈ নাযাওঁ। মাননীয় মন্ত্ৰী মহোদয়ে, যি অভিপ্ৰায় প্ৰকাশ কৰিছে আমাৰ ৰিলিজিয়ন থিয়ৰিল'জিকেল চাইডটো আমি ষ্টেট গৰ্ভনমেন্টৰ ফালৰ পৰা চাপোৰ্ট নকৰো। বৰঞ্চ আৰবী লেংগুৱেজটো এটা স্কিল হিচাপে ডেভল'প কৰিব পৰা যায়। তাত আমাৰ চৰকাৰৰ সদিচ্ছা আছে, সেই ধৰনৰ কৰাৰ এটা অভিপ্ৰায় আছে। So, I heartly wellcome it.In fact মোৰ পাৰ্চনেল ভিউ এইটো। In addition beside being a Member of the Assembly I am also a Muslim, I am not expert of a Islamic ideology, Still মোৰ পাৰ্চনেল ভিউ হ'ল- ধৰ্মটো মোৰ ব্যক্তিগত কথা। মই কেনেকৈ শিকো শিকিম। চৰকাৰী সাহাৰ্য্য লোৱাৰ কাৰনে জোৰ কৰিব নালাগে। আমাৰ এই বিষয়ত এক্সপাৰ্ট -মাননীয় হাফিছ বছিৰ চাহাব সদনত উপস্থিত আছে। তেখেতে ভালকৈ জানিব। Islamic Theorigical জ্ঞানৰ যিটো মোৰ পৰিসীমা সেইমতে যিমান দুৰ মই বুজি পাওঁ, যে, আল্লাই অভিপ্ৰায়টো চায়, ইৰাদা, নিয়ত , অৱজেক্টিভ যিটো- মই আছলতে মই আল্লাক সন্তুষ্ট কৰিবলৈ কৰিছো নে মানুহক দেখুৱাবলৈ কৰিছো। এইটোহে আচল কথা। এইটোৰ ওপৰত বেছ কৰিহে পূন্যটো। So that we gain a place in the base Heaven- মোৰ পাৰ্চনেল ভিউটো কৈছো, মাদ্ৰাছা চৰকাৰে এডেড কৰিব আৰু আমি কোৰাণ -হাদিছ শিকিম।

That seem to be a little bit Mechanical. যে চৰকাৰে মোক দৰমহা দিব- মই কোৰাণ- হাদিছ শিকি লৈ তাত মাষ্টৰি কৰিম । কিন্তু যদি সঁচাকৈ মোৰ আল্লাৰ প্ৰতি ভক্তি আছে, আল্লাৰ বাণীৰ প্ৰতি ভক্তি আছে - Somehow I will manage to learn Koran to learn Hadis . যিটো মই বুজো, আল্লাই পূণ্য বিছিকৈ দিব যে ই বেছেৰা দিনে ১০০ টকা আৰ্জন কৰিও কোৰাণ- হাদিছ শিকিবলৈ চেষ্টা কৰি আছে। এইখিনি মই যিটো বুজো- সেইখিনি ক'লো। গতিকে মন্ত্ৰী মহোদয়ৰ যিটো ইনটেণ্ড যিটো অভিপ্ৰায়- আমাৰ এইখন ধৰ্মনিৰপেক্ষ দেশ- যে আমি কোনো থিয়ৰিজিকেল ষ্টাডিক চাপোৰ্ট নকৰো। Fine, very fine, I support it Heartly. কিন্তু এই ক্ষেত্ৰত মোৰ অলপ ৰিৰ্জাভেশ্যন আছে। Arabic Language be not treated as synonomus with Islam আৰবীটো এটা লেংগুবেজ হে it got international impotance কালি মন্ত্ৰী মহোদয়ে আৰু এটা ভাল কথা কৈছে যে যিসকল মাদ্ৰাছাত পঢ়ে- মোৰো বহুত মাদ্ৰাছাৰ লগত চিনাকি আছে- তেওলোকে এইটোফালে এক্সপাৰ্ট নে সেইটো ফালে এক্সপাৰ্ট- না আৰবী ভালকৈ শিকাব পাৰে না- মডাৰ্ন এডুকেশ্যন আছে। গতিকে আমাৰ লৰাবোৰ ইৰেচপেক্টিভ অভ ৰিলিজিয়ন- হিন্দু , মুছলমা, বৌদ্ধ, খ্ৰীষ্টান কোনো কথা নাই- তেওলোকে - Arabic Language being a internationally recognise being a Language in the UNO it should be learned by every youth of our State. কাৰণ আৰবী লেংগুৱেজৰ ক্ষেত্ৰত এটা কথা ক'ব বিচাৰিছো যে- কেৰেলাক লৈ, যিটো স্থান আমি দখল কৰিব লাগিছিলে , আজি ভাৰতবৰ্ষৰ ভিতৰত কেৰেলাই সেই স্থান দখল কৰিছে। গোটেই বিশ্বত ৫২ খন মধ্য প্ৰাচ্য দেশ- তেলৰ বাবে ধনী দেশ আছে, এই দেশবোৰত কুকমেনৰ পৰা আৰম্ভ কৰি কৰ্মচাৰী, ডাক্টৰ, ইঞ্জিনিয়াৰলৈ তেওলোকৰ নিজা নাই। গোটেইখিনি বাহিৰা দেশৰ পৰা যায়। গোটেই বিশ্বত এই ৫২ খন দেশৰ Ambassy আছে তাত Extreame need of skillfull person, who are skilled in Arabic and English special. যাতে তেওঁলোকে যিটো আৰবী কয় সেইটো যাতে লৰাবোৰে ইংলিছলৈ ট্ৰেনশ্লেট কৰি ৫২ খন দেশৰ এম্বেছিত যিখিনি ৰিপ্ৰেজেন্টটেটিভ আছে তেওঁলোকক বুজাব পাৰে। গতিকে ইয়াত huge opportunity for employment, so we should have taken advantage of it, only Kerela has taken advantage of it গতিকে মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই অসম ৰাজ্যত নিবনুৱাৰে ভাৰাক্ৰান্ত এনে এটা পৰিবেশত- আৰবী, উদ্দু আৰু ইংৰাজী ভাষাটো, ইংৰাজীটো থাকিব লাগিব লগত- এই তিনিওটাকে Emphasis কৰি , লগত অন্য চাবজেক্টকো গুৰুত্ব অলপ দিব লাগিব - যদি আমাৰ বৰ্ত্তমানৰ আৰবী কলেজ বা স্কুলবোৰক আমি কনভাৰ্ট কৰো as the Centre of excellence for learning Arabic , Urdu along with English Literature and this institution will be open to all respective of Religion- যাতে আমি এইটো এডভান্টেজলৈ ৰূপান্তৰিত কৰিব পাৰো। তেন্তে আমাৰ লাখ লাখ লৰা ছোৱালী এই মিডল ইষ্টৰ দেশবিলাকত চাকৰী পাব পাৰে। ইতিমধ্যে সেইবিলাক দেশত আমাৰ বহুত মানুহ আছে। মাননীয় অধ্যক্ষ মহোদয় আজি এই সদনৰ মাজেদি মই এটা মেছেজ দিব খুজিছো- Arabic and Urdu having international importance we sought in our Educational institution which are now regarded epicentre of theorological study and this institution be open to all. All people respective of Religion যাতে আমাৰ লাখ লাখ ল'ৰাই মধ্যপ্ৰাচ্যত চাকৰি

পাব পাৰে। তাত চাকৰি কৰাৰ বিনিময়ত দৰমহা বহুত বেছি- গতিকে অধ্যক্ষ মহোদয় এই কথাটো হৃদয়ঙ্গম কৰি মই এমেণ্ডমেন্ট আনিছো। ৰিপিল কৰাত মই বাধা দিয়া নাই। only amendment is that প্ৰথম কথাটো হ'ল- এক্টত কোৱা হৈছে - Act shall come in to Court at once . আৰু মাননীয় মন্ত্ৰীয়ে Statement of object ত কৈছে- Arabic related যিখিনি মাদ্ৰাছা আছে, কলেজ আছে এইবোৰ ০১-০৪-২০২১ ৰ পৰা This will be converted to upper primary High School to Higher Secondary গতিকে অধ্যক্ষ মহোদয়, মোৰ সংশোধনীটো হ'ল যিহেতু এইখিনি আজিৰ পৰাই হাইস্কুলত নাহে গতিকে এই এক্টখন পাছ হৈ যাওঁক। but it will come into force after- এইখন বলবৎ হ'ব- কিন্তু বলবৎ হোৱাৰ আগতে এখন এক্সপ্ৰেছলী ক্লিয়াৰ বিল এখন আনক য'ত আৰবী কলেজ , মাদ্ৰাছাবিলাক আমি - Centre of excellence for learning Arabic , Urdu along with English Literature, তাত থাকিব ডিটেইলচ প্ৰভিজন, কোৰ্ছ কনটেইন থাকিব আৰু যেনেকৈ কুমাৰ ভাস্কৰ বৰ্মা বিশ্ববিদ্যালয়ক সংস্কৃত শিক্ষাৰ বাবে স্থাপন কৰা হৈছে- এই বিলখনত আৰবী, উৰ্দ্দু আৰু ইংৰাজী শিক্ষাৰ বাবে উৎকৃষ্ট কেন্দ্ৰ হোৱাকৈ এটা ইউনিৰ্ভাচিটিৰ প্ৰভিজন এই বিলখনত থাকিব আৰু এই সদনত introduction আৰু Pass হোৱাৰ পিছত এইটো বলবৎ হওঁক। দ্বিতীয় শুধৰনিটো হ'ল ৰিপিলৰ ক্ষেত্ৰত অধ্যক্ষ মহোদয়- বিলখন ৰিপিল হ'ব- ok -কিন্তু along with the other Educational institutions non Madrassa Educational institution which are already eligible for provincialisation and shall be provincialised as per our honble Minister has just declared that it will be provincialised this institution will be provincialised the month of January - February similiarly Madrassa চেক্টৰতো বহুতো প্ৰভিন্সিয়েলাইজড মাদ্ৰাছা এল্লিজিবল হৈ আছে। এক্ট খন ৰিপিল হ'লেও যিহেতু মন্ত্ৰী মহোদয়ৰ অভিপ্ৰায় ঠিকে আছে যে- চাকৰি-বাকৰি কোনেও নেহেৰুৱায়- স্কেলৰ অসুবিধা নহয়। এক্টবোৰ থাকোতে যিহেতু তেওলোকে এল্লিজিবল হৈছে প্ৰভিন্সিলাইজেশ্যনৰ কাৰনে So, They should not be panelised for a non existing Law, Act of the Time. গতিকে মই এটা চৰ্ত ৰাখিছো- যিবোৰ মাদ্ৰাছা অলৰেডী প্ৰভিন্সিয়েলাইজড হ'বৰ কাৰণে অৰ্হতা সম্পন্ন হৈছে, ৰিপিল হ'লেও সেই মাদ্ৰাছাবিলাক বা কৰ্মচাৰী প্ৰভিন্সিয়েলাইজড কৰা হ'ব আৰু এটা কথা মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা এক্টত কৈছে- এই অনুষ্ঠানবোৰ পৰিচালিত হ'ব this will be under Assam Secondary Education Service Rules ইয়াৰ লগতে আৰু দুটা বিষয় যোগ কৰিলে ভাল হয় বুলি মই ভাবো - Assam Madrassa , provincialisation of Madrassa এনেধৰনৰ ৩ খনমান এক্ট আছে - যেনেকৈ আমাৰ এলিমেন্টৰিৰ কাৰনে এখন আছে, চেকেণ্ডৰী আৰু হায়াৰ চেকেণ্ডৰীৰ কাৰণে এখন এক্ট আছে- তেনেদৰে মাদ্ৰাছাৰ কাৰনেও ৩ খন এক্ট কৰা হৈছিল। গতিকে সেই ৰুলবোৰৰ লগতে , সেই এক্টবোৰক ইয়াতে মেনশ্যন কৰা হওঁক। Till a comprehensive Bill have introduce converting this Madrassa into Centre of Excellence for learning of Arabic and Urdu with a provision for a Arabic University in a line of Kumar Bhaskar Barma University এই বস্তুটো Statement of object ত আনক । ধন্যবাদ।

**माननीय अध्यक्ष ঃ** কমলেখ্য দে পুৰকায়স্থ.....

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** উত্তৰ কৰিমগঞ্জ ঃ মাননীয় অধ্যক্ষ মহোদয় , I beg to move after the sub clause II of the Clause II of the proposed Bill following shall be edit III - Government Aided- funded Madrassa. shall be henforth relavant university or subsidiary sweetably modernised. অধ্যক্ষ মহোদয়, কথাটো হৈছে কি মই যিটো কব বিচাৰিছো যে মাদ্ৰাছা ৰিপিলিং কৰাৰ কাৰণে যিহেতো বিল আনিলে ইতিমধ্যে শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই কথাখিনি কলে, সেইবোৰ কথা মই আৰু নকওঁ। মোৰ কথাটো হৈছে কি অধ্যক্ষ মহোদয়, যে আমি সংবিধানৰ শপত লৈ এই সদনলৈ আহো। আমাৰ যিটো ওড হয় সেই ওডটো এনেকুৱা হয় যে I having been elected as a member of the Legislative Assembly, do swear in the name of God that I will bear true faith and allegiance to the constitution of India and by law established that I will uphold the sovereignty and integrity of India. অৰ্থাৎ অধ্যক্ষ মহোদয়, ভাৰত বৰ্ষৰ sovereignty and integrityৰ প্ৰতি, constitutionৰ প্ৰতি আমাৰ সম্পূৰ্ণ আস্থা থাকিব লাগি। এই শপতটো লৈ আমি সদনলৈ আহো। কথাটো হৈছে যে মাদ্ৰাছা Modernize কৰিব লাগে, মাদ্ৰাছা বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত কৰিব লাগে। আমাৰ কথাটো হৈছে কি আমি ভালৰ কাৰণে এই এক্টখন কৰিম বাৰু, যিটো এক্টয়ে অসমক এটা গঢ় দিব, অসমত এটা পৰিৱেশ সৃষ্টি কৰিব যাতে প্ৰত্যেকটো ৰায় ইয়াৰ অধিকাৰ লৈ থাকিব পাৰে। সেইটোৰ কাৰণে আমি যিটো চালো যে প্ৰধান মন্ত্ৰী ফিফটিন পইন্ট পগ্ৰেম তাত ক্লিয়াৰ্লি লিখা আছে Sl. no 4 ত, যে মাদ্ৰাছা কেইটা Modernize কৰিব লাগে, যে মাদ্ৰাছা আৰু আপগ্ৰেট কৰিব লাগে। এই বিলখন ইয়াত অনাৰ উদ্দেশ্য কি মই ধৰিব পৰা নাই এক নম্বৰতে। দুই নম্বৰত, অধ্যক্ষ মহোদয়, যোগীআদিত্য মাননীয় মুখ্যমন্ত্ৰী উত্তৰপ্ৰদেশৰ, তেওঁৰ ৰাজ্যত আপুনি ভালকৈ চালে জানিব পাৰিব যে বিগত ২০২০-২১ ৰ যিটো বাজেট আছে, বাজেটত প্ৰায় ৫৭৯ কোটি ধাৰ্য্য কৰা হৈছে মাদ্ৰাছাৰ উন্নতিকৰণৰ বাবে শিক্ষাৰ কাৰণে। কিন্তু মই ধৰিব পৰা য'ত ইউ পিত এনেকুৱা চিচটেম কৰা হৈছে, বেলেগ বেলেগ ৰাজ্যত বেলেগ বেলেগ এনেকুৱা ৰাজ্য আছে, বহুতখিনি ৰাজ্যত চলি আছে। আমাৰ অসমত এইটো ৰিপিল কৰাৰ কাৰণে এই পৰিৱেশটো কিয় আহিল ? এইটোৰ কাৰণটো কি এইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। আমাৰ উদ্দেশ্যটো হৈছে যে মাদ্ৰাছা যদি চলিব লগা হয় ভালকৈ চলক আৰু , আৰু Modernize কৰিব লাগে আৰু ভাল এটা পৰিৱেশ সৃষ্টি কৰিব লাগে। য'ত নেকি চৰকাৰে নিজাকৈ এটা সিদ্ধান্ত ল'ব, চৰকাৰৰ নিজা এটা কৃতীত্ব এটা থাকিব, আমি এতিয়া সেইটো বিচাৰো। এইটোৰ কাৰণে বিচাৰো য'ত কৰি আছে, আমাৰ অসমৰ ৰাইজ হ'ব, অসমৰ ৰাইজৰ কাৰণে এটা সুস্থ এটা পৰিৱেশ হ'ব। শ্বেৰামান দাই যিটো কৈছে।

**माननीय अध्यक्ष ঃ** তেখেতৰটো কলে, আপোনাৰটো কব। ঠিক আছে, আৰু দুজনমানে কব।

**শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ ঃ** সংবিধানৰ শপতটো লোৱা উদ্দেশ্য হৈছে সংবিধানৰ যিটো কথা আছে সেইটোৰ লগত যাতে আমাৰ কামত দিয়ে।

**माननीय अध्यक्ष ঃ** ঠিক আছে।

**শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ ঃ** ৰিপিল যিটো কৰো পিছত এইটোৰ যাতে এনেকুৱা কিবা নহয় সেইটোৰ কাৰণে সংবিধানক মানি বিলটো যাতে কৰা হয় এইটোৰ কাৰণে মই মন্ত্ৰী মহোদয়ক

আপোনাৰ জৰিয়তে অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। হাফিজ বছিৰ আহমেদ আপোনাৰ এটা আছিল, কিবা ক'ব নেকি, কওক।

**শ্ৰীহাফিজ বছিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো লৈ বিল যিদিনাখন লে কৰা সেইদিনাখনো আলোচনা হৈছে। আজিও আমাৰ শ্বেৰমান চাহাবে যথেষ্ট তথ্য দাঙি ধৰিছে, প্ৰকৃততে আমাৰ মন্ত্ৰী মহোদয়ে যে কৈছে মাদ্ৰাছা বোৰত চৰকাৰী টকা দি ধৰ্মীয় শিক্ষা দিয়া হয়, এই কথাটো ১০০ শতাংশ সত্য নহয় আৰু ১০০ শতাংশ মিছাও নহয়। আমাৰ সমাজত দেশ স্বাধীন হোৱাৰ পাছৰ পৰাই দেশৰ সংবিধানৰ আওতাত এই মাদ্ৰাছাবোৰ প্ৰতিষ্ঠা কৰা হৈছিল প্ৰথম। এই মাদ্ৰাছা শিক্ষা আগত ৮০০ বছৰ পিছুৱাই চাও যদি আমি তাৰ পৰাই পাওঁ। চৰকাৰী পইছা দি ধৰ্মীয় শিক্ষা নীতিগত হিচাপে মুছলিম ক্লাৰ্ক যিমান আছে কোনেও এইটো মানি নলয়। আজি পৃথিৱীৰ আটাইতকৈ ডাঙৰ মুছলিম বিশ্ববিদ্যালয় ৰিলিজিয়াছ, থিয়লজিক, ডাৰলুং ডেওবন যে আছে তাৰ মূল প্ৰিন্সপ'ল তাত আছে কোনো এজন মানুহে যদি অকলে মাহত এক কোটি হওক ১০ কোটি খৰচ হওঁক বোলে মই চলাই দিম এইখন সেইটো এলাও কৰা নাই যে এইখন মাদ্ৰাছা জনসাধৰণৰ কনট্ৰিবিচনৰ ওপৰত এক টকা দুই টকা এইখন চলিব আৰু নীতিগত হিচাপে চৰকাৰী পইছা লোৱা এনেকুৱা অনুষ্ঠান অসমতো আছে। এতিয়া যদি মাদ্ৰাছা বোৰত আৰাবী শিক্ষা দিয়া হৈ আছে এটা মই মাজতে কৈছো, যে আৰাবী শব্দ আজি আমাৰ অসমীয়াৰ মাজাতো বহুত হাজাৰ হাজাৰ, প্ৰয়াত চৈয়দ আব্দুল মালিকে এখন অভিধান লিখিছিল প্ৰিন্ট হ'ল নে নাই নাজানো, তেখেতে কৈছিল যে ইছলামিক শব্দ বাদ দিলে মানুহে কাপোৰ পিন্ধি থাকিব নোৱাৰিব। জোতা-মোজা, টুপি, কামিজ, চেলোৱাৰ ইত্যাদি সকলো পাৰ্চী আৰবী শব্দ। আমি যদি কোৰ্টত যাও উকিল, হাকিম, মুনচিপ, প্ৰেচকাৰ ইত্যাদি সকলো পাৰ্চী আৰু আৰবী শব্দ। আজি আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল যে ইছলাম জগতৰ লগত, আৰবীৰ লগত, আৰব দেশৰ লগত আটাইতকৈ ডাঙৰ শত্ৰুতা হ'ল ইজৰাইল। ইজৰাইলৰ দ্বিতীয় ৰাষ্ট্ৰীয় ভাষা হ'ল আৰবী। আজি অকল আৰবী বুলি কোৱাৰ লগে লগে মুছলমান আছে তেনেকুৱাও নহয়। আজি ইজিপ্তত যাওক বহুত খ্ৰীষ্ট্ৰীয়ান আছে তেওঁলোকৰ মাতৃভাষা আৰবী। কালিলৈ স্পেইনত যাওক তেওঁলোকৰ মাতৃভাষা আৰবী আছে। সেই কাৰণে as a language এই অনুষ্ঠানবোৰত আৰবী introduce কৰা হৈছে। কিছু ধৰ্মীয় লেখ যে আছে এইটো যিহেতু এই মাদ্ৰাছা বোৰ প্ৰতিষ্ঠা কৰোতে ৰাইজৰ দান বৰঙণিৰে কৰিছিল আৰু যিটো কৌমি বা খাৰ্জী মাদ্ৰাছা কোৱা হয় কিন্তু পৰৱৰ্ত্তী পৰ্য্যায়ত গৈ কিছু মহলে তেওঁলোকে এইবোৰ চৰকাৰৰ লগত বোৰ্ডৰ লগত এটাষ্ট কৰিছে। আজি এই মাদ্ৰাছা বোৰ্ড বা চিচ্‌টেমটো আমি আগৰ ইতিহাস যদি বাদ দিও, দেশ বিভাজনৰ আগত ১৯৩৪ ত এই First Organize কৰি চৰকাৰী চেক্টৰত যিবিলাক মাদ্ৰাছা এখন বোৰ্ড হৈছিল। দেশ স্বাধীন হ'ল তেতিয়া তাৰ হেড অফিচ আছিল ডাইৰেক্টৰেট আছিল চিলেটত। দেশ স্বাধীন হোৱাৰ পিছত ইয়াৰ বদলী হ'ল অৰ্থাৎ চিলেট বেলেগ হৈ গ'ল তেতিয়া অসমৰ ৰাজধানী মেঘালয়ৰ শ্বিলঙত আহিল তাৰ অফিচ। তাৰ পিছত মেঘালয় ক্ৰিয়েচন্ হোৱাৰ পিছত ইয়াৰ অফিচ আহিল গুৱাহাটীৰ কাহিলীপাৰাত। নগাওত আহিল, নগাওঁৰ পৰা আকৌ গুৱাহাটীত। যদি কিবা পৰিবৰ্তন আনিব লাগে ইয়াৰ আমি কেতিয়াও নাভাৱো যে চৰকাৰী মাদ্ৰাছাৰ পৰা আমাৰ ৰিলিজিয়াচ কিবা চাৰ্ভিচ পাম ইয়াৰ পৰা এইটো আমি মুছলিম কমিনিটিয়ে কেতিয়াও প্ৰত্যাশা নকৰে। যি কৌমি নিজস্বভাৱে প্ৰতিষ্ঠিত মাদ্ৰাছা আছে তাৰ পৰা যথেষ্ঠ আমাৰ ইমাম লাগে মহজিম লাগে, বিভিন্ন ধৰ্মীয় যিবিলাক আছে আৰু অনুষ্ঠান পৰিচালনা

কৰাৰ বাবে আমাৰ দৰকাৰ আছে তাৰ পৰা। চৰকাৰী মাদ্ৰাছাৰ পৰা সেইটো আশা নকৰে। সেই কাৰণে সেইদিনাখনেও কৈছিলো যে সিদ্ধান্তটো খুব সোনকালে হৈ আছে। এইটো অলপ চেন্টিমেন্টৰ লগত জড়িত আছে, মানুহৰ বহুত মানুহ আছে, লাখ মানুহ আছে মই সেইদিনাখন কৈছিলো যে ১২০০০০ ছাত্ৰ-ছাত্ৰী আছে। তাৰ পিছত আমাৰ শ্বেৰমান ডাঙৰীয়াই কোৱাৰ দৰে তাত ৩০০ ত কৈও অধিক ভেঞ্চাৰ to be provincialise. এনেকুৱা এটা পৰ্য্যায়ত আছে তেওঁলোকৰ এইবোৰ আৰু এইটো দুই নম্বৰত ৰাখিলো যিবোৰ লৰা-ছোৱালী আজি তাত পঢ়ি আছে। আজি যদি আজিৰ পৰা দুমাহ পিছত গোটেইখিনি মাদ্ৰাছা ইমিদিয়েত এফেক্ট যদি কনভাৰ্ট কৰা হয় গতিকে তাৰ কেৰেক্টাৰাইজ গোটেইখিনি যদি সলনি হয় অৰ্থাৎ বোৰ্ডত যোৱাৰ লগে লগে তাৰ চিলেবাচ-টিলেবাচ সকলো যদি সলনি হৈ যাব, এই লৰা-ছোৱালীখিনি এটা এনেকুৱা সাগৰত পৰিব সাতুৰিও কাষ নাপাব।

**মাননীয় অধ্যক্ষ ঃ** চমু কৰক।

**শ্ৰীহাফিজ বছিৰ আহমেদ ঃ** সেই কাৰণে আমি মন্ত্ৰী মহোদয়ক বা চৰকাৰক অনুৰোধ জনাব বিচাৰিছো। বিষয়টো ইমান তহি-ঘহি নকৰি সংশ্লিষ্ট কতৃপক্ষৰ কিবা এটা তৃতীয় ৰাস্তা ওলাই নেকি যিবোৰ মাদ্ৰাছাৰ আজি আমাৰ মন্ত্ৰী মহোদয়ো তেখেতৰ খুব ভক্ত আছিল হাজাল মহাত তৈবৰ আমান চাহাব হাইলাগান্ধি, তেওঁ জানে ভালকৈ, বদৰপুৰত তেওঁ গাইছিল তাতে তেখেতক যথেষ্ট সম্ভৰ্ধনাও জনাইছিল। তেনেকুৱা ষ্টেটাচৰ কিছু মানুহ মাতি তেওলোকৰ লগত আলোচনা কৰা যাওক আৰু এই বিলখন যাতে আৰু এফেক্টিভ আৰু জনহিতকৰ বনোৱাৰ কাৰণে ইয়াক আমি চিলেক্ট কমিটিলৈ পঠোৱাৰ কাৰণে আমি দাবী জনাইছোঁ। এইটো আমি জনাই আমি সংশোধনী আনিছো তাৰ সমৰ্থনত বক্তব্য ৰাখি মোৰ কথা শেষ কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ। এতিয়া নুৰুল হুদা আপুনি কওঁক।

**শ্ৰীনুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাদ্ৰাছা শিক্ষা ব্ৰিটিছ ভাৰতত অহাৰ আগতে 1206 খ্ৰীষ্টাব্দৰ পৰাই মাদ্ৰাছা শিক্ষা আৰম্ভ হৈছে। ১৯১৫ চনত মাদ্ৰাছা শিক্ষাৰ আঁচনি সেই সময়ৰ চৰকাৰে গ্ৰহণ কৰিছিল। ১৯৩০ চনত মাদ্ৰাছা বোৰ্ড গঠন কৰি, ভাৰত স্বাধীন হোৱাৰ আগতে মাদ্ৰাছা বোৰ্ড গঠন কৰি মাদ্ৰাছাৰ কাৰ্য্যক্ৰম আৰম্ভ কৰিছিল। ১৯২৬ চনত মোৰ সমষ্টিত চাৰ, বগোৰাগুৰি হাই মাদ্ৰাছা সেই সময়ত তিনিটা মাদ্ৰাছা হৈছিল অসমত। বগোৰাগুৰি হাই মাদ্ৰাছা মোৰ সমষ্টিত, পিফাগড় হাই মাদ্ৰাছা আৰু ৰঙীয়া হাই মাদ্ৰাছা।

**মাননীয় অধ্যক্ষ ঃ** বুৰঞ্জীটো ভালকৈ কৈছে তেখেতে, আপুনি কোনকেইটা কথা কব খুজিছে সেইটো কলে ভাল হ'ব।

**শ্ৰীনুৰুল হুদা ঃ** চাৰ, এতিয়া মন্ত্ৰী মহোদয়ে কৈছিল যে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উৎকৰ্ষ সাধনৰ কাৰণে এই বদলিটো কৰিব লাগে। গতিকে বিজ্ঞান আৰু প্ৰযুক্তি যে মাদ্ৰাছাত আছে তাৰ উদাহৰণ এটা মই দিব বিচাৰিছো। মোৰ সমষ্টিত এই ১৯৩৭ চনত স্থাপিত হোৱা বগৰগুৰি হাই মাদ্ৰাছা এই ৰেকৰ্ড সমূহ যদি চাই দেখা পাব তাত শিক্ষা গ্ৰহণ কৰি মহম্মদ ইদ্দিছ অসমৰ বিত্ত মন্ত্ৰী হৈছিল। তাত শিক্ষা গ্ৰহণ কৰি আফাজুদ্দিন তেখেত বৰ্তমান লণ্ডনত ইঞ্জিনিয়াৰ কৰি আছে। আব্দুল চুবান ইঞ্জিনিয়াৰ হৈছে, চিৰাজুল ইছলাম এই বগৰবড়ী হাই মাদ্ৰাছাত লিখা পঢ়া কৰি তেওঁ এতিয়া দিল্লী মেট্ৰোৰেল বিভাগৰ মুখ্য অভিযন্তা হিচাপে কাম কৰি আছে। চাইফুল ইছলাম জিলা ন্যায়ধিশ হৈছে, মৌচিন আলী ৰঙিয়া হাই মাদ্ৰাছাৰ পৰা উৰ্ত্তীৰ্ণ হৈ অসমৰ শিক্ষা সঞ্চালক হৈ বৰ্তমান অবসৰ লৈছে। ঠিক তেনেকৈ ডাঃ আব্দুল জলিল তেওঁ ডাক্তৰ হৈছে। তাৰমানে ডাক্তৰ, ইঞ্জিনিয়াৰ,

ৰাজনীতিবিদ, প্ৰশাসৈনিক বিষয়া, ন্যায়ধিশ এই গোটেই বিলাকে এই মাদ্ৰাছাৰ পৰা সৃষ্টি হৈছে। গতিকে এই কথাটো নহয় যে মাদ্ৰাছাত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা নাই। মন্ত্ৰী মহোদয়ে কৈছিল যে ১০০ নম্বৰ কোৰানৰ শিক্ষাই লৈ যায়। চাৰ, ১০০ নম্বৰ কোৰানৰ শিক্ষাই নিনিয়ে। এশ নম্বৰৰ ভিতৰত দহ নম্বৰ মাত্ৰ কোৰাণৰ ওপৰত প্ৰশ্ন আহে আৰু ৫ নম্বৰ হদিছৰ পৰা আহে। এই মুঠ ১৫ নম্বৰহে কোৰাণ আৰু সদিছ মিলি যায়। বাকী ৮৫ শতাংশ নম্বৰ আমাৰ সাধাৰণ যিখিনি পাঠ্যক্ৰম সেই পাঠ্যক্ৰম খিনিৰ পৰা আহে। গতিকে মই এইটো অনুৰোধ কৰিব বিচাৰিছো এই যে আপোনাৰ দহ নম্বৰ আৰু ৫ নম্বৰ এইবোৰ কিছুমান বাখ্যাত আহে। কোৰাণৰ ৰেফাৰেন্স, হদিছৰ ৰেফাৰেন্স ব্যাখ্যাত আহে। ঠিক সেই মতে আমি যিবিলাক পাঠ্যক্ৰম পঢ়ি আহিছো তাতো দেখা পাইছো কেতিয়াবা গীতাৰ কোনো শ্লোক দি ব্যাখ্যা কৰিছে, ৰেফাৰেন্স দিছে। ৰেফাৰেন্সত হয়তো গীতাৰ কথা আহিছে, ৰামায়নৰ কথা আহিছে, ভাগৱতৰ কথা আহিছে ঠিক সেই মতে ৰেফৰেন্সত কোৰাণৰ কথাও আহিছে। গতিকে এই ৰেফৰেন্সৰ কথাখিনি বাদ দি আজি যুগ যুগ ধৰি চলি অহা এই মাদ্ৰাছা সমূহ আৰু এই মাদ্ৰাছা সমূহে আজি আমাৰ উদ্দেশ্য কি, শিক্ষাৰ উদ্দেশ্য যে ছাত্ৰ-ছাত্ৰী সকলৰ মানৱীয় উত্তৰণৰ সাধনৰ লগতে।

**মাননীয় অধ্যক্ষ ঃ** নাই, অকলে কলে, সকলোকে মই দিব নোৱাৰিম নহয়।

**শ্ৰীৰাজেদ আলী চৌধুৰী ঃ** চাৰ, ৫ মিনিট।

**মাননীয় অধ্যক্ষ ঃ** এখেতে ৫ মিনিটৰ কথা কৈছে, তেখেতে বেলেগ কথা কৈয়ে আছে।

**শ্ৰীনুৰুল হুদা ঃ** নাই চাৰ, মোৰ এতিয়া তিনি মিনিট মান হৈছে।

**মাননীয় অধ্যক্ষ ঃ** নাই, নাই মই সেইটো কোৱা নাই। আপুনি যি ধৰণে আৰম্ভ কৰিছে ৫ মিনিটত শেষ কৰিব নোৱাৰে।

**শ্ৰীনুৰুল হুদা ঃ** চাৰ, ৫ মিনিটত শেষ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** নাই, ইয়াত আৰু কিমানে কব খুজিছে। আপোনাৰ পিছত আৰু কোনোতো নাই, নহলে অসুবিধা হ'ব। নাই নাই, মই সকলোকে দিব নোৱাৰিম। I can not, কেনেকৈ হ'ব।

**শ্ৰীনুৰুল হুদা ঃ** মই এইটো কব বিচাৰিছো যে ছাত্ৰ-ছাত্ৰী সকলৰ মানৱীয় উত্তৰন সাধনৰ লগতে ছাত্ৰ-ছাত্ৰীৰ নৈতিক সুস্থ কৰি তোলা আৰু তেওঁলোকক মানৱ সম্পদ হিচাপে সৃষ্টি কৰাৰ কাৰণে যিখিনি পাঠ্যক্ৰমৰ প্ৰয়োজন সেই গোটেইখিনি পাঠ্যক্ৰম মাদ্ৰাছাত আছে। গতিকে আমি মানৱ সম্পদ সৃষ্টিৰ কাৰণে মানৱ সম্পদ গঢ়াৰ কাৰণে এই অনুষ্ঠানটো যদি বন্ধ কৰা হয় তেতিয়াহলে আমাৰ মানৱ সম্পদ ক'ত সৃষ্টি হ'ব? আজি ছাৰ, দুখৰ বিষয় ভাৰত বৰ্ষত প্ৰায় ২০ কোটি আমাৰ মুছলমান মানুহ আছে। এই ২০ কোটি মুছলমান মানুহৰ মাজত অসমৰ এক কোটি দহ লাখ মানুহৰ কাৰণে এটা বেলেগ চিন্তা আজি কিয় কৰিব লগা হ'ল? গতিকে মই দীঘলীয়া নকৰো, মই অনুৰোধ জনাইছো, মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক। যিহেতু ভাষাশিক্ষাৰ অধিকাৰটো আমাৰ সাংবিধানিক অধিকাৰ, গতিকে এই সাংবিধানিক অধিকাৰ যেনে আমাৰ মাদ্ৰাছা সৰ্ব কৰা নহয়, অধিকাৰতো যাতে বাহাল থাকে তাৰ বাবে মই অনুৰোধ জনাইছো। আৰু এটা কথা মই কব ওলাইছো যে আমাৰ ধৰ্মীয় শিক্ষাটো শিক্ষাৰ কাৰণে আমাৰ বেলেগ অনুস্থান আছে। যেনে চুবাহী মাদ্ৰাছা, হাবিজিয়া মাদ্ৰাছা, হাফিজিয়া মাদ্ৰাছা, কাৰিয়ানা মাদ্ৰাছা সেই খিনি ৰাইজৰ দ্বাৰা পৰিচালিত হয়, ৰাইজে দৰমহা দিয়ে আৰু আমি সৰুৰে পৰা সেই শিক্ষা খিনি আমি সেই মাদ্ৰাছাত পাওঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ।

**শ্ৰীনুৰুল হুদা ঃ** চিনিয়ৰ মাদ্ৰাছা, প্ৰিচিনিয়ৰ মাদ্ৰাছা, হাই মাদ্ৰাছা এই খিনিত অকল আমাৰ ধৰ্মীয় শিক্ষা নহয়, বাহাৰ শিক্ষা হয়। গতিকে মই অনুৰোধ জনাইছো যে মাদ্ৰাছাৰ যিচো চিচ্‌টেম অৱস্থা আছে, সেই চিচ্‌টেম অৱস্থা যাতে বাহাল থাকে।

**माननीय অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ। শুকুৰ আলীয়ে কেতিয়াও হাত দঙা নাই, শুকুৰ আলী আপুনি এক বা দুই মিনিট সময় কওঁক, বেছি নক'ব, আপুনি হাত দাঙিছে আজি। তাৰ পিছত ৰাজেদ ডাঙৰীয়াই এক মিনিট বুলি কৈছিল তেখেতে দুই মিনিটে ক'ব, তাৰ পিছত তেখেতে ক'ব। তেখেতৰ এটা আছে শেষ কৰিম। প্ৰদীপ হাজৰিকা ডাঙৰীয়াই কিবা এটা ক'ব খুজিছিল মই দিম, শেষত অলপ দিম, আপুনিও হাত দাঙি আছে। কেৱল সকলোৰে কমকৈ কব, সময় নহ'ব নহলে।

**শ্ৰী শুকুৰ আলী আহমেদ** ঃ অধ্যক্ষ মহোদয়, এতিয়া আমাৰ যিটো এমেণ্ডমেণ্ডৰ ওপৰত আলোচনা হৈছে "দি আসাম ৰিপিলিং বিল, ২০২০" যোৱা ২৮ তাৰিখে মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই এই বিলখন ইয়াত যেতিয়া অনুমতি বিচাৰিছিল, সেই অনুমতিৰ সময়ত ভালেখিনি সময় ইয়াত আলোচনা কৰা হৈছিল। আমাৰ মাননীয় সদস্য সকলে এই বিষয়ে নিজৰ নিজৰ যিটো মতামত দাঙি ধৰিছিল। আমাৰ মন্ত্ৰী মহোদয়ো তাৰ উত্তৰত তেওঁৰ দৃষ্টিভঙ্গী আৰু লক্ষ্য ব্যখ্যা কৰিছিল। আজিও আলোচনা হ'ল, যে আজি মাদ্ৰাছা শিক্ষাত যিটো কন্‌ভাৰ্ট কৰিব খোজা হৈছে, সেই বিষয়ে ভালেখিনি আলোচনা হৈছে। মোৰ যিটো মতামত এই বিষয়ে যে মাদ্ৰাছা শিক্ষা মুক্তবৰ শিক্ষা ভাৰতবৰ্ষৰ শিক্ষাৰ আদি ব্যৱস্থা। আমাৰ ভাৰতবৰ্ষৰ শিক্ষা বুলি কলে বৈদিগ যুগত গুৰুকুল শিক্ষা ব্যৱস্থা আছিল, তাৰ পিছত যেতিয়া আনুস্থানিক শিক্ষা আৰম্ভ হ'ল, মুক্তবৰ, সাংস্কৃতিক টোল এই শিক্ষা অনুষ্ঠান বোৰেই আমাৰ ভাৰতীয় শিক্ষা ব্যৱস্থাত এটা অৱদান ৰাখি আছে। বৃটিছে যেতিয়া আধুনিক শিক্ষা প্ৰৱৰ্তন কৰিলে সেই সময়তো ভাৰতীয় এই শিক্ষা ব্যৱস্থা বন্ধ কৰা নাছিল। আমাৰ দেশ স্বাধীন হ'ল, স্বাধীনতাৰ পিছতো আমাৰ চৰকাৰ দেশীয় চৰকাৰ শিক্ষা ব্যৱস্থা আধুনিক শিক্ষা ব্যৱস্থাই চলালে। মাজে মাজে শিক্ষা বিভাগৰ কাৰণে বহুতো শিক্ষা আয়োগ গঠন কৰিলে, কিন্তু যি মাদ্ৰাছা শিক্ষা, মুক্তবৰ শিক্ষা, সংস্কৃতিৰ টোলৰ শিক্ষা বন্ধ কৰা নাছিল। বৃটিছৰ দিনতো বন্ধ হোৱা নাছিল, আমাৰ স্বাধীনতাৰ পিচৰ চৰকাৰেও বন্ধ কৰা নাছিল। এফালে আদিম শিক্ষা আনফালে ভাৰতীয় যি শিক্ষা ব্যৱস্থা দুয়োটাই ইয়াত প্ৰচলিত আছিল। সময়ৰ পৰিবৰ্তনৰ লগে লগে নতুন চিন্তা কৰিবলগীয়া হয়। এই কথাত মোৰ দ্বিমত নাই। কিন্তু এই বিষয়টো ভাৰতৰ শিক্ষা ইতিহাসত, ভাৰতৰ সমাজ জীৱনৰ লগত এই পুৰণি শিক্ষা পদ্ধতি জড়িত, ইয়াত মানুহৰ আবেগ জড়িত। গতিকে এই বিষয়টো চাৰ মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে আজি তেখেতে যি বিল আনিছে এই বিল সম্পৰ্কে বিৰোধীতা এই সম্পৰ্কে মই কবলৈ যোৱা নাই। ইয়াৰ কাৰণে এটা দীঘলীয়া ইতিহাসৰ সামৰণি পৰিবলৈ আৰম্ভ কৰিছে। গতিকে এই বিষয়টো অলপ সময় লৈ বিভিন্ন পৰ্যায়ত এটা বিষ্ট-ব্যাপক আলোচনা কৰি যাতে এটা ব্যৱস্থা লয়, কাৰণ ইয়াত আবেগ অনুভূতি সকলোৰে জড়িত হৈ আছে। আজি যিটো পৰিবৰ্তন হৈ আছে সেই পৰিবৰ্তনৰ লগত আমি মিলিব লাগিব। ন'হলে আমিও আগবাঢ়ি যাব নোৱাৰিম। কিন্তু চাব লাগিব এই পৰিবৰ্তন আনিবলৈ গৈ যাতে আমাৰ কোনো অসুবিধা নহয়। আমাৰ জেষ্ঠ সদস্য হাফিজ বছিৰ আহমেদ ডাঙৰীয়াইও কিছু পৰামৰ্শ দিছে, যিহেতু এই বিষয়ত তেখেতৰ যথেষ্ট জ্ঞান আছে। গতিকে মই ভাবো এই মাদ্ৰাছা বিলাক আধুনিকীকৰণ কৰক আৰু সময় উপযোগী পাঠ্যক্ৰম তাত ব্যৱস্থা কৰা হওঁক । এইখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।

**শ্ৰীৰাজেদ আলি চৌধুৰী, সদস্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাখিনি ইতিমধ্যে আলোচনা হৈছে। শ্বেৰমান আলী ডাঙৰীয়াই সবিশেষ কৈছে। মই নিজেও মাদ্ৰাছা বোৰ্ডৰ সভাপতি আছিলো, সেইটো শিক্ষা মন্ত্ৰী মহোদয়ে জানে। মাদ্ৰাছা বোৰ্ডৰ সভাপতি থাকি আজি যদি এষাৰ মাত নামাতো, তেন্তে বেয়া দেখি। অধ্যক্ষ মহোদয়, আপোনাৰ জড়িয়তে মন্ত্ৰী মহোদয়ক ক'ব বিচাৰো যে যিদিনাখন মই সভাপতি আছিলো সেই সময়ৰ মুখ্য মন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়া আৰু শিক্ষা মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই মোক এটা প্ৰস্তাৱ দিছিল যে যিবিলাক 'খাৰেজি' মাদ্ৰাছা ,ইছলামীয়া মাদ্ৰাছা , প্ৰাইভেট মাদ্ৰাছা আছে আপুনি তেখেঁত সকলৰ লগত কথা পাতক, আমি তাত ইংৰাজী, বিজ্ঞান, অংক বিষয় দিম, শিক্ষকখিনিও আমি দিম আৰু মাদ্ৰাছাৰ আন্তঃগাঁঠনিৰ বাবে আমি সহায় কৰিম। এই প্ৰস্তাৱটো দিয়াৰ পাছত মই দেখিলো , সেইবিলাক মাদ্ৰাছাৰো এখন বোৰ্ড আছে 'তাঞ্জিম বোৰ্ড' ,তাৰ সভাপতি আছিল মৌলানা বদৰউদ্দিন আজমল ডাঙৰীয়া, এতিয়াও বোধ হয় আছে। মই Direct তেখেতৰ লগতকথা নাপাতি মোৰ Director আছিল আব্দুল কাইয়ুমৰাল আলামী, তেখেতক ক'লো যে আপুনি কথা পাতক। যিহেতুকে তেখেঁতৰ লগত মোৰ এটা ৰাজনৈতিক সংঘাত আছিল। যেতিয়া মোৰ Director য়ে কথা পাতিলে, তেওঁলোকে কথাতো reject কৰিলে যে আমি ধৰ্মীয় মাদ্ৰাছা সমূহত চৰকাৰী কোনো অনুদান নলওঁ । Direct প্ৰত্যাখ্যান কৰিলে । এইকাৰণে মই কথাখিনি উল্লেখ কৰিছো যে আজি 'কোৰাণ' পঢ়াবলৈ চৰকাৰী অনুদান আমাৰ মুছলমান সম্প্ৰদায়ৰ মানুহৰ প্ৰয়োজন নাই। চৰকাৰী টকাৰে 'হাদিচ' পঢ়াবলৈ তেওঁলোকে বিচৰা নাই। কিন্তু পৰম্পৰাগত ভাৱে এইটো চলি আহিছে। যোৱা কালি মন্ত্ৰী মহোদয়ে কোৱা মতে যে এই ৭০ বছৰত কোনেও Objection কৰা নাই, কিন্তু এই চৰকাৰখনে প্ৰথম Objection আনিলে। আৰম্ভনিতে , প্ৰথম মাদ্ৰাছা বিলাক শুক্ৰবাৰে বন্ধ আছিল, সেইটো বন্ধ কৰাই দেওৱাৰ কৰিলে। আমিতো আপত্তি কৰা নাই। যিহেতু এইখন চৰকাৰে পৰিবৰ্তন কৰিব বিচাৰিছে, আমিও সেই সিদ্ধান্ত মানি চলিব লাগিব। সেইটো হাদীচেও কৈছে, ইছলামেও কৈছে। যোৰহাটৰ যিখন মুক্তৰ মাদ্ৰাছা, প্ৰয়াত মুখ্য মন্ত্ৰী চাৰেও তাত লিখা-পঢ়া কৰিছিল, সেইটো পৰিবৰ্তন কৰি মাদ্ৰাছা নামতো উঠাই দিয়া হ'ল। তাতো আমি আপত্তি কৰা নাই। আমাৰ এটা ধাৰণা হৈছে, অসমৰ সংখ্যালঘু ৰাইজৰ এটা ধাৰণা হৈছে যে অসমৰ পৰা মুছলমানৰ নাম- নিচান উঠাই নিদিয়ালৈকে এইখন চৰকাৰ শান্তিত নাথাকে। এইটো মই কোৱা নাই, অসমৰ ৰাইজৰ Sentimentৰ কথা কৈছো। মন্ত্ৰী মহোদয়ে যিটো কৰিব বিচাৰিছে সেইটো আমি ইয়াত যিসকলে প্ৰতিনিধিত্ব কৰিছো বুজি পাইছো যে তেওঁ ভাল চিন্তা কৰিছে। কিন্তু Sentiment of the people । আমাৰ বছিৰ আহমেদ কাছিমি ডাঙৰীয়া, তেখেতও কটনৰ আৰবীৰ অধ্যাপক আছিল, তেখেতেও এটা Suggestion আজি আগবঢ়াইছে । আমিও কওঁ এইটো Sentiment ৰ কথা। গতিকে এটা Community ৰ এই Sentiment টো যিহেতু আছে, এই Sentiment ৰ বাবে তাৎক্ষণিক একো সিদ্ধান্ত নলৈ, লাহে -ধিৰে এটা কমিটী বনাই দি, আমাৰ মাজত যি শিক্ষিত মুছলিম বা বিভিন্ন সম্প্ৰদায়ৰ পৰা মানুহ লৈ ভালদৰে ষ্টাডি কৰি পিচত সিদ্ধান্ত ল'লে ভাল হ'ব। সেয়েহে মই আপোনাৰ জড়িয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ৰফিকুল ইছলাম, সদস্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আজি কিছু পৰিমানে আবেগিক, মই যোৱা পৰহি ও মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছিলো আপোনাৰ জড়িয়তে ,যদি এই চ ৰকাৰী মাদ্ৰাছা বন্ধ সিদ্ধান্তটো Select কমিতিত পঠাই চিন্তা চৰ্চা কৰাৰ কাৰণে সুযোগ সুবিধা এটা

দিলেহেতেন ভাল আছিল। আজি ৰাজ্য সভাত বহুত বিল pending হৈ আছে। বছৰ বছৰ ধৰি তাত pending হৈ আছে। এই অনুষ্ঠানটো স্বাধীনতাৰ আগৰ পৰাই চলি আছে আৰু ইতিমধ্যে ইয়াত এটা জাতিৰ Sentimate জড়িত আছে, তাৰোপৰি চৰকাৰৰ সাহায্যত চলি আছিল এই অনুষ্ঠান বিলাক। মই কাৰণে আমাৰ অসমৰ যিসকল স্কলাৰ্চ আছিল তেখেতসকলে আমাৰ চৰকাৰী মাদ্রাছাৰ concept টো আনিছিল যে আৰম্ভনিতে Theological Education ৰ লগত ধৰ্মীয় শিক্ষাৰ General Education খিনি আছিল আৰু চৰকাৰে সময়ে সময়ে সেইটো encurage কৰিছে, deficit system ত চলিছে provincialised হৈছে ,চৰকাৰৰ সহায়ৰ বাবেহে আজিৰ এই position পাইছেহি। মাননীয় মন্ত্ৰী মহোদয়েও কৈছে, কোৰাণ শিক্ষা থকাৰ কাৰণে কোনোবাই বাইবেল,গীতা শিক্ষাৰ বাবেও আবেদন কৰিব নিশ্চয়, তেখেতৰ কথাটোৰ যুক্তি আছে, কিন্তু মাননীয় অধ্যক্ষ মহোদয় আমি এটা কথা স্পষ্ট কৰো ইয়াত আমাৰ আপত্তি নাই। তেনেকুৰা কোনো গ্ৰুপে আহি আব্দাৰ কৰিলে দিব লাগে। আমি সকলো ধৰ্মৰ গ্ৰন্থক সন্মান কৰো,সেইয়া বাইবেল,গীতা,কোৰান ইত্যাদি যিয়েই নহ'ওক। অধ্যক্ষ মহোদয়,আমাৰ অসমৰ ভাস্কৰ বাৰ্মা যিখন সংস্কৃত University হৈছে ভালহৈছে,সংস্কৃত ভাষাটোক আমি সকলোৱে সন্মান কৰো ,তাতেও বৈদিক শিক্ষাৰ বাবে বিভাগ আছে। বেনাৰশ হিন্দু University টো আৰবী,পাৰ্চী, বৈদিক, সংস্কৃত ইত্যাদি শিকাৰ বাবে বিভাগ আছে। আনকি মাননীয় মন্ত্ৰী মহোদয় নিজেও এজন উকিল, মাননীয় অধ্যক্ষ মহোদয়, আপুনিও উকিল, **'Mohammedan Low'** যিটো কোৰাণ আৰু "Tradition of Prophet Muhammad sallallahu alaihi wasallam তাতে পঢ়োৱা হয়, এই ধৰ্মীয় শিক্ষা দিয়া হয়। মাননীয় অধ্যক্ষ মহোদয় মই . নিজেই দিল্লী University ত পঢ়িছো। তাতে Comperative studies on religon ,তাতে- জৈনিজম,জুদাইজম,হিন্দুইজম,ইছলাম,শিখইজম এই সকলোবোৰ বিষয মই নিজেই পঢ়িছো। Ultimately এই ধৰ্মীয় কিতাপখিনি তাত পঢ়োৱা হয়, এনেকুৰা নহয় যে ধৰ্মীয় কিতাপ নাই। চৰকাৰৰ খৰচতে হৈ আছে। ইয়াৰ কিমান justification আছে, ইয়াৰ সিদ্ধান্ত ভাৰত চৰকাৰ,অসম চৰকাৰ বা মাননীয় মন্ত্ৰী বা আপোনালোক সকলোৱে ল'ব কিন্তু All over India ত বিভিন্ন University ত ধৰ্মীয় শিক্ষাখিনি দি থকা হৈছে। অসমত মাদ্রাছাৰ সংখ্যা অলপ বেছি। যিহেতু এই অনুষ্ঠানখিনি আগৰ পৰাই হৈ আছে তাৰ অৰ্থ এইটো নহয় যে অসমৰ অন্য কোনো জেগাত ধৰ্মীয় শিক্ষা নাই। সকলো ঠাইতে হৈ আছে, মই আকৌ অনুৰোধ কৰিম যে যিহেতু এই অনুষ্ঠানখিনি বহুত দিনৰ পৰাই চলি আছে আৰু ইয়াত সাধাৰণ শিক্ষা খিনিও আছে। আমি পৰামৰ্শ দিছিলো যে Repealing জেগাত modernised শব্দটো আনি আপুনি আৰু বিজ্ঞান,ক'লা, বাণিজ্যিক; শিক্ষা দিয়ক , ১০+২ লৈকে কৰক লগতে computer শিক্ষা দিয়ক আৰু আৰবী শিক্ষাটোৰ ওপৰত বেছি জোৰ দি বিভিন্ন ধৰ্ম গ্ৰন্থৰ নিৰ্বাচিত বিষয়বোৰৰ গুৰুত্বপূৰ্ণ কথাখিনিৰ ওপৰত শিক্ষা দিয়াতো মই ভাল বুলি ভাবো। শেষত, এই বিলখন আজি পাচ নকৰি select coommittee ত দি অলপ পেণ্ডিং কৰি, চিন্তা-চৰ্চা কৰাৰ বাবে যাতে অলপ সময় দিয়ে তাৰ বাবে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জড়িয়তে অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** দেবব্রত শইকীয়া।

**শ্ৰী দেবব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছো মোকো এটি সুযোগ দিয়াৰ বাবে। আজি যি খন আইন আনিছে Repealing Act এই বিলখনৰ আমি বিৰোধীতা কৰিছো। যিহেতু ভাৰত চৰকাৰৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে কৈছে যে ভাৰতবৰ্ষক আমি

বিশ্বগুৰু বনাব লাগিব। নিশ্চিত ভাবে বিশ্বগুৰু হ'বলৈ হ'লে ইয়াৰ Human Resources আগবাঢ়ি যাব লাগিব। Sabka sath sabka bikash এই কথাখিনি তেতিয়া নিশ্চিতভাৱে হ'ব যেতিয়া আমাৰ দেশৰ সকলো জনগণে আগবাঢ়ি যাব। কিন্তু ভাৰতবৰ্ষৰ ২০ কোটি মুছলমান লোকৰ ভিতৰত যিটো National statistics office ৰ পৰিসংখ্যা সেই অনুসৰি ৪৮ শতাংশ মুছলিম মানুহে ৈ অনুৰোধ কৰিম মাননীয় মন্ত্ৰী মহোদয়ক ,যে এতিয়াও যদি পৰা যায় দফাই দফাই আলোচনা কৰি পাচ নকৰি যদি hold কৰিব পাৰে, আমাৰ সৈতে মাদ্ৰাছা স্ক'লাৰ্চ সকলৰ লগত আলোচনা কৰি পিচত আমি এটা সিদ্ধান্তত উপনিত হ'ব পাৰো বোধহয় ভাল হ'ব। ইয়াৰ পিচত দুটামান কথা কব বিচাৰো যে মাননীয় মন্ত্ৰী মহোদয়ে ইয়াৰ Justification ৰ ওপৰত তেখেতে সেইদিনাখন ভাল বক্তব্য দিছে, কিছুকথা কৈছে, ইতিমধ্যে কথা খিনি আহিছে। মাদ্ৰাছা দুই ধৰণৰ। এটা হ'ল বেচৰকাৰী মাদ্ৰাছা ,তাত কোনো পইচা নলয়। আমাৰ ইণ্ডিয়া লেভেলত যিসকল মাদ্ৰাছাৰ স্কলাৰ্চ আছে তেখেতসকলেও কয়, মাদ্ৰাছা কেম্পাচবিলাক privately চলি আছে, আমাৰ Community ৰ মানুহে চলাই আছে, আনকি মই গুজৰাটত গৈছো বহুত মাদ্ৰাছাৰ কেম্পাচ আমাৰ University ৰ campus ৰ নিচিনা। উত্তৰ প্ৰদেশ ,কেৰেলা বা অন্যান্য ৰাজ্যৰ দৰে আমি Financially sound নহয়। আমাৰ কেম্পাচ বিলাক বেছি শক্তিশালী নহ'লেও বাচকাণ্ডি বা হোজাই, গোৱালপাৰাতো দুই এখন মাদ্ৰাছাত ভাল কেম্পাচ আছে। Private মাদ্ৰাছা বিলাকৰ কথা মই কৈছো, এক টকাও নোলোৱাকৈ ভাল দৰে চলি আছে। All over the India হাজাৰ হাজাৰ ধৰ্মীয় অনুষ্ঠান চলি আছে, কোনোদিন তেওঁলোকে আগবাঢ়ি নাহে,দিলেও পইচা নলয় বহুতে। কিন্তু এই মাদ্ৰাছাখিনিয়ে যেতিয়া দেখিলে আমাৰ এটা অভিযোগ থাকে যে Religious Institution খিনিত তেখেত সকলে এটা sideত শিক্ষা দিয়ে Theological teaching খিনি মাদ্ৰাছাত হয় ,গতিকে General Education খিনিও লাগে, এই concept টো introduce কৰাৰ ভাৰতবৰ্ষত দ্বাদশ শ্ৰেণীলৈ পঢ়ে আৰু ১৪ শতাংশ দ্বাদশ শ্ৰেণীৰ ওপৰত পঢ়ে। সেইগতিকে চৰকাৰে এটা গুৰুত্ব দিছে যে সংখ্যালঘু সকলৰ বাবে শিক্ষা-দিক্ষা modernisation কৰিব লাগে আৰু প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ যি 15. (point) New Agenda for Minority Development, তাত যিটো চতুৰ্থ নাম্বাৰ দফা, তাত আছে Modernizing Madrassa Education provide basic educational infrastructure and resources for the modernization of Madrassa Education. . সেইগতিকে মাদ্ৰাছা শিক্ষাত কেন্দ্ৰীয় চৰকাৰে যে গুৰুত্ব দিছে সেইটো আমি ধৰিব পাৰো আৰু Minority Affairs ৰ মন্ত্ৰী Shri Mukhtar Abbas Naqvi ডাঙৰীয়াই যোৱা ২০১৯ চনৰ জুন মাহত কৈছে যে মাদ্ৰাছা বিলাক থাকে , যিহেতু বহু অঞ্চলত, সৰু সৰু গাওঁ বিলাকত স্কুল কলেজ নাথাকে। তেখেতসকলে প্ৰায় ৯ হাজাৰতকৈ অধিক মাদ্ৰাছাক সহায় কৰা কথা কৈছে। ঠিক তেনেধৰণে ভাৰত চৰকাৰৰ এখন Parliamentary Penel ৰ এটা Report ত কৈছে যে 'Drop in spending on modernisation scheme a disturbing trend.' সেই গতিকে মাদ্ৰাছা শিক্ষা ৮০ শতাংশ বঢ়াবলৈ বিচাৰিছে তেখেতসকলে পুঁজি আৱন্তন দি। সেইঅনুসৰি ২০২০-২১ চনত ৮৩ শতাংশ growth হ'ব Budgetary allocation ২২০ কোটি টকা লৈ আৰু পৰৱৰ্তী সময়ত ২০২১-২২ চনত ২৫০ কোটি, ২০২২-২৩ চনত ২৮০ কোটি টকা মাদ্ৰাছা শিক্ষাৰ বাবে ব্যৱস্থা কৰিবলৈ Parliamentary Committee য়ে কেন্দ্ৰীয় চৰকাৰক .পৰামৰ্শ দিছে ।প্ৰায় ২৭ হাজাৰ শিক্ষক আৰু ৯ হাজাৰ মাদ্ৰাছা এনেকৈ যিখিনি কথা কৈছে সেইখিনিৰ

লগত যিহেতু চৰকাৰী ভাৱে modernisation of (IDMI) 'Infrastructure Development of Minority Institutes,'তাৰপিচত 'Scheme for Providing Quality Education in Madrasas'আদি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন ঘোষিত কাৰ্য্যসূচী আছে। যিহেতু ৯০ঃ১০ অনুপাতট আমাৰ পুঁজি আহে, সেইগতিকে মাদ্ৰাছা সমূহত অকল যে ধৰ্ম শিক্ষা দিয়ে এই কথাটো ইতিমধ্যে বহুতে কৈছে যে ই সত্য নহয়। কাৰণ অসমীয়া, ইংৰাজী, গণিত, বিজ্ঞান, সমাজবিদ্যা, আৰবী, অসমীয়া সাহিত্যত থকাৰ দৰে কবিতা, গল্প আৰু বিকাশ আৰু আকাৰ এই বিষয়ত ৫০ নম্বৰ, য'ত ইছলাম ধৰ্মৰ কিছু কথা- বাৰ্তা থাকে। সেইগতিকে এই কথাখিনি চায় আমি ভাবো যে সদনৰ বহু সংখ্যক সদস্যই কোৱাৰ দৰে সকলোকে লৈ যিহেতু যাব লাগে আৰু আপুনি যদি Select Committee ৰ বাবে এটা বিবেচনা কৰে চৰকাৰক মই ভাল পাম.। যিহেতু প্ৰধান মন্ত্ৰী ডাঙৰীয়াই আমাক বিশ্ব গুৰু বনাব বিচাৰে আমি সকলোকে লৈ লৈ যাব লাগিব আৰু সংখ্যালঘু সকলৰ মাজত যি জন্মহাৰ বৃদ্ধি, এই সংক্ৰান্তত সামাজিক গৱেষক সকলে কৈছে যে ইয়াৰ কাৰণ হ'ল শিক্ষাৰ অনগ্ৰহতা, অৰ্থনৈতিক অনগ্ৰহতা এনেকুৱাধৰণৰ কথা থকাৰ পাচত যিসকলে Treaditional শিক্ষাৰ যোগেদিও আগবাঢ়ি Skill Development ত যাব পাৰে, তাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ দৰে অসম চৰকাৰেও বিশেষ কাৰ্যসূচী ল'ব বুলি মই আশা কৰি এই বিলখনৰ বিৰোধীতা কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বৃন্দাবন গোস্বামী।

**শ্ৰী বৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সকলো কথা শুণি আছো। মাদ্ৰাছাতেই হওঁক আমাৰ স্কুল,হাইস্কুলতে হওঁক এই ল'ৰা-ছোৱালীবোৰ আমাৰেই লৰা-ছোৱালী। মই শিক্ষা মন্ত্ৰী হৈ থাকোতে সদায় দেখিছিলো মাদ্ৰাছা ব'ৰ্ডৰ সভাপতি সকলক আমাৰ এই শ্ৰেণীৰ সমাজৰ পৰা দিয়ে। মই কাকো নিদি নিজে সভাপতি হ'লো। সভাপতি হৈ গোটেই অসমখন ঘূৰিলো। প্ৰথমতে মই গ'লো কাছাৰলৈ আৰু বাচকাণ্ডিৰ হজুৰৰ ওচৰলৈ গ'লো। আমাৰ ৬০ লাখ টকা এটা পৰি আছিল । তেখেতক কলো আপোনালোকৰ মাদ্ৰাছাৰ কাৰণে যদি টকা লয় আমাৰ চৰকাৰৰ এই টকাখিনি আমি দিব পাৰো। তেখেতে ক'লে এই টকাত আপোনাৰ অধিকাৰ ক'ত? মোক নালাগে, আ পুনি দৰমহা কিমান পায়? এই বুলি কৈ মোক এখন ৰছিদ বহী উলিয়াই দিলে আৰু ক'লে যে আপোনাৰ যি শক্তি তাৰে দিয়ক। তাত মই এটা শিক্ষা পালো। যিহেতু চৰকাৰী টকা, মই মন্ত্ৰী হৈ মোৰ শব্দটো কোৱাৰ অধিকাৰ নাই। তাৰপিচত তৈয়বুৰ ৰহমান দেৱৰ ওচৰলৈ গলো আৰু তেখেতক একেখিনি কথাকে কলো তেখেতে ক'লে কিয় ন'লম, ক'ৰ কাটল দি আমি পুঁজি কৰিছো চৰকাৰৰ ঘৰত। ইয়াত মোৰ অংশ আছে ,আমি ল'ম। মাদ্ৰাছা শিক্ষাটো খুউব অৱহেলিত হৈ আছিল। পৰীক্ষা ঠিক মতে পাতিব নোৱাৰে আৰু তাত নতুন কোনো বিষয় অন্তৰ্ভূক্ত কৰা হোৱা নাছিল। তেওঁলোকে পাচ কৰি কলেজত যাব নোৱাৰে। এই ল'ৰা-ছোৱালীখিনি আমাৰে ল'ৰা-ছোৱালী। তেওঁলোকে পৰিবৰ্তীত যিখন পৃথিৱী তাৰ লগত অপৰিচিত হৈ থাকিব লগীয়া হয়। মই সকলো Superintendent ক মাতিলো গোমা ফুলবাৰীলৈ, তাত এখন ডাঙৰ সভা হ'ল, তেখেতসকলক ক'লো আজি আমাৰ মন্ত্ৰী ডাঙৰীয়াই এটা প্ৰগ্ৰেচিভ, প্ৰগতিশীল দৃষ্টি ভংগীৰে তেখেতে ইমান সুন্দৰকৈ কথাখিনি কৈছে এই ল'ৰা-ছোৱালীখিনিৰ কাৰণে, মই তেওলোকৰ লগত কথা পাতিলো যে আপোনালোকৰ সকলো চৰকাৰী হ'ব, সকলো ব্যৱস্থা ল'ব আৰু ইয়াত নতুন নতুন বিষয় সন্নিবিষ্ট হ'ব। আচিমগঞ্জত যাওঁতে আমাৰ সেই সময়ৰ কেন্দ্ৰীয় মন্ত্ৰী সন্তোষ মোহন দেৱকো মাতিলো, লক্ষ মানুহ হ'ল। এটা পৰিবেশৰ মাজত সেইদিনা সকলোৱে ল'লে আৰু মাদ্ৰাছা

সমুহলৈ চৰকাৰী অনুদান আগবঢ়ালো। মই কালি পৰা শুনি এটাই অনুভৱ কৰিছো, যে নতুন চাম পুৰুষক, নতুন চাম শিশুক একত্ৰিত ভাৱে এখন নতুন পৃথিৱীৰ লগত যাতে চিনাকী কৰি দেখুৱাই দিব পাৰে, আগবাঢ়ি যোৱাৰ কাৰণে এই অনুভৱটো মোৰ হৈছে। গতিকে, মই ভাবো ধৰ্মই প্ৰেম,দয়া, কৰুণাৰে সকলোকে একত্ৰিত কৰে। আজি মাদ্ৰাছাৰ ছাত্ৰ-ছাত্ৰী সকলে ....ব্যৱধান......

**মাননীয় অধ্যক্ষঃ** আজি আমাৰ বিষয়টো Repealing ৰ সম্পৰ্ক ত, বাকী কথাবোৰ আজি নহ'ব।

**শ্ৰী বৃন্দাবন গোস্বামী, (তেজপুৰ)ঃ** কালিৰ পৰা এই কথা সমূহ শুনি মই এয়াই অনুভৱ কৰিছো যে- এই নতুন চাম শিশুক একত্ৰিত ভাৱে এখন নতুন পৃথিৱীৰ লগত চিনাকি কৰি দিয়াৰ বাবে আগবঢ়াই দিব লাগে। অসমীয়া চৰকাৰী স্কুলত হিন্দু ল'ৰাই উৰ্দু পঢ়িছিল। আনহাতে, মোৰ এগৰাকী বান্ধৱীয়ে সংস্কৃতত এম.এ পঢ়ি ধুবুৰীৰ বি.এম. কলেজত সংস্কৃত বিভাগৰ head হৈছিল। এনেদৰে বহুতো মুছলমান ল'ৰাই আন বহু ক্ষেত্ৰত নেতৃত্ব লৈছে। গতিকে, ধৰ্মই প্ৰেম, দয়া, কৰুণাৰ মাজেৰে মানুহক একত্ৰিত কৰে আৰু ৰাজনীতি আইনৰ মাজেৰে একত্ৰিত হয়। মন্ত্ৰী ডাঙৰীয়াই কেতবোৰ অসুবিধাৰ কথা উল্লেখ কৰি আইনৰ মাজেৰে কোনখিনি কাম আগবঢ়াই লৈ যাব পাৰি তাৰ বিষয়ে কৈছে। আজি এটা কথাত আমি সদনৰ সকলোৰে একমত হোৱা উচিত যে এইখন অসমত জন্ম হোৱা জনে হুছেইন লিখে নে, আলী লিখে নে বৰুৱা নে ভট্টাচাৰ্য লিখে সেইটো বেলেগ কথা .... ব্যৱধান......

**মাননীয় অধ্যক্ষঃ** আপুনি সময়টোৰ প্ৰতি লক্ষ্য ৰাখি চমুকৈ কওঁক।

**শ্ৰী বৃন্দাবন গোস্বামী, (তেজপুৰ)ঃ**হয়, মই শেষ কৰিছো । আজি এই বিধেয়কখন অনাৰ যি উদ্দেশ্য, যে অসমত বসবাস কৰা জাতি, ধৰ্ম, জনগোষ্ঠীৰ প্ৰত্যেকটো নৱ-প্ৰজন্মক এইখন পৃথিৱীৰ প্ৰত্যাহ্বানৰ মুখমুখি কৰিবৰ বাবে এটা যুগৰ পৰা আন এটা উন্নত যুগত লৈ যোৱাৰ বাবে সহায়ক হোৱাকৈ আমি ঐক্যবদ্ধ ভাৱে আগবাঢ়ি যদি সিদ্ধান্ত গ্ৰহণ কৰো, তেন্তে আগন্তুক সময়ৰ বাবে আমি এক ভাল ইতিহাস তৈয়াৰ কৰিব পাৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** প্ৰদীপ হাজৰিকা। আপুনি দুই-তিনি মিনিটৰ ভিতৰত কৈ শেষ কৰিব।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি)ঃ** অধ্যক্ষ মহোদয়, ভাৰতীয় সংবিধানখন সকলোৰে বাবে আছে। Top to bottom সকলোকে সাঙুৰি সংবিধানখন ৰচনা কৰা হৈছে। এটা বৃহৎ ডাঙৰ section ক বঞ্চিত কৰাৰ বাবে সংবিধানখন নাই। ভাষাৰ ক্ষেত্ৰত, চাবলৈ গ'লে, চীন বিশ্বৰ first economy হ'বলৈ গৈ আছে, কিন্তু, চীনৰ লোকসকলে কেৱল চীনা ভাষাহে ব্যৱহাৰ কৰে, অন্য ভাষা আনকি ইংৰাজী ভাষাতো তেওঁলোকে কথা নাপাতে। So, the language can not be a barrier. আমাৰ ইয়াৰে সাধাৰণ ড্ৰাইভাৰ এজনে নাগালেণ্ডতগৈ গাড়ী চলাবলৈ হ'লে নাগামিজ ক'ব লগীয়া হয়। এনে ক্ষেত্ৰত অধ্যক্ষ মহোদয়, অসমৰ মানুহখিনিক সৰল মানুহ বুলি কোৱা হয় আৰু মই ভাৱো, এই সহজ-সৰল মানুহখিনিৰ ওপৰত বহুদিন আগৰে পৰা বহুতে শোষণ চলাই আছে। এই দিশবোৰ আমি কাহানিও কোনেও চোৱা নাই। .... ব্যৱধান...

**মাননীয় অধ্যক্ষঃ** বিধেয়কখনৰ লগত জড়িত কথাখিনি কওঁক। অন্য কথা ক'লে সময়ৰ ক্ষেত্ৰত অসুবিধা হ'ব।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি)ঃ** ইয়াত কৈছে যে এইটো সাত শ বছৰ আগৰ পৰা আছে। আমাৰ যি ৰাজহ, সেইয়া সকলোৰে বাবে আছে নে নাই? এখেতেও কৈছে যে- আমি বিশেষ ধৰ্ম এটা পঢ়াবৰ বাবে ৰাজহ খৰচ কৰি আছো। কিন্তু, শ্বেৰমান আলী ডাঙৰীয়াও কৈছে যে-প্ৰকৃততে

মই ব্যক্তিগত ভাৱে ক'বলৈ হ'লে ইছলাম ধৰ্ম কোনো কাৰণতে চৰকাৰৰ টকা লৈ চলিব নোৱাৰে।
....ব্যৱধান....

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** Sir, Point of Order.

**মাননীয় অধ্যক্ষঃ** প্ৰথমে তেখেতক কৈ শেষ কৰিব দিয়ক।

প্ৰদীপ হাজৰিকা ডাঙৰীয়া, মই সেই কাৰণে এইটো debate লৈ যাব বিচৰা নাই, we are on the Bill.

**প্ৰদীপ হাজৰিকা, (আমগুৰি)ঃ** অধ্যক্ষ মহোদয়, মই ক'বলৈ বিচাৰিছো যে আজি যিখন বিধেয়ক আনিছে, সেইখন কাকো অপকাৰ কৰিবলৈ বা কাৰো ধৰ্মীয় আলোচনা বা চৰ্চাত বাধা দিবলৈ অনা নাই। All have the liberty to practice their respective religion under the Constituion of India. এতিয়া অসমৰ মানুহবোৰে সকলো কথা লাহে লাহে চাবলৈ লৈছে আৰু সেইটো চাবই লাগিব নহ'লে অসমখনৰ সাংঘাটিক অৱস্থা হ'ব। সেয়েহে, মই আশা ৰাখিছো যাতে আজি আমাৰ এই বিধেয়কখনৰ ওপৰত এক সুস্থ সিদ্ধান্ত লোৱা হয় । ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Thank You.

What is your point of order? (জাকিৰ হুছেইন সিকদাৰক উদ্দেশ্যি)

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়াই তেখেতৰ বক্তব্য ৰাখিব পাৰে, কিন্তু, তেখেতে কোৱা এটা কথাত আমাৰ আপত্তি আছে যে- ৰাজহৰ টকাৰে ধৰ্ম চলাই আছে।

**মাননীয় অধ্যক্ষঃ** নাই, নাই তেনে কথা কোৱা নাই। ৰাজহৰ টকাৰে ধৰ্ম চলা শব্দটো মই শুনা নাই। তেখেতে কৈছে নেকি ?

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি)ঃ** অধ্যক্ষ মহোদয়, শ্বেৰমান আলীয়ে তেখেতৰ বক্তব্যত উল্লেখ কৰিছে যে ইছলাম ধৰ্ম কেতিয়াও চৰকাৰৰ টকাৰে নচলে। এই কথাটোৰ reference তহে মই কৈছো।

**মাননীয় অধ্যক্ষঃ** হয় সেই কথাটোহে কৈছে। তেওঁৰ কথাখিনিৰ অৰ্থ হ'ল যে আমাৰো এনে কিছুমান ধৰ্মীয় অনুষ্ঠান আছে য'ত চৰকাৰী টকা লোৱা নহয়।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, যোৱা পৰহি মই বক্তৃতা দিওঁতে আপোনাক এটা Pendrive দিয়াৰ কথা কৈছিলো, মই সেইটো আপোনাক দিব বিচাৰিছো।

(Pendrive টো অধ্যক্ষ মহোদয়ৰ ওচৰত দাখিল কৰে)।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমি এই পৱিত্ৰ সদনত "Madrasa Education Provincialization Act, 1995" আৰু "Assam Madrasa Education (Provincialization of Services of Employees and Re-organization of Madrasa Education Instituion ) Act, 2018" এই দুইখন Act, repeal কৰাৰ বাবে পৱিত্ৰ সদনৰ মজিয়াত এখন Repealing Bill উত্থাপন কৰিছিলো। এই বিধেয়কখনৰ ওপৰত হোৱা আলোচনাত আমাৰ পৱিত্ৰ সদনৰ সন্মানীয় বিৰোধী পক্ষৰ সদস্যসকল, বিৰোধী দলপতি, উপ-দলপতি, এ. আই. ইউ. ডি.এফ দলৰ দলপতি আৰু প্ৰাক্তন শিক্ষামন্ত্ৰী বৃন্দাবন গোস্বামী ডাঙৰীয়াকে আদি কৰি বহুকেইগৰাকী সদস্যই অংশগ্ৰহণ কৰিছে।

অধ্যক্ষ মহোদয়, আমি প্ৰথমে এটা কথা স্পষ্ট কৰি দিব লাগিব যে-এই শিক্ষানুষ্ঠানবিলাক বন্ধ কৰাৰ বাবে আমি কোনো ধৰণৰ বিধেয়ক অনা নাই। এই শিক্ষানুষ্ঠান সমূহৰ গৰিমা আৰু continuity ত এই বিধেয়কখনৰ কোনো প্ৰভাৱ নাই। কোনোৱে কৈছে যে আমি আৱেগিক হৈছো। শিক্ষানুষ্ঠান এখন বন্ধ কৰি দিব খুজিলে আৱেগিক হোৱাটো স্বাভাৱিক। ৱাৰেন হেষ্টিংছে মাদ্ৰাছা শিক্ষা আৰু general education, combination কৰি আৰম্ভ কৰিছিল। অৰ্থাৎ Qaumi ৰ পৰা hybrid, hybrid ৰ পৰা general education কৰাৰ এটা প্ৰচেষ্টা আছিল, যাক আমি ইয়াত বহুত বছৰৰ পিছত আজি সাৰ্থক কৰিবলৈ থিয় হৈছো। Qaumi শিক্ষা, যাক আমি হাফিজী মাদ্ৰাছা বুলি কওঁ, ইয়াৰ ইতিহাস বহুত বছৰ পুৰণি। এটা সময়ত ভাৰতবৰ্ষৰ প্ৰণেতা বা বিদ্বান ব্যক্তিসকলে অনুভৱ কৰিছিল যে কেৱল ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত যদি Qaumi শিক্ষা দি থকা হয়, তেন্তে এই সমাজখনৰ পৰা IAS officer, Doctor, Engineer নাহিব। এটা সময়ত, বিশেষকৈ কলিকতাত মাদ্ৰাছা আৰম্ভ কৰা হৈছিল, য'ত Qaumi শিক্ষা, যাক আমি Theological Education বুলি কওঁ, তাৰ লগত normal শিক্ষাকো সন্মিলিত কৰাৰ প্ৰচেষ্টা কৰা হৈছিল। আজি আমি যি মাদ্ৰাছা শিক্ষাৰ কথা আলোচনা কৰিছো, this Madrasa education is typical to Assam and Bengal. বাকী, মাদ্ৰাছা আধুনিকীকৰণৰ ওপৰত বিৰোধী দলপতিয়ে যি কথা কৈছে, তাত আমি একমত। আমাক ভগৱানে যদি সুযোগ দিয়ে, তেন্তে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ যি আশা, যে- এফালে কোৰাণ, ˉ এফালে কলম, দীন আৰু দুনিয়া, এই দুয়োটাৰ ওপৰত যি প্ৰচেষ্টা, তাক ক্ৰিয়ান্বিত কৰিবলৈ আমি চেষ্টা কৰিম। ২০০৮ চনত প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ লগত আলোচনা কৰি মই ব্যক্তিগতভাৱে প্ৰচেষ্টা চলাইছিলো, সেই সম্পৰ্কত ওৱাজেদ আলী ডাঙৰীয়াইও আজি উল্লেখ কৰিছে। এসময়ত আমি ভাৱিছিলো- হাফিজী মাদ্ৰাছাবোৰত দুটা component হওঁক, এটাত ধৰ্মীয় শিক্ষা আৰু আনটোত সৰ্বশিক্ষা অভিযানৰ পৰা অংক আৰু সমাজ বিজ্ঞানৰ শিক্ষক দিয়া হ'ব যাতে হাফিজী মাদ্ৰাছাত পঢ়া ছাত্ৰ-ছাত্ৰীসকলে দীন আৰু দুনিয়া, ধৰ্ম আৰু জগত দুয়োটাৰে জ্ঞান ল'ব পাৰে। মই বদৰুদ্দিন আজমল ডাঙৰীয়াক হুজুৰ বুলি ক'লে কিছুমানে আপত্তি কৰে। আমাৰ ৰাজনৈতিক পাৰ্থক্য যিয়েই নহওঁক, যাৰ য'ত সন্মান যেনেধৰণৰ, আমি সেইধৰণে ক'ব লাগিব। তেওঁক মই হুজুৰ কোৱাটো ভুল হ'ব নোৱাৰে, সেই ধৰ্মৰ যিজন জ্ঞানী, তেওঁক হুজুৰ বুলি ক'ম, আমাৰ হিন্দু ধৰ্মৰ কোনো জ্ঞানী ব্যক্তিক পণ্ডিত বুলি আৰু বাইবেলৰ ওপৰত জ্ঞান থকা ব্যক্তিক Father বুলি ক'ম। তেখেতৰ ৰাজনীতিৰ লগত মোৰ একাত্মতা নাথাকিব পাৰে। সি যি কি নহওঁক, এই প্ৰস্তাৱটো লৈ মই বদৰুদ্দিন আজমল ডাঙৰীয়াৰ ওচৰত গৈছিলো, কিয়নো সেই সময়ত তেখেত Tanzim ৰ সভাপতি আছিল। Tanzim is a Islamic Education Organization in Assam i.e. All Assam Tanzim Madaris Qaumia, Nagaon. ইয়াত মৌলানা আবুল কাদিৰ কাছিমীৰ লগতে সভাপতি হিচাপে মৌলানা বদৰুদ্দিন আজমল আছিল । ২০০৮ চনত এই প্ৰস্তাৱটো পোৱাৰ পিছত বদৰুদ্দিন আজমল ডাঙৰীয়াই জুলাই মাহৰ ২ তাৰিখে এখন সভা অনুষ্ঠিত কৰি সিদ্ধান্ত লৈছিল, যিখিনি গৌহাটী বিশ্ববিদ্যালয়ৰ প্ৰৱক্তা আবু নাছিৰ চৈয়দ আহমেদে ৰেকৰ্ড কৰি Madrasas in Assam ৰ ওপৰত Thesis নহ'লেও পেপাৰ এখন লিখিছিল। আজি সদনত ওৱাজেদ আলী ডাঙৰীয়াই এই কথাখিনিৰ সাক্ষী হিচাপে থিয় দিছে। প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়াৰ দিনৰে পৰা আমি মাদ্ৰাছা শিক্ষাৰ লগত দীন আৰু দুনিয়াৰ শিক্ষা দিয়াৰ বাবে প্ৰয়াস কৰি আছিলো আৰু এই প্ৰয়াসৰ পৰা যে আমি আজিও আঁতৰি অহা নাই সেই কথাখিনি ক'বৰ বাবে মই ইয়াত থিয়

হৈছো। মৌলানা বদৰুদ্দিন আজমলে সভাখনত কৈছিল যে- this organization is opposed to the idea of appointing teachers under the Sarba Siksha Abhijan. In a meeting of the tanzim presided over by its President Maulana Badaruddin Ajmal on July 02, 2008, they passed a resoultion saying that there was a hidden objective in inducting the Sarba Siksha courses and appointment of teachers in madrasas under the Abhijan. অৰ্থাৎ, আমি বিচাৰো- হাফিজী মাদ্ৰাছাবোৰতো দীন আৰু দুনিয়া দুয়োটাৰে শিক্ষা হ'ব লাগে। আজি বিৰোধী দলপতি ডাঙৰীয়াই, নাগবী ডাঙৰীয়াই উল্লেখ কৰা যিটো মাদ্ৰাছাৰ কথা কৈছে সেই মাদ্ৰাছা আমাৰ নহয়। ৱাৰেন হেষ্টিংছে আৰম্ভ কৰা এই মাদ্ৰাছা কেৱল অসম আৰু বেংগলত দেখা পোৱা যায়, যি দেশৰ অন্য কোনো প্ৰান্তত নাই। বাকী ৰাজ্যবোৰত Qaumi Madrasa চলে আৰু কংগ্ৰেছৰ দিনতে Qaumi Madrasa বিলাকৰ ক্ষেত্ৰত সিদ্ধান্তবোৰ চৰকাৰে ল'বৰ বাবে National Madrasa Education Board পতাৰ বাবে কপিল চিবাল ডাঙৰীয়াই চেষ্টা কৰিছিল। এইক্ষেত্ৰত Qaumয়ে আপত্তি কৰিছিল। আৰবীয়া, হাফিজীয়া দুই ধৰণৰ মাদ্ৰাছা আছে। এই মাদ্ৰাছাবোৰক একত্ৰিত কৰি combined examinationৰ জৰিয়তে মাদ্ৰাছাক চলাবৰ বাবে কংগ্ৰেছৰ দিনতে প্ৰচেষ্টা কৰা হৈছিল। এইবোৰ মই কংগ্ৰেছৰ পৰা শিকি অহা কথা, নতুনকৈ ইয়াক আৱিষ্কাৰ কৰা নাই। Right to Education ৰ সময়ত এই শিক্ষাক আধুনিকীকৰণ কৰিম বুলি সিদ্ধান্ত লোৱা হৈছিল। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ 'সব্‌কা সাথ সব্‌কা বিকাশ' নীতিৰ আধাৰত কৈছিল যে দীন আপোনালোকে চলাওঁক, আমাক দুনিয়া চলাবলৈ দিয়ক। অৰ্থাৎ, ইছলামৰ শিক্ষা, Hadith কোৰাণৰ শিক্ষা আপোনালোকে দিয়ক, কিন্তু ব্যৱহাৰিক জ্ঞান আৰু প্ৰজ্ঞান দিয়াৰ দায়িত্ব আমাক দিয়ক। কিছু মাদ্ৰাছা সেই দিশত গৈছে আৰু কিছু মাদ্ৰাছাই সেই দিশত যোৱা নাই। গতিকে, ভগৱানে যদি মোক সুযোগ দিয়ে এই ক্ষেত্ৰত মোৰ প্ৰচেষ্টা থাকিব যে -অসমত হাফিজী মাদ্ৰাছাসমূহৰ পঞ্জীয়ন হ'ব লাগে। আজি মাদ্ৰাছা শিক্ষাক লৈ যিসকল লোক আৱেগিক হৈছে, তেওঁলোকে আবু নাছিৰ চৈয়দ আহমেদ ডাঙৰীয়াৰ কিতাপখন পঢ়িব যে তাত কি ধৰণে Yatimkhana বা Banat Madrasa সমূহত poor quality educationৰে তেওঁলোকে দীনৰ বাবেও নিজক প্ৰস্তুত কৰিব পৰা নাই, দুনিয়াৰ বাবেও নিজক প্ৰস্তুত কৰিব পৰা নাই। These are recorded facts by the Islamic scholar, not by me. মই আগতেও কৈছিলো আৰু কালিও আমাৰ বিৰোধী দলৰ দলপতিৰ লগত কেন্টিনত চাহ খাই থাকোতে কৈছো যে- ইতিহাস কোনেও মচিব নোৱাৰে। মোৰ জীৱনত মই কংগ্ৰেছৰ দিনত কৰা tweet এটাও মচা নাই। Tweet বোৰ মচি দিবলৈ মোক বহুতে পৰামৰ্শ দিয়ে কিয়নো বহুতে এতিয়াও সেইবোৰ চাই থাকে । কিন্তু মই মচি নিদিওঁ, কাৰণ জীৱনৰ এটা পৰ্যায় মই মচিব নোৱাৰো। মোৰ দেউতাই এটা কথা লিখি থৈ গৈছিল যে- জীৱনৰ যি সোঁত বা পণ আমি পাৰ হৈ আহিছো, সেই সোঁত বা পণৰ ওপৰত আমাৰ অধিকাৰ নাই। সেই সময়খিনি ইতিহাসে লৈ গ'ল। অধ্যক্ষ মহোদয়, মাদ্ৰাছা শিক্ষাৰ ওপৰত মোৰ এটা দৃষ্টিভংগী আছিল যে ইছলামিক লোকসক ল শিক্ষাৰ প্ৰতি ৰক্ষণশীল। তেওঁলোক মাদ্ৰাছালৈ এখোজ আগবাঢ়ি আহিলে পৰৱৰ্তী পৰ্যায়ত হয়তো আধুনিক শিক্ষালৈও এখোজ আগবাঢ়ি আহিব। তাৰ পৰিপ্ৰেক্ষিতত আমি মাদ্ৰাছা শিক্ষাৰ পৃষ্ঠপোষকতাও কৰিছিলো আৰু সেয়েহে মাদ্ৰাছা শিক্ষা সঞ্চালকালয়ো গঠন কৰিছিলো । বদৰপুৰত গৈ ইছলামিক দৰ্শনৰ ওপৰত মোৰ যি ধনাত্মক অভিমত, তাত আন কথাও আছে, যি কথা মই ব্যক্তিগত ভাৱে

ক’ম, সদনত ক’ব নোৱাৰো। মোৰ জেহাদৰ ওপৰত দুটা দৃষ্টিভংগী আছে যে- পয়গম্বৰ হজৰত মহম্মদে কোনটো জেহাদৰ কথা কৈ গৈছিল, আজিৰ জেহাদৰ কথা কৈ গৈছিল নে মানুহৰ শৰীৰৰ ওপৰৰ জেহাদৰ ওপৰত কৈ গৈছিল! মোৰ দৃষ্টিভংগীৰ পাৰ্থক্য আছে, কিন্তু ইছলামৰ পৱিত্ৰতাক আমি কেতিয়াও অস্বীকাৰ নকৰো। আমি ৰাজনীতি, মৌলাবাদক অস্বীকাৰ কৰিলেও দৰ্শনক অস্বীকাৰ নকৰো। আজি ওয়াজেদ আলী চৌধুৰী ডাঙৰীয়াই যদি এইখন চৰকাৰৰ তৰফ ৰ পৰা ইছলাম বিৰোধী বাৰ্তা যোৱা বুলি কয়, তেন্তে মই ভাৱো যে ইয়াতকৈ আৰু ভুল বাৰ্তা ক’তো যাব নোৱাৰে। যোৱা কালি মই জলেশ্বৰ সমষ্টিৰ বিধায়ক ডাঙৰীয়াৰ লগত আলোচনা কৰিছো যে আমি তাত মহিলা মহাবিদ্যালয়ৰ কাম আৰম্ভ কৰিম। অধ্যক্ষ মহোদয়, মহিলা মহাবিদ্যালয় স্থাপন কৰাৰ মোৰ কি প্ৰয়োজন আছিল ? মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ দিনতে মুছলমান সমাজৰ বাবে scholarship বৃদ্ধি হৈছে। আজি গুৱাহাটী মেডিকেল কলেজত চাৰি বছৰ আগলৈকে নগাওঁ-মৰিগাঁৱৰ পৰা কোনো মুছলমান ৰোগী অহা নাছিল, কিন্তু আজি যদি গুৱাহাটী মেডিকেল কলেজখন চায়, তেতিয়া দেখিবলৈ পাব যে তাত ৭০% মুছলমান ৰোগী ধিং-ৰূপহীৰ পৰা আহে। অৰ্থাৎ, তেওঁলোকৰ আমাৰ ওপৰত আস্থা আছে। মোৰ ওপৰত ব্যক্তিগত ভাৱে তেওঁলোকৰ আস্থা আছে। কাৰণ অটল অমৃত অভিযান, আয়ুষ্মান ভাৰতে যদি কাৰোবাক উপকৃত কৰিছে তেন্তে অসমৰ সংখ্যালঘু সমাজখনক আটাইতকৈ উপকৃত কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, আজি অৰুণোদয় আঁচনিয়ে কাৰোবাক যদি উপকৃত কৰিছে, অসমৰ সংখ্যালঘু সমাজখনক আটাইতকৈ উপকৃত কৰিছে। সেইকাৰণে মই ভাৱো যে এখন সমাজক বিকাশৰ পথলৈ লৈ যোৱাৰ প্ৰচেষ্টাক আমি কেতিয়াওঁ বিৰোধী দৃষ্টি ভঙ্গীৰে চাব নালাগে। আজি টেটৰ শিক্ষক বদলিৰ বিৰুদ্ধে যিখন আইন অনা হৈছে, সেই আইনখনে মুখ্যত কাক সহায় কৰিব ? চৰ অঞ্চলৰ বিদ্যালয় সমূহক সহায় কৰিব। গতিকে কৰোবাত যদি মৌলাবাদক বিৰোধীতা কৰাৰ কাৰণে ধৰ্মক বিৰোধীতা কৰিছো মেছেজ পঠায় মই ভাৱো সেয়া ভুল কথা। যোৱা কেইদিনমান আগতে আমিনগাওঁত স্কুটী বিতৰণৰ সভা হৈছিল। ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়া আছিল। তাত মই কৈছিলো যে আজি আমি ইয়াত স্কুটী বিতৰণ কৰিছো এচাম ছোৱালীক। অথচ এই বয়সৰে একে ছোৱালী কোনোবা ঠাইত ৬ বা ৭ গৰাকী সন্তানৰ মাতৃ হৈ জীৱনৰ বেদনা দায়ক দৃশ্যবিলাক তেওঁলোকে উপভোগ কৰি আছে, তেওঁলোকে চাই আছে। সেই সভাত মই কৈছিলো যে যেতিয়ালৈকে সেইখন সমাজক আমি ৰূপান্তৰ কৰিব নোৱাৰো, কোনেও নিবিচাৰে। আজি বিধান সভাত থকা কোনোএজন সদস্যয়েও নিবিচাৰে যে **১৪** বছৰত কোনোবা ছোৱালীৰ বিয়া হওঁক, ২০ বছৰত **৫** জন সন্তানৰ মাতৃ হওঁক। আজি বৰপেটা মেডিকেল কলেজত যেতিয়া মই যাওঁ মই ছোৱালীবিলাকক সুধো যে তোমাৰ বয়স কিমান মা ? তেওঁলোক ইতিমধ্যে ২-৩ টা সন্তানৰ মতৃত্ব অৰ্জন কৰিছে। কিন্তু তেওঁলোকক আগতীয়াকৈ শিকাই দিয়া হয় আৰু তেওঁলোকে লগে লগে উত্তৰ দিয়ে যে ২৪ বছৰ। কিন্তু মই যেতিয়া ডাক্তৰক সুধো যে বয়স কিমান ? তেখেতে কয় যে ছাৰ, খুব বেছি ১৬ বছৰ। তেওঁলোকক বয়সটো বেছি বুলি ক’বলৈ শিকাই দিয়া হয়। সেইখন সমাজৰ উত্তৰণৰ দায়িত্ব আজি বি জে পি দলে গ্ৰহণ কৰিছে। আমাক ভোট নালাগে। আমি এই কাৰণে গ্ৰহণ কৰিব পাৰো কাৰণ সেইখন সমাজৰ ভোট আমাক নালাগে। কাৰণ আমাৰ তাত vested interest নাই। মই যেতিয়া কংগ্ৰেছত আছিলো পদে পদে মোক ভোটৰ প্ৰয়োজন আছিল সেইখন সমাজত। আজি মোক ভোট নালাগে। মই মিটিঙত কওঁ যে জলেশ্বৰত মোক ভোট নালাগে, বাঘবৰত ভোট নালাগে আৰু মই neutral কাৰণে তাৰ লগত কোনো vested interest নাই কাৰণে আজি আমি সংস্কাৰৰ কথা ক’ব পাৰিছো

যে হয় সংস্কাৰ লাগে সমাজ খনক। আপোনালোকৰ স্বাৰ্থ থাকিব, ভোট থাকিব। কিন্তু কথাটো হ'ল যে মোৰ সেই সমস্যাটো নাই যে মোক ভোট নালাগে। সেইকাৰণে মই ইয়াত থিয় হৈ ক'ব পাৰো যে ১৬ বছৰত ছোৱালী ৬ টা সন্তানৰ মাতৃ হ'ব নালাগে। মই ক'ব পাৰো স্পষ্টভাৱে যে আজি দিন আৰু দুনীয়া দুইটাৰ শিক্ষা ইছলামিক লোকৰ প্ৰয়োজন আছে। আমি আগবাঢ়িলে নহ'ব, আমি ডাক্তৰ হ'লে নহ'ব। আপোনালোকে মনৰ কথা শুনক যে কিয় মই এই বিলখন আনিছো। হয় বদৰপুৰৰ পিছৰ এই ঘটনা মই পঢ়াব লাগিব। আজি যদি হুজুৰ তৈয়বুৰ ৰহমান ডাঙৰীয়া, যাৰ জন্ম ইয়াত আৰু আজি যদি এই দুনীয়াত থাকিলহেঁতেন এই কিতাপখন মই লৈ গৈ আকৌ এবাৰ তেওঁৰ ওচৰত হাজিৰ হ'লোহেঁতেন। তাত লিখা আছে যে- এই আবু নছৰ ছৈয়দ আহমেদ ডাঙৰীয়াই এই মাদ্ৰাছ সমূহত গৈছিল। তাত ছোৱালী আৰু ল'ৰা বিলাকক সুধিছিল যে তোমালোকে এই মাদ্ৰাছাবোৰত পঢ়িব বিচৰা নে জেনেৰেল স্কুলত পঢ়িব বিচাৰা? তাৰে ৭১.৫ শতাংশ ল'ৰা-ছোৱলীয়ে উত্তৰ দিছিল যে জেনেৰেল স্কুলত পঢ়িব বিচাৰো। আমি মাদ্ৰাছাত পঢ়িব নুখোজো। এই খন মোৰ কিতাপ নহয়। This was a thesis by Islamic Scholar not by me, not on a Islamic subject but he is a scholar on Social Science. মাদ্ৰাছা সমূহত ল'ৰা-ছোৱালীবিলাকে নিজে পঢ়িাবলৈ অহা নাই, তেওঁলোকৰ মনত কিমান দুখ লাগে সুধিব। ল'ৰা-ছোৱালী বিলাকক মাদ্ৰাছত পঢ়িবৰ বাবে দেউতাকেহে নমাই দিছে।তেওঁলোকে নিজে পঢ়িবলৈ অহা নাই। মোৰ ল'ৰাক ক'ত পঢ়াইছো ল'ৰাইতো নাজানে। সৰু ল'ৰাটোক প্ৰথম শ্ৰেণীত য'ত নাম ভৰ্ত্তি কৰিছো তাতেই পঢ়িছে। Because they don't have right. ছোৱালীজনীক সুধিছিল তুমি কি হ'ব খুজা। ল'ৰা আৰু ছেৱালীজনীয়ে কৈছে যে মই শিক্ষক হ'ব খুজো। এগৰাকীয়ে উত্তৰ দিছে মই ডাক্তৰ হ'ব খুজো। এগৰাকীয়ে উত্তৰ দিছে যে মই পুলিচ হ'ব খুজো, এগৰাকীয়ে উত্তৰ দিছে যে মই গভৰ্ণমেণ্ট অফিচাৰ হ'ব খুজো। আনগৰাকীয়ে উত্তৰ দিছে যে মই Sports person হ'ব খুজো। কোনেও ইয়াত উত্তৰ নিদিয়ে যে মই মছজিদত গৈ ইমাম হ'ব খুজো। কোনো এগৰাকী ছাত্ৰ-ছাত্ৰীয়ে উত্তৰ দিয়া নাই যে মই ইমাম হ'ব খুজো। সকলোৱে ভাৱিছে যে মোৰ দেউতাই মাদ্ৰাছাত দিছে মইতো ডাক্তৰ হ'ম, ইঞ্জিনিয়াৰ হ'ম। দশম শ্ৰেণীত গৈ বুজি পাইছো যে মোৰ দেউতাই মোক এনেকুৱা এটা শিক্ষা দিছে যে মই ডাক্তৰো হ'ব নোৱাৰো, ইঞ্জিনিয়াৰো হ'ব নোৱাৰো। কোনোবাই হয়তো ক'ব মোক আল্লাই দিছে মই আল্লাৰ কামত থাকিব লাগে। কিন্তু আল্লাইতো মোক ডাক্তৰ হ'বলৈ মানা কৰা নাই। আল্লাইতো মোক ইঞ্জিনিয়াৰ হ'বলৈ মানা কৰা নাই । তাৰ পিছত তেওঁলোকক যদি সুধা হয় যে এই শিক্ষা তোমালোকে ভাল পাইছানে? ১১ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে অকল কৈছে যে হয় আমি ভাল পাইছো , Dislike ১২ শতাংশই কৰিছে, বাকী সকলোৱে কৈছে We are not very much 36%. আৰু কিছুমানে কৈছে যে আমিতো নাজানো। 22% কৈছে যে We are uncertained । আজি তাৰ পিচত যদি অভিভাৱকক সুধা হয় যে আপোনালোকে কিয় ল'ৰা-ছোৱালীক মাদ্ৰাছাত পঠাইছে, তেতিয়া তেওঁলোকে কয় যে আমাৰতো উপায় নাই। আমাৰ হাতত একো ব্যৱস্থা নাই। আমাৰ খোৱা-বোৱাৰ পইচা নাই আৰু ১৪ শতাংশই কৈছে যে এইটো আল্লাৰ wish । আমাৰ সদনত আজি যিসকল আৱেগিক হৈছে children desier মাদ্ৰাছাত পঢ়ি থকা শিক্ষকৰ আগত ইণ্টাৰভিউ লোৱা হৈছে যে In presence of the teachers মাদ্ৰাছাত পঢ়িব খোজা নে জেনেৰেলত পঢ়িব খোজা। ছাত্ৰজনে উত্তৰ দিছে যে ৮৩ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে কৈছে যে আমি জেনেৰেল স্কুলত পঢ়িব খোজো, মাদ্ৰাছাত পঢ়িব নুখোজো। So, this is the reality of your society. আপোনালোকৰ সমাজখনক

আপোনালোকে চোৱাৰ সময় আহিছে আৰু মই আজি এইখিনি কথা ক'ব পাৰিছো। আপোনালোকে এইখিনি কথা ক'ব নোৱাৰে। কাৰণ আপোনালোকৰ ভোট নোহোৱা হ'ব। মই এইখিনি কথা ক'ব পাৰো কাৰণ মোক ভোট নালাগে। কাৰণ আমি সেইধৰণৰ জাগাত গৈ ভোট বিচৰাৰ ও প্ৰশ্ন নুঠে আৰু ভোট পোৱাৰো প্ৰশ্ন নুঠে অহা 20 বছৰলৈকে। আজি এই স্কুল বিলাক আমি বন্ধ কৰিবলৈ যোৱা নাই। আপোনালোকে দেখিব অহা দুই বছৰৰ ভিতৰত মোক আপোনালোকে ক'ব এই স্কুলবিলাকত enrolement বাঢ়িব। আজিৰ দিনত বহুতো fraud ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি আছে, কাম কৰি আছে, যাক মেট্ৰিকৰ চাৰ্টিফিকেট লাগে। fraud কিয় কৈছো, কাৰণ ইয়াত যিমান enrolement দেখুৱাইছে তাতকৈ বহুত কম enrolement আছে। খালি প্ৰাদেশীকৰণ হ'বৰ কাৰণে তেওঁলোকে enrolement ৰ কথা দেখুৱাইছে। আজি আপোনালোকে দেখিব In next five years, next two years এই স্কুল বিলাকত আমি কি কৰিছো? curriculum change হ'ব, theological subject নোহোৱা হ'ব। তাৰ ঠাইত অঙ্ক, গণিত, বিজ্ঞান আহিব আৰু আপোনালোকে দেখিব number of students আজি মাদ্ৰাছা হৈ থকাতকৈ যিমান আছে Numbers of students will increase and that to from the Islamic Community মই বিশ্বাস কৰো যে এই সিদ্ধান্তত যদি জনপ্ৰিয়তাৰে আপোনালোকে জোখে দুবছৰ পিছত আপোনালোকে দেখিব আজি সকলোৱে নিজৰ সমষ্টিৰ মাদ্ৰাছাবিলাকৰ enrolement কৰি লওঁক, অহা কালি যেতিয়া মাদ্ৰাছাবিলাক ১-৪-২০২১ ৰ পৰা জেনেৰেল ষ্টুডেণ্টচ তাত এডমিশ্যন হ'ব with better teachers তেতিয়া আপোনালোকে দেখিব numbers of students বঢ়িব আৰু ১০ বছৰ পিছত আপোনালোকে গৌৰৱ কৰিব সেই স্কুলৰ পৰা বহুতো ল'ৰা-ছোৱালী ডাক্তৰ হৈছে। কিন্তু দুদিন পিছত আপোনালোকে নাম ক'ব পাৰিব সাত শ খন স্কুল আৰু কলেজৰ পৰাই ডাক্তৰ ,ইঞ্জিনিয়াৰ হৈছে। নাম গৱেষণা কৰি আনিবৰ প্ৰয়োজন নাথাকিব। নাম নিজে নিজে ওলাব। গৱেষণা কৰি তিনিটা নাম আনিব নালাগে পৃথিৱীত exception থাকে।Exception কেতিয়াওঁ rules হ'ব নোৱাৰে। সেই কাৰণে মই ক'ব খুজো এই আজিৰ ৬০০ শিক্ষানুষ্ঠান যিখিনি শিক্ষানুষ্ঠান ক'ত আছে, আপেনালোকৰ সমাজত আছে। অৰ্থাৎ জলেশ্বৰ সমষ্টিত আছে, বদৰপুৰত আছে, চেঙাত আছে, বৰপেটাত আছে, ধুবুৰীত আছে, দেখিব enrolement বাঢ়িব। কাৰণ These will be Govt. Institute. এইখিনি Govt. অনুষ্ঠান হৈয়েই থাকিব। মাত্ৰ theological subject নোহোৱা হ'ব। বিল্ডিং একে থাকিব। নতুন শিক্ষক আহিব। পুৰণা শিক্ষক সকলেও দৰমহা পাই থাকিব। numbers of students বাঢ়িব। মই এক ষ্টেপ আগত যাম। আজি শ্বেৰমান আলী ডাঙৰীয়াই যিটো আৰবিক শিক্ষাৰ কথা কৈছে, We are talking about functional Arobic Language. Not these Arobic Language. গতিকে Functional Arobic Language শিকা মোৰো কোনো আপত্তি নাই। functional Arobic Language, Functional France Language, Functional Speinsh Language আমাৰ শিকাত আপত্তি নাই আৰু সেই কাৰণে আজি আমাৰ ছেৱাত ৫০,৬০০ ল'ৰাই আৰবিক শিকি আছে আৰু আমি আৰবিক শিক্ষা বন্ধ কৰা নাই। এই বাৰ্তা টো যাব নলাগে। এই নতুন স্কুল যিকেইখন ১-৪-২০২১ ৰ পৰা জেনেৰেল স্কুল হ'ব Arobic education will remain. আৰবিক তাত চলি থাকিব। খালি আমি চেষ্টা কৰিম যে এই আৰবিক শিক্ষাটো Functional Arobic Language ত লৈ যাব পাৰো নেকি? যাতে চাকৰি খুজিব যোৱা ল'ৰা-ছোৱালীখিনিয়ে ডুবাইত নামি দুআযাৰ কথা আৰবিক ভাষাত

ক'ব পাৰে। আজি আৰবিক যি শিক্ষা হৈ আছে, এই কিতাপ খনতে কৈছে শিক্ষক জনেও আৰবিক ভাষাত ক'ব নোৱাৰে, ছাত্ৰ জনেও আৰবিক ক'ব নোৱাৰে। আজিৰ দিনত যি শিক্ষা চলি আছে, মই ভাৱো Status quo ইছলামিক সমাজখনৰ কাৰণে আজি প্ৰয়োজন নহয়। Status quo টোৰ পৰা ওলাই অহাৰ সময় হৈছে আৰু Status quo টোৰ পৰা ওলাই আনিব নোৱাৰে আপোনলোকে। কাৰণ আপোনালোকে এই কাৰণেই নোৱাৰে কাৰণ আপোনালোকে যেতিয়া ক'ব যাব তাত কোনোবাই বিৰোধিতা কৰিব, কোনোবাই সমৰ্থন কৰিব। কিন্তু আপোনালোক প্ৰগতিশীল মানুহ। আপোনালোকৰ সমাজখনক লৈ আপোনালোকৰ মনত যিখিনি কথা আছে, সেই বিলাক ইমপ্লিমেণ্টেশ্যনৰ দায়িত্ব আমাক দিয়ক। আমাক যিহেতু ভোট নালাগে আমি সেইটো কৰিব পাৰিম। আজি শ্বেৰমান আলী ডাঙৰীয়াই হওঁক, আজি আমাৰ সদনত এগৰাকীও এনেকুৱা এজন সদস্য নাই, যিসকলৰ পৰিয়ালত ১০টা ১২টা সন্তান আছে। কাৰো নাই। হাউচৰ সকলোৰে এটা Normal economic size of the family mantain কৰি আছে। কিন্তু আপোনালোকে আপোনালোকৰ গাওঁত গৈ ক'ব নোৱাৰে যে সন্তান জন্ম আপোনালোকে বন্ধ কৰক। কাৰণ আপোনালোকক ভোট লাগিব। আপোনলোকে কৰিব নোৱাৰে। আপোনালোকৰ সমাজখনক যদি ৰিফৰ্ম কৰিব লাগে মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ দৰে মানুহক দায়িত্ব দিয়ক, আমাক দায়িত্ব দিয়ক। কাৰণ আমাক ভোটৰ প্ৰয়োজন নাই। আমাক দায়িত্ব দিয়ক আমি কৰিম। আমাক মনে মনে আহি কওঁক যে এই কামটো কৰক। আপোনালোকে জনসাধাৰণক যি কয় কৈ থাকক। আপোনালোকে আহি আমাক কওঁক যে এই কামটো বন্ধ কৰক আৰু আমি বন্ধ কৰিম। কাৰণ আমি বিচাৰো ভাৰতবৰ্ষত "সৱকা সাথ সৱকা বিকাশ" হোৱাটো বিচাৰো। সেইকাৰণে কোনো ৰাজনীতি নাই। আজি ৰাজনীতি থাকিলে মই ক'ব লাগিছিল- মই ইমান বৃত্তি দিম, বহুত কিবাকিবি দিম। ইয়াত আমাৰ কোনো ৰাজনীতি নাই। কিন্তু আমাৰ নিয়ত ছাফ আছে। অলপ আগতে শ্বেৰমান আলী ডাঙৰীয়াই কৈছে যে আল্লাই নিয়ত চায়। হয় আমাৰ ধৰ্মটো নিয়ত চায় আৰু নিয়ত যদি চাই ঈশ্বৰ আৰু আল্লাই ক'ব যে আমাৰ নিয়ত খাৰাব থকা হ'লে আমি ধুবুৰীত মেডিকেল কলেজ নকৰিলোহেঁতেন। এই কথাবিলাক মই ভাৱো আৰু এই কথাবিলাকে আপোনালোকৰ হৃদয়ো স্পৰ্শ কৰিব। ৰাজনীতি বাদ দিয়ক। ৰাজনীতি চলি থাকিব। আপোনালোকে বিৰোধিতা কৰিছে This will be part of the record. কিন্তু মই ভাৱো This will be my gift to the Islamic Society. এই মাদ্ৰাছা কেইখন যে মই general educational institute কৰিলো ১০ বছৰ পিছত তাৰ পৰা যিবিলাক মুছলমান ল'ৰা ডাক্তৰ, ইঞ্জিনিয়াৰ হৈ ওলাব তেওঁলোকে আমাৰ চৰকাৰখনক কৃতজ্ঞতাৰে কৈ যাব। মই তেনেকৈ ভাৱো, সেইকাৰণে চিলেক্ট কমিটীৰ আজি প্ৰশ্ন নুঠে। কাৰণ মই convinced. কোনো ক্লেশ আৰু ঘৃণা লৈ এই কাম কৰা হোৱা নাই। বৰঞ্চ এখন ৰক্ষণশীল, পিছপৰা, শোষিত সমাজ এখনক প্ৰগতিৰ দুৱাৰ ডলিলৈ লৈ যোৱাৰ অদ্ভুত আৰু দুৰ্বাৰ সপোনেৰে আজি এই আঁচনিখন আমি ইয়াত প্ৰস্তুত কৰিছো। যোৱাকালি মই কৈছিলো হয় legaly your argument does not stand. যে কোনোধৰণে আমি এটা ধৰ্মৰ শিক্ষা দিব নোৱাৰো। Comparative study হ'ব পাৰে। কটন কলেজত ইছলামিক অধ্যয়ণ আছে। ইছলামিক সভ্যতাৰ অধ্যয়ণ হ'ব পাৰে। তাক কোনেও না কৰিব নোৱাৰে। বাইবেল, কোৰাণ, গীতাৰ মাজত Comparative study হ'ব পাৰে। তাত কোনো আপত্তি নাই। ক'মিক শিক্ষাৰ ওপৰত চৰকাৰে ধন দিব নোৱাৰে। সংবিধানত যেতিয়া debateহৈছিল তেতিয়া বি আৰ আম্বেদকাৰদেৰে কৈছিল যে Religious instruction has no place in curricu-

lum. এই কথাটো বি আৰ আম্বেদকাৰেদেৰে কৈ গৈছিল। কিন্তু পশ্চিমবঙ্গ আৰু অসমত এই কামখিনি কৰি আছিলো because of a tradition. কিন্তু মই যদি এই কথাখিনি কওঁ যে বাইবেল নাই, গীতা নাই সেইকাৰণে কোৰাণো নাই। তেতিয়া এনেকুৱা লাগিব যে আমি কিবা জেদত কৰিছো। আমি কিবা ক্লেশ আৰু ঘৃণাৰে কৰিছো নেকি? যেতিয়া লিগেল প্ৰশ্ন আহে তেতিয়া আমি লিগেলি উত্তৰ দিব পাৰিম। কোৰ্টত তেতিয়াহ'লে হয়তো আমি legal terms ত উত্তৰ দিব লাগিব। যে পবিত্ৰ কোৰাণ আমি শিকাব নোৱাৰো। কাৰণ পবিত্ৰ বাইবেল আৰু গীতাও আমি শিকোৱা নাই। That will be my legal argument. কিন্তু যদি আপোনালোকে আচল legal argument শুনে তেতিয়া প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ যি সংকল্প-আমাক ভোট নালাগে। আমি appeasement নকৰো। আমাৰ সম্প্ৰদায়টোৰ লগত কোনো vested interest নাই। কিন্তু ৰাজনীতিৰ পৰ দূৰত থাকি আমি এই সম্পদায়টোক আগুৱাই নিয়াৰ বাবে আমি প্ৰচেষ্টা কৰিছো। আজি ৰক্ষণশীল সমাজখনে ভাৱিব পাৰে যে আমি ত্ৰিপুল তালাক বিলখন কিয় আনিলো? আজি কিয় চুপ্ৰিম কোৰ্টে ক'লে যে তালাক কিয় বন্ধ হ'ব? আমি আপত্তি কৰিব নোৱাৰো। আমাক ৰাজনীতি কৰা মানুহে, ইছলাম ধৰ্মৰ মানুহেও ক'ব নোৱাৰে যে ত্ৰিপুল তালাক বিলখনক সমৰ্থন কৰো। কিন্তু এই ত্ৰিপুল তালাক বিলখন সমৰ্থন কৰি মোদী ডাঙীয়াই কৰোবাত এটা ভোট ও বেছি পোৱা নাই। কৰোবাত মুছলিম ছোৱালী এজনীয়ে এটা ভোট দিছে, মুছলিম মাতৃ এজনে এটা ভোট দিছে। অন্ততঃ ইলেক্ট্ৰেল ৰেকৰ্ডে সেই কথা নকয় আৰু নৰেন্দ্ৰ মোদীৰ দৰে বিদ্যান মানুহ এজনেও জানে যে এই বিল পাছ কৰিলেও কোনো মুছলমান ছোৱালী বা মাতৃয়ে মোক ভোট নিদিয়ে। যেতিয়ালৈকে এই সমাজখনত ৰক্ষণশীলতাৰ প্ৰভাৱ থাকিব। কিন্তু তেওঁ কৰিছে কাৰণ আমি ভাৱো যে কৰাৰ প্ৰয়োজনীয়তা আছিল আৰু আজিও আমি কৰিছো কাৰণ আমি ভাৱো যে সেই সময়ত স্কুলত যেতিয়া ডাক্তৰ আৰু ইঞ্জিনিয়াৰ ওলাব এইটোৱেই আপোনোলোকৰ বাবে গৌৰৱ কঢ়িয়াই আনিব যে ভাৰত চকাৰৰ যি প'লিচি, সেই প'লিচি মতে লাহে লাহে কৌমৰ লগত কাম কৰি ২০০৮ ত আমি প্ৰচেষ্টা চলাইছিলো সফল নহ'লো। লাহে লাহে ক'মৰ লগত কাম কৰি একো হেঁচা বা ভাবুকি নেহোৱাকৈ সেইধৰণৰ পৰিৱৰ্তে মৰম আৰু চেনেহৰ মাজেৰে আমাৰ উদ্দেশ্যটো বুজাই হাফিজি বা ক'মি মাদ্ৰাছা সমূহত লাহে লাহে দিন আৰু দুনীয়া এই দুয়োটাৰ শিক্ষা দিয়াৰ বাবে আগুৱাই লৈ যাব লাগিব। কোনোবাই ক'ব পাৰে যে হিমন্ত বিশ্ব শৰ্মা আমাৰ বিৰোধি নহয়। বিৰোধি হোৱাৰ প্ৰশ্নই নুঠে। মোৰ ৰাজনৈতিক জীৱনত যিমান ট্ৰেক ৰেকৰ্ড আছে, কোনেও ক'ব নোৱাৰে যে মই কাৰোবাৰ বিৰোধি। মৌলবাদক বিৰোধীতা কৰা মানে ইছলামক বিৰোধীতা কৰা নহয়। কোনোবা মুছলিম ল'ৰাক ডাক্তৰ, ইঞ্জিনিয়াৰক কৰিব প্ৰচেষ্টা কৰাটো ইছলাম বিৰোধীতা কৰা কেতিয়াও হ'ব নোৱাৰে। তাক মই বিশ্বাস কৰো। মই ভাৱো যে সদনে এই আইনখন সেইধৰণৰ নহয়। spirite মাজেৰে গ্ৰহণ কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হৈছে যে আমি প্ৰায় ১ঘণ্টাতকৈ বেছি সময় debate কৰিছো। মন্ত্ৰীয়েও প্ৰায় আধা ঘণ্টা কৈছে আৰু আপোনালোককো প্ৰায় ৪৫ মিনিট সময় দিছিলো। এতিয়া আমাৰ সংশোধনী কেইটাৰ ওপৰত প্ৰত্যাহাৰ কৰা বা নকৰাৰ কথা আহিব। যদি আপোনালোকে কিবা এটা স্পষ্টীকৰণ পালে সংশোধনী প্ৰত্যাহাৰ কৰাৰ কথা ভাৱিছে তেতিয়াহ'লে কৰক। নহ'লে বা নোৱাৰিম।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে, তাত বহুখিনি মূল্যৱান কথাও কৈছে। এই ক্ষেত্ৰত এটা কথা হ'ল যে ১৯৩৪ চনত

যেতিয়া এই মাদ্ৰাছা সমূহ লোৱা হৈছিল তেতিয়া বৃটিছ চৰকাৰে এটা কথা দেখিছিল যে মুছলিম সমাজত এনে কিছুমান এলেকা আছে য'ত কোনো শিক্ষানুষ্ঠান নাই। কেৱল মাদ্ৰাছাই আছে। তেওঁলোকে ভাৱিছিল যে অন্ততঃ এই শিক্ষানুষ্ঠানসমূহত যদি কিছু আধুনিক শিক্ষা দিয়া হয়, তেতিয়াহ'লে কিছু আধুনিক শিক্ষা হয়তো ছাত্ৰ-ছাত্ৰীসকলে পাব। এই ক্ষেত্ৰত এখন সমাজে কিছু ক্ৰোধিত হৈছিল। তেতিয়া এখন সমাজে কৈছিল যে এইটো কৰিলে এটা সময়ত লাহে লাহে জেনেৰেল শিক্ষকসকলক দি চৰকাৰে এইটো প্ৰভিঞ্চিয়েলাইজ কৰিব আৰু এটা সময়ত আৰবি বিষয়টো উঠাই দিব আৰু সম্পূৰ্ণ স্কুল কৰি তেতিয়া যিসকলে মাটি দান কৰিছিল তেওঁলোকে কৈছিল যে আমি মাটি দিব নোৱাৰো যিহেতু আমি মাটি মাদ্ৰাছাক দান কৰিছিলো। আজিও যিখিনি কৌমি বা খাৰিজি মাদ্ৰাছাৰ কথা মন্ত্ৰী মহোদয়ে কৈছে যে তাতো general শিক্ষক introduce কৰা হ'ব। তেওঁলোকেও general শিক্ষক এই ভয়তে introduce নকৰিব যিহেতু আগতেও এই যিবিলাক মাদ্ৰাছাত general শিক্ষা introduce কৰাৰ কাৰণে এটা সময়ত চৰকাৰে সম্পূৰ্ণভাৱে সেই শিক্ষাটো নাইকিয়া কৰি সম্পূৰ্ণ স্কুল কৰি পেলালে। এতিয়া আধুনিকীকৰণ যদি আমি কাৰবলৈ যাওঁ তেওঁলোকে কিন্তু সেই উদাহৰণটো দি পেলাই ক'ব যে আমি ইয়াত চৰকাৰী general শিক্ষা introduce নকৰো। এইটো তেতিয়াই শংকাবোধ কৰিছিল ১৯৩৪ চনতে। এতিয়া মোৰ কথাটো হ'ল যিখিনি খাৰিজী বা কৌমী মাদ্ৰাছা আছে তেওঁলোকে অষ্টম বা নৱম শ্ৰেণীলৈকে অংক, বিজ্ঞান, অসমীয়া এই সমূহ বিষয় নিজৰ খৰছত পঢ়ায়। চৰকাৰী শিক্ষক নলয়। কিন্তু আধুনিকীকৰণৰ এটা চিন্তা আমি কৰি আছো। এইটো কৰিবলৈ যাওঁতে কিন্তু আজিৰ পদক্ষেপটোৱে বাধা দিব। সেই মাদ্ৰাছা সমূহ যেতিয়া আধুনিকীকৰণ কৰা হ'ব তেতিয়া তেওঁলোকে ক'ব যে আগৰ কেইটাৰ যি অৱস্থা হ'ল আমাৰো একে অৱস্থাই হ'ব। গতিকে আমি ভাৱো এইটো আজি ইমান খৰধৰকৈ সিদ্ধান্তটো নলৈ,আমি যিহেতু এটা modernisation বাকীবিলাকো কৰিব গৈ আছো গতিকে এইটো Select Committee ত দিয়াটো ভাল। তাৰ লগে-লগে আন এটা কথা যথেষ্ঠ গুৰুত্বপূৰ্ণ। আমি survey ত পাইছো যে মুছলমান ছাত্ৰ-ছাত্ৰীৰ তিনি শতাংশই মাদ্ৰাছাত পঢ়ে আৰু ৯৭ শতাংশই স্কুল কলেজত পঢ়ে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এবাৰ ক'লে Select Committee ত দিব লাগে আকৌ এতিয়া কথাখিনি বহলাই কৈ আছে। মই সকলোকে আলোচনাৰ সুবিধাটো দিছো কিন্তু মই ইমান বহলাই আলোচনা কৰি থাকিব দিব নোৱাৰো। মই যদি ভুল বুজা নাই আপুনি ক'ব বিচাৰিছে যে এই বস্তুটো Select Committee ত দিলে কিছু সময় পাব আৰু তাত চাব পাৰিব। এইটোৱে নহয় জানো? এতিয়া আপুনি বহক।

**শ্ৰী ৰকিবুল হুছেইন, চামগুৰি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ক'ব লগাখিনি আপোনাক কৈছোৱেই আৰু কোৱা কথাখিনি আপোনাক দিছো। কিন্তু মন্ত্ৰী মহোদয়ে আজি যিকেইটা কথা ক'লে এই দুটামান কথাই confusion create কৰিব। তেওঁ আৰম্ভনিতে কৈছে যে বদৰুদ্দিন আজমল হুজুৰে তাত গৈছিল আৰু মাদ্ৰাছা সমূহত আধুনিক শিক্ষা দিয়াটো বন্ধ কৰিছিলে। ইয়াত সেই মাদ্ৰাছাৰ কথা আহাই নাই। আধুনিক মাদ্ৰাছা বিলাক বন্ধ কৰিছে। যেতিয়া অসম আৰু বেঙ্গলৰ কথা তেতিয়া আধুনিক শিক্ষা য'ত অসমীয়া, ইংৰাজী, গনিত, বিজ্ঞান, সমাজবিদ্যা আদি পঢ়ায়, সেই আধুনিক মাদ্ৰাছাসমূহ বন্ধ কৰিছে। বদৰুদ্দিন আজমল ডাঙৰীয়াই যিটো কথা কৈছে সেইটো কথা নহয়। সেই মাদ্ৰাছাৰ পৰা ইমাম মোৱাজীন নোলায়। ইয়াৰ পৰা ড০ ওলায়, ইঞ্জিনিয়াৰ ওলায়। এতিয়া আধুনিক খিনিহে বন্ধ কৰিব বুলি কৈছে। ইয়াৰ লগতে তেখেতে সন্তানৰ কথা

ক'লে। মোৰ কিন্তু সন্তান এটাই। ইয়াত ধৰ্মৰ কথা নাহে। আজি টাউনতো যদি আমি চাওঁ বহু মানুহৰ একাধিক সন্তান আছে। ধৰ্মীয়কৰণ তাত কৰিব নালাগে আৰু ইয়াত কোনো ৰাজনীতিৰ কথা নাই। গতিকে অধ্যক্ষ মহোদয়, তেওঁ যিটো basic আৰম্ভ কৰিছে সেই কথাটো সম্পূৰ্ণ confusing.

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ point টো মই যদি ভুল বুজা নাই বৰ্তমানৰ যিখিনি আধুনিৰ মাদ্ৰাছা আছে সেইখিনিহে বন্ধ কৰিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে মোৰ কথাখিনি হয়তো ভালদৰে মন দিয়া নাই। মোৰ প্ৰথমটো উত্তৰ হৈছে যে মুক্তাৰ আব্বাচ নাগবীয়ে যি মাদ্ৰাছাৰ কথা কৈছে সেই মাদ্ৰাছাখিনি কৌমী মাদ্ৰাছা। সেই মাদ্ৰাছাখিনিৰ নিয়ন্ত্ৰণ বদৰুদ্দিন আজমল ডাঙৰীয়াই কৰে। তেওঁলোকক সেই প্ৰস্তাৱটোলৈ আমি গৈছিলো আৰু তেওঁলোকে প্ৰত্যাখান কৰিলে। অৰ্থ্যাৎ আজিৰ দিনটোত দেৱব্ৰত শইকীয়া ডাঙৰীয়াই যিটো প্ৰস্তাৱ দিছে Madrassa Modernisation through Government of India scheme, that relates to Komi Madrassa আৰু সেই আঁচনিটো ইতিমধ্যে অসমৰ তঞ্জীমে reject কৰিছে। এইটো আছিল মোৰ দেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰ।

দ্বিতীয়তে, আমি যিটো কৈছো তাত আমিআধুনিক মাদ্ৰাছা বন্ধ কৰিবলৈ যোৱা নাই। হাইব্ৰীড মাদ্ৰাছা বন্ধ কৰাৰ কথাহে কৈছো য'ত দিন আৰু দুনীয়া আজিৰ দিনত এই দুটা শিক্ষা দি থকা হৈছে। দিন মানে theological আৰু দুনীয়া মানে worldy science অৰ্থ্যাৎ বিজ্ঞান, অঙ্ক যি আছে সেই বিলাক। এতিয়া আমি দুনীয়া কৰিম অৰ্থ্যাৎ কৌমে দিন কৰিব আৰু আমি দুনীয়া কৰিম। সেই কথাখিনেকে মোৰ বক্তব্যৰ জৰিয়তে কৈছো। কেতিয়াবা মই কৈছো যে আমাৰ সদনৰ সদস্য সকলৰ ৯ টা সন্তান নাই। ৰকিবুল হুছেইন ডাঙৰীয়াৰ এটা সন্তান আছে বুলি জানিয়ে মই কৈছো। আমাৰ কাৰো ৯ টা নাই। কিন্তু যাৰ ৯ টা আছে জনজাতীয় লোক সকলৰ মাজতো আছে কৰবাত কৰবাত। আজিকালি নাই কিন্তু ভূৰন পেগু ডাঙৰীয়াই এসময়ত কৈছিল সদনত যে আমাৰ অলপ সন্তানৰ সংখ্যা বেছি বুলি আৰু বৰপেটা চৰত। আজি বহুত মানুহ দেখা পাওঁ বৰপেটা মেডিকেল কলেজত দেখা পাওঁ these are documented census figure, এতিয়া যদি আমি কওঁ যে অসমৰ চৰ অঞ্চলৰ ইছলামিক সমাজ খনতো ৰকিবুল হুছেইন ডাঙৰীয়াৰ দৰে এটা সন্তান জন্ম হয়। মোৰতো আপত্তি কৰিবলগীয়া একো নাই, but census figure does not show that মই কৈছো যে আমাৰ সদনৰ কাৰো নাই। ৰেকিবুদ্দিন আহমেদৰ দুটা সন্তান মইতো জানো। মোৰ ২২ বছৰ হৈ গ'ল আপোনালোকৰ মাজত, কাৰ কি আছে মইতো জানোৱেই। নজনা কথাটো মই কিয় কম? মই clear কৈছো যে modern madrassa নহয়, হাইব্ৰীড মাদ্ৰাছা য'ত দিন আৰু দুনীয়া দুয়োটা শিক্ষাই দি আছে। theological and a bit of general education, তাক এতিয়া আমি complete education কৰিব খুজিছো আৰু কৌমি যিবিলাক মাদ্ৰাছা তাত আমি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই কোৱা scheme টো introduce কৰি কোনো আইনৰ জৰিয়তে নহয়, বুজাবুজিৰ জৰিয়তে তেওঁলোকৰ তাতো আমি সেই শিক্ষাটো Government of India scheme টো লৈ যোৱাৰ প্ৰচেষ্টা কৰিছো। দুইজন ব্যক্তিৰ উত্তৰ দিছো গতিকে দুটা part ত মই উত্তৰ দিছো।

**শ্ৰী ৰকিবুল হুছেইন, চামগুৰি ঃ** মাননীয় অধ্যক্ষ মহোদয়, নাগবী ডাঙৰীয়াই যিটো কথা কৈছে সেই modern টো কৰিব বিচাৰি আছে। আমাক আকৌ বন্ধ কৰিব বিচাৰিছে। দিন আৰু দুনীয়া

যিটো নাগৰী ডাঙৰীয়াই, কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী ডাঙৰীয়াই কৰিব খুজিছে সেইটো আমাৰ মডেলত কৰিব গৈ আছে যিটো অসম আৰু বেঙ্গলত আছে দিন আৰু দুনীয়াৰ সংমিশ্ৰনত, সেইটো আকৌ ইয়াত সলনি কৰিব বিচাৰিছে।

**মাননীয় অধ্যক্ষ ঃ** Select Committee ৰ যিটো কথা আছে সেইটো এতিয়া নহয়। Consideration stage ত আপোনালোকে ক'ব পাৰে Select Committee ৰ কথাটো। যেতিয়া বিলখন আমি consideration ত আনিছিলো তেতিয়া আপোনালোকে amendment নিদি Select Committee লৈ পঠোৱাৰ কথাটো ক'ব লাগিছিল।

**শ্ৰী ৰফিকুল ইছলাম, জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বহু কেইটা গুৰুত্বপূৰ্ণ কথা কৈছে। তেখেতে বদৰুদ্দিন আজমল ডাঙৰীয়াৰ যিটো reference  দিছে যে যিটো বে-চৰকাৰী মাদ্ৰাছা তাত General education ৰ কাৰণে appeal কৰা বুলি আৰু তেখেতসকলে যে reject  কৰিছে সেইটো নহয়। তাত already class vii লৈকে education আছে। সৰ্ব্বভাৰতীয় জমীয়ত উলামা, সৰ্ব্বভাৰতীয় বে-চৰকাৰী মাদ্ৰাছাই resolution লৈছে যে দশম শ্ৰেণীলৈকে তেখেতসকলে General education কৰিব। কিন্তু তেখেতসকলে নিজে শিক্ষক দিয়াৰ কথা কৈছে। চৰকাৰী শিক্ষক দিলে তেখেতসকলে ক'ব আমি চৰকাৰী শিক্ষক দিছো, দৰমহা দিছো আৰু দৰকাৰ হ'লে আমি এই মাদ্ৰাছা সমূহ বন্ধ কৰি দিম। এই দৃষ্টিভঙ্গীত তেখেতসকলে কথাটো কৈছে। General education ৰ বিৰোধীতা তেখেতসকলে কৰা নাই। দ্বিতীয়তে, তেখেতে যিখন কিতাপৰ reference দিছে সেই কিতাপখনৰ লিখকজনতকৈ মাননীয় মন্ত্ৰী ডাঙৰীয়া বহুত ওপৰত। তেখেতে এজন তলৰ মানুহৰ reference দিছে। যদি তেখেতে মৌলানা আবুল কালামৰ reference দিলেহেতেন মাদ্ৰাছাৰ সপক্ষে-বিপক্ষে-----হুলস্থুল----

**মাননীয় অধ্যক্ষ ঃ-** আমি বিলৰ ওপৰত আলোচনা কৰিছো। বেলেগ আলোচনা হ'ব নোৱাৰে।
------হুলস্থুল-------সংশোধনী কেইটা withraw কৰিব নেকি? মই আপোনালোকক যথেষ্ঠ সময় দিলো আৰু হুলস্থুল  নকৰিব।

**শ্ৰী ৰাজেদ আলী চৌধুৰী, দক্ষিণ শালমৰা ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমি কৈছো যে আমাক সময় দিয়ক। যিহেতু নিদিয়ে, আমি এইটো  withraw নকৰো।

**হাফিচ বচিৰ আহমেদ, পশ্চিম বিলাসীপাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, cosider ৰ সময়তো আমি কৈছিলো যে এইটো Select Committee ত দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Select Committee লৈ দিয়াৰ কিবা অসুবিধা আছে নেকি?

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ভাৱো যে এইখন Select Committee ত দিয়াৰ প্ৰয়োজন নাই। ০১-০৪-২০২১ ৰ পৰা General education আৰম্ভ হ'ব লাগে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাথো এটা শাৰী ক'ব বিচাৰিছো। মাননীয় মন্ত্ৰী মহোদয়ৰ যিটো অভিপ্ৰায় বা যিখিনি কথা কৈছে তাত ৯৯.৯৯ শতাংশ আমাৰ সহমত আছে মাত্ৰ ০.০১ শতাংশ আমাৰ দ্বিমত। তেখেতে এটা কথা কৈছে মই মাত্ৰ স্পষ্টীকৰণ দিব খুজিছো যে আমাৰ বিৰোধী পক্ষত থকা সকলোৱে যেন এই সমাজখন সংস্কাৰ কৰাৰ বিৰোধী বা কৰিব বিচৰা নাই। এইটো শুদ্ধ নহয়। আমিও বহুতে আমাৰ ৰাজনৈতিক জীৱনক তুচ্ছ কৰি জন্ম নিয়ন্ত্ৰণ, কম বয়সত ছোৱালী বিয়া দিয়াৰ বিৰুদ্ধে কোৰ্টত কেচ কৰি অভিভাৰকক

জেলত দিয়াৰ নজিৰ আছে। ----হুলস্থুল------

**মাননীয় অধ্যক্ষ ঃ** এতিয়া যিহেতু সংশোধনী প্ৰস্তাৱ প্ৰত্যাহাৰ নকৰে সেইকাৰণে মই সংশোধনীটো দাঙি ধৰিছো - In Sub Clause(3) in Clause 1 of the proposed Bill the words 'at once' shall be deleted and after the word 'force' and before the punctuation mark '.' the following words shall be added-

" only after a comprehensive Bill for modernasization of the existing Madrassas by introduction of other subjects with special emphasis on learning of Arabic and Urdu languages and English literature hereby converting this existing Madrassas into Centres of Excellence for learning Arabic and Urdu languages along with English literature and elaborate provison for establishment of a Arabic University in the line of " Kumar Bashkar Barma Sanskrit University" in the state of Assam is introduced and passed in the Assembly." যিসকল ইয়াৰ সপক্ষে আছে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। (নহয়ৰ সপক্ষে) মই ভাৱো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, সংশোধনী প্ৰস্তাৱটো নাকচ হ'ল। বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ বিধেয়কৰ অংশ হৈছে।

এতিয়া মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক মই বিধেয়কখন পাৰিত কৰিবৰ কাৰণে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Repealing Bill, 2020 পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো সদনৰ অনুমোদনৰ বাবে দাঙি ধৰিলো। প্ৰস্তাৱটো হৈছে - The Assam Repealing Bill, 2020 পাৰিত কৰা হওক। যিসকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। (হয়ৰ সপক্ষে) মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়কখনো পাৰিত হৈছে। এই বিধেয়কখন আমি এইকাৰণেই আলোচনা কৰিবলগা হৈছে কাৰণ যাতে আমাৰ সদনত প্ৰতিটো কথা শুনাৰ যে আমাৰ ধৈৰ্য্য আছে এই কথাটো প্ৰমান কৰিবৰ কাৰণে। মই জানো যে তেখেতসকলৰ মাজতো হয়তো যথেষ্ঠ চিন্তা-চৰ্চ্চা হৈছে সেইকাৰণে তেখেতসকলক ক'বলৈ মই সম্পূৰ্ণ সুবিধা দিছো।

মই এতিয়া সামৰণিলৈ আহিছো। চতুৰ্দশ অসম বিধান সভা চতুৰ্দশ তথা শীতকালীন অধিৱেশন ইংৰাজী ২৮-১২-২০২০ তাৰিখে আৰম্ভ হৈ মুঠ তিনি দিন সদনৰ কাৰ্য্য ক্ৰমনিকা সম্পন্ন হোৱাৰ অন্তত আজি ৩০-১২-২০২০ তাৰিখে অন্ত পৰিলে। কাৰ্য্য ক্ৰমনিকাত সদনত ২৮ ডিচেম্বৰ ২০২০ তাৰিখে, ২০২০-২১ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক বিনিয়োজন সমূহৰ তালিকা উপস্থাপন কৰা হয়। ২৯ ডিচেম্বৰ ২০২০ তাৰিখে ২০২০ চনৰ অসম বিনিয়োজন (নং-৪) বিধেয়কখন উপস্থাপন কৰি বিবেচনাৰ অন্তত পাৰিত কৰা হয়। সদনত ২০১৯ চনৰ ৩১ মাৰ্চত সমাপ্ত হোৱা বছৰটোৰ বাবে অসম বিত্ত নিগমৰ হিচাপ সমূহৰ সম্পৰ্কত পৃথক হিচাপ পৰীক্ষাৰ প্ৰমান পত্ৰ, অসম বিধান সভাৰ ৰাজহুৱা হিচাপ সমূহৰ সমিতিৰ ১৬৪ তম্ প্ৰতিবেদন, আবেদন সমূহৰ সমিতিৰ ৪৬ তম্ প্ৰতিবেদন, ৭ খন বাৰ্ষিক প্ৰতিবেদন আৰু ৩০ খন অসাধাৰণ ৰাজপত্ৰ

অধিসূচনা দাখিল কৰা হয়। এই অধিবেশনে ১১ খন চৰকাৰী বিধেয়ক আলোচনাৰ অন্তত পাৰিত কৰে।

অধিবেশনৰ সকলো কাৰ্য্যসূচী সফলতাৰে সম্পন্ন কৰাৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰীকে মুখ্য কৰি মন্ত্ৰী পৰিষদ, শাসক-বিৰোধী উভয় পক্ষৰ সন্মানীয় সদস্য-সদস্যাই আ গবঢ়োৱা সহযোগীতাৰ বাবে মই আন্তৰিকতাৰে ধন্যবাদ জনাইছো।

এই বিধান স ভাৰ কাৰ্য্যকাল ছোৱাত সভাপতি মণ্ডলী, বিধান সভাৰ ভাৰপ্ৰাপ্ত সচিবকে ধৰি এই সচিবালয়ৰ প্ৰতি গৰাকী বিষয়া কৰ্মচাৰী, ৰাজ্যখনৰ মুখ্য সচিবকে ধৰি ৰাজ্যচৰকাৰৰ বিষয়া কৰ্মচাৰী সকল, আৰক্ষী বিভাগৰ সঞ্চালককে ধৰি বিষয়া-জোৱান সকল আৰু প্ৰচাৰ মাধ্যমৰ বন্ধু সকলক অসম বিধান সভাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। এই পবিত্ৰ সদনে মোৰ ওপৰত ন্যাস্ত কৰা গুৰুদায়িত্ব পালন কৰোতে অসম বিধান সভাৰ মাননীয় সদস্য-সদস্যা সকলে আগবঢ়োৱা দিহা পৰামৰ্শ আৰু সহযোগীতাৰ বাবে মই আন্তৰিক ধন্যবাদ জনালো। পৰিশেষত সদনত উপস্থিত সদৌটিলৈ আগন্তুক ইংৰাজী নৱ বৰ্ষ ২০২১ লৈ মোৰ আন্তৰিক ওলগ আৰু শুভেচ্ছা যাচিলো। আশা কৰো আগন্তুক বছৰটো আমাৰ সকলো অসম বাসীৰ বাবে শুভ হ'ব। এইখিনি কথা কৈ আমি সামৰণি মাৰিছো। তাৰ আগতে এটা ঘোষণা কৰিব বিচাৰিছো যে আজি গধূলি ৬ঃ৩০ বজাত All India Presiding Officers Conference **খনৰ ইয়াত এখন** Round Table Conference **পাতিছো। আমাৰ** All India Presiding Officers Conference **খন হোৱা আজি ১০০ বছৰ হ'ল। চেপ্তেম্বৰৰ ২৫,২৬ ত ১০০ বছৰ হ'ল। যোৱাবাৰ লোক সভাত আমাৰ এখন মিটিং হৈছিল। তাতে আমাক কোৱা হৈছিল যে এইটো বছৰযোৱা কাৰ্য্যসূচী ল'ব লাগে। ক'ৰনা মহামাৰী থকাৰ পাছতো আমি খুব** Limited way **আমি এই** function **কেইটা পাতিছো কাৰণ আমাৰ পাৰ্লিয়ামেন্টৰ জন্মহোৱা ১০০ বছৰ হৈছে, সেইখন বৃটিছে কৰিছিল। ছাৰ হোৱাইট আছিল প্ৰথম** President **বুলি কয়** Speaker **ৰক। তাৰ পাছত বিট্ঠল ভাই পেটেল আমাৰ প্ৰথম** elected President **ভাৰতীয়। গতিকে এই পৰম্পৰাটোৰ ১০০ বছৰ উপলক্ষে আমি প্ৰথমতে সৰু এখন আলোচনাচক্ৰ দিছিলো। অৰুণাচলৰ যিজন প্ৰাক্তন** Speaker **য়ে আহি তাত এটা ভাষণ দিছিল, আমাৰ প্ৰাক্তন** Speaker **প্ৰাক্তন** Deputy Speaker, **আমাৰ** Parliament Affairs Minister **ৰকে আদি কৰি আৰু আমি ক'ৰনাৰ কাৰণে আমি সকলোকে নিমন্ত্ৰণ কৰা নাছিলো, আজি আমাৰ ২য় এখন বৈঠক। আমি ইয়াত আজি বিশেষকৈ আমাৰ এজন** High Court **ৰ** Retired Judge **বিজু কটকী, আমাৰ** Political Science **ৰ** Head **গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰু** Parliament Affairs Department **ৰ কমিছনাৰক মাতিছো। আমাৰ** Parliament system in India in a special reference to Assam **এনেধৰণৰ এটা আমি তেওঁলোকৰ পৰা শুনিম। আমাৰ সকলো** , ex- Speaker, Speaker **ৰকো মাতিছো, আপোনালোককো মই গধুলী আমাৰ ৬ঃ৩০ বজাৰ পৰা হোৱা কথা, যি সকল আহিব পাৰে আহিব, আৰু নহাসকলো গধুলী ভাত খাবৰ কাৰণে ইয়ালৈ আহিব। আমি এসাজ ভাতৰ আয়োজন কৰিছো। মই সকলোকে নিমন্ত্ৰণ কৰিছো আৰু এইখিনি কথাৰে সকলোকে ধন্যবাদ জনাই লগতে ভোগালী বিহুৰ শুভেচ্ছা জনাই আমাৰ সদন অনিৰ্দ্দিষ্ট কালৰ বাবে স্থগিত ৰাখিছো।**

**( সদন গধুলি ৬ বজাত অনিৰ্দীষ্ট কালৰ বাবে স্থগিত হয়)**